চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ.; এন. ই. পি-2020 অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

নিৰ্বাচিত অসমীয়া সাহিত্য পাঠ

অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **দীপ্তি ফুকন পাটগিৰি**, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **বিমল মজুমদাৰ**, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **অনুৰাধা শর্মা**, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° **মৃণাল জ্যোতি গোস্বামী**, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	অসমীয়া লোককবিতা	ড^{0} উমেশ দাস, সহকাৰী অধ্যাপক, চিলাৰায় মহাবিদ্যালয় ড^{0} মৃণাল জ্যোতি গোস্বামী
২	শংকৰদেৱ : নন্দোৎসৱ	ড^{0} জোনমণি গগৈ, সহকাৰী অধ্যাপক, কৃষ্ণ বৰা বি. এড. কলেজ
৩	ছাহমিলান : অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম	ড^{0} জোনমণি গগৈ ড^{0} মৃণাল জ্যোতি গোস্বামী
৪	অম্বিকাগিৰী ৰায়চৌধুৰী : গঢ়া কৰি মোক ঝাডুদাৰ	ড^{0} জোনমণি গগৈ ড^{0} মৃণাল জ্যোতি গোস্বামী
৫	হেমৰুৰা : মমতাৰ চিঠি	ড^{0} হৰি প্রসাদ বৰুৱা, সহকাৰী অধ্যাপক, এল. অ. কে.ডি. কলেজ
৬	লক্ষ্মীনাথ বেজবৰুৱা : ভদৰী	ড^{0} মিলন নেওগ, সহকাৰী অধ্যাপক, এ.ডি.পি. কলেজ
৭	যোগেশ দাস : পৃথিৱীৰ অসুখ	ড^{0} জয়ন্ত কুমাৰ দাস, সহযোগী অধ্যাপক, কলিয়াবৰ মহাবিদ্যালয়
৮	বাণীকান্ত কাকতি : সাহিত্যত কৰুণ ৰস	ড^{0} বিউটি গগৈ, সহকাৰী অধ্যাপক উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয়
৯	ৰজনীকান্ত বৰদলৈ : নির্মল ভকত — 1	ড^{0} হৰি প্রসাদ বৰুৱা
১০	ৰজনীকান্ত বৰদলৈ : নির্মল ভকত — 2	ড^{0} হৰি প্রসাদ বৰুৱা
১১	শংকৰদেৱ — কালিদমন	ড^{0} মীৰা বৈশ্য, সহকাৰী অধ্যাপক, জাগীৰোড মহাবিদ্যালয় ড^{0} মৃণাল জ্যোতি গোস্বামী

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° **প্রাণ্‌জিৎ বৰা**, সঞ্চালক তথা অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় 1–4 আৰু 11)

ড° **মৃণাল জ্যোতি গোস্বামী**, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(বাকী কেইটা অধ্যায়)

গাঁথনিক সম্পাদনা ঃ ড° **মৃণাল জ্যোতি গোস্বামী**, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ফেব্রুৱাৰী, 2024

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - 781 017
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-37, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - 781022; www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমীয়া লোককবিতা** ৫-১৭
অসমীয়া লোকগীত লোককবিতাৰ সাধাৰণ পৰিচয়, প্ৰাণ গোপাল, পাতিলা মায়াৰে খেলা : কামৰূপী লোকগীতৰ সাধাৰণ পৰিচয়, গীতটিৰ সাধাৰণ আলোচনা

অধ্যায় ২ ঃ **শংকৰদেৱ : নন্দোৎসৱ** ১৮-২৭
শংকৰদেৱ ঃ নন্দোৎসৱ — মূলপাঠ : কবি পৰিচয়, কবিতাটিৰ মূলভাব, কবিতাটিৰ সাধাৰণ আলোচনা, শব্দাৰ্থ

অধ্যায় ৩ ঃ **ছাহমিলান : অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম** ২৮-৩৭
ছাহমিলান : অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম (জিকিৰ) — মূলপাঠ : কবি পৰিচয়, জিকিৰৰ সাধাৰণ পৰিচয়, কবিতাটি (জিকিৰ)ৰ মূলভাব, কবিতাটি (জিকিৰ) ৰ সাধাৰণ আলোচনা, শব্দাৰ্থ

অধ্যায় ৪ ঃ **অম্বিকাগিৰী ৰায়চৌধুৰী : গঢ়া কৰি মোক ঝাড়ুদাৰ** ৩৭-৪৫
অম্বিকাগিৰী ৰায়চৌধুৰী : গঢ়া কৰি মোক ঝাড়ুদাৰ — মূলপাঠ : কবি পৰিচয়, কবিতাটিৰ মূলভাব, কবিতাটিৰ সাধাৰণ আলোচনা

অধ্যায় ৫ ঃ **হেম বৰুৱা : মমতাৰ চিঠি** ৪৬-৫৫
হেম বৰুৱা: মমতাৰ চিঠি — মূলপাঠ : কবি পৰিচয়, কবিতাটিৰ সাধাৰণ আলোচনা

অধ্যায় ৬ ঃ **লক্ষ্মীনাথ বেজবৰুৱা : ভদৰী** ৫৬-৬৮
লক্ষ্মীনাথ বেজবৰুৱা : ভদৰী — মূলপাঠ : জীৱন আৰু কৃতি, গল্পটিৰ সাধাৰণ আলোচনা

অধ্যায় ৭ ঃ **যোগেশ দাস : পৃথিৱীৰ অসুখ** ৬৯-৮৩
যোগেশ দাসৰ জীৱন আৰু কৃতি : যোগেশ দাসৰ গল্পৰ মূলসুৰ, পৃথিৱীৰ অসুখ : গল্পটোৰ বিষয়বস্তু আৰু সাধাৰণ আলোচনা, চুটিগল্প হিচাপে পৃথিৱীৰ অসুখ

অধ্যায় ৮ ঃ **বাণীকান্ত কাকতি : সাহিত্যত কৰুণ ৰস** ৮৪-৯৭
বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি: সাহিত্য সমালোচক হিচাপে বাণীকান্ত কাকতি, কাকতিৰ প্ৰবন্ধশৈলীৰ বৈশিষ্ট্য, সাহিত্যত কৰুণ ৰস : প্ৰবন্ধটোৰ বিষয়বস্তু, সাধাৰণ আলোচনা

অধ্যায় ৯ ঃ **ৰজনীকান্ত বৰদলৈ : নির্মল ভকত —১** ৯৮-১০৭
ৰজনীকান্ত বৰদলৈ ঃ জীৱন আৰু কৃতি ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ; *নির্মল ভকত* ঃ সাধাৰণ আলোচনা

অধ্যায় ১০ ঃ **ৰজনীকান্ত বৰদলৈ : নির্মল ভকত — ২** ১০৮-১১৭
নির্মল ভকত ঃউপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, ঐতিহাসিক উপন্যাস হিচাপে *নির্মল ভকত*

অধ্যায় ১১ ঃ **শংকৰদেৱ — কালিদমন** ১১৮-১৪৩
অংকীয়া নাট : 'অংকীয়া নাট' শব্দ দুটাৰ তাৎপৰ্য আৰু ইয়াৰ উৎপত্তি, অংকীয়া নাট ৰচনাৰ কলা-কৌশল, অংকীয়া নাটৰ বৈশিষ্ট্য, নাট্যকাৰ শংকৰদেৱ, কালিদমন : নাটৰ মূল আৰু বিষয়বস্তু, সাধাৰণ আলোচনা, ৰস-বিচাৰ

পৰিশিষ্ট ১৪৪-১৬০

প্ৰসঙ্গ পুথি ১৬১-১৬৪

পাঠ্যবিষয়ৰ পৰিচয় ঃ নিৰ্বাচিত অসমীয়া সাহিত্য পাঠ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে 2023 বৰ্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম (চি.বি.চি.এচ.; এন.ই.পি-2020 অনুসৰি) আগবঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্ৰমত শিক্ষাৰ্থীসকলে আন পাঠ্যবিষয়ৰ লগতে প্ৰথম তিনিটা ষাণ্মাসিকত আন্তঃবিভাগীয় পাঠ্যবিষয় (Interdisciplinary Courses) হিচাপেও তিনিখন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। সেই অনুসৰি অসমীয়া বিভাগৰ পৰা দ্বিতীয় ষাণ্মাসিকত এখন পাঠ্যবিষয় অধ্যয়নৰ বাবে আগবঢ়োৱা হৈছে। পাঠ্যবিষয়টিৰ নাম ' নিৰ্বাচিত অসমীয়া সাহিত্য পাঠ'। এই পাঠ্যবিষয়ৰ জৰিয়তে আপোনাক সামগ্ৰিকভাৱে অসমীয়া সাহিত্যৰ বিবিধ বিধা বা সাহিত্য ধাৰাৰ লগত পৰিচয় কৰাব বিচৰা হৈছে।

পাঠ্যবিষয়টিত অৰ্ন্তভুক্ত হোৱা বিষয়সমূহ সঠিকভাৱে অনুধাৱন কৰিব পৰাকৈ মুঠ 11 টা অধ্যায়ত বিভাজন কৰা হৈছে। ইয়াৰে প্ৰথম পাঁচটা অধ্যায়ত অসমীয়া কবিতাৰ সামগ্ৰিক আভাস দিব পৰাকৈ কেইটামান কবিতা নিৰ্বাচন কৰি অধ্যয়ন কৰিবলৈ দিয়া হৈছে। অসমীয়া লোককবিতা (লোকগীত)ৰ পৰা আৰম্ভ কৰি আধুনিক কবিতালৈকে এই অধ্যায় কেইটাত সামৰিব যত্ন কৰা হৈছে। অধ্যায় কেইটাৰ শিৰোনাম হ'ল ক্ৰমে — 'অসমীয়া লোককবিতা', 'শংকৰদেৱ : নন্দোৎসৱ', 'ছাহমিলান : অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম', 'অম্বিকাগিৰী ৰায়চৌধুৰী : গঢ়া কৰি মোক ঝাড়ুদাৰ' আৰু 'হেম বৰুৱা : মমতাৰ চিঠি'।

অসমীয়া গদ্য সাহিত্যৰ ধাৰণা প্ৰদান কৰিবলৈ এইখন পাঠ্যবিষয়ত তিনি ধৰণৰ গদ্য ৰচনা অন্তৰ্ভুক্ত কৰা হৈছে— চুটিগল্প, প্ৰবন্ধ আৰু উপন্যাস। ষষ্ঠ আৰু সপ্তম অধ্যায় ক্ৰমে 'লক্ষ্মীনাথ বেজবৰুৱা : ভদৰী' আৰু 'যোগেশ দাস : পৃথিৱীৰ অসুখ'ত দুয়োগৰাকী স্বনামধন্য লেখকৰ উল্লিখিত গল্প দুটা বিশ্লেষণ কৰা হৈছে। অষ্টম অধ্যায়ত অসমৰ এগৰাকী বিশিষ্ট লেখক বাণীকান্ত কাকতীয়ে ৰচনা কৰা 'সাহিত্যৰ কৰুণ ৰস' নামৰ প্ৰবন্ধটি আলোচনা কৰা হৈছে। অসমীয়া উপন্যাস সাহিত্যৰ স্কট, উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ *নিৰ্মল* *ভকত* নামৰ উপন্যাসখনৰ বিবিধ দিশ আলোচনা কৰা হৈছে অধ্যায় নৱম আৰু দশমত। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে এই গোটেই কেইটা অধ্যায়তে লেখক কেইগৰাকীৰ জীৱন আৰু সাহিতকৃতি সম্পৰ্কেও কিছু আলোচনা সন্নিৱিষ্ট কৰা হৈছে। পাঠ্যবিষয়টিৰ শেষৰটো অধ্যায় হ'ল — 'শংকৰদেৱ — *কালিদমন*'। সাহিত্যৰ আন এটা ধাৰা হ'ল নাটক। শংকৰদেৱ অসমীয়া নাট্য সাহিত্য তথা নাট্য পৰিৱেশনৰ জনক। তেৱাই অংকীয়া নাট নামৰ এটি নতুন নাট্যধাৰা সৃষ্টিৰে অসমীয়া নাটকৰ পাতনি মেলিছিল। এই অধ্যায়টোত অংকীয়া নাট সম্পৰ্কে বহলাই আলোচনা কৰাৰ লগতে শংকৰদেৱে ৰচনা কৰা *কালিদমন* নাটখনৰ বিষয়ে সামগ্ৰিকভাৱে আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰি আপুনি সম্যকভাৱে অসমীয়া সাহিত্যৰ বিবিধ ধাৰাৰ সৈতে পৰিচিতি লাভ কৰিব। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে নাটখনি আৰু উপন্যাসখনৰ বাদে বাকী লেখনিৰ মূল পাঠসমূহ অধ্যায়ৰ ভিতৰত অথবা পৰিশিষ্টত অন্তৰ্ভুক্ত কৰা হৈছে। উপন্যাস আৰু নাটকখন স্ব-শিক্ষণ সামগ্ৰীৰ লগত সংলগ্ন কৰি দিয়াটো সহজসাধ্য নহয় বাবে আপুনি নিজাবীয়াকৈ সংগ্ৰহ কৰি মূল পাঠখিনি অধ্যয়ন কৰিব লাগিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। পাঠ্যবিষয়টিৰ শেষত গোটেই পাঠ্যবিষয়টি প্ৰস্তুত কৰোঁতে সমল আহৰণ কৰা পুথিসমূহৰ নাম 'প্ৰসংগপুথি' হিচাপে ক্ৰমানুসাৰে উল্লেখ কৰা গৈছে।

অধ্যায় ১ ঃ অসমীয়া লোককবিতা

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 অসমীয়া লোকগীতû লোককবিতাৰ সাধাৰণ পৰিচয়

1.4 প্ৰাণ গোপাল, পাতিলা মায়াৰে খেলা

1.4.1 কামৰূপী লোকগীতৰ সাধাৰণ পৰিচয়

1.4.2 গীতটিৰ সাধাৰণ আলোচনা

1.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1.6 অধিক জানিবলৈ

1.7 অগ্ৰগতিৰ খতিয়ান

1.8 আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোকগীতû লোককবিতা বুলিলে কোনখিনি কবিতাক সূচোৱা হয় সেই বিষয়ে অৱগত হ'ব
- কামৰূপী লোকগীতৰ সাধাৰণ পৰিচয় লাভ কৰিব
- লগতে 'প্ৰাণ গোপাল, পাতিলা মায়াৰে খেলা' গীতটোৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

এইটো নিৰ্বাচিত অসমীয়া সাহিত্য পাঠ শীৰ্ষক আন্তঃবিভাগীয় পাঠ্যবিষয়টিৰ প্ৰথমটো অধ্যায়। আমি সকলোৱে জানোঁ যে সাহিত্যই লিখিত ৰূপ লাভ কৰাৰ পূৰ্বে মৌখিকভাৱে জনসমাজত প্ৰচলিত হৈ আছিল আৰু সেই সকলোবোৰকেই লোকগীত বা লোককবিতা বুলি কোৱা হয়। মন কৰিবলগীয়া যে, যি কোনো লোকসাহিত্য সমাজৰ সামগ্ৰিক সৃষ্টি, সেয়ে অধিকাংশ লোকগীত বা লোককবিতাত ৰচকৰ নাম উল্লেখ নাথাকে বা পোৱা নাযায়। লোকসাহিত্যৰ ৰচনাকাল সম্পৰ্কেও সঠিকভাৱে ক'ব পৰা নাযায় যদিও কিছু সংখ্যক লোকগীতত সমসাময়িক সময়ৰ উল্লেখযোগ্য ঘটনা বা কথাৰ উল্লেখ থকাৰ বাবে ৰচনাৰ কাল নিৰ্ণয় কৰিব পাৰি। এই লোকগীতসমূহৰ মাজত চহাজীৱনৰ আৱেগ-অনুভূতি, হা-হুমুনিয়াহ, হৰ্ষ-বিষাদৰ একোখন অনুপম চিত্ৰ উদ্ভাসিত হৈ উঠে।

সমালোচকসকলে লোকসাহিত্যৰাজিক বিবিধ দৃষ্টিভংগীৰে বিভাজন কৰি আলোচনা কৰে। এই অধ্যায়টোত আমি অসমীয়া লোকগীত বা লোককবিতা সম্পর্কে আপোনাক সম্যক ধাৰণা প্রদান কৰিম। লগতে অসমৰ এটা লোককবিতা বা লোকগীত সম্পর্কে বহলাই আলোচনা কৰিম। অধ্যায়টিৰ অধ্যয়নে আপোনাক এই দুয়োটা বিষয় সম্পর্কে এক বিস্তৃত ধাৰণা প্রদান কৰিব।

১.৩ অসমীয়া লোকগীত/লোককবিতাৰ সাধাৰণ পৰিচয়

অসমীয়া লোককবিতা সম্পর্কে আলোচনাত প্রবৃত্ত হোৱাৰ পূর্বে আমি 'লোককবিতা' মানে নো কি বুজা যায় সেই সম্পর্কে কিছু কথাৰ আলোচনা কৰি লোৱাৰ প্রয়োজনীয়তা উপলব্ধ হয়। প্রথমেই মনলৈ আহে — লোকগীত তথা লোককবিতাৰ সংজ্ঞা কি? নির্মলপ্রভা বৰদলৈৰ ভাষাৰে ক'ব পাৰি — "সংজ্ঞাৰ ঠেক সূত্রত ই বান্ধ নাখায়। লোকজনে নিজা অভিজ্ঞতা যেতিয়া স্বতঃস্ফূর্ত্তভাৱে ছন্দত প্রকাশ কৰে আৰু ৰসোত্তীর্ণ হয়, তাকেই লোককবিতা বুলি ক'ব লাগিব। জন-জীৱনৰ আবেগ-অনুভূতি নিজস্ব ৰূপত, নিজস্ব ছন্দত, নিজস্ব ৰূপক, উপমাৰে নিজৰ মহিমা নিজে প্রকাশি অনায়াসে ৰূপ লৈ উঠে য'ত সেয়াই বিচিত্র ৰূপৰ, বিচিত্র বিষয়ৰ লোককবিতা।" এই লোককবিতাত সুৰ আৰোপ কৰিলেই সি ৰূপান্তৰিত হয় লোকগীতলৈ। "লোককবিতাক প্রভাৱান্বিত কৰি লোকগীত কৰি তোলে অৰণ্য, পাহাৰ, সমতল আৰু নদীৰ সুৰে। অৰণ্যই প্রদান কৰে মানুহৰ অজানিতেই মনক বন্য মাদকতা, সমতলৰ জীৱনে দিয়ে সমতলৰ জীৱিকাৰ ছন্দ। জীৱিকাৰ ছন্দই প্রকৃততে জীৱনৰ ছন্দ। নদীৰ সুৰত থাকে বৈ যোৱাৰ, থমকি চোৱাৰ ৰুণ্‌জুন্ ধ্বনি, পাহাৰৰ সুৰে দিয়ে দূৰণিৰ ৰিঙা ৰিঙা আকুলতা।" এই উদ্ধৃতি দুয়োটাৰ পৰাই আমি সামগ্রিকভাৱে লোককবিতা মানে কি আৰু লোকগীত তথা লোককবিতাৰ মাজৰ সম্পর্কৰ বিষয়ে অনুধাৱন কৰিবলৈ সক্ষম হ'লো।

বিশ্বৰ আন আন লোকসাহিত্যৰ দৰে অসমীয়া লোকসাহিত্যও অতি প্রাচীন কালৰে পৰা ৰচিত আৰু প্রচলিত হৈ আহিছে। আন লোকসাহিত্যৰ দৰে অসমীয়া লোকসাহিত্যৰো ৰচনাকাল সম্পর্কে খাটাংকৈ কোৱাটো টান। বিষয়বস্তু আৰু ৰচনা-ৰীতিৰ ফালৰ পৰা অসমীয়া লোকসাহিত্যক প্রধানকৈ তিনিটা শ্রেণীত ভগাব পাৰি — [1) লোকগীত, (2) ফকৰা-যোজনা, প্রবাদ, পটন্তৰ, সাঁথৰ আদি আৰু (3) সাধুকথা। ইয়াৰ উপৰি ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, প্রসংগ বা অনুষঙ্গ, প্রকার্য, প্রয়োগ, ৰূপক, অর্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে লোকসাহিত্যক শ্রেণী বিভাজন কৰি বিচাৰ-বিশ্লেষণ কৰিব পাৰি। আমি ইতিমধ্যে উল্লেখ কৰা শ্রেণী বিভাজনটো মূলতঃ বিষয়বস্তুৰ ফালৰ পৰা কৰা শ্রেণী বিভাজনহে।

মন কৰিবলগীয়া যে লোকসাহিত্যক আঞ্চলিক বৈশিষ্ট্য বা ভৌগোলিক বৈশিষ্ট্যৰ আধাৰতো শ্রেণী বিভাজন কৰা দেখা যায়। নির্দিষ্ট একো একোটা অঞ্চলৰ ভাষিক ৰূপৰ ওপৰত গুৰুত্ব দি অসমীয়া লোকগীতসমূহক 'গোৱালপৰীয়া' আৰু 'কামৰূপী' লোকগীত বুলি বিভাজন

কৰা হৈছে। এই অধ্যায়টিত আমি এটি কামৰূপী লোকগীত অধ্যয়ন কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ লোকগীত তথা লোককবিতাৰ সংজ্ঞা দাঙি ধৰক।

.....

প্রশ্ন নং ২ ঃ 'কামৰূপী লোকগীত'— বিভাজনটোৰ মূল আধাৰ কি?

.....

লোকসাহিত্যৰ ইতিহাসত লোককবিতা বা লোকগীতে বিশেষ স্থান অধিকাৰ কৰি আছে। বিষয়বস্তুৰ বিবিধতা আৰু গঠন ৰীতিৰ বিচিত্রতাৰে লোককবিতা বা লোকগীত সমৃদ্ধ। এই প্রসঙ্গত অসমীয়া লোকগীত বা লোককবিতাৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

- অসমৰ থলুৱা অধিবাসীসকলৰ জীৱিকা আছিল মূলতঃ কৃষি। সেয়ে অসমীয়া লোককবিতা বা লোকগীতসমূহত শ্রম তথা জীৱিকাৰ কথা বহুলভাৱে প্রকাশ পাইছে। প্রকাশ পাইছে মাটিৰ লগত থকা সম্পর্কৰ একাত্মতা। সেয়ে ক'ব পাৰি অসমীয়া লোককবিতা বা লোকগীতৰ ঐক্য আৰু বিচিত্রতা চকুত পৰা আৰু ভক্তিমূলক কিছুসংখ্যক কবিতাৰ বাদে বাকীখিনি লোককবিতা ধর্ম্মীয় প্রভাৱৰ পৰা মুক্ত।
- এখন সমাজৰ সামাজিক গাঁথনি, অর্থনীতি আৰু আচৰণবিধি নিজস্ব আৰু লোককবিতা সৃষ্টিত তাৰ প্রভাৱ অপৰিসীম। অসমীয়া লোককবিতাও তাৰ পৰা আঁতৰত নহয়। লৌকিক জীৱন দর্শন আৰু অতিলৌকিক জীৱন সম্পর্কে লোকায়ত আদর্শই লোকগীত-পদৰ মাজতে সকলোতকৈ বেছি প্রকাশিত হয়। অসমীয়া লোককবিতা বা লোকগীতৰ পৰা উদাহৰণ হিচাপে আমি উল্লেখ কৰিব পাৰোঁ — বিয়ানামৰ পানী তোলা গীতত জলকোঁৱৰে কোঁৱৰক হৰি নিয়াৰ উল্লেখৰ কথা। ইয়াত জলকোঁৱৰে কোঁৱৰক হৰি নিয়াৰ কথাটো অতিলৌকিক বিশ্বাসৰ পৰা গীতৰ মাজলৈ আহিছে।
- লোককবিতা বা লোকগীতবোৰত লোকসমাজৰ ছবি স্বতঃস্ফূর্তভাৱে প্রকাশ পায়। সেই কথাৰ খেও ধৰিয়েই ক'ব পাৰি — নাৰী প্রধান লোককবিতা বা গীতসমূহ অনুষ্ঠান নির্ভৰ আৰু চিত্র প্রধান। আনহাতে পুৰুষৰ গীতত আছে কল্পনা প্রৱণতা আৰু আকাংক্ষাজনিত উদ্দমতা।
- অধিকাংশ লোকগীতৰ ৰচনা কাল সম্পর্কে খাটাং কোনো সিদ্ধান্ত পোৱা নাযায়। বুৰঞ্জী বা ঐতিহাসিক আৰু বৈষ্ণৱ ভাবসম্পন্ন গীতৰ ৰচনা কালৰ বিষয়ে অনুমান কৰি ল'ব পাৰি। ইয়াৰ পৰাই ক'ব পাৰি যে সমাজ বিবর্তনৰ স্বাক্ষৰো কিছু লোককবিতাত ৰক্ষিত হয়।
- অসমীয়া লোকগীত বা লোককবিতাসমূহত মনৰ আশা-নিৰাশা, হাঁহি-অশ্রু, পূর্বৰাগ-বিৰহ, সমস্যা-সমস্যা সমাধানৰ আকাংক্ষা, ধনী-দুখীয়াৰ শ্রেণী সমস্যা, অর্থনৈতিক দুর্দশা আদিকে

ধৰি জীৱনধৰ্মী কথাবোৰেই কেতিয়াবা সাংকেতিকভাৱে আৰু কেতিয়াবা পোনে-পোনে প্ৰকাশ পাইছে।

- লোকগীত বা লোককবিতাসমূহ ৰস সাগৰত ডুবি থাকে। অধিকাংশ শৃঙ্গাৰ, হাস্য আৰু কৰুণ ৰসেৰে ভৰপূৰ যদিও কিছু কিছু লোকগীতত বীৰ আৰু ৰৌদ্ৰ ৰসো প্ৰকাশ পাইছে।
- লোকগীত বা লোককবিতাসমূহত প্ৰয়োগ কৰা কল্প-চিত্ৰবোৰৰ মাজত ক'ব নোৱাৰাকৈয়ে একধৰণৰ ঐক্য বিৰাজ কৰি আছে। আলংকাৰিক দৃষ্টিভংগীৰে বিচাৰ কৰিলে দেখা যায় যে, এই লোককবিতা বা লোকগীতবোৰত উপমা, ৰূপক, অপ্ৰস্তুত প্ৰশংসা অতিশয়োক্তি আদি বিবিধ অলঙ্কাৰৰ প্ৰয়োগ ঘটিছে। অৱশ্যে মন কৰিবলগীয়া যে, "প্ৰকৃতিৰ সূক্ষ্ম ধ্বনি, বিভিন্ন প্ৰহৰৰ ৰং, পাৰ্থিৱতাৰ ৰং ৰূপ, মানসিকতাৰ ৰং ৰূপ'— এই বোৰেই লোককবিতাৰ অলংকাৰ প্ৰয়োগৰ মূল অৱলম্বন।
- লোকগীত বা লোককবিতাসমূহক তেতিয়াহে এই অভিধাৰে অভিহিত কৰা হয়, যেতিয়া ইয়াৰ মাজত সামূহিক মন, আকাংক্ষা, ধাৰণা আদিৰ প্ৰকাশ ঘটে আৰু সমূহে সমানে গ্ৰহণ কৰে।
- লোককবিতা বা লোকগীত যিহেতু মৌখিকভাৱে প্ৰচলিত হৈ আহে সেয়ে ই প্ৰায়ে ছন্দত ৰচিত। আনকি কিছুসংখ্যক গীতত দেখা যায় যে, দুদলৰ মাজত হোৱা তৰ্কও (সেয়া ধেমালিতেই হওক বা গভীৰভাৱেই হওক) ছন্দতেই সম্পন্ন হয়। এইবোৰে কেতিয়াবা গীতবোৰক নাটকীয় মৰ্যাদা প্ৰদান কৰে আৰু 'জনজীৱনৰ প্ৰত্যুৎপন্নমতিতা বৰ সজীৱ ৰূপত লক্ষ্য কৰা যায়'। ছন্দসজ্জাৰ দৃষ্টিৰে চালে ইয়াত পয়াৰ, পদ, ছবি, দুলড়ী আদি ছন্দৰ পয়োভৰ থকা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া লোকগীত বা লোককবিতাৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰক। (60 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

১.৪ প্ৰাণ গোপাল, পাতিলা মায়াৰে খেলা

ঘোষা — প্ৰাণ গোপাল, গোপাল তই পাতিলি
মায়াৰে খেলি মোৰ দয়াল।

পদ — ৰুৱা দিলা শাৰী শাৰী মাৰলিৰ ফুটা।
সেটু ঘৰত লাগি থলাক একেজুৰি খুটা।।
ৰুৱা দিলা শাৰী শাৰী কামী দিলা পাৰি।
সেটু ঘৰ চেই থলাক একে বেচা কৰি।।
চাৰিফালে বেৰা দিয়া কৰিলা আন্ধাৰ।
ভাগকভাগে লগাই থৈছা নখেনি দুৱাৰ।।
নখানি দুৱাৰে আছে নটা দুৱৰী।
তাহাৰ উপৰ আছে পূর্ণানন্দ হৰি।।
সোণাৰ পুতলি দেহা কৰিলা গঠন।
তাহাৰ ভিতৰ আছে নিত্য নিৰঞ্জন।।
তাতে এটা নদী আছে বহে তীক্ষন ধাৰ।
কাল-বিকাল পাখী দুটা ইপাৰ সিপাৰ।।
হেঙুলীয়া পখী দুটা কাজলীয়া পাখী।
সেই কাৰণে দুই পখীৰ নাই দেখাদেখি।।
কহয় মাধৱ দাস ব্রহ্ম নিৰাকাৰ।
গুৰুত পুচিয়া লবা ই প্রশ্নৰ উত্তৰ।।

১.৪.১ কামৰূপী লোকগীতৰ সাধাৰণ পৰিচয়

পাঠ্যবিষয়ৰ অন্তর্ভুক্ত এই গীতটো কামৰূপী লোকগীতৰ অন্তর্গত বুলি ইতিমধ্যেই আপুনি গম পাইছে। গীতটোৰ বিষয়ে বহলাই আলোচনাত প্রবৃত্ত হোৱাৰ আগতে আমি কামৰূপী লোকগীত বুলিলেনো কি বুজো বা এই কামৰূপী লোকগীতৰ মূল বিশেষত্বনো কি সেই বিষয়ে কিছু কথা আলোচনা কৰিব খুজিছোঁ। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে আঞ্চলিক শ্রেণীবিভাজনৰ আধাৰত অসমৰ লোকগীতক ‘গোৱালপৰীয়া’ আৰু ‘কামৰূপী’ — এই দুটা ভাগত ভাগ কৰিব পাৰি। এই বিভাজনৰ মূল আধাৰ হ’ল দুয়োটা অঞ্চলত প্রচলিত অসমীয়া ভাষাৰ ভাষিক ৰূপ। ‘কামৰূপ’ শব্দটো থকাৰ পৰাই আপুনি নিশ্চয় ধাৰণা কৰিব পাৰিছে যে এই বিভাজনৰ অন্তর্গত গীতসমূহ কামৰূপ অঞ্চলত প্রচলিত। মন কৰিবলগীয়া যে ইয়াত ‘কামৰূপ’ শব্দটোৱে সাম্প্রতিক সময়ত কামৰূপ বুলি ক’লে যিখিনি অঞ্চলক সূচায় তাতকৈ ব্যাপক ভৌগোলিক পৰিধি সামৰি আছে। পূর্বতে কামৰূপ বুলি ক’লে যিখিনি অঞ্চল অন্তর্ভুক্ত আছিল সেই সকলো ঠাইক সামৰিবলৈহে এই অভিধাটো প্রয়োগ কৰা হৈ আহিছে। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে কোনো কোনোৱে ‘কামৰূপী লোকগীত’ অভিধাটোৰ পৰিৱর্তে ‘কামৰূপীয়া লোকগীত’ অভিধাটিও প্রয়োগ কৰে। আমি পিছে ‘কামৰূপী লোকগীত’ অভিধাটোহে আমাৰ আলোচনাত ব্যৱহাৰ কৰিম।

কামৰূপী লোকগীত বা লোককবিতাত বিবিধ বিষয়বস্তু সামৰি লোৱাৰ লগতে বিষয়বস্তু উপস্থাপনৰো বিশেষ কৌশল অৱলম্বন কৰা দেখা যায়। ঠিক সেইদৰে ভাষিক পার্থক্য, পৰিৱেশন শৈলী আদি দিশৰ পৰাও এই ধাৰাৰ গীতসমূহ সমৃদ্ধ। কামৰূপী লোকগীতত অসমৰ বিবিধ সংগীতৰ ভিন ভিন উপাদানৰ সু-সংমিশ্রণ ঘটিছে। এহাতে পশ্চিম অসমৰ লোকগীতৰ সুৰৰ লগত পূব অঞ্চলৰ লোকগীতৰ সুৰৰ বৈশিষ্ট্য মিহলি হৈছে; তাৰ লগত যুক্ত হৈছে সত্রীয়া সংগীত আৰু ওজাপালি সংগীতৰ কিছু কিছু উপাদান।

সামগ্রিকভাৱে চালে দেখা যায় — কামৰূপী লোকগীতৰ বিষয়-বৈচিত্র্য বর্তমান। ইৰোৰ বহুলাংশে অসমত প্রচলিত বৈষ্ণৱ গীত-মাতৰ ওচৰ চপা যদিও তাৰ মাজতে নিজস্ব বৈশিষ্ট্যৰেও উদ্ভাসিত হৈ আছে। লৌকিক জীৱনৰ বিচিত্র উপকৰণ, উদাহৰণ, ৰস আদিৰে সম্পৃক্ত কামৰূপী লোকগীতৰো নানা ধাৰা দেখিবলৈ পোৱা যায়। লোকজীৱনৰ বিবিধ কল্পচিত্র, নৈসর্গিক চিত্র, অলংকাৰৰ অভিপ্রেত ব্যৱহাৰেৰে এই গীতসমূহ সমৃদ্ধ।

লোকগীতক মূলতঃ তিনিটা প্রধান ভাগত বিভাজন কৰি আলোচনা কৰা হয়, যথা — অনুষ্ঠানমূলক, আখ্যানমূলক আৰু বিবিধ বিষয়ক। ইয়াৰে অনুষ্ঠানমূলক ভাগটোক পুনৰ ভক্তিনিৰপেক্ষ আৰু ভক্তিপ্রধান বা ভক্তিমূলক উপবিভাগত বিভাজন কৰি আলোচনা কৰা হয়। এই বিভাজনৰ আধাৰতে আমি বিষয়বস্তুৰ ফালৰ পৰা কামৰূপী লোকগীতকো একেদৰেই শ্রেণীবিভাজন কৰিব পাৰোঁ। ইয়াৰে ভক্তিমূলক শ্রেণী বিভাজনৰ অন্তর্গত এটি উপবিভাগ হ'ল 'পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীত'। এই শ্রেণীৰ গীতত সংসাৰৰ অনিত্যতা সম্পর্কীয় তাত্ত্বিক ভাব সন্নিৱিষ্ট হৈ থাকে। আমাৰ পাঠ্য 'প্রাণ গোপাল, গোপাল তই পাতিলি' গীতটি এই শ্রেণীৰ অন্তর্ভুক্ত। "এই শ্রেণীৰ গীতসমূহ অসমৰ বিভিন্ন ঠাইত পূর্ণসেৱা, বৰসেৱা, ৰাতিখোৱা, ৰীতীয়া আদি নামত সিঁচৰতি হৈ থকা গুপুত সম্প্রদায়ৰ মাজত বিশেষভাৱে প্রচলিত যদিও ভালেমান গীত সর্বসাধাৰণ ৰাইজৰ মাজতো সমাদৃত।" এই গীতবোৰৰ বহুলাংশতে মাধৱদেৱৰ নামত ভণিতা পেলোৱা দেখা যায় যদিও সেয়া প্রক্ষিপ্ত বুলি সমালোচক, সমীক্ষকসকলে ঠাৱৰ কৰিছে। সংসাৰৰ জ্বালা যন্ত্রণাৰ পৰা হাত-সাৰিবলৈ বা মুক্তি পাবলৈ ইচ্ছা কৰা সাধক মনৰ বৈৰাগ্যমূলক ভাব এই শ্রেণীৰ গীতৰ মাজত পোৱা যায়। কোনো বিশেষ ধর্মক প্রতিনিধিত্ব নকৰা অথচ সর্বধর্ম সমন্বয়মূলক এক প্রকাৰ তত্ত্বগধুৰ গীতেই হ'ল পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীত।

পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতসমূহ কেতিয়াৰ পৰা ৰচিত হ'বলৈ ধৰিছিল তাক সঠিকভাৱে ক'ব পৰা নাযায়। কিন্তু চর্যাপদসমূহৰ মাজতে ইয়াৰ ঐতিহাসিক উৎস বিচাৰি পোৱা যায়। চর্যাপদৰ লগত এই শ্রেণীৰ গীতৰ বিষয়বস্তু আৰু ভাববস্তুৰ যথেষ্ট মিল আছে; কিন্তু মাধৱদেৱৰ লগতে আন আন বৈষ্ণৱ ভকতৰ নাম উল্লেখ থকাৰ পৰা এইবিলাক গীত যে ষোড়শ বা তাৰ পৰৱর্তী সময়তহে ৰচিত, সেই কথা

অনুমান কৰিব পাৰি। ৰাতিখোৱা সম্প্রদায়ৰ কিছুমান গীতৰ পৰা ইয়াৰ অন্তৰালৰ ধর্ম সম্পর্কে কিছু কথা জনা যায়। এই গীতবোৰত শংকৰদেৱৰ *কীর্তন*ৰ 'অনাদি পাতন'ৰ প্রভাৱো পৰিলক্ষিত হয়। সেইফালৰ পৰা চাবলৈ গ'লে ভাৰতীয় ধর্ম দর্শনৰ মূল তত্ত্বই এই শ্রেণী গীতৰো মূল ধর্মতত্ত্ব। গীতত প্রকাশ পোৱা বিষয়বস্তু, ভাব আৰু সাধন মার্গৰ ফালৰ পৰা ৰাতিখোৱা নিচিনা তান্ত্রিক অনুষ্ঠানৰ লগতহে ইয়াৰ অধিক সাদৃশ্য দেখা যায়।

এনে গীতত শৰীৰ, সংসাৰ, আত্মা, পৰমাত্মা আদি দার্শনিক তত্ত্বৰ কথা প্রতীক, চিত্রকল্প আৰু ৰূপকৰ দ্বাৰা প্রকাশ কৰা হয়। মহেশ্বৰ নেওগৰ মতে এই ধাৰাৰ গীতত চৌবিশতত্ত্ব, কাণ-নাক-চকু-মুখ-গুহ্য লিঙ্গৰ নৱ-মান দ্বাৰ, দশ প্রাণবায়ু চৰি ফুৰা ইড়া, পিঙ্গলা সুষুম্নাকে ধৰি বাসত্তৰি হাজাৰ নাড়ী, যোগশাস্ত্রৰ ষটচক্র, চৈধ্য ইন্দ্রিয়ৰ অধিষ্ঠাতা, পাপ-পুণ্যৰ সাক্ষীস্বৰূপে চৈধ্য দেৱতা, হৃদয় কমলে কৃষ্ণ সকলো শৰীৰতে বর্তমান। শৰীৰ সাধনাৰ ইঙ্গিতো এই প্রসঙ্গতে কৰা হৈছে। যোগবলত ***অপান*** বায়ুৰ মায়াৰ শকতি কুণ্ডলিনীৰ মুখেদি মেৰু মজ্জাৰ ভিতৰত প্রৱেশ কৰাব লাগে। এই শ্রেণীৰ গীতৰ এয়েই হ'ল ঘাই অৱলম্বন।



অপান ঃ যি বায়ু গুহ্যদ্বাৰেদি বাহিৰ কৰি দিয়া হয়।

পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতত স্বীকাৰ কৰা হয় যে দেহেই হৈছে ব্রহ্মাণ্ডৰ ক্ষুদ্র ৰূপ— 'যা আছে ব্রহ্মাণ্ডে তাই আছে ভাণ্ডে'। ইয়াত মানৱ দেহক চৌবিশ তত্ত্বৰ ঘৰ আৰু নখন দুৱাৰৰ মিলন বুলি কৈছে আৰু তাতেই অৱস্থান কৰি আছে পৰম ব্রহ্ম ঈশ্বৰ। অকল সেয়াই নহয় তেজ, বায়ু আৰু আকাশ সমন্বিতে পঞ্চভূত, পঞ্চতত্ত্ব, সপ্ত অৱলোক, সপ্ত উর্দ্ধলোক, সপ্তদ্বীপ, সপ্ত সাগৰ, সপ্ত পর্বত প্রভৃতি দেহৰ ভিতৰতে বিৰাজমান। অর্থাৎ এই পৃথিৱীত যিবিলাক বস্তু আছে সেই আটাইবিলাক বস্তু দেহৰ মাজতো বর্তমান।

এই ধাৰাৰ গীতৰ সাধকসকলে এই দেহসাধনৰ ওপৰত যি জোৰ দিয়ে সি লক্ষ্য কৰিবলগীয়া। সকলো তন্ত্রই বিশ্বাস কৰাৰ নিচিনাকৈ এই শ্রেণীৰ সাধকসকলেও নিৰালম্ব পৰম সত্যক যুগ্ম শক্তিৰ বিকাশশীল গতিৰূপে মান্য কৰে। এই যুগ্মশক্তি শিৱ আৰু শক্তি, পুৰুষ আৰু প্রকৃতি, ভোক্তা আৰু ভোগ্য, প্রজ্ঞা আৰু উপায়; ইহঁতৰ মিলন ঘটাব পাৰিলেহে দেহৰ মাজত থকা পৰম গুৰু বা পৰমাত্মাৰ অন্বেষণ সম্ভৱপৰ। প্রত্যেক নৱ-নাৰীৰ মাজতেই এই যুগ্ম শক্তি সুপ্ত অৱস্থাত থাকে। তথাপিও পুৰুষৰ মাজত শিৱতত্ত্ব আৰু নাৰীৰ মাজত শক্তিতত্ত্বৰ প্রকাশ বেছি। আমাৰ শৰীৰৰ শিৰোভাগৰ চক্রত সর্পৰূপে কুণ্ডলীকৃত অৱস্থাত থাকে শক্তি। যৌগিক ক্রিয়া আৰু আত্মসংযমৰ দ্বাৰা সাধকে কুণ্ডলিনীক বাওঁ আৰু সোঁফালৰ পৰা পিঙ্গলাত প্রাণ আৰু অপান বায়ুক নিৰোধ কৰি মধ্যম নাড়ী সুষুম্নাৰ ভিতৰেদি বোৱাব পাৰিলে অন্তৰত এনে এক শক্তিৰ উদ্ভাৱন হয়, যাৰ দ্বাৰা সাধকে সাংসাৰিক সকলো সুখ দুখৰ অৱসান ঘটাই পৰম আনন্দৰ অধিকাৰী হ'ব পাৰে।

এই কঠোৰ সাধনাৰ কেন্দ্র হিচাপে এনে গীতৰ গীতিকাৰসকলে মনকেই বিভিন্ন ৰূপে বিশ্লেষণ কৰিছে। অন্তৰাত্মাৰ চাৰি ৰূপ মন, বুদ্ধি, অহংকাৰ আৰু চিত্ত। ইয়াৰ

ভিতৰত মনেই হ'ল মুখ্য। ই দশৰক্ষকৰ অধিৰক্ষক। মনৰ কামকেই জীৱই নিষ্কাম বুলি কর্মপাশত বন্দী হয়— 'মন ভাই তোৰ সঙ্গে জীৱ ভৈল বন্দী।' মনে দেহাৰ ভিতৰত হৃদয় কমলত থকা পৰম তত্ত্ব বা দিব্য সত্তাৰ দ্বাৰা জীৱক মুক্ত কৰিব পাৰে। এই দিব্য সত্তাই গীতসমূহত কেতিয়াবা নিজ গুৰু কৃষ্ণ বা হৰি আৰু কেতিয়াবা মন-ভাই ৰূপে প্রকাশ পাইছে। এই দেহভিত্তিক সাধনা হিন্দু, বৌদ্ধ, নাথ, যোগী, সহজীয়া বৈষ্ণৱ আটাইয়ে বিশ্বাস কৰে।

দেহতাত্ত্বিক সাধক গীতিকাৰসকল পৰম যোগী পুৰুষো আছিল। যোগদর্শনৰ পুংখানুপুংখ বিৱৰণ আৰু প্রক্রিয়াসমূহৰ কথা সেয়ে কিছুমান গীতৰ মাজত সুন্দৰভাৱে পোৱা যায়। এই শ্রেণীৰ সাধকে প্রবৃত্তিৰ ভটিয়নী সোঁতত গা এৰা নিদি নিজক নিবৃত্তিৰ উজান সুঁতিৰে আগবঢ়াই নিয়াৰ নির্দেশ দিয়ে। যোগশাস্ত্রৰ চর্চা নথকা হ'লে দেহৰ নাড়ী, ষট, দশ, পদ্ম আদিৰ অৱস্থান সম্পর্কে স্পষ্ট বর্ণনা দিয়া সম্ভৱপৰ নহ'লহেতেন। লক্ষ্যত উপনীত হ'বলৈ হ'লে সাধকৰ লাগে আত্মত্যাগ আৰু কঠিন আত্ম সংযম। দেহ-মন, ইন্দ্রিয় আদিক সংযত কৰিব পাৰিলেহে ভক্তি সাধন সম্ভৱপৰ হয়। এই ধাৰাৰ গীতত গুৰুৰ বিশেষ প্রয়োজনীয়তাৰ কথা স্বীকাৰ কৰা হয়। সাধন পথত অগ্রসৰ হোৱাৰ পথ কেৱল গুৰুৱেহে জানে। সেয়ে গুৰুক সুধি লোৱাটো প্রয়োজনীয়। সাধন পথত দেখা দিয়া বিভিন্ন হেঙাৰ আঁতৰাই গুৰুৰ নির্দেশিত পথেৰে আগুৱাই গ'লেহে প্রকৃত সত্যৰ পোহৰ পাব পাৰি। আমাৰ আলোচ্য গীতটোতো সেইবাবেই শেষত উল্লেখ কৰিছে —

কহয় মাধৱ দাস ব্রহ্ম নিৰাকাৰ।
গুৰুত পুচিয়া লবা ই প্রশ্নৰ উত্তৰ।।

এই গীতবোৰ ৰূপকধর্মী। ৰূপক, প্রতীক আদিৰ সহায়েৰে তেওঁলোকে সংসাৰৰ অনিত্যতা, মায়া-মোহত অন্ধ মানৱ জীৱনৰ কথা, আত্মা-পৰমাত্মা, ইহকাল-পৰকালৰ জটিল তত্ত্ববিলাকৰ সুন্দৰ আৰু সহজ-সৰল ব্যাখ্যা কৰিছে। বিশেষকৈ সংসাৰৰ অনিত্যতাই এই ধাৰাৰ গীতত প্রাধান্য লাভ কৰিছে। পৃথিৱীত জন্ম গ্রহণ কৰি ডাঙৰ দীঘল হওঁতে মায়াই মানুহক আৱৰি ধৰে। কিন্তু মৃত্যু যে অনিবার্য আৰু চিৰন্তন সত্য, এই কথা দম্ভ-অহংকাৰত অন্ধ মানুহে বুজি নাপায়। যিদিনা মৃত্যুমুখত উপস্থিত হয়গৈ, তেতিয়াহে ঈশ্বৰলৈ মনত পৰে। *গীতাত* থকা বাসাংনি জীর্ণানি, দেহৰ ক্ষণস্থায়িত্ব, আত্মাৰ অবিনশ্বৰতা, কাম, ক্রোধ আদিৰ প্রভাৱ আৰু মনেই সুখ-দুখৰ মূল, এইবিলাক কথা এই ধাৰাৰ গীতৰ মাজত লুকাই আছে। আনপিনে মায়া মোহত আৱদ্ধ হৈ যিখন সংসাৰৰ মিত্র কুটুম্বক মানুহে বুকুৰ আপোন বুলি ভাবে, সেইখন সংসাৰৰ মানুহেই মৃত্যুৰ আগমূহুর্তত অশুচি হোৱাৰ ভয়ত বুকুৰ কুটুম হেন মানুহৰ ঘৰৰ পৰা বাহিৰলৈ উলিয়াই দিয়ে। কপালৰ ঘাম মাটিত পেলাই যিখন ঘৰৰ কাৰণে সকলো কৰে, সেইবিলাক একো বস্তুৱেই লগত নাযায়। যায় মাথো দুডালি জাতি বাঁহ আৰু দুচলি খৰি।

সংসাৰী জীৱই চতুৰাশ্রমৰ জ্ঞান আৰু কর্মৰ জৰিয়তেহে এই সংসাৰৰ মায়া-

মোহৰ বন্ধনৰ পৰা নিজকে ছিন্ন কৰিব পাৰে। *গীতা* বা *বেদৰ* সাৰভাগ যে এই শ্রেণী গীতৰো সাৰকথা তাৰ প্রমাণ গীতৰ মাজতেই পোৱা যায়। কিছুমান গীতত বৈষ্ণৱ কবিৰ ভণিতা থকাৰ লগতে বৈষ্ণৱ তন্ত্র আৰু ঈশ্বৰৰ ভক্তিক সাঙুৰি বৈষ্ণৱ পৰিৱেশ যেন লগা জগত এখনৰ কথা পোৱা যায়।

এই শ্রেণীৰ গীতৰ পটভূমি ঘাইকৈ লোকজগত। এইবিধ লোকগীতৰ আন এটা বৈশিষ্ট্য হৈছে ইয়াৰ সহজ-সৰল ভাব-ভাষা আৰু জতুৱা সুৰ। সঙ্গীত বুলিলে কথাৰ লগত সুৰ সঞ্চাৰ, লয়, ছন্দ, তাল, মান, গায়ন আৰু প্রকাশভংগীৰ যি আনুষংগিক উপাদান থাকিব লাগে, এই ধাৰাৰ গীতত তাৰ অলপো হীন-ডেঢ়ি ঘটা দেখা নাযায়। গীতসমূহত উল্লেখ থকা ঘোষা বা দিহা আৰু পদৰ বাহিৰে কোনো লিখিত ব্যাকৰণ নাই।

এই শ্রেণীৰ লোকগীতৰ কোনো নির্দিষ্টকৈ বন্ধা ৰাগ বা তাল মানৰ উল্লেখ পোৱা নাযায় যদিও বিষ্ণুপ্রসাদ ৰাভাই ইয়াত কামৰূপী ৰাগৰ বৈশিষ্ট্য বর্তমান বুলি মন্তব্য কৰিছে। গীতবিলাকত তালৰ ব্যৱহাৰৰ কথা উল্লেখ নাথাকিলেও বিভিন্ন লয় আৰু ছন্দৰ যে ব্যৱহাৰ হৈছিল, সেই কথা সহজেই অনুমান কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতত মানৰ দেহাক কি বুলি বিবেচনা কৰা হয়? চমুকৈ লিখক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

১.৪.২ গীতটোৰ সাধাৰণ আলোচনা

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই ধাৰাৰ গীতত দেহ সাধনত অধিক গুৰুত্ব প্রদান কৰা হয়। তেওঁলোকে স্বীকাৰ কৰে দেহেই হৈছে ব্রহ্মাণ্ডৰ ক্ষুদ্র ৰূপ, 'যা আছে ব্রহ্মাণ্ডে তাই আছে ভাণ্ডে' লাইখুটাৰ ওপৰত শাৰী শাৰীকৈ ৰুৱা আৰু মাৰলী দি যেনেকৈ ঘৰ এটা নির্মাণ কৰা হয়, তেনেকৈ মেৰুদণ্ডৰ লগত শাৰী শাৰীকৈ কামি-হাড়

সংযোগ কৰি মানৱ দেহৰ জঁকাটো সৃষ্টি কৰা হৈছে আৰু ইয়াৰ ওপৰত তেজ, মঙহ, চালৰ প্ৰলেপ দি ব্ৰহ্মাণ্ডস্বৰূপ মানৱ দেহাটোৰ সৃষ্টি কৰা হয়। এই দেহাটোৰ ভিতৰতে অৱস্থান কৰি আছে পূৰ্ণানন্দ হৰি। সেয়েহে দেহতত্ত্ব নাজানিলে সাধন ভজন সকলো অসাৰ্থক। এনে গীতত মানৱ দেহ চৌব্বিশ তত্ত্বৰ ঘৰ আৰু নখন দুৱাৰ থকাৰ কথা কল্পনা কৰা হৈছে। মানৱ শৰীৰত থকা নখন দুৱাৰ হৈছে চকুহাল, কাণ দুখন, নাকৰ বিন্ধা, মুখ, গুহ্য, আৰু মূত্ৰদ্বাৰ। কেৱল সেয়াই নহয়, এই দেহাতেই আছে মাটি, পানী, তেজ, বায়ু আৰু আকাশ সমন্বিতে পঞ্চভূত, পঞ্চতত্ত্ব, সপ্ত অৱলোক, সপ্ত উৰ্দ্ধলোক, সপ্তদ্বীপ, সপ্তসাগৰ তথা সপ্ত-পৰ্বত। অৰ্থাৎ এই পৃথিৱীত যিবিলাক বস্তু বৰ্তমান সেই আটাইবিলাক বস্তু দেহৰ মাজতো বৰ্তমান। মন কৰিবলগীয়া যে এইব্ৰহ্মাণ্ডৰূপী দেহতেই মন, বিবেক, বুদ্ধি আদিয়ে ক্ৰিয়া কৰি থাকে কাৰণে মায়া, মোহ, দম্ভ, অহংকাৰত মানুহে সত্যৰ জ্ঞান হেৰুৱাই পেলায়। মাধৱ দাসে সেয়ে নিৰাকাৰ ব্ৰহ্মৰ জ্ঞান উপযুক্ত গুৰুৰ পৰা জানি ল'বলৈ নিৰ্দেশ দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গীতটিত নিৰাকাৰ ব্ৰহ্মৰ জ্ঞান আহৰণ কৰিবলৈ কাৰ সহায় ল'বৰ বাবে কোৱা হৈছে?

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ


- জন-জীৱনৰ আৱেগ-অনুভূতি নিজস্ব ৰূপত, নিজস্ব ছন্দত, নিজস্ব ৰূপক উপমাৰে, নিজৰ মহিমা নিজে প্ৰকাশি অনায়াসে ৰূপ লৈ উঠে য'ত সেয়াই বিচিত্ৰ ৰূপৰ, বিচিত্ৰ বিষয়ৰ লোককবিতা। এই লোককবিতাত সুৰ আৰোপ কৰিলেই সি ৰূপান্তৰিত হয় লোকগীতলৈ। বিশ্বৰ আন আন লোকসাহিত্যৰ দৰে অসমীয়া লোকসাহিত্যও অতি প্ৰাচীন কালৰে পৰা ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। আন লোকসাহিত্যৰ দৰে অসমীয়া লোকসাহিত্যৰো ৰচনাকাল সম্পৰ্কে খাটাংকৈ কোৱাটো টান।
- লোকসাহিত্যৰ ইতিহাসত লোককবিতা বা লোকগীতে বিশেষ স্থান অধিকাৰ কৰি আছে। বিষয়বস্তুৰ বিবিধতা আৰু গঠন ৰীতিৰ বৈচিত্ৰ্যৰে লোককবিতা বা লোকগীত সমৃদ্ধ। অধ্যায়টোত অসমীয়া লোককবিতা বা লোকগীতৰ কেইটামান প্ৰধান বৈশিষ্ট্যৰ কথাও আলোচনা কৰা হৈছে।

- অসমীয়া লোকগীতবোৰক আঞ্চলিক শ্রেণী বিভাজনৰ আধাৰত 'গোৱালপৰীয়া' আৰু 'কামৰূপী' লোকগীত নামেৰে বিভাজন কৰা হৈছে। কামৰূপী লোকগীত বা লোককবিতাৰ বিষয়বস্তু বৈশিষ্ট্যপূর্ণ। এই শ্রেণী লোকগীতকো আকৌ শ্রেণীবিভাজন কৰি আলোচনা কৰিব পাৰি। কামৰূপী লোকগীতত অসমৰ বিবিধ সংগীতৰ উপাদানৰ সু-সংমিশ্রণ ঘটিছে আৰু ইয়াক মূলতঃ অনুষ্ঠানমূলক, আখ্যানমূলক আৰু বিবিধ বিষয়ক গীত হিচাপে বিভাজন কৰি আলোচনা কৰিব পাৰি।
- কামৰূপী অনুষ্ঠানমূলক লোকগীতক পুনৰ ভক্তিনিৰপেক্ষ আৰু ভক্তিমূলক এই দুটা ভাগত ভাগ কৰিব পাৰি। আমাৰ আলোচ্য কবিতাটি ভক্তিমূলক ভাগটোৰ এটি উপবিভাগ 'পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীত'ৰ অন্তর্গত। এই শ্রেণীৰ গীতত সংসাৰৰ অনিত্যতা সম্পর্কে তাত্ত্বিক ভাব সন্নিৰিষ্ট থাকে। আমাৰ আলোচ্য কবিতাটিও এই ধাৰাৰ অন্তর্গত। সংসাৰৰ জ্বালা যন্ত্রণাৰ পৰা হাত-সাৰিবলৈ বা মুক্তি পাবলৈ ইচ্ছা কৰা সাধক মনৰ বৈৰাগ্যমূলক ভাব এই শ্রেণীৰ গীতৰ মাজত পোৱা যায়। কোনো বিশেষ ধর্মক প্রতিনিধিত্ব নকৰা সর্বধর্ম সমন্বয়মূলক এক প্রকাৰ তত্ত্বগধুৰ গীতেই হ'ল পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীত। এই গীতৰ মূল বিশেষত্বসমূহ অনুধাৱন কৰাৰ লগতে পাঠ্যবিষয়ত অন্তর্ভুক্ত নির্দিষ্ট লোকগীতটোৰ গুঢ়ার্থ সম্পর্কে অৱগত হ'ল।



১.৬ অধিক জানিবলৈ

1) গগৈ, লীলা [1968]; *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা;* গোলাঘাট ঃ নবীন পুস্তক ভাণ্ডাৰ।
2) গোস্বামী, প্রফুল্ল দত্ত [1986]; *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।
3) দাস, বাবুল (সম্পাঃ) [2011); *কামৰূপী লোকগীত;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।
4) নেওগ, মহেশ্বৰ [1985]; *অসমীয়া গীতি সাহিত্য;* গুৱাহাটী ঃ বাণী মন্দিৰ।
5) বৰুৱা, অতুল চন্দ্র [1981); *অসমীয়া লোক সাহিত্য;* গুৱাহাটী ঃ অসম বুক ডিপো।
6) বৰুৱা, প্রহ্লাদ কুমাৰ (সম্পাঃ) [2001]; *অসমীয়া লোক সাহিত্য;* ডিব্রুগড় ঃ সুৰভি সাহিত্য কুটীৰ।
7) শর্মা, শশী (1993); *অসমৰ লোক সাহিত্য;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।
8) শর্মা, হেমন্ত কুমাৰ [1998); *অসমীয়া লোকগীতি সঞ্চয়ন;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।
9) হাজৰিকা, পৰীক্ষিত [2004); *চর্য্যাপদ;* গুৱাহাটী ঃ বনলতা।



১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লোকজনে নিজা অভিজ্ঞতা যেতিয়া স্বতঃস্ফূর্তভাৱে ছন্দত প্রকাশ কৰে আৰু ৰসোত্তীর্ণ হয়, তাকেই লোককবিতা বুলি ক'ব লাগিব। এই লোককবিতাত সুৰ আৰোপ কৰিলেই সি ৰূপান্তৰিত হয় লোকগীতলৈ।

২ নং প্রশ্নৰ উত্তৰ ঃ গোৱালপৰীয়া' আৰু 'কামৰূপী' — এই দুটা বিভাজনৰ মূল আধাৰ হ'ল দুয়োটা অঞ্চলত প্রচলিত অসমীয়া ভাষাৰ ভাষিক ৰূপ।

৩ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া লোকগীত বা লোককবিতাৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— (ক) লোককবিতা বা লোকগীতবোৰত লোকসমাজৰ ছবি স্বতঃস্ফূর্তভাৱে প্রকাশ পায়। সেই কথাৰ খেও ধৰিয়েই ক'ব পাৰি — নাৰী প্রধান লোককবিতা বা গীতসমূহ অনুষ্ঠান নির্ভৰ আৰু চিত্র প্রধান। আনহাতে পুৰুষৰ গীতত আছে কল্পনা প্রৱণতা আৰু আকাংক্ষাজনিত উদ্দমতা। (খ) অধিকাংশ লোকগীতৰ ৰচনা কাল সম্পর্কে খাটাং কোনো সিদ্ধান্ত পোৱা নাযায়। বুৰঞ্জী বা ঐতিহাসিক আৰু বৈষ্ণৱ ভাবসম্পন্ন গীতৰ ৰচনা কালৰ বিষয়ে অনুমান কৰি ল'ব পাৰি। ইয়াৰ পৰাই ক'ব পাৰি যে সমাজ বিবর্তনৰ স্বাক্ষৰো কিছু লোককবিতাত ৰক্ষিত হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতত স্বীকাৰ কৰে যে দেহেই হৈছে ব্রহ্মাণ্ডৰ ক্ষুদ্র ৰূপ— 'যা আছে ব্রহ্মাণ্ডে তাই আছে ভাণ্ডে'। ইয়াত মানৱ দেহক চৌবিশ তত্ত্বৰ ঘৰ আৰু নখন দুৱাৰৰ মিলন বুলি কৈছে আৰু তাতেই অৱস্থান কৰি আছে পৰম ব্রহ্ম ঈশ্বৰ। অকল সেয়াই নহয় তেজ, বায়ু আৰু আকাশ সমন্বিতে পঞ্চভূত, পঞ্চতত্ত্ব, সপ্ত অৱলোক, সপ্ত উর্দ্ধলোক, সপ্তদ্বীপ, সপ্ত সাগৰ, সপ্ত পর্বত প্রভৃতি দেহৰ ভিতৰতে বিৰাজমান। অর্থাৎ এই পৃথিৱীত যিবিলাক বস্তু আছে সেই আটাইবিলাক বস্তু দেহৰ মাজতো বর্তমান।

৩ নং প্রশ্নৰ উত্তৰ ঃ গুৰুৰ।



১.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতসমূহে কোন ধর্মক প্রতিনিধিত্ব কৰে?

প্রশ্ন ২ ঃ পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতসমূহত কি সুৰৰ প্রভাৱ আছে বুলি বিষ্ণুপ্রসাদ ৰাভাই কৈ গৈছে?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'পাৰমার্থিক বিষয়ক আৰু দেহবিচাৰৰ গীতসমূহ' ৰূপকধর্মী — যুক্তি আগবঢ়াওক।

প্রশ্ন ২ ঃ প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰক —

ৰুৱা দিলা শাৰী শাৰী মাৰলিৰ ফুটা।
সেটু ঘৰত লাগি থলাক একেজুৰি খুটা।।
ৰুৱা দিলা শাৰী শাৰী কামী দিলা পাৰি।
সেটু ঘৰ চেই থলাক একে বেচা কৰি।।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'প্রাণ গোপাল, গোপাল তই পাতিলি' লোকগীতটিৰ মূলভাব বর্ণনা কৰক।

প্রশ্ন ২ ঃ 'প্রাণ গোপাল, গোপাল তই পাতিলি' লোকগীতটিৰ আধাৰত এই ধাৰাৰ গীতৰ তাত্ত্বিক বা দার্শনিক দিশ সম্পর্কে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ শংকৰদেৱ — নন্দোৎসৱ

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 শংকৰদেৱ ঃ নন্দোৎসৱ — মূল পাঠ

2.3.1 কবি পৰিচয়

2.3.2 কবিতাটিৰ মূলভাব

2.3.3 কবিতাটিৰ সাধাৰণ আলোচনা

2.3.4 শব্দাৰ্থ

2.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

2.5 অধিক জানিবলৈ

2.6 অগ্রগতিৰ খতিয়ান

2.7 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মহাপুৰুষ শংকৰদেৱৰ জীৱন আৰু কৃতি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- 'নন্দোৎসৱ' কবিতাংশৰ মূলভাব বিচাৰ কৰি আলোচনা আগবঢ়াব পাৰিব

২.২ পৰিচয়

এইটো নির্বাচিত অসমীয়া সাহিত্য পাঠ শীর্ষক আন্তঃবিভাগীয় পাঠ্যবিষয়টিৰ দ্বিতীয় অধ্যায়। ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া লোককবিতা সম্পর্কে সম্যক ধাৰণা লাভ কৰাৰ লগতে কামৰূপী লোকগীত এটি অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি এটি পুৰণি অসমীয়া কবিতা অধ্যয়ন কৰিবলৈ পাব। কবিতাটি হৈছে মহাপুৰুষ শংকৰদেৱৰ 'নন্দোৎসৱ'। কবিতা বুলি কোৱা হৈছে যদিও এয়া আচলতে *ভাগৱতৰ* দশমস্কন্ধৰ এটা অংশহে ; ইয়াত গোকুলৰ ৰজা নন্দৰ ঘৰত কৃষ্ণ ওপজাক কেন্দ্র কৰি সৃষ্টি হোৱা আনন্দ-উৎসৱৰ কথা বর্ণনা কৰা হৈছে।

আপুনি নিশ্চয় অৱগত যে অসমীয়া সমাজ জীৱনত মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ প্রভাৱ কিমান ব্যাপক। তেৱাৰ জীৱন আৰু কৃতি সম্পর্কে সকলোৱেই জানে যদিও আপোনাৰ অধ্যয়নৰ সুবিধার্থে এই অধ্যায়টোত শ্রীমন্ত শংকৰদেৱৰ জীৱন আৰু কৃতি সম্পর্কেও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে।

২.৩ শংকৰদেৱ ঃ নন্দোৎসৱ — মূল পাঠ

(দশমস্কন্ধ ভাগৱতৰপৰা)

শুকে এহি মানে দানৱৰ কথা থৈলা।
গোৱিন্দৰ শিশুলীলা কহিবাক লৈলা।।
উপজিলা পুত্র পাচে দেখি গোপ নন্দে।
কৰিলা সপটে স্নান পৰম আনন্দে।।
দৈৱজ্ঞ ব্রাহ্মণগণ অনাইলা অনেক।
জাত কর্ম কৰাইলন্ত পুত্রৰ যতেক।।
দেৱ পিতৃগণক অর্চিলা যেন শক্য।
ব্রাহ্মণক দিলা দান ধেনু দুই লক্ষ।।
নির্ম্মিলন্ত তিলৰ পর্বত গোটা সাত।
থানে থানে থৈলা তাত ৰত্ন অসংখ্যাত।।
সুৱর্ণ ৰজত বস্ত্রে কৰিয়া আবৃত।
তাকো নন্দে দিলা দান হুয়া কৃতকৃত্য।।
কৰন্ত মঙ্গল বেঢ়ি বহু বিপ্রচয়।
নটে ভাটে কৰৈ তুতি পঢ়িয়া চপয়।।
গাৱৈ গীত গীতালে হাতত তাল ধৰি।
আনন্দে দুন্দুভি বাৱে ফুঙ্কে শঙ্খ ভেৰি।।
গোৱালগণত বৰ আনন্দ মিলিল।
ধেনু বৎস বৃষক হালধি তৈল দিল।।
সাঞ্জি মাঞ্জি গোষ্ঠকে লিপিল গন্ধ জলে।
বিচিত্র পতাকা ধ্বজ ৰচিল চিৰলে।।
উৎসুকে কাছিবে লৈল যত গোপগণ।
পিন্ধিল বিচিত্র বস্ত্র ভাল আভৰণ।।
মাথাত মৈৰাৰ পাখি ফালি ফোটে ছলে।
আণ্ঠুতে লোটয় সুৱর্ণৰ মালা গলে।।
দধি দুগ্ধ ঘৃতৰ সন্দেশ ধৰি আটি।
নন্দৰ গৃহক লাগি যাই ধাৰি বাটি।।
গোপীগণো শুনৈ পুত্র ভৈল যশোদাৰ।
উৰুক মুৰুক কৰি পিন্ধে অলঙ্কাৰ।।
বান্ধিল উচ্চল খোপা পুষ্পে ভৰি কেশ।
আখিত অঞ্জন শিখে সিন্দুৰ বিশেষ।।

মুখ পঙ্কজক আতি ৰঞ্জিল কুঙ্কুমে।
হাতত সন্দেশ চলি যায় জুমাজুমে।।
চলৈ উচ্চ কুচ লৱৈ কুণ্ডল কর্ণৱ।
বাজে ৰুণঝুন কৰি নূপুৱ পাৱৱ।।
বাহুত মলয়া শঙ্খ গলপতা গলে।
পিন্ধি নেত খোণ্টাজালি লয়লাসে চলে।।
পৱৈ পুষ্প পথত খোপাৱ পৱা খসি।
পাৰিল উৰুলি সৱে নন্দ ঘৱে পশি।।
যশোদাক বেঢ়ি ৰঙ্গে হুয়া গৈয়া থিৱ।
দেই আশীৰ্ব্বাদ শিশু হৌক-চিৰঞ্জীৱ।।
হালধিৰ গুণ্ডি তৈল পানী মিসলাই।
অন্যো অন্যে সিঞ্চে গোৱিন্দৰ গুণ গাই।।
বাইল বাদ্য বিচিত্র মিলিল মহোৎসৱ।
নন্দৰ ব্রজত যেৱে জন্মিলা মাধৱ।।
হৃষ্ট পুষ্ট গোপগণে খেলৈ ৰঙ্গে খেড়ি।
সিঞ্চে দধি দুগন্ধক আউৰক আউৱে বেঢ়ি।।
পাৱে মুখে ঘষে ঘৃত ঘোলে মাৱৈ চাটি।
খেলে দলি যুদ্ধ লৱনুৱ পিণ্ড বাটি।।
দধি দুধে ঘৃত ঘোলে বহাইলেক গাঙ্গ।
এহিমতে মহোৎসৱ কৰিলেক সাঙ্গ।।
বস্ত্র অলঙ্কাৱে নন্দে সবাকো তুষিলা।
দিলন্ত তাম্বুল পুষ্প চন্দেনে ভূষিলা।।
নট ভাট প্রার্থকৰ পূৰিলন্ত মন।
সেহিদিনা ধৰি ভৈল গোকুল সম্পন্ন।।
হৰিৰ নিবাসে দশগুণে গৈল জলি।
সাক্ষাতে লক্ষ্মীৰ সিটো ভৈল ক্রীড়াস্থলি।।

২.৩.১ কবি পৰিচয়

'নন্দোৎসৱ' কবিতাটি ৰচনা কৰিছে মহাপুৰুষ শংকৰদেৱে। 1449 খ্রীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱা অঞ্চলত তেওঁ জন্মগ্রহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যা। শংকৰদেৱ সৰু হৈ থাকোতেই পিতৃ-মাতৃ দুয়োৱে মৃত্যু হোৱাত তেওঁক বুঢ়ীমাক খেৰসুতীয়ে তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। বাৰ

বছৰ বয়সলৈকে তেওঁ লগৰ সমনীয়াৰ লগত খেল-ধেমালি কৰিয়েই ঘূৰি ফুৰিছিল। এদিন বুঢ়ীমাক খেৱসুতীয়ে অনেক ককর্থনা কৰি মহেন্দ্র কন্দলীৰ টোললৈ নি নাম ভর্তি কৰি দিয়ে।

শিক্ষা গ্রহণৰ কালত তেওঁ নানান ধৰণৰ পাণ্ডিত্য দেখুৱাই সকলোকে চমকিত কৰিছিল। কেৱল ব্যঞ্জন বর্ণৰ সহায়েৰে, অ-কাৰ, ই-কাৰ নোহোৱাকৈয়ে 'কৰতল কমল, কমলদল নয়ন' শীর্ষক এটি কবিতা ৰচনা কৰি সকলোকে আচৰিত কৰি তুলিছিল। মহেন্দ্র কন্দলিৰ টোলত শিক্ষাগ্রহণ কৰি থকা কালতে তেওঁ বিভিন্ন *পুৰাণ-ভাগৱত* আদি শাস্ত্র অধ্যয়ন কৰিছিল।

শিক্ষা গ্রহণৰ অন্তত তেওঁ ঘৰলৈ ঘূৰি আহি 'শিৰোমণি ভূঞা'ৰ বাব গ্রহণ কৰে। সেই সময়তে তেওঁ সূর্যৱতী নামৰ কন্যা এগৰাকীৰ লগত বিবাহপাশতো আবদ্ধ হয়। তিনি বছৰৰ পাছত তেওঁলোকৰ এটি কন্যা সন্তান জন্ম হয়। ইয়াৰ কিছুদিন পাছতে সূর্যৱতীৰ মৃত্যু ঘটে। এই ঘটনাটিয়ে তেওঁৰ মনত বৈৰাগ্য ভাবৰ সৃষ্টি কৰে আৰু তেওঁ তীর্থ ভ্রমণ কৰিবলৈ ওলাই যায়। সুদীর্ঘ 12 বছৰ কাল তেওঁ ভাৰতৰ প্রায় সকলোবিলাক তীর্থ ভ্রমণ কৰিছিল। সেই তীর্থসমূহত তেওঁ বিভিন্নজন আধ্যাত্মিক গুৰুক লগ পাইছিল। তেওঁলোকৰ সৈতে বার্তালাপ কৰি শংকৰদেৱে ভাৰতীয় ধর্ম-সাহিত্য-সংস্কৃতি সম্পর্কে গভীৰ জ্ঞান লাভ কৰিছিল।

তীর্থ ভ্রমণ কৰি ঘূৰি অহাৰ পাছত শংকৰদেৱে নিজৰ আত্মীয়-কুটুমসকলৰ অনুৰোধ পেলাব নোৱাৰি পুনৰ বিবাহপাশত আবদ্ধ হয়। এই সময়তে তেওঁ ভালেমান সহযোগীৰ সৈতে ধর্ম প্রচাৰৰো কাম আৰম্ভ কৰে। নামঘৰ-মণিকূট স্থাপন কৰি, বিভিন্ন সাহিত্য অনুবাদ তথা নিজে ৰচনা কৰি 'এক শৰণ নামধর্ম'ৰ প্রচাৰ আৰম্ভ কৰে। কিন্তু ৰজাঘৰ, প্রজাঘৰ আদি বিভিন্ন দিশৰ পৰা তেওঁ বাধাপ্রাপ্ত হৈছিল। সেই বাবে শংকৰদেৱে সঘনাই ঠাই সলাই ফুৰিব লগাত পৰিছিল। তেনেদৰে ঘূৰি ফুৰা কালতে ধুৱাঁহাট-বেলগুৰিত তেওঁৰ সৈতে মাধৱদেৱৰ মিলন ঘটে। শংকৰদেৱ-মাধৱদেৱৰ এই মিলনক 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' বুলি অভিহিত কৰা হয়।

শেষৰ ফালে শংকৰদেৱে নৰনাৰায়ণ ৰজাৰ কোচ ৰাজ্যৰ অন্তর্গত বৰপেটাৰ-পাটবাউসীত সত্র স্থাপন কৰি প্রায় নিগাজীকৈ থাকিবলৈ লয়। পাটবাউসীত থকা সময়ছোৱাতে তেওঁৰ বিভিন্ন অনুগামী সৃষ্টি হয় আৰু তেওঁ প্রবর্তন কৰা ধর্মৰ প্রতি মানুহৰ আকর্ষণ বৃদ্ধি পায়। ইয়াত থকা কালছোৱাই আছিল শংকৰদেৱৰ সাহিত্যিক জীৱনৰ শ্রেষ্ঠতম সময়। ইয়াৰ পৰাই তেওঁ দ্বিতীয়বাৰৰ বাবে পুনৰ তীর্থ ভ্রমণ কৰিবলৈ ওলাই যায়। তীর্থ ভ্রমণৰ পৰা ঘূৰি আহি শংকৰদেৱে কোচ ৰাজ্যৰ অন্তর্গত মধুপুৰত সত্র স্থাপন কৰি স্থায়ীভাৱে থাকিবলৈ লয়। ইয়াতেই 1568 চনত এইজনা মহান পুৰুষৰ মৃত্যু ঘটে।

শংকৰদেৱে মূলতঃ ধর্ম প্রচাৰ কৰিবৰ বাবেই বিভিন্ন সাহিত্য ৰচনা কৰিছিল। এইবোৰে অসমীয়া সাহিত্যৰ ভঁৰাল আজিও জিলিকাই ৰাখিছে। শংকৰদেৱৰ সমগ্র ৰচনাৱলীক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি —

- *কাব্য ঃ হৰিশ্চন্দ্র উপাখ্যান, ৰুক্মিণী-হৰণ কাব্য, বলিছলন, অমৃত-মথন, কুৰুক্ষেত্র* আৰু *অজামিল-উপাখ্যান।*
- *নাট ঃ পত্নীপ্রসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ* আৰু *ৰামবিজয়।*
- *অনুবাদ ঃ (ক) ভাগৱত পুৰাণৰ 1ম, 2য়, 10ম, 11শ, 12শ স্কন্ধৰ ভাঙনি।*
  (খ) উত্তৰাকাণ্ড ৰামায়ণৰ পদানুবাদ।
- *ভক্তিতত্ত্বমূলক ৰচনা ঃ ভক্তিপ্রদীপ, নিমি-নৰসিদ্ধ সংবাদ, অনাদিপাতন।*
- *গীত ঃ* (ক) ৰৰগীত, (খ) ভটিমা আৰু (গ) টোটয়।
- *নাম-প্রসংগ বিষয়ক ঃ কীর্তন, গুণমালা।*
  (উল্লেখযোগ্য যে ড^0 মহেশ্বৰ নেওগৰ মতে, *কীর্তন*খনি এক স্বতন্ত্র শ্রেণীৰ সাহিত্য)
- *প্রকৰণ গ্রন্থ ঃ ভক্তি ৰত্নাকৰ* (সংস্কৃত ভাষাত ৰচিত)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শংকৰদেৱে কোন গৰাকী অধ্যাপকৰ টোলত শিক্ষা গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ২ ঃ শংকৰদেৱে ৰচনা কৰা প্রকৰণ গ্রন্থখনৰ নাম কি?

.....

২.৩.২ কবিতাটিৰ মূলভাব

আমি ইতিমধ্যেই উল্লেখ কৰিছো যে 'নন্দোৎসৱ' কবিতাটি মহাপুৰুষ শংকৰদেৱে অনুবাদ কৰা দশমস্কন্ধ *ভাগৱতৰ* পৰা তুলি অনা হৈছে। কবিতাটিৰ মাজেদি মূলতঃ শ্রীকৃষ্ণৰ জন্মৰ পাছত গোকুলৰ ৰজা নন্দৰ ঘৰ তথা ব্রজধামত সৃষ্টি হোৱা আনন্দ-উৎসৱৰ কথাই বর্ণনা কৰা হৈছে।

পুত্র উপজিবৰ কথা জানি নন্দই নদীত স্নান কৰি আহি দৈৱজ্ঞ-ব্রাহ্মণসকলক মাতি আনি জাতকৰ কর্ম আৰম্ভ কৰে। তেওঁলোকক সন্তুষ্ট কৰিবৰ বাবে ৰত্ন, আ-অলংকাৰ, গাই দান কৰাৰ উপৰি নিজৰ শক্তি অনুযায়ী দেৱতাসকলক পূজা-অর্চনা কৰে। চাৰিওফালে এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হয়। নট ভাটে চপয় পঢ়ে, গীতালে গীত গাই আনন্দ কৰে। সকলোৱে আনন্দতে শংখ, ভেৰি, দুন্দুভি আদি বজায়।

গোপবালকসকলৰ মাজতো মহা আনন্দৰ সৃষ্টি হয়। তেওঁলোকে গাই-গৰু সকলোবোৰ মাহ-হালধিৰে নোৱাই-ধুৱাই নিজেও সাজি-কাছি ওলাই আহিল। গোপীসকলে নিজকে অতি সুন্দৰকৈ সজাই-পৰাই যশোদাৰ খবৰ ল'বলৈ আহিল। হাতত লৈ আহে লৱণু, সান্দহ, দধি, দুগ্ধ, ইত্যাদি । গোপীসকলে যশোদাক বেঢ়ি ধৰি শিশুটিৰ মংগলৰ বাবে আশীৰ্বাদ কৰে। গোপবালক, গোপিনী সকলোৱেই কৃষ্ণ জন্মৰ আনন্দত মতলীয়া হয়। নন্দ ৰজায়ো সকলোকে নিজৰ সামর্থ অনুযায়ী দান-দক্ষিণা দি সন্তুষ্ট কৰে। কবিয়ে শেষত মন্তব্য কৰিছে যে শ্রীকৃষ্ণৰ জন্মৰ পাছত গোকুল যেন দহগুণে উথলি উঠিল আৰু লক্ষ্মীৰ বাসস্থান স্বৰূপ হ'ল।

২.৩.৩ কবিতাটিৰ সাধাৰণ আলোচনা

'নন্দোৎসৱ' কবিতাটিত চমু বর্ণনাৰ মাজেদিয়েই মহাপুৰুষ শংকৰদেৱে তেওঁৰ প্রতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। কবিতাটিত নন্দ-যশোদাৰ ঘৰত কৃষ্ণৰ জন্মৰ কাহিনীভাগ বর্ণিত হৈছে যদিও ইয়াৰ মাজেদি কবিয়ে অসমীয়া সমাজৰ এখন চিত্রও সার্থকভাৱে দাঙি ধৰিছে।

কবিতাটি আৰম্ভ হৈছে কথকতা পৰম্পৰা অনুসৰি। কথকতা পৰম্পৰা মানে কথোপকথনৰ ভংগীৰে কাহিনীভাগ আৰম্ভ কৰা। ইয়াতো কবিয়ে 'শুকে এহি মানে দানৱৰ কথা থৈলা।।গোবিন্দৰ শিশুলীলা কহিবাক লৈলা।' বুলি কৈ কৃষ্ণ জন্মৰ কথা আৰম্ভ কৰিছে। আপুনি নিশ্চয় জানে অসমীয়া সমাজত কোনো সন্তান জন্ম হোৱাৰ পাছত দৈৱজ্ঞ-ব্রাহ্মণ আনি জাত কর্ম কৰা হয়। ইয়াতো ৰজা নন্দই সেই কর্মই আৰম্ভ কৰিছে। এনে বর্ণনা কোনো পটভূমিকাৰ সৃষ্টি নকৰাকৈয়ে শংকৰদেৱে মনোগ্রাহীভাৱে দাঙি ধৰিছে। লগত বর্ণনা কৰিছে নন্দ ৰজাই আনন্দত মতলীয়া হৈ কেনেদৰে সকলোকে দান-দক্ষিণা আগবঢ়াইছে।

এই কবিতাটিৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হৈছে কৃষ্ণ জন্মৰ বাতৰি পোৱাৰ পাছত ব্রজধামত সৃষ্টি হোৱা আনন্দ-উৎসৱৰ বর্ণনা। তেওঁলোকৰ ৰজা নন্দৰ সন্তান জন্ম হোৱাতো কিমান হেঁপাহৰ, কিমান আদৰৰ সেয়া প্রকাশ কৰিছে এনেদৰে—

গাৱৈ গীত গীতালে হাতত তাল ধৰি।
আনন্দে দুন্দুভি বাৱে ফুঙ্কে শঙ্খ ভেৰি।।
গোৱালগণত বৰ আনন্দ মিলিল।
ধেনু বৎস বৃষক হালধি তৈল দিল।।

গোকুলৰ গোপ-গোপী আটায়েই নন্দৰ ঘৰলৈ আহিবলৈ উদ্ৱাউল হৈ পৰিল। প্রত্যেকেই নিজৰ নিজৰ ধৰণে সাজোন-কাচোন কৰিলে। উধনীয়া খোপাত মৈৰাৰ পাখি গুজি; হাত, ভৰি, ডিঙি আদিত বিভিন্ন আ-অলংকাৰ পিন্ধি; হাতত দধি, দুগ্ধ, ঘৃত

আদি লৈ সকলো গোপী নন্দৰ ঘৰলৈ ওলাল। এওঁলোকৰ খোজত কাণৰ কাণফুলি আৰু ওখ স্তন যুগল দুলিবলৈ ধৰিলে, ভৰিৰ নূপুৰে ৰুণজুন শব্দ কৰিলে। খোজৰ উলাহত বহুতৰে আকৌ খোপাৰ ফুলো খহি পৰিল।

নন্দৰ ঘৰত উপস্থিত হৈয়েই আটায়ে মংগল ধ্বনি উৰুলি দি যশোদাক বেঢ়ি ধৰি শিশু কৃষ্ণক চিৰঞ্জীৱী হ'বলৈ আশীৰ্বাদ কৰে। আনন্দতে আত্মহাৰা হৈ হালধিৰ গুৰি তেল-পানীত মিহলাই ইজনীয়ে-সিজনীক সানে। গোপবালকসকলো পিছ পৰি নাথাকিল। তেওঁলোকেও বিভিন্ন বাদ্য বজাই দুগ্ধ, দধি লৈ পৰস্পৰে পৰস্পৰক সিঁচি আনন্দ কৰে। তেওঁলোকৰ এই আনন্দৰ উৎসৱত দধি, দুগ্ধ, ঘৃতৰ যেন এখন নৈ হে বৈ গৈছে। তাৰ পাছতেই নন্দ ৰজাই সকলোকে তামোল, চন্দন, ফুল, বস্ত্ৰ-অলংকাৰ দান কৰি সন্তুষ্ট কৰে। উল্লেখযোগ্য যে কবিতাটিৰ মাজেদি কবিয়ে কৃষ্ণৰ শ্ৰেষ্ঠত্বৰ কথাও প্ৰকাশ কৰিছে। সেই বাবেই শেষৰ শাৰী দুটাত—

হৰিৰ নিবাসে দশগুণে গৈল জলি।
সাক্ষাতে লক্ষ্মীৰ সিটো ভৈল ক্ৰীড়াস্থলি।।

—বুলি বৰ্ণনা কৰি সেই দিনাৰে পৰা ব্ৰজধামত যে লক্ষ্মী প্ৰৱেশ ঘটিল আৰু হৰিৰ (কৃষ্ণৰ) বাসগৃহ হোৱাৰ বাবে দহগুণে উজলি উঠিল, সেই কথা ব্যক্ত কৰিছে। এনেদৰে মহাপুৰুষ শংকৰদেৱে 'নন্দোৎসৱ' কবিতাংশৰ মাজেদি কৃষ্ণৰ জন্মৰ আনন্দ-উৎসৱৰ বৰ্ণনা কৰাৰ লগতে অসমীয়া সমাজৰ এখন সজীৱ চিত্ৰও দাঙি ধৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কথকতা পৰম্পৰা মানে কি?

.....

প্ৰশ্ন নং ৪ ঃ নন্দৰ ঘৰত উপস্থিত হৈ গোপীসকলে কি কি কৰিছিল?

.....

.....

২.৩.৪ শব্দাৰ্থ

শব্দ	অৰ্থ
সপটে	বস্ত্ৰসহ
জাত কৰ্ম্ম	সন্তান ওপজোঁতে কৰিব লগা এক কাৰ্য
শক্য	যোগ্য, সামৰ্থ
অৰ্চিলা	অৰ্চনা কৰিলা
ৰজত	ৰূপ

কৃতকৃত্য	কৃতজ্ঞতাত গদগদ হোৱা
সাঞ্জি মাঞ্জি	সজাই পৰাই
উৰুক মুৰুক	ওলহ মালহ
উচ্চল	ওখ
কুচ	স্তন
খোণ্টাজালি	জিলজিলিয়া কাপোৰৰ ওৰণি
নেত	মিহি পাটৰ কাপোৰ
গুণ্ডি	গুড়ি
সিঞ্চে	সিঁচে
খেড়ি	খেলি
গাঙ্গ	নদী



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত মহাপুৰুষ শংকৰদেৱ বিৰচিত 'নন্দোৎসৱ' কবিতাটোৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল। কবিতাটো 'দশমস্কন্ধ *ভাগৱত*'ৰ পৰা আহৰণ কৰা হৈছে। ইয়াত কৃষ্ণ ওপজাৰ পাছত গোকুলৰ ৰজা নন্দৰ গৃহত হোৱা আনন্দ-উৎসৱৰ এটি সুন্দৰ বিৱৰণ পোৱা যায়। এই উৎসৱত সমস্ত গোকুলবাসী উবুৰি খাই পৰিছে।
- কবিতাটিৰ মাজেদি নন্দ-যশোদাৰ ঘৰত কৃষ্ণৰ জন্মৰ কাহিনীভাগ বর্ণিত হৈছে যদিও ইয়াৰ মাজেদি কবিয়ে অসমীয়া সমাজৰ এখন চিত্রও সার্থকভাৱে দাঙি ধৰিছে।
- অধ্যায়টোত কবিতাটোৰ ৰচক মহাপুৰুষ শংকৰদেৱৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়েও কিছু কথা আলোচনা কৰা হৈছে।



২.৫ অধিক জানিবলৈ

1) গোস্বামী, নাৰায়ণ চন্দ্র (2000); *ব্রজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান;* নতুন দিল্লী ঃ হৰাইজন প্রিণ্টার্ছ।

2) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

3) শৰ্মা, সত্যেন্দ্ৰনাথ (2009); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ

4) হাজৰিকা, সূর্য্য (সম্পাঃ) (2015); *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীঅনন্ত কন্দলি বিৰচিত দশম;* গুৱাহাটী ঃ বাণী মন্দিৰ।

২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শংকৰদেৱে মহেন্দ্ৰ কন্দলীৰ টোলত শিক্ষা গ্ৰহণ কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শংকৰদেৱে ৰচনা কৰা প্ৰকৰণ গ্ৰন্থখনৰ নাম *ভক্তি ৰত্নাকৰ* (সংস্কৃত ভাষাত ৰচিত)।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কথকতা পৰম্পৰা মানে কথোপকথনৰ ভংগীৰে কাহিনীভাগ আৰম্ভ কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ উৰুলি দি যশোদাক বেঢ়ি ধৰি শিশু কৃষ্ণক চিৰঞ্জীৱী হ'বলৈ আশীৰ্বাদ কৰে আৰু আনন্দতে আত্মহাৰা হৈ হালধিৰ গুৰি তেল-পানীত মিহলাই ইজনীয়ে-সিজনীক সানে।

২.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ শংকৰদেৱে প্ৰথমবাৰ কিমান বছৰ ধৰি তীৰ্থ ভ্ৰমণ কৰিছিল?

প্ৰশ্ন ২ ঃ শংকৰদেৱে ৰচনা কৰা নাট কেইখনৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ তলত দিয়া শব্দবোৰৰ অৰ্থ লিখক —

সপটে, জাতকৰ্ম, শক্য, অৰ্চিলা, ৰজত, কৃতকৃত্য, সাঞ্জি মাঞ্জি, উৰুক মুৰুক, উচ্চল, কুচ, খোণ্টাজালি, নেত, গুণ্ডি, সিঞ্চৈ, খেড়ি, গাংগ।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'নন্দোৎসৱ' কবিতাটোৰ মূলভাব লিখক।

প্রশ্ন ২ ঃ প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰক —

হৰিৰ নিৱাসে দশগুণে গৈল জ্বলি।
সাক্ষাতে লক্ষ্মীৰ সিটো ভৈল ক্রীড়াস্থলি।।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ শংকৰদেৱৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্যকৃতিৰ আভাস দিয়ক।

প্রশ্ন ২ ঃ 'নন্দোৎসৱ' কবিতাটোৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ছাহ মিলান — অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 ছাহ মিলান ঃ অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম (জিকিৰ) — মূল পাঠ

- 3.3.1 কবি পৰিচয়
- 3.3.2 জিকিৰৰ সাধাৰণ পৰিচয়
- 3.3.3 কবিতাটি (জিকিৰ)ৰ মূলভাব
- 3.3.4 কবিতাটি (জিকিৰ)ৰ সাধাৰণ আলোচনা
- 3.3.5 শব্দাৰ্থ

3.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

3.5 অধিক জানিবলৈ

3.6 অগ্রগতিৰ খতিয়ান

3.7 আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আজান ফকীৰ বা ছাহ মিলানৰ বিষয়ে জ্ঞাত হ'ব
- জিকিৰ গীত সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' শীর্ষক জিকিৰটিৰ মূলভাব সম্পর্কে অৱগত হৈ ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি মহাপুৰুষ শংকৰদেৱে লিখা কবিতা এটা অধ্যয়ন কৰিলে। এই অধ্যায়টোতো আপুনি বেলেগ এটা কবিতা অধ্যয়ন কৰিব। অধ্যয়ন কৰিবলগীয়া কবিতাটো মূলতঃ এটা 'জিকিৰ'। অসমীয়া লোকগীত, বৰগীত আদিৰ মাজত প্রকাশিত হোৱা আধ্যাত্মিক উপদেশবোৰৰ দৰে জিকিৰ গীতসমূহৰ মাজত ***ইছলাম ধর্ম***ৰ আধ্যাত্মিক উপদেশ ৰণিত হৈছে। অধ্যায়টিত জিকিৰ সম্পর্কেও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' শীর্ষক জিকিৰটিৰ মাজেদি ইছলাম ধর্মৰ এটি মূল তত্ত্ব 'কালিমা নাম'ৰ কথাই প্রকাশ কৰা হৈছে।



ইছলাম ধর্মঃ হজৰত মহম্মদৰ দ্বাৰা প্রৱর্তিত ধর্ম। মুছলমান লোকসকল এই ধর্মৰ অনুগামী।

অধ্যায়টোত জিকিৰ মানে কি সেই বিষয়ে বহলাই আলোচনা কৰাৰ লগতে জিকিৰটোৰ ৰচক ছাহ মিলান সম্পৰ্কেও কিছু কথা আলোচনা কৰা হৈছে।

৩.৩ ছাহ মিলান ঃ অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম — মূল পাঠ

ঘোষা — অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম।

দুনীয়ালৈ আহিলোঁহে ৰঙ্গ ৰূপে গোৱালোঁহে
নুসুজিলোঁ মাও-বাপৰ ধাৰ।
সাৰক নিচিন্তি অসাৰক চিন্তিলোঁ,
আমি বান্দা বহুত গুনাহগাৰ।।
দৰিয়া বাঢ়িলে দুই জানে বহিলে
খেলাই আছোঁ চন্দন কাঠৰ নাও।
নাৱৰে ভিতৰত পৰুৱাটি ঘূৰিছে
মনে কাঢ়ে কোকিলৰ ৰাও।।
খেলি আছোঁ ভগা নাও বৈঠা হ'ল হাইৰাণ
কৰ্শালিয়ে কৰে তলবল।
খোদাৰ হুকুমে ভেটিটি বান্ধিছোঁ
হায়াত পৰি গ'লে তল।।
চান্দে ৰমজানৰ নিয়তক ৰাখি
ভিক্ষাৰী আজানে গায়।
দিল কোৰাণত চোৱা বিচাৰ কৰি
কালিমা নামকে পায়।।

৩.৩.১ কবি পৰিচয়

'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' শীৰ্ষক জিকিৰটিত থকা ***ভণিতা*** অনুসৰি আমি গম পাওঁ যে ইয়াৰ ৰচক হ'ল 'আজান ***ফকীৰ***'। আজান ফকীৰৰ প্ৰকৃত নাম আছিল 'ছাহ মিলান'। ছাহ মিলান জন্মসূত্ৰে অসমীয়া লোক নাছিল। তেওঁ সুদূৰ বাগদাদৰ পৰা অসমলৈ আহি এসময়ত হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিল। জনবিশ্বাস মতে মছজিদত 'জান' দি নামাজ পঢ়িবলৈ মতা বাবেই তেওঁৰ নাম ***'আজান'*** হ'ল। উল্লেখযোগ্য যে, তেওঁ অসমলৈ অহাৰ আগৰে পৰাই অসমত ইছলাম ধৰ্মী মানুহ আছিল যদিও তেওঁলোকে নিষ্ঠা সহকাৰে ইছলামীয় নীতি-নিয়ম পালন কৰা নাছিল। এই সকলোকে একত্ৰিত কৰি নামাজ পঢ়িবলৈ আমন্ত্ৰণ জনাই আজান দিয়াৰ বাবেই তেওঁৰ নাম 'আজান ফকীৰ' হ'ল। তেওঁ কিমান চনত অসমলৈ আহিছিল সেয়া সঠিক কৈ

ভণিতা ঃ গীত বা কবিতাৰ শেষৰ ফালে ৰচকজনে নিজৰ বিষয়ে কৰা উল্লেখ।

ফকীৰ ঃ মুছলমান বৈৰাগী।

আজান ঃ নামাজ বা ঈশ্বৰৰ উপাসনালৈ সকলোকে বিঙিয়াই মতা মাত বা জাননী।



কোৰাণঃ মুছলমানসকলৰ প্ৰধান ধৰ্ম গ্ৰন্থ।

কোৱা টান। এটা জিকিৰত জিকিৰটিৰ ৰচনাকাল সম্পৰ্কে উল্লেখ আছে—

দহশ দুকুৰি নবী চন হিজিৰি
আৰু পাঁচে বছৰ যায়
ছাহ মিলানে এই জিকিৰ কৰিলে
কোৰাণ কিতাবই পাই।

হিচাপ কৰিলে দেখা যায় যে এই জিকিৰটোৰ ৰচনা কাল 1045 হিজিৰি। অৰ্থাৎ 1634–35 চন। ইয়াৰ ভিত্তিতে অনুমান কৰা হয় যে 1625 খ্ৰীঃ পৰা 1636 খ্ৰীঃ ভিতৰত আজান ফকীৰ আহি অসমত ভৰি দিছিলহি। কাৰণ বিদেশী এজনে অসমলৈ আহি অসমীয়া মাত-কথা-ভাষা শিকি লোকজীৱনৰ পৰা সমল সংগ্ৰহ কৰি এনে গীত ৰচনা কৰিবলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব। এই অনুমানৰ ভিত্তি এয়াই।

ছাহ মিলান অসমলৈ আহি প্ৰথমতে গড়গাঁও নগৰত থিতাপি লয়। ইয়াতেই তেওঁ অসমীয়া ভাষা-সংস্কৃতি শিকি অসমীয়া লোকগীত, বৰগীত আদিৰ আৰ্হিৰে জিকিৰ ৰচনা কৰি ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। এই সময়ত অসমৰ মুছলমানসকলে ইছলাম ধৰ্মৰ 'ছৰিয়ত' (মুছলমানসকলৰ ধৰ্মীয় বিধি) অনুযায়ী জীৱন-যাপন কৰাতকৈ থলুৱা আচাৰ-নীতিহে অনুসৰণ কৰিছিল। সেয়ে আজান ফকীৰৰ সহজ-সৰল অসমীয়া ভাষাত জিকিৰ ৰচনা কৰি ইছলাম ধৰ্মৰ মূল তত্ত্বসমূহ প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰিছিল। উল্লেখযোগ্য যে ছাহ মিলানে অসমীয়া ছোৱালী বিয়া কৰোৱাৰ লগতে হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক ঐক্য প্ৰতিষ্ঠা কৰাৰ বাবেও যত্ন কৰিছিল। ইয়াৰ বাবেও তেওঁ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল থলুৱা ঠাঁচত ৰচনা কৰা জিকিৰসমূহ।

ছাহ মিলানে প্ৰৱৰ্তন কৰা মতবাদটিলৈ আকৃষ্ট হৈ সমগ্ৰ উজনি খণ্ডৰ বহুলোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। এবাৰ দৰঙ্গী প্ৰজায়ো তেওঁলোকৰ দীক্ষা দিবৰ বাবে ছাহ মিলানক আমন্ত্ৰণ কৰে। আমন্ত্ৰণ ৰক্ষা কৰি ছাহ মিলান তেওঁৰ ভায়েক নবী চাহেবৰ সৈতে তাত উপস্থিত হয়গৈ। দৰঙ্গী খণ্ডৰ সেই সময়ৰ প্ৰভাৱশালী বিষয়া আছিল 'ৰূপাই'। ছাহ মিলানৰ প্ৰতি ৰূপাইৰ ভাল ভাব নাছিল। সেয়ে ৰূপায়ে আহোম স্বৰ্গদেওক তেওঁৰ বিপক্ষে গোচৰ দিয়ে। ৰজায়ো অবিচাৰ কৰি ছাহ মিলানৰ চকু কাঢ়িবলৈ আদেশ দিয়ে। সেই কথা গম পাই ছাহ মিলনে দুটা চৰু খুজি দুয়ো হাতত লৈ আল্লাক প্ৰাৰ্থনা (মুনাজাত) কৰিলত দুয়োটা চকু নিজে নিজেই মলাত সৰি পৰিল। প্ৰচলিত কিংবদন্তী অনুসৰি আজান চাহাবৰ চকু দুটা নি দিখৌ নৈত পেলোৱাৰ লগে লগে দিখৌ উভতি ববলৈ আৰম্ভ কৰিছিল আৰু স্বৰ্গদেউৰ হোলোংঘৰ কাটি হৈ পৰিছিল। শেষত ৰজাই নিজৰ ভুল বুজিব পাৰি মাটি-বাৰি দি শৰাগুৰি চাপৰিত তেওঁক স্থাপন কৰে। জনবিশ্বাস মতে এই শৰাগুৰি চাপৰিতে আজান ফকীৰৰ মৃত্যু হয়।

৩.৩.২ জিকিৰৰ সাধাৰণ পৰিচয়

জিকিৰ বুলি ক'লে আমি সাধাৰণতে অসমীয়া ভাষাত ৰচিত ইছলাম ধর্ম সম্পর্কীয় তত্ত্ব, আদর্শ তথা আচাৰ নীতি সন্নিৰিষ্ট এক শ্রেণী ভক্তিমূলক গীতৰ কথাকেই বুজোঁ। জিকিৰ শব্দটো আৰবী 'জিক্ব্' শব্দৰ পৰা আহিছে। ইয়াৰ অর্থ হ'ল 'আল্লাৰ নাম বাৰে বাৰে উচ্চাৰণ কৰা'। আন ধর্মবোৰত নিজৰ উপাস্য দেৱতাক যেনেদৰে বাৰে বাৰে স্মৰণ কৰা হয় ঠিক সেইদৰে ইছলাম ধর্মত আল্লাৰ নামো বাৰে বাৰে 'জিক্ব্' কৰা হয়। এই জিকিৰ গীতসমূহৰ মাজত আল্লাৰ শ্রেষ্ঠত্বৰ লগতে ইছলাম ধর্মৰ মূল আদর্শৰ কথা বর্ণনা কৰা হৈছে। জিকিৰৰ বিষয়ে বুজিবলৈ হ'লে আমি মুছলমান ধর্মৰ কিছু তত্ত্ব কথাও অধ্যয়ন কৰিব লাগিব।

ইছলাম ধর্মৰ মূল ভিত্তি প্রধানতঃ পাঁচটা। যথা — কাল্মা (কালিমা), নামাজ, ৰোজা, জাকাত আৰু হজ। আল্লাহ্ এজন আৰু তেওঁ অদ্বিতীয়, মোহম্মদ আল্লাৰ প্রেৰিত পুৰুষ বুলি কায়-মনো-বাক্যে বিশ্বাস কৰি আল্লাৰ নাম স্মৰণ কৰাই হ'ল কাল্মা বা কালিমা। নামাজ হ'ল মুছলমানসকলে প্রতিদিনে পাঁচবাৰকৈ পালন কৰা প্রার্থনা, ৰোজা— ৰমজান মাহত পালন কৰা ব্রত, জাকাত — ব্যক্তি বিশেষে তেওঁৰ সাঁচতীয়া ধনৰ বাবে আদায় দিবলগীয়া দান আৰু হজ — মক্কালৈ কৰা তীর্থযাত্রা। এইকেইটা হ'ল সাধাৰণতে সকলো মুছলমান ব্যক্তিৰে অৱশ্যে কৰণীয়া কর্ম (ফৰজ)। এইবোৰ সকলোৱে পালন কৰাকে ছৰিয়তৰ নিয়ম ৰক্ষা কৰি চলা বুলিব পাৰি।

জিকিৰবোৰৰ মাজেদি প্রধানতঃ এই পাঁচটা ভাবধাৰাৰ কথাই প্রকাশিত হৈছে। ছাহ মিলানে জিকিৰৰ জৰিয়তে আল্লাৰ শ্রেষ্ঠত্ব, কালিমা নামৰ মহিমা আদি প্রকাশ কৰি মুছলমান সমাজক শিক্ষা দিবৰ চেষ্টা কৰিছে। আনহাতে কিছুমান জিকিৰত *মাআৰিফত, হকিকত* আদি সাধন মার্গৰ গুঢ়ার্থ আৰু আধ্যাত্মিক সাধনাৰ কথাও বর্ণনা কৰা হৈছে। *মাআৰিফত, হকিকত*আদি হ'ল ইছলাম ধর্মৰ উপাসনা কৰাৰ একো-একোটা বিশেষ পদ্ধতি।

মানৰ জীৱন ক্ষণভংগুৰ, আল্লাৰ নাম উচ্চাৰণহে পুণ্য অর্জন কৰাৰ প্রধান পথ, তেওঁৰ বাদে আন উপাস্য হ'ব নোৱাৰে সেই কথা বাৰে বাৰে জিকিৰত সকিয়াই থকা হয়। জিকিৰত গুঢ় দার্শনিক ধর্মীয় তত্ত্ববোৰ সহজ-সৰল ভাষাত চহা-নিৰক্ষৰ লোকৰ বোধগম্য হোৱাকৈ প্রকাশ কৰা যায়। উল্লেখযোগ্য যে, জিকিৰসমূহ সুৰ লগাই পৰিৱেশন কৰে আৰু বহু ঠাইত ইয়াৰ লগত নৃত্যও সংযোগ কৰে। সাধাৰণতে হাত চাপৰি বজাই তাল ৰাখি জিকিৰ গায়। সুৰৰ বৈচিত্র্য জিকিৰৰ এটি প্রধান বৈশিষ্ট্য। বিশেষকৈ জিকিৰৰ ভাষা আৰু সুৰৰ ক্ষেত্রত অসমীয়া লোকগীত, বৰগীত, ওজাপালি গীত আদিৰ প্রভাৱ দেখা যায়। প্রতিটো জিকিৰতে 'অস্থায়ী' বা 'ঘোষা' শীর্ষক এশাৰী বা দুশাৰী পদ থাকে। প্রধান গায়কজনে মূল কথাখিনি প্রায় অকলেই গায় আৰু বাকীসকলে এই ঘোষা ফাঁকি দোহাৰে। আজান ফকীৰৰ জিকিৰসমূহত ধর্মীয় গোড়ামিৰ বিপৰীতে হিন্দু-মুছলমানৰ

সম্প্রীতিৰ ছবি এখনো ফুটি উঠিছে।

আজান ফকীৰৰ বাহিৰেও আন বহু ইছলাম ধর্মীয় গুৰুৰে জিকিৰ ৰচনা কৰাৰ প্রমাণ পোৱা যায়। তথাপিতো আজান ফকীৰৰ ৰচনাই সংখ্যাই সৰহ। এটা কথা ঠিক যে এই জিকিৰসমূহ অসমীয়া সাহিত্য তথা সংগীতৰ এক অমূল্য সম্পদ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আজান ফকীৰৰ প্রকৃত নাম কি?

.....

প্রশ্ন নং ২ ঃ ইছলাম ধর্মৰ মূল ভিত্তি কেইটা আৰু কি কি?

.....

.....

৩.৩.৩ কবিতাটি (জিকিৰৰ)ৰ মূলভাব

আমাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত এই জিকিৰটি আজান ফকীৰে ৰচনা কৰা। জিকিৰটিৰ মাজেদি আজান ফকীৰে ইছলাম ধর্মৰ প্রধান তথা প্রথম 'ফৰজ' কালিমা নামৰ মহত্বৰ কথাই প্রকাশ কৰিছে। সেই বাবেই জিকিৰটিৰ ঘোষা হিচাপে উল্লেখ কৰিছে 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম।' অর্থাৎ— অধমে ল'লো, লওঁ কেৱল আল্লাৰ নাম।

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, 'কালিমা' হ'ল ইছলাম ধর্মৰ এটি প্রধান মূল ভিত্তি। আল্লাহ্ এজন আৰু অদ্বিতীয়, মোহম্মদ আল্লাৰ প্রেৰিত পুৰুষ বুলি কায়-মনো বাক্যে বিশ্বাস কৰি আল্লাৰ নাম স্মৰণ কৰাই হ'ল কাল্‌মা বা কালিমা। 'বিশেষকৈ ভ্রষ্ট আৰু তৰলমতি মুছলমানক ইছলামী নাম-ধর্মত লগাই দিলেই মন ধর্মৰ ফালে ঢাল খাব পাৰে বুলি আশা কৰি আজান ফকীৰে কাল্‌মা ওপৰত বৰ গুৰুত্ব আৰোপ কৰিছিল।' কাৰণ আমাৰ বৈষ্ণৱ ধর্মতো কোৱা হৈছে — 'কলিত নামেই ধর্ম।' অর্থাৎ কলি কালত ভগৱানৰ নাম স্মৰণ কৰাই হ'ল প্রধান ধর্ম। আজান ফকীৰে সেই কথাকেই সৰোগত কৰি এই কলি কালত আল্লাৰ নাম বাৰে বাৰে স্মৰণ কৰিবলৈকে আহ্বান কৰিছে।

এই পৃথিৱীখনত বহুতো অসাৰ বস্তুৰে ভৰপুৰ। আমিও সেইবোৰ বুজি নাপাই কেৱল ভোগ বিলাসতে মত্ত হৈ থাকোঁ। পাহৰি যাওঁ যে খোদাৰ হুকুমতহে আমি এই পৃথিৱীত বাস কৰিছোঁ, জীৱনকাল শেষ হ'লেই সকলো শেষ। সেয়ে এই জীৱনকালত আমি কেৱল অসাৰ চিন্তাত নিমর্জ্জিত নাথাকি আল্লাৰ নাম স্মৰণ কৰাহে উচিত। আনকি অন্তৰৰ কোৱণত বিচাৰ কৰি চালেও আমি কেৱল কালিমা নামহে বিচাৰি পাম বুলি

আজান ফকীৰে বিশ্বাস কৰে। মূলতঃ কালিমা নামৰ বিশেষত্ব প্ৰচাৰেই হ'ল এই জিকিৰটিৰ মূল বক্তব্য।

৩.৩.৪ কবিতাটি (জিকিৰৰ)ৰ সাধাৰণ আলোচনা

'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' জিকিৰটিৰ মাজেদি আজান ফকীৰে অসমীয়া মুছলমান সমাজক ইছলাম ধৰ্মৰ পালনীয় কৰ্ম কাল্‌মা পালন কৰিবলৈ শিক্ষা দিবলৈ চেষ্টা কৰিছে। ইয়াৰ বাবে তেওঁ বিভিন্ন ধৰণৰ উপমা প্ৰয়োগ কৰি সহজ-সৰল ভাষাৰে মূল বক্তব্যটি তুলি ধৰিছে। উল্লেখযোগ্য যে এই জিকিৰটিত ব্যৱহাৰ কৰা উপমাসমূহ অসমীয়া লোক-জীৱনৰ পৰা তুলি অনা। উপমা মানে এটা কথা বুজাবলৈ আন সাদৃশ্য থকা বস্তুৰ লগত কৰা তুলনা।

এই পৃথিৱীলৈ আহি আমি বিভিন্ন ধৰণৰ আনন্দ-স্ফুৰ্তিত সময় পাৰ কৰি আমাৰ মা-দেউতাৰ ধাৰো সুজিবলৈ পাহৰি যাওঁ। আমি কৰিবলগীয়া মূল্যবান বা প্ৰধান কামবোৰ নকৰি কেৱল মূল্য নথকা চিন্তাতে নিমৰ্জ্জিত থাকোঁ। সেই বাবে আমি আল্লাৰ দৃষ্টিত পাপী বা দোষী। এই ক্ষেত্ৰত আজান ফকীৰে মানুহক আল্লাৰ দাস বুলিও ব্যক্ত কৰিছে। ছাহ মিলানে ব্যক্ত কৰিছে যে এই সংসাৰখন এখন সাগৰৰ দৰে। ই দুইফালে বৈ যায়— ভাল আৰু বেয়া। আমি ক'ব নোৱৰাকৈয়ে এই সাগৰত আমাৰ নাও সদৃশ দেহাটি ঘূৰাই ফুৰোঁ। আমাৰ দেহ স্বৰূপ নাৱত পৰুৱাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণটি ঘূৰ্মুটিয়াই ফুৰে, সাগৰৰ পাৰ বিচাৰি মনে কুলি চৰাইৰ দৰে ধ্বনি কৰে, মাতে। ইয়াৰ বাবে আল্লাই হ'ল শেষ আশ্ৰয়।

এই সংসাৰ সাগৰত আমাৰ এই অসাৰ দেহাটি যেন একোখন ভগা নাও, আনকি আমাৰ হাতত নাও চলোৱা বৈঠাও নাই। ভগা নাৱত পানী সোমাব নোৱৰাকৈ ফুটাত মৰা কাঠ বা বাঁহৰ ঠিলাটিও লৰি উঠি নাৱলৈ পানী সোমাই আহিব বিচাৰে। অৰ্থাৎ মৃত্যু আহিব বিচাৰে। সেয়ে এই ভগ্ন মানৱ দেহাটি লৈ বেছি গৌৰৱ কৰা অনুচিত। সকলো বিলাক আল্লাৰ ইচ্ছাতেই সংঘটিত হয়। এই সংসাৰ সাগৰত আমি যে জীয়াই আছো সেয়াও খোদাৰ হুকুম বা আদেশ। জীৱনকাল শেষ হ'লেই আল্লাৰ ইচ্ছা মতে আমি আকৌ ঘূৰি যাব লাগিব। ইয়াৰ মাজেদি আজান ফকীৰে আল্লাৰ শ্ৰেষ্ঠত্বৰ কথাই প্ৰকাশ কৰিছে। সেই বাবে জিকিৰটিৰ শেষত নিজকে ভিক্ষাৰী বুলি কৈ ৰমজানৰ জোনক সাক্ষী ৰাখি (যি অপৰিৱৰ্তনীয়, স্থিৰ) ক'ব বিচাৰিছে যে — নিজৰ অন্তৰৰ কোৱাণত বিচাৰ কৰি চালেই আমি কালিমা নামৰ কথাই বিচাৰি পাম। এই সংসাৰ সাগৰৰ পৰা নিজকে বচাই ৰাখিবলৈ হ'লে আল্লাৰ চৰণত নিজকে অৰ্পণ কৰি কেৱল আল্লাৰ নাম জপ কৰা বা স্মৰণ কৰা উচিত কাৰণ আল্লাই সকলোতকৈ শ্ৰেষ্ঠ। আমাৰ লোকগীতসমূহত, বিশেষকৈ দেহ-বিচাৰৰ গীত তথা বৰগীতত সংসাৰখনক এখন বিশাল সমুদ্ৰ আৰু দেহাটিক এখন নাওৰ লগত তুলনা কৰা দেখা যায়। আজান ফকীৰে এইবোৰৰ পৰাই

প্ৰেৰণা লাভ কৰি আল্লাৰ শ্ৰেষ্ঠত্ব প্ৰকাশৰ বাবে লোক-জীৱনৰ চিনাকি উপমা প্ৰয়োগ কৰি জিকিৰ ৰচনা কৰিছিল। এই জিকিৰটোৱেই তাৰ সাৰ্থক উদাহৰণ।

আজান ফকীৰে এই জিকিৰটিৰ মাজেদি মূলতঃ মানৱ জীৱনৰ অসাৰতাৰ কথাই ফুটাই তুলিছে। লগতে আল্লাৰ নাম স্মৰণ কৰিলেহে এই সকলোবোৰৰ পৰা যে পৰিত্ৰাণ পাব পাৰি সেই কথা সুন্দৰভাৱে প্ৰকাশ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' জিকিৰটিৰ মূল বক্তব্য কি?

.....

৩.৩.৫ শব্দাৰ্থ

শব্দ	অৰ্থ
দুনীয়া	পৃথিৱী, জগত, সংসাৰ
ৰংগ ৰূপ	আনন্দ-উৎসৱ
গোৱালোঁহে	কাল কটালো, সময় যাবলৈ দিলো
সাৰ	ঘাই বস্তু, প্ৰধান বস্তু
অসাৰ	মূল্য নথকা, মিছা
বান্দা	দাস (মানুহ)
গুনাহগাৰ	দোষী, পাপী
দৰিয়া	সাগৰ
বহিলে	বৈ গল
কোকিলৰ	কুলি চৰাই
কাঢ়ে	কান্দে, শব্দ কৰে
ৰাও	মাত, শব্দ
কৰ্শালিয়ে	পানী সোমাব নোৱৰাকৈ নাৱৰ ফুটা বা বিন্ধাত ঠাহি মৰা কাঠ বা বাঁহৰ ঠিলা
তলবল	লৰচৰ কৰা
খোদা	আল্লা (ভগৱান)
হুকুম	আদেশ, আজ্ঞা
হায়ত	জীৱনকাল, আয়ুস

চান্দ ৰমজানৰ	ৰমজানৰ জোন
নিয়তক	বাৰেওটি কাল, সততে, অপৰিৱৰ্তনীয়
দিল কোৰাণ	অন্তৰৰ কোৰাণ
কালিমা নাম	ইছলাম ধর্মৰ মূল ভিত্তিৰ প্ৰথমটো



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ছাহ মিলান বা আজান ফকীৰৰ জীৱন সম্পর্কে কিছু কথা অৱগত হোৱাৰ লগতে 'জিকিৰ' মানে কি সেই বিষয়েও কিছু তথ্য লাভ কৰিলে।
- 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' আজান ফকীৰ বিৰচিত এটি জিকিৰ। জিকিৰ বুলি ক'লে আমি সাধাৰণতে অসমীয়া ভাষাত ৰচিত ইছলাম ধর্ম সম্পর্কীয় তত্ত্ব, আদর্শ তথা আচাৰ নীতি সন্নিৱিষ্ট এক শ্ৰেণী ভক্তিমূলক গীতৰ কথাকেই বুজোঁ।
- এই জিকিৰটিৰ মাজেদি আজান ফকীৰে ইছলাম ধর্মৰ প্ৰধান তথা প্ৰথম ফৰজ কালিমা নামৰ মহত্ত্বৰ কথা প্ৰকাশ কৰিছে। আল্লাহ্ এজন আৰু অদ্বিতীয়, মোহম্মদ আল্লাৰ প্ৰেৰিত পুৰুষ বুলি কায়-মনো বাক্যে বিশ্বাস কৰি আল্লাৰ নাম স্মৰণ কৰাই হ'ল কাল্‌মা বা কালিমা।
- আজান ফকীৰে 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' জিকিৰটিৰ মাজেদি মূলতঃ মানৱ জীৱনৰ অসাৰতাৰ কথাই ফুটাই তুলি আল্লাৰ নাম স্মৰণ কৰিলেহে এই সকলোবোৰৰ পৰা যে পৰিত্ৰাণ পাব পাৰি সেই কথা সুন্দৰভাৱে প্ৰকাশ কৰিছে।



৩.৫ অধিক জানিবলৈ

1) গগৈ, লীলা [1968]; *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা*; গোলাঘাট ঃ নবীন পুস্তক ভাণ্ডাৰ।
2) গোস্বামী, প্ৰফুল্ল দত্ত [1986]; *অসমীয়া জনসাহিত্য*, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।
3) নেওগ, মহেশ্বৰ [1985]; *অসমীয়া গীতি সাহিত্য*, গুৱাহাটী ঃ বাণী মন্দিৰ।
4) বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পাঃ) [2001]; *অসমীয়া লোক সাহিত্য*, ডিব্ৰুগড় ঃ সুৰভি সাহিত্য কুটীৰ।

5) মালিক, চৈয়দ আব্দুল (সম্পাঃ) (2003); *অসমীয়া জিকিৰ আৰু জাৰী;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

6) শর্মা, শশী (1993); *অসমৰ লোক সাহিত্য;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

7) শর্মা, হেমন্ত কুমাৰ [1998); *অসমীয়া লোকগীতি সঞ্চয়ন;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

8) হুছেইন, এছ. এম. (সম্পাঃ) [1990); *অসমীয়া জিকিৰ-জাৰী সাৰ;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

9) হুচেইন, এম ইমৰাণ (সম্পাঃ) [2008); *স'ৰাগুৰিৰ আজান;* ষষ্ঠদশ সংখ্যা।

৩.৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আজান ফকীৰৰ প্রকৃত নাম ছাহ মিলান।

২ নং প্রশ্নৰ উত্তৰ ঃ ইছলাম ধর্মৰ মূল ভিত্তি প্রধানতঃ পাঁচটা। যথা — কাল্‌মা (কালিমা), নামাজ, ৰোজা, জাকাত আৰু হজ।

১ নং প্রশ্নৰ উত্তৰ ঃ 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' জিকিৰটিৰ মূল বক্তব্য হ'ল কালিমা নামৰ মহত্বৰ প্রকাশ কৰা।

৩.৬ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ জকিৰ' মানে কি?

প্রশ্ন ২ ঃ 'কালিমা' নাম মানে কি?

প্রশ্ন ৩ ঃ তলত দিয়া শব্দবোৰৰ অর্থ লিখক —

দুনীয়া, বান্দা, গুনাহগাৰ, দৰিয়া, কর্শালিয়ে, খোদা, হুকুম, হায়ত, চান্দ ৰমজানৰ, নিয়তক, কালিমা নাম।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আজান ফকীৰৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

দুনীয়ালৈ আহিলোঁহে ৰঙ্গ ৰূপে গোৱালোঁহে
নুসুজিলোঁ মাও-বাপৰ ধাৰ।
সাৰক নিচিন্তি অসাৰক চিন্তিলোঁ
আমি বান্দা বহুত গুনাহগাৰ।।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' জিকিৰটিৰ মূলভাব বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ 'অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম' জিকিৰটিৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৪ ঃ অম্বিকাগিৰী ৰায়চৌধুৰী — গঢ়া কৰি মোক ঝাড়ুদাৰ

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 অম্বিকাগিৰী ৰায়চৌধুৰী ঃ গঢ়া কৰি মোক ঝাড়ুদাৰ — মূল পাঠ

4.3.1 কবি পৰিচয়

4.3.2 কবিতাটিৰ মূলভাব

4.3.3 কবিতাটিৰ সাধাৰণ আলোচনা

4.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.5 অধিক জানিবলৈ

4.6 অগ্রগতিৰ খতিয়ান

4.7 আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্যকৃতি সম্পর্কে ধাৰণা লাভ কৰিব
- ‘গঢ়া কৰি মোক ঝাড়ুদাৰ’ কবিতাটিৰ মাজেৰে প্রকাশিত স্বদেশপ্রীতি আৰু সংস্কাৰমুখী চিন্তাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত ছাহমিলানে ৰচনা কৰা এটি জিকিৰ অধ্যয়ন কৰিলে। পূর্বৱর্তী অধ্যায় কেইটাত আপুনি অধ্যয়ন কৰা অসমীয়া কবিতা কেইটাক আমি পুৰণি অসমীয়া কবিতাৰ অন্তর্ভুক্ত কৰিব পাৰোঁ। সময়ে সময়ে মানুহৰ চিন্তা-চেতনাৰ পৰিৱর্তন হয়। সেই পৰিৱর্তনৰ ফলস্বৰূপে সাহিত্যটো নতুন ধাৰাৰ সৃষ্টি হয়। তেনেদৰেই এদিন আৰম্ভ হৈছিল ৰোমাণ্টিক কবিতাৰ। অসমীয়া কবিতাটো ৰোমাণ্টিক ভাবধাৰাৰ প্রৱেশ ঘটিল ‘জোনকী’ কাকতখন প্রকাশ পোৱাৰ লগে লগে। নতুন কবিকূলে নতুন ধাৰাৰে অসমীয়া কাব্যজগত সমৃদ্ধ কৰিবলৈ আৰম্ভ কৰিলে। তেনে সময়তেই অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কবি হিচাপে আত্মপ্রকাশ কৰিলে। এইটো অধ্যায়তো আপুনি অম্বিকাগিৰী ৰায়চৌধুৰীৰ এটি কবিতা অধ্যয়ন কৰিব। কবিতাটো হ’ল ‘গঢ়া কৰি মোক ঝাড়ুদাৰ’।

এই কবিতাটোত কবি অম্বিকাগিৰী ৰায়চৌধুৰীয়ে দেশপ্রেমৰ ভাব ফুটাই তুলিছে। দুর্নীতি,

দুষ্কর্মেৰে মলিন হৈ পৰা সৃষ্টিকর্তাৰ অপূর্ব নির্মাণ এই পৃথিৱীখন কবিয়ে ঝাড়ুদাৰ হৈ নিকা কৰিবলৈ ইচ্ছা প্রকাশ কৰিছে। সেই বাবে কবিয়ে তেওঁক ঝাড়ুদাৰ ৰূপে গঢ়ি তুলিবলৈও বিশ্ব খনিকৰক খাটনি ধৰিছে। অধ্যায়টোত কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৃতি সম্পর্কেও কিছু কথা অন্তর্ভুক্ত কৰা হৈছে।

৪.৩ অম্বিকাগিৰী ৰায়চৌধুৰী ঃ গঢ়া কৰি মোক ঝাড়ুদাৰ — মূল পাঠ

হেৰা বিশ্ব কর্মকাৰ,
তোমাৰ ৰুদ্র-ৰোষ হাতুৰীৰে
পিটি পিটি মোক ভাঙি তৃপিতিৰে
গঢ়ি তোলা কৰি বিশ্বৰ ঝাড়ুদাৰ
হেৰা বিশ্ব কর্মকাৰ;
তযু সৃষ্টিৰ স্বচ্ছতা
ঘোলা কৰি,
মহা-মহৰ উচ্চতা
ঢাকি ধৰি,
হীন-নীচতাৰ আছে যি জাহি-জাৱৰ,
সাৰি-পুছি মই কৰি তোলোঁ মনোহৰ।
সুধিছা
সাৰি-পুছি থ'ম ক'ত;
বুজিছা!
ভৰাম সকলো মোত।
তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি মামৰৰ দ'ম
বিশ্বৰপৰা সাৰি-পুছি আনি ময়েই গৰাকী হ'ম।
তেতিয়া তোমাৰ সৃষ্টি
নির্মলতাৰ বৃষ্টি
ধাৰাসাৰে পৰি ধুই-ধাই নিব
যতবোৰ অভিশাপ,—
গোটেই জগত প্লাৱি উথলিব
মহা-মহৰ দীপ।
অপ্রতিহত নৰ বিচিত্র সৃষ্টিৰ সোঁত ব'ব,
অপূর্ণতাৰ বেষ্টনী ভাঙি জগৎ মুকলি হ'ব।

৪.৩.১ কবি পৰিচয়

'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতা ৰচনা কৰিছে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে। ৰৱপেটাৰ বিখ্যাত ৰায়চৌধুৰী পৰিয়ালত 1885 চনত অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল কৃষ্ণৰাম ৰায়চৌধুৰী আৰু মাতৃ দৈৱকী দেৱী। ৰৱপেটাতে প্ৰাথমিক শিক্ষা লাভ কৰি তেওঁ উচ্চ শিক্ষাৰ বাবে গুৱাহাটীলৈ আহে। কিন্তু সোণাৰাম হাইস্কুলত অষ্টম মানলৈকে পঢ়ি 1904–05 চনত স্বদেশী আন্দোলনত যোগদান কৰি স্কুলীয়া শিক্ষা সিমানতে সামৰে। এই সময়তে তেওঁ *বন্দিনী ভাৰত মাতা* শীৰ্ষক নাটকখন ৰচনা কৰি অভিনয় কৰি থকা কালতে ব্ৰিটিছ চৰকাৰে চৰকাৰী বিৰোধী বক্তব্য আছে বুলি সেইখন বাজেয়াপ্ত কৰে। 1908 চনত তেওঁ পুনৰ ৰৱপেটালৈ ঘূৰি যায়। উল্লেখযোগ্য যে 1908 চনৰ পৰা 1915 চনলৈ স্বাধীনতা আন্দোলনৰ কাৰ্যকলাপত লিপ্ত থকাৰ সন্দেহত সেই সময়ৰ ব্ৰিটিছ চৰকাৰে ৰৱপেটাতে তেওঁক নজৰবন্দী কৰি ৰাখিছিল। 1915 চনত অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰথমখন কাব্যপুথি *তুমি* প্ৰকাশ পায়।

1918 চনত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে 'অৰুণা' নামেৰে এটি প্ৰেছ প্ৰতিষ্ঠা কৰে। এই প্ৰেছৰ পৰাই তেওঁৰ সম্পাদনাৰে 1919 চনত *চেতনা* নামেৰে এখন আলোচনী প্ৰকাশ হৈছিল। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে স্বাধীনতা আন্দোলনত জড়িত থকাৰ বাবে 1921 চনত দুবছৰৰ বাবে কাৰাবাস খাটিছিল। 1924 চনত ৰচনা কৰা *শতধাৰ* গদ্যপুথিখনৰ বাবেও তেওঁ পুনৰ তিনিমাহ জেল খটাৰ লগতে জৰিমনাও ভ ৰিব লগা হয়। সেই সময়তে এই পুথিখনো চৰকাৰে বাজেয়াপ্ত কৰে। 1926 চনত পাণ্ডুত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত তেওঁ সক্ৰিয়ভাৱে যোগদান কৰে। এই অধিৱেশনত তেওঁৰ ৰচনা আৰু সুৰেৰে পৰিৱেশিত 'বন্দো কি ছন্দেৰে' শীৰ্ষক গীতটিয়ে সকলোকে মুহিত কৰিছিল। তেওঁ *ডেকা অসম* (35) নামেৰে আন এখন কাকতো সম্পাদনা কৰি প্ৰকাশ কৰিছিল। 1950 চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৰনি কৰা অম্বিকাগিৰী ৰায়চৌধুৰীয়ে 1966 চনত *বেদনাৰ উল্কা*(1964) কাব্য গ্ৰন্থখনৰ বাবে 'সাহিত্য অকাডেমী' বঁটা লাভ কৰে।

অম্বিকাগিৰী ৰায়চৌধুৰী আছিল বহুমুখী প্ৰতিভাৰ গৰাকী। তেওঁ আছিল একাধাৰে গীতিকাৰ, নাট্যকাৰ, সাংবাদিক, সংগীতজ্ঞ, অভিনেতা, সমাজ-সংস্কাৰক, ৰাজনৈতিক কৰ্মী। তেওঁৰ 'জীৱন মৰণ একাকৰ কৰা', 'শুনিবি ভাই দেশৰ কথা কওঁ' আদি গীত আজিও জনপ্ৰিয়। অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰাজিৰ মাজেদি প্ৰধানতঃ দুটা ধাৰা প্ৰকাশিত হৈছে— প্ৰথমটো হ'ল অতীন্দ্ৰিয়বাদী (দেহজ প্ৰেমৰ পৰা ঐশ্বৰিক প্ৰেমলৈ ক্ৰমবিৰ্ৰতনৰ মোহনীয় চিত্ৰ) আৰু দ্বিতীয়টো দেশপ্ৰেমমূলক। তেওঁৰ কেইখনমান উল্লেখযোগ্য কাব্যগ্ৰন্থ হ'ল— *তুমি (1915), বীণা (1916), অনুভূতি*

(1954), স্থাপন কৰ স্থাপন কৰ(1958), বেদনাৰ উল্কা (1964)।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ উল্লেখযোগ্য গদ্য ৰচনাসমূহ হ'ল— *ডেকা-ডেকেৰীৰ বেদ* (1942), *জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি* (1916), *আহুতি* (1953) ইত্যাদি। উল্লেখযোগ্য নাটক হ'ল— *জয়দ্রথ বধ* (1961)। ৰায়চৌধুৰীৰ নাটক, গদ্য আৰু কবিতাত প্ৰকাশিত জাতীয়তাবাদী সুৰটি অতি প্ৰবল। এই থুলৰ ৰচনাৰাজিৰ মাজেদি অম্বিকাগিৰীয়ে শোষণ, নিষ্পেষণ, অত্যাচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছে। লগতে নীচতা, ভণ্ডামি এৰি মানুহক প্ৰকৃত অৰ্থত 'মানুহ' হ'বলৈ আহ্বান জনাইছে। এইজনা মহান অসমীয়াৰ মৃত্যু ঘটে 1967 চনৰ 2 জানুৱাৰী তাৰিখে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ৰচনা কৰা চাৰিখন কাব্যগ্ৰন্থৰ নাম লিখক।

.....

৪.৩.২ কবিতাটিৰ মূলভাব

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰাজিত দুটা প্ৰধান ভাবধাৰা প্ৰকাশিত হয়। তাৰে ভিতৰত প্ৰবল ধাৰাটি হ'ল দেশপ্ৰেমমূলক। 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটি এই ধাৰাটিৰ এটি সাৰ্থক কবিতা।

কবিয়ে ধাৰণা কৰিছে যে এই জগতখন সুন্দৰ, জগতৰ সৃষ্টি কৰ্তাজনো সুন্দৰ তথা মংগলময়। কিন্তু সম্প্ৰতি আমাৰ (মানুহৰ) নীচতা-হীনতা আদিৰ দৰে বিভিন্ন জাহি-জাবৰেৰে পূৰ্ণ হৈ ই কদৰ্যময় হৈ পৰিছে। সৃষ্টিৰ প্ৰকৃত স্বচ্ছতা, পবিত্ৰতা, মহত্ব আদি বিনষ্ট হৈছে। এই সকলোবোৰ ধূলি-মাকতি আঁতৰাই পৃথিৱীখন পুনৰ আগৰ দৰে সুন্দৰ কৰাৰ ভাবনা এই কবিতাটিত ধ্বনিত হৈছে। কবিয়ে স্ব-ইচ্ছাৰে নিজেই ঝাড়ুদাৰ ৰূপেৰে এই পৃথিৱীখন চাফা কৰাৰ কামটি কৰিবলৈ গা-পাতি লৈছে। তেওঁ আনকি এনেদৰে চাফা কৰোঁতে ওলোৱা মলি-মামৰবোৰে নিজৰ মাজতে সমাধিস্থ কৰাৰ ভাবনাও প্ৰকাশ কৰিছে। কবিয়ে আশা কৰিছে এই সকলোবোৰ নিজৰ মাজতে সোমোৱাই ল'লেই পৃথিৱীখন নিৰ্মল হৈ পৰিব। নিৰ্মলতাৰ বৃষ্টিয়ে সকলোবোৰ অভিশাপ ধুই নিব, সমগ্ৰ জগততে নতুনৰ সৃষ্টি হ'ব। তাৰ মাজতে উদ্ভাসিত হ'ব সকলো মহৎ গুণ, সৃষ্টিৰ সমস্ত সৌন্দৰ্য।

উল্লেখযোগ্য যে স্বদেশপ্ৰেম ৰোমাণ্টিক কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য। দেশৰ

উন্নতি চিন্তা কৰা তথা তাৰ বাবে নিজকে আত্মনিয়োগ কৰিব বিচৰাটি এই ধাৰাৰ কবিতাৰ এটা বিশিষ্ট লক্ষণ। আমাৰ আলোচ্য 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটিৰ মাজেদিও কবি অম্বিকাগিৰীৰ স্বদেশপ্রেমৰ কথাকেই প্রকাশ পাইছে। আনকি কবিয়ে নিজেই ঝাড়ুদাৰ ৰূপত অৱতীর্ণ হৈ সমগ্র পৃথিৱীখন চাফা কৰি তাৰ নির্মলতাখিনি উভতাই আনিব বিচাৰিছে। এক কথাত ক'ব পাৰি কবিতাটিত মূলতঃ কবিৰ স্বদেশ চিন্তাৰ লগতে সংস্কাৰমুখী ভাবনাৰ সার্থক চিত্র ৰূপায়িত হৈছে।

৪.৩.৩ কবিতাটিৰ সাধাৰণ আলোচনা

অম্বিকাগিৰী ৰায়চৌধুৰী অসমীয়া সাহিত্যৰ এগৰাকী বিপ্লৱী আৰু সংস্কাৰকামী কবি। দেশাত্মবোধ তেওঁৰ কবিতাৰ এটি প্রধান সুৰ। তেওঁ প্রতিটো মুহূর্ততে স্বদেশ আৰু স্বজাতিৰ মংগল কামনা কৰিছোঁ যে, তেওঁ তেওঁৰ বিভিন্ন সাহিত্যকর্মৰ মাজেদি হীনতা-নীচতা, ভণ্ডামি এৰি প্রকৃত অর্থত 'মানুহ' হ'বলৈ সকলোকে আহ্বান জনাইছে। আমাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটিৰ মাজেদিও কবিয়ে সমাজখন নতুনকৈ গঢ়াৰ চিন্তা প্রকাশ কৰিছে।

বিশ্ব কর্মকাৰ ভগৱানৰ এই বিনন্দীয়া সৃষ্টি পৃথিৱীখন অতিকে সুন্দৰ বুলি কবিয়ে ধাৰণা কৰে। আমিহে আমাৰ কর্মৰে ইয়াক অসুন্দৰ কৰি তোলোঁ। সেয়ে কবিয়ে প্রথমতেই বিশ্ব কর্মকাৰক প্রার্থনা জনাইছে যে তেওঁক ৰুদ্র-ৰোষ হাতুৰীৰে পিটি বিশ্বৰ ঝাড়ুদাৰ হিচাপে গঢ়ি তুলিব লাগে। কাৰণ বিশ্ব কর্মকাৰৰ এই বিনন্দীয়া সৃষ্টি বিভিন্ন হীনতা-নীচতাৰ জাহি-জাৱৰে মলিন কৰি তুলিছে। এই হীনতা-নীচতা আদি মানুহৰ কু-প্রবৃত্তিবোৰ কবিৰ দৃষ্টিৰ আৱর্জনাসদৃশ। সেয়ে কবিয়ে সকলোখিনি নিজেই সাৰি-পুচি পৰিষ্কাৰ কৰিব বিচাৰিছে কাৰণ তেওঁ বিশ্বাস কৰে 'উপদেশতকৈ আর্হি ভাল'। এই কথাখিনিৰ মাজতে কবিৰ সংস্কাৰকামী তথা স্বদেশপ্রেমৰ চিন্তাধাৰা লুকাই আছে।

ইয়াৰ পাছতেই সাধাৰণতে এটা প্রশ্ন আহে যে ঝাড়ু দিলে ওলোৱা জাহি-জাবৰখিনি ক'ত থ'ব? কাৰণ পৃথিৱীখনতে থ'লে জগতখন কেতিয়াও নিকা নহ'ব। ইয়াৰ উত্তৰো কবিয়ে নিজেই দিছে। কবিয়ে চৰম আত্ম-ত্যাগেৰে এই সকলোখিনি জাহি-জাবৰ নিজৰ মাজতে ধাৰণ কৰিব খুজিছে। কাৰণ এই সকলোখিনি নাইকিয়া হ'লেহে জগতখন পুনৰ সুন্দৰ হৈ উঠিব।

কবিতাটিৰ শেষৰ ফালে কবিৰ প্রবল আশাবাদৰ কথা ধ্বনিত হৈছে। অম্বিকাগিৰী আশাবাদী— এই জাহি-জাবৰবোৰ আঁতৰি গ'লে জগতখন নির্মল হৈ উঠিব, সকলো অসুন্দৰ নাইকিয়া হ'ব। অপূর্ণতাই চানি ধৰা জগতখন মুকলি হৈ নতুন নতুন বিচিত্র সৃষ্টিৰ বাট মুকলি কৰিব। সৃষ্টিৰ এই মহীয়ান ৰূপ প্রত্যক্ষ কৰিবলৈকে কবিয়ে ঝাড়ুদাৰ ভূমিকা পালন কৰি বিশ্ব জগত নিকা কৰিবলৈ বিচাৰিছে।

25টা শাৰীযুক্ত এই সৰু কবিতাটিৰ মাজেদিয়েই কবিয়ে নিজৰ কৰ্তব্যবোধৰ পৰিচয় দিয়াৰ লগতে স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা শ্ৰদ্ধা নিবেদন কৰিছে। কবিতাটিৰ বিষয়বস্তু অতি সৰল যদিও অতিকে মনোগ্ৰাহী। বিশ্ব খনিকৰৰ দ্বাৰা নিৰ্মিত এই সুন্দৰ জগতখন নিকা কৰি ৰাখিব বিচৰাটোৱেই কবিতাটিৰ ঘাই উপজীব্য। জগতখন নিকা হৈ থাকিলেহে সকলোৰে উন্নতি হ'ব— নতুন নতুন চিন্তা-ধাৰাৰ বাট মুকলি হৈ সকলো উন্নতিৰ দিশত আগবাঢ়িব পাৰিব। সেই বাবেই কবিয়ে নিজেই ঝাড়ুদাৰ ৰূপত অৱতীৰ্ণ হৈ সকলোখিনি সংস্কাৰ কৰি তুলিব বিচাৰিছে। 'ৰুদ্ৰ-ৰোষ হাতুৰী', 'প্লাৰি', 'অপূৰ্ণতাৰ বেষ্টনী' আদি দুই এক কঠিন শব্দ ব্যৱহাৰ কৰিছে যদিও এইবোৰে কবিতাটিৰ প্ৰধান ভাবটি প্ৰকাশ কৰাত সহায় কৰাৰ লগত কবিতাটি সাৱলীলহে কৰি তুলিছে। এই দৰে বিচাৰ কৰি চালে দেখা যায় যে সকলো ফালৰপৰাই অম্বিকাগিৰী ৰায়চৌধুৰীৰ এই কবিতাটি এক উৎকৃষ্ট কবিতা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কবিয়ে ঝাড়ু দিলে ওলোৱা জাহি-জাৱৰখিনি ক'ত থম বুলি কৈছে?

.....

প্ৰশ্ন নং ৪ ঃ 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটোৰ শেষ পংক্তি কেইটাত কবিয়ে কি আশা কৰিছে?

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰৰপেটাৰ বিখ্যাত ৰায়চৌধুৰী পৰিয়ালত 1885 চনত জন্ম লাভ কৰা কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৃতি সম্পৰ্কে জানিব পাৰিলে।
- 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটি কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ স্বদেশপ্ৰীতি আৰু সংস্কাৰকামী চিন্তাৰ অন্যতম নিদৰ্শন। কবিয়ে হীনতা-নীচতা আদি কু-প্ৰবৃত্তিয়ে কলুষিত কৰা স্ৰষ্টাৰ অপূৰ্ব কৰ্ম এই অপৰূপ বিশ্বজগত সাৰি-পুছি নিকা কৰিবৰ ইচ্ছা প্ৰকাশ কৰিছে।
- তেওঁ বিশ্ব খনিকৰ ভগৱানক ঝাড়ুদাৰ ৰূপে গঢ়ি তুলিবলৈকো প্ৰাৰ্থনা জনাইছে। অম্বিকাগিৰী আশাবাদী— এই জাহি-জাৱৰবোৰ আঁতৰি গ'লে জগতখন নিৰ্মল হৈ উঠিব, সকলো অসুন্দৰ

নাইকিয়া হ'ব। অপূৰ্ণতাই চানি ধৰা জগতখন মুকলি হৈ নতুন নতুন বিচিত্ৰ সৃষ্টিৰ বাট মুকলি কৰিব। সৃষ্টিৰ এই মহীয়ান ৰূপ প্ৰত্যক্ষ কৰিবলৈকে কবিয়ে ঝাড়ুদাৰ ভূমিকা পালন কৰি বিশ্ব জগত নিকা কৰিবলৈ বিচাৰিছে।



৪.৫ অধিক জানিবলৈ

1] ডেকা হাজৰিকা, কৰবী (2008); *অসমীয়া কবি আৰু কবিতা;* ডিব্ৰুগড় ঃ বনলতা।

2) তালুকদাৰ, নন্দ (2006); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

3) নেওগ, মহেশ্বৰ (1986); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

4) বৰা, মহেন্দ্ৰ (1987); *ৰমন্যাসবাদ;* গুৱাহাটী ঃ ষ্টুডেণ্ট এম্পৰিয়াম ।

5] শইকীয়া, নগেন (1996); *অসমীয়া কবিতা আৰু অন্যান্য বিষয়;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে *বেদনাৰ উল্কা* কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ৰচনা কৰা চাৰিখন কাব্যগ্ৰন্থৰ নাম হ'ল— *তুমি (1915), বীণা (1916), অনুভূতি (1954), স্থাপন কৰ স্থাপন কৰ(1958), বেদনাৰ উল্কা (1964)।*

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কবিয়ে ঝাড়ু দিলে ওলোৱা জাহি-জাৱৰখিনি নিজৰ মাজতে ধাৰণ কৰিব খুজিছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কবিতাটিৰ শেষৰ ফালে কবিৰ প্ৰবল আশাবাদৰ কথা ধ্বনিত হৈছে। অম্বিকাগিৰী আশাবাদী— এই জাহি-জাৱৰবোৰ আঁতৰি গ'লে জগতখন নিৰ্মল হৈ উঠিব, সকলো অসুন্দৰ নাইকিয়া হ'ব। অপূৰ্ণতাই চানি ধৰা জগতখন মুকলি হৈ নতুন নতুন বিচিত্ৰ সৃষ্টিৰ বাট মুকলি কৰিব। সৃষ্টিৰ এই মহীয়ান ৰূপ প্ৰত্যক্ষ কৰিবলৈকে কবিয়ে ঝাড়ুদাৰ ভূমিকা পালন কৰি বিশ্ব জগত নিকা কৰিবলৈ বিচাৰিছে।



৪.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত কি কি ধাৰা দেখিবলৈ পোৱা যায়?

প্ৰশ্ন ২ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ উল্লেখযোগ্য গদ্য ৰচনাসমূহ কি কি?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন সম্পৰ্কে এট টোকা লিখক।

প্ৰশ্ন ২ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ সাহিত্য কৰ্মৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

হেৰা বিশ্ব কৰ্মকাৰ,
তোমাৰ ৰুদ্ৰ-ৰোষ হাতুৰীৰে
পিটি পিটি মোক ভাঙি তৃপিতিৰে
গঢ়ি তোলা কৰি বিশ্বৰ ঝাড়ুদাৰ
হেৰা বিশ্ব কৰ্মকাৰ;

খ) তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি মামৰৰ দ'ম
বিশ্বৰ পৰা সাৰি-পুছি আনি ময়েই গৰাকী হ'ম।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটিৰ মূলভাব বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটিৰ বিষয়বস্তু সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ৫ ঃ হেম বৰুৱা — মমতাৰ চিঠি

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য

5.2 পৰিচয়

5.3 হেম বৰুৱা ঃ মমতাৰ চিঠি — মূল পাঠ

5.3.1 কবি পৰিচয়

5.3.2 কবিতাটিৰ সাধাৰণ আলোচনা

5.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

5.5 অধিক জানিবলৈ

5.6 অগ্রগতিৰ খতিয়ান

5.7 আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবি হেম বৰুৱাৰ জীৱন আৰু সাহিত্যকৃতি সম্পর্কে ধাৰণা লাভ কৰিব
- 'মমতাৰ চিঠি' কবিতাটো বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অম্বিকাগিৰী ৰায়চৌধুৰীয়ে স্বদেশপ্রীতি আৰু সংস্কাৰমুখী চিন্তাৰে লিখা কবিতা 'গঢ়া কবি মোক ঝাড়ুদাৰ'ৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টো আপুনি আন এগৰাকী অসমীয়া কবি হেম বৰুৱাৰ এটি কবিতা অধ্যয়ন কৰিব।

'মমতাৰ চিঠি' কবিতাটিৰ মাজেৰে এগৰাকী গাভৰুৰ স্বামীৰ সৈতে চিৰবিচ্ছেদৰ যন্ত্রণা, নিঃসঙ্গতাৰ উপলব্ধি, অবিচল প্রেম, স্মৃতি-স্বপ্ন আৰু জীৱনৰ সৈতে মুখামুখি হোৱাৰ সাহসী পদক্ষেপত প্রকাশ ঘটিছে। অধ্যায়টো অধ্যয়ন কৰিলে আপুনি সেয়া অতি সার্থকভাৱে অনুধাৱন কৰিব পাৰিব। আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে অধ্যায়টোত কবি হেম বৰুৱাৰ জীৱন আৰু কৃতি সম্পর্কেও কিছু কথা অন্তর্ভুক্ত কৰা হৈছে।

৫.৩ হেম বৰুৱা ঃ মমতাৰ চিঠি — মূল পাঠ

If you are coming down through the narrows

of the river Kiang

Please let me know beforhand
And I will come out to meet you
As far as Cho-fu-sa
— Ezra Pound

মৰমৰ —
এই মম এডাল জ্বলাই লৈছোঁ। আজি বহুত দিনৰ
মূৰত তোমালৈ চিঠি এখন লিখোঁ বুলি। বাহিৰৰ উৰুঙা বতাহজাকে
মমডাল আহি কোবাইছেহি। চাওঁ খিৰিকিখন
জপাই দিওঁ।
সাত বছৰৰ আগৰ কথাবোৰ তোমাৰ বাৰু মনত
আছেনে? আমি যে নতুন জীৱনটোৰ পাতনি
মেলিছিলোঁ। মোৰ গাত সেই অচিনাকি নিচা বাৰুকৈয়ে
লাগিছিল।

সিদিনা আছিল কাতিৰ কুঁৱলী সনা এটা কোমল পুৱা।
পদূলিত তলসৰা শেৱালিবোৰ উপচি আছিল। আৰু সন্ধিয়া
মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে
ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।

মই লোৱা কঁকালৰ ৰঙা ৰিহাখনলৈ তুমি বাৰু তেনেকৈ
কিয় একেথৰে চাইছিলা?
মোৰ কেনে লাগিছিল, জানা? তুমি যেন কোনোবা দূৰ
বিদেশৰ স্বপ্নাতুৰ আলোকৰ মানুহ। আৰু মই? মই যেন
তলসৰা এপাহ শেৱালি।

সেইদিনা মন-সাগৰত মোৰ এৰি অহা আৰু
আহি পোৱা অলেখ ঢউৰ কঁপনি জাগিছিল। তোমাৰ জানো
এইবোৰ কথা মনত নাই?
আমাৰ দেউতাই যে চিঠিত লিখিছিল ঃ "আই, তই নতুন
ঘৰখনত হাঁহি-মাতি থাকিবি।"

এইবোৰ সাত বছৰৰ আগৰ কথা। মোৰ যে সকলোবোৰ
পুৰাণৰ সাধু যেন লাগে। জেঠমহীয়া দেউতাৰ
বছৰেকীয়া হৈ গ'ল। তোমাৰ বাবুল এতিয়া বৰটো হৈছে।
তাৰ ওপৰ পাৰিত এধানমানি ডালিম-গুটি যেন দাঁত
অকণি গজিছে। সি মোক একেবাৰে এৰিকে নিদিয়ে।
(কেতিয়াবা মোৰ যে ইমান খং উঠে —
তুমি নাই নহয়, সেই কাৰণে।)
সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদৰে তধা লাগি
চাই থাকে কিয়? তাৰ ওপজাৰ পৰা এইযোৰ কাপোৰ
চিনাকি, সেই কাৰণে নহয়? বাবুল এতিয়া বৰটো
হৈছে বুজিছা? (আৰু ডাঙৰ হ'লে ইস্কুলত তাক
নাম লগাই দিম। ইস্কুলত থকা সেই সময়খিনি
মোৰ যে বুকুখন তেনেই উদং হৈ থাকিব ভাই।)

আৰু কি লিখিম? বিশেষ একো নাই। মোৰে শপত,
তুমি যিদিনা উলতি আহিবা, মোক আগতীয়াকৈ জনাবা
দেই; মই ভোগদৈয়েদি ভটিয়াই গৈ বুঢ়া লুইতৰ
বুকুৰপৰা তোমাক ৰিঙিয়াই মাতিম। তুমি যিদিনা
উলতি আহিবা, মোক আগতীয়াকৈ জনাবলৈ নেপাহৰিবা
দেই। মৰম ল'বা। ইতি —

তোমাৰ
মমতা

পুনঃ এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ
জ্বলিছিল। আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি
জাগিছে। এটা হ'ল বগা আৰু আনটো পখৰা।

৫.৩.১ কবি পৰিচয়

মমতাৰ চিঠি, কবিতাটিৰ কবিগৰাকীৰ নাম হেম বৰুৱা (জন্ম 1915 — মৃত্যু 1977]¼ তেওঁৰ জন্মস্থান তেজপুৰ। পিতৃৰ নাম বিনন্দীৰাম শৰ্মা বৰুৱা আৰু মাতৃৰ নাম পদ্মালোচনী দেৱী। হেম বৰুৱাই 1932 চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। 1936 চনত ইংৰাজীত অনাৰ্ছসহ বি.

এ. পৰীক্ষা পাছ কৰে আৰু 1938 চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। এম. এ. পাছ কৰাৰ পাছত কিছুদিন সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত ইংৰাজী বিভাগত অধ্যাপনা কৰি যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত যোগ দিয়েগৈ। 1942 চনত তেওঁ সমগ্র ভাৰতজুৰি মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা সংগ্রামত যোগ দিয়ে। ফলত এবছৰকাল কাৰাবৰণ কৰিবলগীয়াত পৰে। জেলত থকা কালছোৱাত হেম বৰুৱাই অসমৰ বহু কেইগৰাকী স্বাধীনতা সংগ্রামীৰ সান্নিধ্য লাভ কৰে। তেওঁলোকৰ ভিতৰত লোকপ্রিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস, দেৱেশ্বৰ শর্মা, গড়মূৰীয়া সত্রাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ দৰে প্রখ্যাত লোকো আছিল। হেম বৰুৱাই জেলত থকা সময়খিনি অধ্যয়নৰ মাজেৰেই কটালে। জেলৰপৰা ওলাই আহি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপনাৰ চাকৰিটো হেৰুওৱা বুলি জানিব পাৰিলে। অৱশ্যে 1944 চনত বৰুৱাই গুৱাহাটীত নতুনকৈ খোলা বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনাৰ সুযোগ পালে। পাছত সেইখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বও তেওঁ গ্রহণ কৰে। 1946 চনত তেওঁ প্রজা ছ'চিয়েলিষ্ট দলত যোগ দিয়ে। 1957 চনত লোকসভাৰ সদস্য নির্বাচিত হয়। অধ্যাপক আৰু অধ্যক্ষ হিচাপে হেম বৰুৱাই ইতিমধ্যে কৃতিত্বৰ পৰিচয় দি এগৰাকী শিক্ষাবিদ হিচাপে চিনাকী দিবলৈ সক্ষম হৈছিল। এইবাৰ সাংসদ হিচাপেও তেওঁ সর্বভাৰতীয় ৰাজনীতিত নিজকে এগৰাকী ৰাজনৈতিক চিন্তানায়ক হিচাপে প্রতিষ্ঠিত কৰিবলৈ সুবিধা পালে। তেওঁ তিনিবাৰ সাংসদ হিচাপে নির্বাচিত হৈছিল আৰু সেই কালছোৱাত বাগ্মিতাৰ গুণেৰে ৰাজনৈতিক চিন্তা উত্থাপন কৰি সকলোৰে সমাদৰ লাভ কৰিছিল। আনকি দেশৰ প্রধান মন্ত্রী জৱাহৰলাল নেহেৰুৱেও তেওঁৰ শলাগ লৈছিল। 1971 চনত তেওঁ নির্বাচনত জিকিব নোৱাৰি প্রত্যক্ষ ৰাজনীতিৰ পৰা আঁতৰি আহে। পাছত প্রায় এবছৰ গুৱাহাটীৰপৰা ওলোৱা *Assam Express* নামৰ ইংৰাজী কাকত এখনৰ সম্পাদনাৰ কামত লাগে। হেম বৰুৱাই অসম সাহিত্য সভাৰ 1972 চনৰ ধুবুৰী অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল। 1977 চনৰ 9 এপ্রিল তাৰিখে এইজন মহান ব্যক্তিৰ মৃত্যু ঘটে।

হেম বৰুৱাই কেইবাখনো কবিতা পুথি ৰচনা কৰাৰ উপৰি কেইবাখনো প্রবন্ধৰ কিতাপ, ভ্রমণ কাহিনী ৰচনা কৰিছিল। তদুপৰি ইংৰাজী ভাষাতো তেওঁ ভালে কেইখন গ্রন্থ প্রকাশ কৰিছিল। তেওঁৰ কাব্যপুথি কেইখন হ'ল — *বালিচন্দা [1959], মন-ময়ূৰী [1965], হেম বৰুৱাৰ কবিতা।*প্রবন্ধ পুথি কেইখনৰ নাম হ'ল — *আধুনিক সাহিত্য [1950], সানমিহলি [1957], সাহিত্য আৰু সাহিত্য [1962], সাহিত্য আৰু সমস্যা [1978], এই গাঁও এই গীত [1961], আঁচু ফুল [1964], ডাক-পখিলী [1968], ব'হাগতে পাতি যাওঁ বিয়া [1969], পছোৱাৰ ৰেঙণি [1969], স্মৃতিৰ পাপৰি [1970], ছিন্নমূল [1973], তলসৰা [1976], বিয়াল্লিছৰ গণবিপ্লৱত অসম [1947], সত্য আৰু হিংসা ঃ গান্ধীজী [1971]*। হেম বৰুৱা ভ্রমণ কাহিনী লেখক

হিচাপেও প্রসিদ্ধ। তেওঁ লিখা ভ্রমণ কাহিনীসমূহ হ'ল — *সাগৰ দেখিছা [1954]*, *ৰঙা কৱঁৰীৰ ফুল [1959]*, *ইজৰাইল [1965]* আৰু *মেকং নৈ দেখিলোঁ [1967]*। ইংৰাজী ভাষাত লিখা পুথি কেইখনৰ নাম হ'ল — ***The August Revolutation of Assam (1946), The Red River and The Blue Hills (1954), Fairs and Festivals of Assam (1956), Modern Assamese Poetry (1960), Idle Hours (1961), Assamese Literature (1962), Folk Songs of India (1965), Lakshminath Bezbarua (1967)***।

অসমীয়া কবিতাৰ জগতত হেম বৰুৱাৰ এখন সুকীয়া আসন আছে। হেম বৰুৱাক আধুনিক অসমীয়া কাব্যৰীতিৰ প্রৱর্তক বোলা হয়। বিংশ শতিকাৰ চল্লিশৰ দশকৰপৰাই বৰুৱাৰ কাব্যিক প্রতিভাৰ উন্মেষ হয়। 1940 চনত তেওঁৰ 'বান্দৰ' নামৰ আধুনিক সুৰীয়া কবিতাটি প্রকাশ পাওঁতেই অসমীয়া কবিতাই ৰোমাণ্টিকতাৰপৰা আঁতৰি অহাৰ বুজ পোৱা গৈছিল। *জয়ন্তী, পছোৱা, আৱাহন* আৰু *ৰামধেনু* আদি সাহিত্য পত্রিকাই হেম বৰুৱাৰ কবিতাৰ পৃষ্ঠপোষকতা কৰিছিল। উল্লেখযোগ্য যে, *জয়ন্তী* আলোচনীতে 'পূজা', 'গুৱাহাটী-1944', 'মৰুভু' আদি কবিতাৰে কাব্য-জীৱনৰ পাতনি মেলা এইজন কবিয়ে *পছোৱা* আৰু *ৰামধেনুৰ* পাতত সুপ্রতিষ্ঠিত হয়।

হেম বৰুৱাৰ প্রধান কাব্যগ্রন্থ দুখন। প্রথমখন *ৰালিছন্দা* (1959) আৰু দ্বিতীয়খন *মন-ময়ূৰী*(1967)। এই দুখন সংকলনৰ কবিতাসমূহৰ লগতে অপ্রকাশিত আনবোৰ কবিতা একেলগে সংগ্রহ কৰি 1986 চনত *হেম বৰুৱাৰ কবিতা* নামেৰে তেওঁৰ কবিতা সমগ্র প্রকাশ পাইছে। বৰুৱাৰ কবিতাত সাম্যবাদৰ ধ্বনি, নিষ্পেষিতৰ প্রতি দৰদ বৰ প্রবলভাৱে ব্যঞ্জিত হৈছে। মহাযুদ্ধকালীন পৰিৱেশ, শ্রমজীৱী জনতাৰ ছবি, যৌৱনৰ জয়ধ্বনি, আন্তর্জাতিকতাবোধ, ব্যক্তিগত প্রেম, বেদনাদগ্ধ নাৰীৰ অন্তৰৰ হাহাকাৰ তেওঁৰ কবিতাৰ উপজীব্য।

হেম বৰুৱা সমাজ সচেতন, ৰাজনৈতিক কবি। ড ^{0} মহেন্দ্র বৰাৰ ভাষাত 'জনতাৰ কবি'। তেওঁৰ কবিতাত সমাজ সচেতনতা আৰু ৰাজনৈতিক ভাবধাৰাৰ সুস্পষ্ট প্রকাশ ঘটিছে। কবিয়ে জনতাৰ অর্থনৈতিক-সামাজিক মুক্তিৰ বাবে সংগ্রামৰ পোষকতা কৰে। মার্ক্সীয় দর্শনক তেওঁ শ্রদ্ধা কৰে; কিন্তু তেওঁ যথার্থ সাম্যবাদী কবি নহয়। তেওঁৰ কবিতাত শ্রেণী সংগ্রামৰ প্রণালীবদ্ধ চর্চা পাবলৈ নাই।

হেম বৰুৱাৰ কবিতাৰ প্রকাশভঙ্গী সাৱলীল। কেতিয়াবা স্পন্দিত গদ্য, কেতিয়াবা গদ্য আৰু মুক্তকৰ সানমিহলি ৰূপ, মাজে মাজে সংস্কৃত সাহিত্যৰ উল্লেখ তেওঁৰ প্রকাশভঙ্গীৰ বৈশিষ্ট্য। তেওঁ টি. এছ. এলিয়টৰ পৰা কবিতাৰ ভাব আৰু আঙ্গিক গ্রহণৰ চেষ্টা কৰিছিল। চিত্রকল্প নির্মাণতো বৰুৱা সিদ্ধহস্ত আছিল। যেনে —

প্রথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে
থৰে থৰে পৃথিৱী কঁপিছে আকাশৰ

বেঙুনীয়া জোনটো কাগজৰ নাও যেন লাগে।

... ...

মূৰত এইখন কিয় বাৰু বগা ওৰণি?

জোনটোক সদায়ে মোৰ

বিধবা বিধবা যেন লাগে।

... ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ হেম বৰুৱাই লক্ষ্মীনাথ বেজবৰুৱা সম্পর্কে লিখা কিতাপখনৰ নাম কি?

.....

প্রশ্ন নং ২ ঃ হেম বৰুৱাক মহেন্দ্র বৰাই কিহৰ কবি বুলি অভিহিত কৰিছিল?

.....

৫.৩.২ কবিতাটিৰ সাধাৰণ আলোচনা

'মমতাৰ চিঠি' কবি হেম বৰুৱাৰ এটি অপূর্ব কবিতা। কবিতাটো চিঠি লিখা আৰ্হিৰে ৰচনা কৰা হৈছে। কবিতাটোৰ মূল উৎস এটা বিদেশী কবিতা। চীন দেশৰ বিখ্যাত কবি Li Po বা Li Bai ৰ কবিতা এটিৰ সুন্দৰ অনুবাদ কৰিছে এজৰা পাউণ্ডে (Ezra Pound)। পাউণ্ডে কবিতাটিৰ নাম দিছে 'The River-Merchant's Wife: A Letter'। এই কবিতাটোৰেই 'মমতাৰ চিঠি'ৰ উৎস।

'মমতাৰ চিঠি'ৰ ভাববস্তু অতি মর্মস্পর্শী। মমতা নামৰ এগৰাকী নাৰীয়ে ৰাতি মম এডাল জ্বলাই লৈ স্বামীলৈ চিঠি লিখিছে। চিঠিত প্রথমে সাত বছৰৰ পূর্বৰ দিনবোৰলৈ মনত পেলাইছে। সাত বছৰৰ আগতে এগৰাকী গাভৰু ন-কইনাৰ বেশেৰে তাইৰ স্বামীৰ ঘৰলৈ আহিছিল বিয়া হৈ। এটি নতুন জীৱনৰ পাতনি তৰি তাই যৌৱনৰ মাদকতাত বিভোৰ হৈ পৰিছিল — "আমি যে নতুন জীৱনটোৰ পাতনি মেলিছিলোঁ। মোৰ গাত সেই অচিনাকি নিচা বাৰুকৈয়ে লাগিছিল।" গাভৰুৰ সোঁৱৰণিৰ মাজেৰে যুগ্মজীৱনৰ প্রথম দিনটোৰ কথা মনলৈ আহিছে —

সিদিনা আছিল কাতিৰ কুঁৱলী সনা এটা কোমল পুৱা।
পদুলিত তলসৰা শেৱালিবোৰ উপচি আছিল। আৰু সন্ধিয়া
মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে
ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।

মই লোৱা কঁকালৰ ৰঙা ৰিহাখনলৈ তুমি বাৰু তেনেকৈ
কিয় একেথৰে চাইছিলা?
মোৰ কেনে লাগিছিল, জানা? তুমি যেন কোনোবা দূৰ
বিদেশৰ স্বপ্নাতুৰ আলোকৰ মানুহ। আৰু মই? মই যেন
তল সৰা এপাহ শেৱালি।

গাভৰুৰে এখন ঘৰ এৰি আন এখন ঘৰত ভৰি থৈছে। মনত অলেখ ভাবৰ অগাদেৱা — এফালে এৰি থৈ অহাৰ বিষাদ আৰু আনফালে ন-জীৱনৰ নতুন সপোন, আশা প্রাণপৰিভোগী আনন্দ।

সেইদিনা মন-সাগৰত মোৰ এৰি অহা আৰু
আহি পোৱা অলেখ ঢউৰ কঁপনি জাগিছিল। তোমাৰ জানো
এইবোৰ কথা মনত নাই?
আমাৰ দেউতাই যে চিঠিত লিখিছিল ঃ "আই, তই নতুন
ঘৰখনত হাঁহি-মাতি থাকিবি।"

এয়া মমতাৰ কাপেৰে নিগৰি ওলোৱা নিজৰেই গাভৰু জীৱনৰ কথা। এতিয়া সেয়া স্মৃতি কৰুণ, মর্মস্পর্শী। কাৰণ সেইবোৰ সাতবছৰৰ আগৰ কথা আৰু সেয়ে মমতাৰ বাবে 'সকলোবোৰ পুৰাণৰ সাধু যেন লাগে।' এইখিনিলৈকে কবিতাটি মমতাৰ বিয়াৰ দিনৰ স্মৃতিভৰা কথাৰে পূর্ণ হৈ আছে। পাঠকে সহজে-উপলব্ধি কৰি ল'ব পাৰে যে মমতাই স্বামীলৈ চিঠি লিখিছে যেতিয়া স্বামী নিশ্চয় দূ�ৰেত আছে। কিন্তু ক'ত আছে বা ক'লৈ গৈছে এতিয়ালৈকে জনা নাযায়। এনেতে মমতাই চিঠিত দেউতাকৰ মৃত্যুৰ খবৰ দিছে — "জেঠমহীয়া দেউতাৰ বছেৰেকীয়া হৈ গ'ল।" কিন্তু মৃত্যুৰ যি বিষ সেই বিষাদৰ অনুভূতি হৃদয়ত নোপজাৰ আগতেই মমতাই এটি কিবা অনুভূতি প্রকাশ কৰিছে —

তোমাৰ বাবুল এতিয়া বৰটো হৈছে।
তাৰ ওপৰ পাৰিত এধানমানি ডালিম-গুটি যেন দাঁত অকণি গজিছে।

এয়া পৃথিৱীৰ বুকুলৈ নকৈ অহা এটি জীৱনৰ সংবাদ। ইয়াৰ পাছত আন এটি মর্মান্তিক খবৰ ইংগিতেৰে তুলি ধৰা হৈছে —

সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদৰে তধা লাগি
চাই থাকে কিয়? তাৰ ওপজাৰ পৰা এইযোৰ কাপোৰ
চিনাকি; সেই কাৰণে নহয়?

এতিয়াহে পাঠকে গম পালে যে মমতাই যিজন স্বামীলৈ চিঠি লিখিছে তেওঁ আৰু এই পৃথিৱীত নাই।

ইয়াৰ পাছত গাভৰুৰ স্বপ্নৰ সেই অদম্য বাসনা — তেওঁৰ স্বামী এদিন উলটি আহিব, সেই কথা তেওঁক আগতীয়াকৈ জনাব, গাভৰুয়ে 'ভোগদৈয়েদি ভটীয়াই গৈ বুঢ়া লুইতৰ বুকুৰপৰা' ৰিঙিয়াই তেওঁক মাতিব। আৰু মৃত্যুক চেৰাই গৈ জীৱনৰ আস্বাদ

লোৱাৰ হেঁপাহো পূৰ হ'ব।

শেষত পুনঃ বুলি দুটা ছাগলী পোৱালিৰ জন্মৰ বতৰা দিয়া হৈছে। শেষত দিয়া এই নতুন খবৰে জীৱনৰ উজ্জ্বল বৈশিষ্ট্যকে সমুজ্জ্বল কৰিছে।

পুনঃ এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ ৰঙাকৈ
জ্বলিছিল। আমাৰ আইতাৰ ক'লী ছাগলীজনীৰ দুটা পোৱালি
জাগিছে। এটা হ'ল বগা আৰু আনটো পখৰা।

মুঠতে 'মমতাৰ চিঠি' কবিতাটিৰ মাজেৰে এগৰাকী গাভৰুৰ স্বামীৰ সৈতে চিৰবিচ্ছেদৰ যন্ত্রণা, নিঃসঙ্গতাৰ উপলব্ধি, অবিচল প্রেম, স্মৃতি-স্বপ্ন আৰু জীৱনৰ সৈতে মুখামুখি হোৱাৰ সাহসী পদক্ষেপত প্রকাশ ঘটিছে।

হেম বৰুৱাৰ 'মমতাৰ চিঠি' সাধাৰণ গদ্যৰ ভাষাতে লিখা হৈছে। এই ভাষাত সাৱলীলতা বা স্বচ্ছন্দতা লক্ষ্য কৰা যায়। তদুপৰি কবিতাটিৰ কোমল তদ্ভৱ শব্দবোৰে এক বিশেষ মাধুর্যও বহন কৰিছে। কবিতাটিত প্রতীক আৰু চিত্রকল্পৰো ব্যৱহাৰ হৈছে। বিশেষকৈ ভোগদৈ, বুঢ়ালুইত আদি শব্দই প্রতীকৰ শাৰীলৈ গৈ অন্য অর্থ বৈভৱ সৃষ্টি কৰিছে। 'তলসৰা শেৱালি', 'স্বপ্নাতুৰ আলোকৰ মানুহ', 'সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদৰে তথা লাগি চাই থাকে কিয়?'— ইত্যাদি বাক্যই ইংগিতেৰে অর্থৰ যোগান ধৰিছে। দাম্পত্য জীৱনৰ পাতনিত মমতাৰ মন কল্পনাৰ ৰঙীন ছবি প্রকাশ পাইছে চিত্রকল্পৰ মাধ্যমেৰে —

মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে
ৰিঙিয়াই মাতিছিল তাৰ দেশলৈ।

সন্দেহ নাই, সৰল ব্যঞ্জনাময় স্পন্দিত গদ্যৰ মাধ্যমেৰে, চিঠিৰ আর্হিত ৰচিত হেম বৰুৱাৰ 'মমতাৰ চিঠি' এটি ব্যতিক্রমধর্মী আকর্ষণীয় কবিতা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ 'মমতাৰ চিঠি'ৰ কবিতাটোৰ উৎস কি?

.....

প্রশ্ন নং ৪ ঃ 'মমতাৰ চিঠি' কবিতাটিৰ মূল ভাব এটা বাক্যত লিখক।

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কবি হেম বৰুৱাৰ জীৱন আৰু কৃতি সম্পৰ্কে জানিব পাৰিলে।
- 'মমতাৰ চিঠি' কবিতাটিৰ মাজেৰে কবি হেম বৰুৱাই এগৰাকী গাভৰুৰ স্বামীৰ সৈতে চিৰবিচ্ছেদৰ যন্ত্ৰণা, নিঃসঙ্গতাৰ উপলব্ধি, অবিচল প্ৰেম, স্মৃতি-স্বপ্ন আৰু জীৱনৰ সৈতে মুখামুখি হোৱাৰ সাহসী পদক্ষেপত প্ৰকাশ ঘটিছে।
- কবি হেম বৰুৱাই চীন দেশৰ বিখ্যাত কবি Li Po বা Li Bai ৰ কবিতাৰ এজৰা পাউণ্ডে (Ezra Pound) কৰা ইংৰাজী অনুবাদ 'The River-Merchant's Wife: A Letter'ৰ আধাৰত এই কবিতাটো ৰচনা কৰিছে। মন কৰিবলগীয়া যে, কবিতাটোত অসমীয়া ভাষাৰ কালিকা অতি সার্থকভাৱে অনুধাৱন কৰিব পাৰি।



৫.৫ অধিক জানিবলৈ

1] অসমীয়া বিভাগ (সম্পা.) [2015]Ê, *হেম বৰুৱাৰ কবিতাৰ বিচাৰ*, গুৱাহাটী ঃ বি বৰুৱা কলেজ।

2] আহমেদ, কামালুদ্দিন [2014]Ê, *সাহিত্যৰ অভিব্যক্তি*, গুৱাহাটী ঃ বান্ধৱ।

3] আহমেদ, কামালুদ্দিন [2015]Ê, (পৰিবর্দ্ধিত সংস্কৰণ) *আধুনিক অসমীয়া কবিতা*, গুৱাহাটী ঃ বনলতা।

4] বৰুৱা, ভবেন [2002]Ê, *অসমীয়া কবিতা ৰূপান্তৰৰ পর্ব*, গুৱাহাটী ঃ গ্ৰন্থ।

5] বৰুৱা, লোপা [2016]Ê, *কবিতাৰ বৈভৱ*, পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

6] ভট্টাচার্য্য, পূর্ণ [2009]Ê, *আধুনিক অসমীয়া কবিতা*, পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৫.৬ অগ্ৰগতিৰ খতিয়ান

১ **নং প্ৰশ্নৰ উত্তৰ ঃ** হেম বৰুৱাই লক্ষ্মীনাথ বেজবৰুৱা সম্পৰ্কে লিখা কিতাপখনৰ নাম *Lakshminath Bezbarua* ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হেম বৰুৱাক মহেন্দ্ৰ বৰাই জনতাৰ কবি বুলি কৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'মমতাৰ চিঠি'ৰ কবিতাটোৰ উৎস হ'ল চীন দেশৰ বিখ্যাত কবি Li Po বা Li Bai ৰ কবিতাৰ এজৰা পাউণ্ডে (Ezra Pound) কৰা ইংৰাজী অনুবাদ 'The River-Merchant's Wife: A Letter'।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'মমতাৰ চিঠি' কবিতাটিৰ মাজেৰে এগৰাকী গাভৰুৰ স্বামীৰ সৈতে চিৰবিচ্ছেদৰ যন্ত্ৰণা, নিঃসঙ্গতাৰ উপলব্ধি, অবিচল প্ৰেম, স্মৃতি-স্বপ্ন আৰু জীৱনৰ সৈতে মুখামুখি হোৱাৰ সাহসী পদক্ষেপত প্ৰকাশ ঘটিছে।



৫.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ হেম বৰুৱাই ৰচনা কৰা কাব্য পুথি চাৰিখনৰ নাম লিখক?

প্ৰশ্ন ২ ঃ হেম বৰুৱাই ৰচনা কৰা ভ্ৰমণ সাহিত্য কেইখনৰ নাম কি কি?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কবি হেম বৰুৱাৰ জীৱন আৰু সাহিত্য কৰ্মৰ পৰিচয় দিয়ক।

প্ৰশ্ন ২ ঃ প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক যে
ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'মমতাৰ চিঠি' কবিতাটিৰ বিষয়বস্তু সম্বন্ধে এটি টোকা প্ৰস্তুত কৰি কবিতাটোৰ মূলভাব বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ 'মমতাৰ চিঠি' কবিতাটিত মমতাই স্বামী গৃহলৈ অহাৰ দিনা তেওঁৰ মানসিক অৱস্থা কেনে হৈছিল সেই বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৬ঃ লক্ষ্মীনাথ বেজবৰুৱা — ভদৰী

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 লক্ষ্মীনাথ বেজবৰুৱা ঃ ভদৰী — মূল পাঠ

63.1 জীৱন আৰু কৃতি

6.3.2 গল্পটিৰ সাধাৰণ আলোচনা

6.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.5 অধিক জানিবলৈ

6.6 অগ্রগতিৰ খতিয়ান

6.7 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

- অসমীয়া সাহিত্যৰ পুৰুধা ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি সম্পর্কে চমুকৈ জানিব পাৰিব
- বেজবৰুৱাৰ অন্যতম গুৰুত্বপূর্ণ গল্প 'ভদৰী'ৰ মাজত প্রকাশিত বেজবৰুৱাৰ দৃষ্টিভংগী আৰু গল্পটোৰ সাহিত্যগুণৰ আভাস পাব।

৬.২ পৰিচয়

ইয়াৰ আগৰ গোটেই কেইটা অধ্যায়তে আপুনি কেইবাটাও অসমীয়া কবিতা সম্পর্কে অধ্যয়ন কৰিলে। সেই পাঁচটা অধ্যায়ৰ দ্বাৰা আপুনি অসমীয়া কবিতাৰ ধাৰা সম্পর্কেও কিছু ধাৰণা লাভ কৰিলে। এতিয়া এইটো অধ্যায়ত আমি সাহিত্যৰ আন এটা ধাৰা — 'গল্প' এটা অধ্যয়ন কৰিম।

এইটো অধ্যায়ত অধ্যয়ন কৰিম আমি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা 'ভদৰী' শীর্ষক গল্পটো। লক্ষ্মীনাথ বেজবৰুৱাৰ এই গল্পটোত অসমীয়া গ্রাম্য কৃষিজীৱী সমাজৰ দাম্পত্য জীৱনৰ এখন সার্থক ছবি প্রকাশ পাইছে। গল্পটোৰ বিষয়বস্তু, উপস্থাপন আৰু আংগিকগত নির্মাণ— তিনিও দিশৰ পৰা যথার্থতে এটা ভাল, উন্নত পর্যায়ৰ গল্প। এই গল্পটোৰ জৰিয়তে আপুনি প্রাৰম্ভিক কালৰ অসমীয়া গল্প সম্পর্কেও কিছু আভাস লাভ কৰিব। তলত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

প্রসংগক্রমে উল্লেখযোগ্য যে, অধ্যায়টোত গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু

কৃতি সম্পর্কেও কিছু কথা অন্তর্ভুক্ত কৰা হৈছে, লগতে গল্পকাৰ হিচাপে বেজবৰুৱাৰ সম্যক পৰিচিতি দাঙি ধৰা হৈছে।

৬.৩ লক্ষ্মীনাথ বেজবৰুৱা ঃ ভদৰী — মূল পাঠ

প্রথম আধ্যা

"ঐ অ ভাত লৈ আহ ! — শুনিছনে? বোলো ভাত লৈ আহ !" এইবুলি নাঙলটো চোতালতে থৈ শিশুৰামে লৰা-লৰিকৈ আঠুমুৰীয়া তিতা চুৰিয়াখন সলাই ঘৈণীয়েক ভদৰীয়ে ভাত-ৰন্ধা খোটালি পাই দেখিলে, ভাতে ফুটহে কাঢ়িছে। আঞ্জাৰ ফালেও ততোধিক মলিয়াইছে বা কলিয়াইছে হে বুলিব লাগে। অর্থাৎ ঢেকীয়া শাকমুঠি মেলাহি- বাটিটোত বাছি থোৱা হৈছে, ধোৱাও হোৱা নাই; কলাপাত এডোখৰৰ ওপৰত ওচৰতে মৈদাখন মৰা ম'ৰা চৰাইটো যেন কাতি হৈ পৰি আছে, আৰু ঠেতেলামূৰীয়া মাটি সনা কাৰৈ মাছকেইটাই, ভাং খাই টঙনাটঙনি কৰি মূৰ ফলাফনি কৰা ছাই সনা ফকিৰৰ দৰে, পৰি ছট্‌ফট্ কৰিব লাগিছে। সিফলে ভাতৰ চৰুৰ তলত গেৰেহা খৰি লৰালৰিকৈ সুমাই দি, ভদৰীয়ে কমাৰৰ ভাতীৰ নিচিনাকৈ ফোচ্ ফোচ্ কৰি ফুৰাইছেহে ফুৰাইছে কিন্তু খৰিৰ জাৰেই মৰা নাই, সোঁ-সোঁ-সোঁ কৰি খৰিয়ে কেকনি-গেথনিহে ধৰিছে। শিশুৰামৰ খং মূৰৰ চুলিৰ আগ পালেগৈ। কেইবাটাও কথাই আজি পুৱাৰ পৰা শিশুৰ খংজুই জ্বলাই হৈছিল; দুপৰীয়া হাল মেলি আহি ভাত নোপোৱা কথাটোৱে সেই জ্বলা জুইকুৰাত ঘিঁউ ঢালি দিলে মাথোন। প্রথম কাৰণ, আগদিনা শিশুক লঘোণে থৈ আৰু তাৰ হাল খনি কৰি নিষ্ঠুৰ কৃষ্ণা একাদশী গুছি গ'ল। দ্বিতীয় কাৰণ, একাদশী কৰি গা-ৰহা গৰাকীৰ দৰে গৰুহালেও হালত নেযাওঁ-নথওকৈ পুৱাৰে পৰা শিশুক মহা আমনি কৰি আছিল। স্বৰূপতে পথাৰৰ এটাইখিনি কথা ভাঙি-ছিঙি ক'ব লাগিলে, গৰু হালত গাত, কামৰ সময়ত "গাফিলি" কৰি কান্ধত যুৱলিৰেই শুই পৰা জগৰ পৰে; আৰু গৰুৰ গৰাকীৰ গাতো হিন্দুৰ পূজ্য গোজাতিৰ বিপক্ষে অতি অহিন্দু বাইক প্রয়োগ কৰা আদি ডাঙৰ জগৰ আহি পৰে। লোকে যিহকে কওক, আমি কিন্তু লগনীয়া স্বভাৱৰ লোক নহওঁ। সেইবিলাক টুটকীয়া কথা লগাই, একাদশী কৰি পেটে কঁকালে লগা বপুৱা শিশুৰামক আৰু লঘোণে- ভোকে থবৰ আমাৰ ইচ্ছা নাই; আৰু গৰুহালৰ ওপৰত ভদৰীৰ শেলাই বন্ধ গৈ থকা ভাল মতটো ঘহি-পিহি গুচাই দিবৰ অভিলাষো আমাৰ নাই। তৃতীয় কাৰণটো এইখিনিতে লগে ভাগে কৈ থোৱা ভাল, নাইবা ভদৰী-শিশুৰামৰ এই উপাখ্যানটো এই পৃথিৱীত অঙ্গহীন হৈ ৰ'ব। যথা, মাটিৰ সীমা ঠেলা বাবে বেথাই বহুৱাৰে সৈতে সেই পুৱাই পথাৰত শিশুৰামৰ অলপ খকা-খুন্দা লাগি আহিছে। খকা-খুন্দাটো, তপত ঘিঁউত লুচি ওফন্দানি ওফন্দি, ডাঙৰ হৈ উঠিছিল, কিন্তু গতি বিষম দেখি বহুৱা বেথায়ে খোচ মাৰি, ওফন্দি উঠা টোটো ফুটাই দি পলাল দেখি জানিবা সেই খকা-খুন্দা অৱস্থাতে ৰ'ল। এই বিচিত্র সংসাৰত পূর্বাপৰ প্রচলিত নিয়ম আছে, যে বাহিৰত য'তে যিহতে পুৰুষৰ খং উঠক, তাত সেই খণ্ডৰ সদ্ব্যৱহাৰ বা অসদ্ব্যৱহাৰ তেওঁ কৰিব নোৱাৰিলে, ঘৰলৈ উভতি আহি ঘৈণীয়েকৰ ওপৰত, সঁচাই -মিছাই সেই খং দপালি

দি বৰ মতা ওলায়। আমাৰ সংসাৰী শিশুৰামো এই প্ৰচলিত নিয়মৰ বাহিৰা নহয়। ইয়াৰ আগেয়ে সি এদিন অঘাইটং বেথাই বহুৱাৰ পালতে পৰিণগুৰ্ণাগতি হৈ আহি, গোহালিত এতিয়ালৈকে জাকি দিয়া হোৱা নাই বুলি, ঘৰ সোমায়েই অনাহকতে ভদৰী বেচেৰীৰ পিঠিত ঔ পৰা কথাও আমি জানো।

গিৰীয়েকৰ এনে বৰ মতালিৰ মানে ভদৰীয়েও বঢ়িয়াকৈ বুজি, একো নেমাতি আই বসুমতীৰ দৰে পিঠি পাতি দি সদাই সহি থাকে। বাস্তবিক পক্ষতে ভদৰীৰ এনে বিশ্বাস হৈ গৈছিল যে ভুকুটো ঢকাটো চৰটো গোৰটো আৰু কাঠখৰি আৰু ঢেকিঠোৰাৰ মাৰটো, উঠা বহা, খোৱা-লোৱাৰ লগৰে বিবাহিত জীৱনৰ এটা অপৰিহার্য্য অঙ্গ। কিন্তু সকলো কথাৰে এটা যুক্তিসঙ্গত সীমা আছে; মাৰ-কিলো যে অসীম ঈশ্বৰ লগতে এটা অসীম পদার্থ এনে নহয়। সহন-শিৰোমণি বসুমতীৰো কেতিয়াবা কেতিয়াবা শিল-মাটিৰ গা কঁপে। আমাৰ সৰু-সহনীয়া ভদৰীৰ তেজ-মঙহৰ শৰীৰেও থাকি থাকি অসহ্য হ'লে কেতিয়াবা দুই এটা জিকাৰ মৰাটো কি টান কথা? কেঁচা খৰিৰ জুই ফুৱাই ফুৱাই নাকৰ পানী আৰু চকুৰ পানীয়ে একে হোৱা ভদৰীয়ে দুর্ভাগ্যবশতঃ আজিও এটা অসঙ্গত আৰু অযুগুত জিকাৰ মাৰি দিলে।

শিশুৰাম ঃ অমুকৰ জীয়েক, এই বেলি তিনিপৰীয়ালৈকে ভাত হোৱা নাই কিয়?

ভদৰী ঃ মোৰ মূৰটোৰে ভাত ৰান্ধি দিম নেকি? খৰি এডাল বুলিবলৈ নাই ! গেৰেহা কেঁচা খৰি ফুৱাওঁতে ফুৱাওঁতে হাৰাশাস্তি হৈছো। নুবুজা নেমেলাকৈ দুপ্‌দুপাই উঠিলেই হ'ল নেকি?

"বেটী কি বুলিলি?" এইবুলি জমদগ্নি শিশুৰামে, কাৰৈ মাছৰ তেজ পিবলৈ টোপালি পাৰি পৰি থকা মৈদাখনেৰে, ভদৰীৰ পিঠিত ওপৰা ওপৰিকৈ দুকোব মাৰিলে। তৃতীয় কোব মৰাৰ আগেয়ে, ভদৰীৰ চিঞৰ শুনি লৰি আহি, শিশুৰামৰ বেলেগতীয়া ভায়েক কিনাৰামে পিচ ফালৰ পৰা "হে হে ককাই কি কাৰ !" বুলি শিশুৰামক সাবট মাৰি থাপমাৰি হাতৰপৰা তেজেৰে ৰাঙলি মৈদাখন কাঢ়ি নিলে। ভদৰী তেজেৰে তুমৰলি হৈ মুচ্‌কচ্‌ গৈ মাটিত পৰিল।

দ্বিতীয় আধ্যা

আস্পতালত থাকি তিন দিনৰ মূৰত ভদৰীয়ে জ্ঞান পালে। জ্ঞান পায়েই প্ৰথমেই কাষত থকা ডেৰেচীক সুধিলে, "তেওঁ কলৈ গ'ল?"

ডেৰেচী ঃ কৌন তেওঁ?

ভদৰী ঃ (অলপ অপ্রস্তুত হৈ) আমাৰ তেওঁ। মোৰ গিৰিহঁত।

ডেৰেচী ঃ ও আদমী হাজোত মে আছে।

ভদৰী ঃ তেওঁক মাতি পঠিয়াওক দেউতা।

ডেৰেচী ঃ ক্যা মাতি পঠিয়াও গে; ও আদমি আভি আহিবে নাহি পাৰিবে। উচ্‌কো তো হাজত মে দিছে। আচ্ছা তুমি ৰহ আভি। তোমাৰা আদমিকা বাত তুমি আভি নাহি ভাবিবে। ও বাত আভি ভাবিলে হামি জানিছে তোমৰা বেমাৰ বহুত বেছি হবে।

আস্পতালৰ ডেৰেচীৰ কথা শুনিয়েই ভদৰী আকৌ অজ্ঞান হৈ পৰিল। এনেতে বৰ ডাক্তৰ আহি পালেহি। ডাক্তৰে কম্পাউণ্ডাৰৰ মুখে ৰোগীৰ সকলো অৱস্থাৰ ভূ পাই শিশুৰামক হাজোতৰ পৰা আনি তাইৰ আগত নিদিলে তাইৰ সোনকালে আৰোগ্য হ'বৰ আশা নাই বুজি, তেতিয়াই তাৰ দিহা কৰিলে।

তৃতীয় আধ্যা

এইবাৰ জ্ঞান পাই ভদৰীয়ে চকু মেলিয়েই দেখিলে তাই পৰি থকা শয্যাৰ কাষত, দুটা ৰঙা পাগুৰীয়া কনিষ্টবলৰ মাজত শিশুৰাম থিয় হৈ আছে। কাষতে ডাক্তৰ চাহাব।

ভদৰী ঃ (শিশুৰামৰ ফালে চাই) তোমাৰ গা কেনে আছে? আজি ভাত খালানে? তোমাৰ ভাত পানী খোৱাত মহা দুখ হৈছে চাগৈ?

উত্তৰস্বৰূপে শিশুৰামৰ দুচকুৰে দুধাৰ লো বৈ গ'ল।

ভদৰী ঃ (ডাক্তৰলৈ চাই হাত যোৰ কৰি) দেউতা ঈশ্বৰ ! ধৰ্ম্মাৱতাৰ ! এওঁৰ কোনো দোষ নাই, এওঁক এৰি দিয়ক। বেটী গোলামীয়ে চুলি ছিঙি কাতৰ কৰি মাতিছোঁ, মোৰ গিৰিহঁতক এৰি দিয়ক। মাছ বাছিবলৈ যাওঁতে উজুটি খাই পাতি থোৱা মৈদাত পৰি বেটী গোলামীৰ গা কাটিছে।

ভদৰীৰ সকৰুণ কথা শুনি ডাক্তৰ, ডেৰেচী, কনিষ্টবল আদি সকলো অবাক ! শিশুৰামেও আৰু থাকিব নোৱাৰি হৌ হৌ কৰে কান্দিবলৈ ধৰিলে, "নহয় হজুৰ ! মইহে এইক মৈদাৰে কুবিয়ালো, মোক হজুৰ ফাঁচি দিয়ক। ধৰ্ম্মাৱতাৰ মই মহাপাপী; মই এনেজনী তিৰোতাৰ গাত অস্ত্রেৰে কোব মাৰিলো।"

সামৰণি

অলপ দিনৰ ভিতৰতে ভদৰী সম্পূৰ্ণৰূপে আৰোগ্য হ'ল। কিন্তু স্বামীক নিৰ্দোষী কৰি আইনৰ গৰাহৰ পৰা ৰাখিবলৈ তাই প্ৰাণপণে চেষ্টা কৰাতো, তাৰ কঠিন পৰিশ্ৰমেৰে সৈতে তিনি মাহ ফাটকৰ হুকুম হ'ল। শিশুৰামে হাঁহি হাঁহি বৰ ফাটকৰ ভিতৰলৈ, আৰু ভদৰীয়ে কান্দি কান্দি শোক-ভৰা হৃদয় লৈ আপোন ঘৰৰ ভিতৰলৈ সোমাই, এইখিনিতে আমাৰ এই বেগেতীয়া সাধুটি শেষ কৰি দিলে।

৬.৩.১ জীৱন আৰু কৃতি

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতত এগৰাকী অবিসম্বাদী নায়ক লক্ষ্মীনাথ বেজবৰুৱাক বাদ দি 'অসমীয়া জাতি'ৰ কথা ভাবিব নোৱাৰি। এইজনা ব্যক্তিৰ জন্ম হয় 1864 চনৰ লক্ষ্মীপূৰ্ণিমাৰ দিনা নগাঁৱৰ আঁহতগুৰি নামৰ ঠাইত। দেউতাক দীননাথ বেজবৰুৱা আছিল কমলাবাৰী সত্ৰৰ শিষ্য, এজন নৈষ্ঠিক বৈষ্ণৱ। আহোম ৰজা পুৰন্দৰ সিংহই তেওঁক ৰাজকুলৰ বেজবৰুৱা পাতিছিল। ব্ৰিটিছ

ৰাজত্বকালত তেওঁ ব্রিটিছৰ অধীনত চাকৰি কৰিছিল। চৰকাৰী চাকৰিৰ কামত তেওঁ নগাঁৱৰপৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈ থাকোঁতে নাৱতে লক্ষ্মীনাথৰ জন্ম হয় বাবে লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণত* নিজৰ জন্মকথা বর্ণনা কৰাৰ প্রসঙ্গত 'ভূমিষ্ঠ নহৈ নৌকাষ্ঠ' হোৱা বুলি কৈ গৈছিল।

1886 চনত লক্ষ্মীনাথে শিৱসাগৰৰ উচ্চ ইংৰাজী বিদ্যালয়ৰপৰা এণ্ট্রেন্স পৰীক্ষাত উত্তীর্ণ হৈ কলেজীয়া শিক্ষাৰ বাবে কলিকতালৈ যায়। কলিকতাৰ ৰিপন কলেজ আৰু চিটী কলেজৰপৰা 1888 চনত এফ. এ. আৰু 1890 চনত এচেমব্লি কলেজৰপৰা বি. এ. পাছ কৰে। তেওঁ আইন আৰু ইংৰাজী বিষয়ত এম. এ. পঢ়িছিল যদিও সম্পূর্ণ নকৰাকৈ ঘূৰি আহে।

1891 চনৰ 11 মার্চত তেওঁৰ ৰবীন্দ্রনাথ ঠাকুৰৰ ককায়েক হেমেন্দ্রনাথ ঠাকুৰৰ কন্যা প্রজ্ঞা সুন্দৰীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। উল্লেখযোগ্য যে, বঙালী মানুহৰ নিয়ম অনুসৰি প্রজ্ঞাসুন্দীৰ দেৰীৰ লগত যৌতুক হিচাপে লক্ষ্মীনাথক দহ হাজাৰ টকা দিছিল যদিও স্বাধীনমনা, প্রবলভাৱে আত্মসন্মানবোধ থকা লক্ষ্মীনাথে সেই ধন গ্রহণ কৰা নাছিল।

বিবাহৰ পিছতে কলিকতাত থকা বিখ্যাত অসমীয়া ব্যৱসায়ী ভোলানাথ বৰুৱাৰ সৈতে লক্ষ্মীনাথে কপাহৰ ব্যৱসায় আৰম্ভ কৰে। তাৰ পিছতে দুয়ো কাঠৰ ব্যৱসায় আৰম্ভ কৰে। ব্যৱসায়ত সাফল্য অর্জন কৰিছিল যদিও কিবা কথাত ভোলানাথ বৰুৱাৰ সৈতে মনোমালিন্য হোৱাত 1916 চনত তেওঁ বার্ড কোম্পানীৰ চাকৰিত সোমায়। এই চাকৰি কালতে তেওঁ বংগদেশ আৰু উৰিষ্যাৰ বিভিন্ন ঠাইলৈ যাবলগীয়া আৰু থাকিবলগীয়া হয়। 1928 চনত তেওঁ চাকৰি ইস্তফা দি উৰিষ্যাৰ সম্বলপুৰত নিজাকৈ কাঠৰ ব্যৱসায় আৰম্ভ কৰে। মন কৰিবলগীয়া, সেই সময়ত বি.এ. পাছ কৰা আৰু আইনৰো শিক্ষা লোৱা লক্ষ্মীনাথৰ বাবে ইংৰাজ কোম্পানীৰ অধীনত চাকৰিৰ অভাৱ নাছিল। বেজবৰুৱা আছিল স্বভাৱতে স্বাধীনমনা। তেওঁৰ এই স্বাধীনচিতীয়া স্বভাৱৰ বাবেই বিখ্যাত ঠাকুৰ পৰিয়ালৰ ঘৰজোঁৱাই নহ'ল। ভোলানাথ বৰুৱাৰ সৈতে মনোমালিন্য হোৱাৰ পিছত চৰম আর্থিক সংকটত পৰিহে কিছুবছৰ কোম্পানীৰ চাকৰি কৰিছিল যদিও চাকৰি কালছোৱাতো নিজৰ স্বাধীন চিন্তাৰ দুৱাৰখন খোলা ৰাখিছিল। জীৱনৰ শেষ কাললৈকে সম্বলপুৰতে থাকি ব্যৱসায় কৰি 1938 চনৰ 26 মার্চত ড্রিৰুগড়ত বেজবৰুৱাৰ মৃত্যু হয়।

লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যক্তিত্ব আৰু বিচিত্র অৱদানৰ বাবে অসমীয়া ৰাইজে তেওঁক 'সাহিত্যৰথী' আৰু 'ৰসৰাজ' উপাধিৰে সন্মানিত কৰিছে। অতুলনীয় ৰসবোধ বেজবৰুৱাৰ ব্যক্তিত্বৰ মহৎ গুণ। প্রবল আশাবাদ, প্রচণ্ড কর্মমুখিতা, গভীৰ জীৱনবোধে বেজবৰুৱাৰ সাহিত্যক মহীয়ান কৰি ৰাখিছে। অত্যন্ত কর্মব্যস্ততাৰ মাজতো বেজবৰুৱাই লিখা কামটো নকৰাকৈ থকা নাছিল। আমাৰ ইতিহাসৰ সজ

কথাবোৰ নতুন স্বৰে উলিয়াই আনি বেজবৰুৱাই অসমীয়া মানুহক গৌৰৱ কৰিবলৈ শিকাইছিল। ইয়াৰ পৰা আত্মবিশ্বাস বাঢ়ে। আমাৰ জাতীয় পৰিচয়ৰ প্ৰতি আনে অপমানসূচক কথা ক'লে বেজবৰুৱা যুঁজাৰু সৈনিক হৈ পৰে। অসমীয়া ভাষাৰ স্বকীয়তা নোহোৱা কৰিব খোজা একাংশ বঙালী পণ্ডিতক বেজবৰুৱাই বাংলা আৰু অসমীয়া ভাষাৰ লেখনী বিক্ৰমেৰে ধৰাসায়ী কৰিছিল। শংকৰদেৱক উপলুঙা কৰা লালুকী পণ্ডিতৰ মুখৰ মাত নোহোৱা কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই বিবিধ সাহিত্য সম্ভাৰেৰে সাহিত্যৰ আটাইকেইটা শাখাই ভৰাই তুলিছিল। 1901 চনৰপৰা 1934 চনলৈ বেজবৰুৱাৰ মুঠ 25খন গ্ৰন্থ প্ৰকাশ পাইছিল — *লিতিকাই* (1901, নাটক), *কামত কৃতিত্ব লভিবৰ সংকেত* (1903), *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা* (1904), *পদুমকুঁৱৰী* (1905, উপন্যাস), *কৃপাবৰ বৰুৱাৰ ওভতনি* (1909), *ভাৰতবৰ্ষৰ বুৰঞ্জী* (1903], *ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱনচৰিত* (1909], *সুৰভি* (1909, চুটিগল্প সংকলন), *সাধুকথাৰ ঝুঁকি* (1910, চুটিগল্পৰ সংকলন), *শ্ৰীশ্ৰীশংকৰদেৱ* (1911], *বুটী আইৰ সাধু* (1912), *জোনবিবি* (1913, চুটিগল্প সংকলন), *ককাদেউতা আৰু নাতি ল'ৰা* (1913), *জুনুকা* (1913, সাধুকথা), *কদমকলি* (1913, কবিতা), *নোমল* (1913, ধেমেলীয়া নাট), *পাচনি* (1913, ধেমেলীয়া নাট), *চিকৰপতি নিকৰপতি* (1913, ধেমেলীয়া নাট), *মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ* (1914), *ৰাখৰ* (1915, নৈতিক উপদেশমূলক পুথি), *ভগৱৎ কথা* (1915), *জয়মতী কুঁৱৰী* (1915, নাটক), *চক্ৰধ্বজ সিংহ* (1915, নাটক), *বেলিমাৰ* (1915, নাটক), *History of Vaishnavism in India and Rasalila of Sri Krishna* (1934)।



জানি থোৱা ভাল

কৃপাবৰ বৰুৱা আচলতে লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনাম। এই নামৰ ৰচনাবোৰৰ মাজত তীব্ৰ ব্যঙ্গ আৰু বিমল হাস্যৰস চপচপীয়া হৈ আছে। হাস্য আৰু ব্যঙ্গৰ মাজেদি বেজবৰুৱাই সমকালীন সমাজ ব্যক্তি, ৰাজনীতি, পৰম্পৰা আৰু সংস্কৃতি আদিৰ বিষয়ে নিজৰ সুচিন্তিত মন্তব্য আৰু উপলব্ধি অনন্য ভংগীত প্ৰকাশ কৰিছে। বেজবৰুৱাৰ পাছত এই ধাৰাৰ গদ্য আন কোনেও ৰচনা কৰিব পৰা নাই।

1910 খ্ৰীষ্টাব্দৰপৰা বেজবৰুৱাই *বাঁহী* নামৰ মাহেকীয়া আলোচনী এখন সম্পাদনা কৰে। উৰিষ্যা-বংগত থকা কালছোৱাত তাৰপৰাই *বাঁহী* প্ৰকাশৰ ব্যৱস্থা কৰিছিল। *বাঁহী*ত ধাৰাবাহিকভাৱে বেজবৰুৱাই লিখা লিখনিবোৰ পৰৱৰ্তী সময়ত

অতুলচন্দ্র হাজৰিকাই সংকলন কৰে (ইতিমধ্যে আমি সেয়া ওপৰত উল্লেখ কৰা শ্রেণী বিভাজনত উল্লেখ কৰিছোঁ)। সেই সংকলিত গ্রন্থবোৰ হ'ল— *1) শ্রীকৃষ্ণ কথা, 2) তত্ত্বকথা, 3) চৈতন্যদেৱ, 4) পদুমকলি, 5) নাটৰ কুঁকি, 6) কেহোঁকলি* (গল্প সংকলন), *7) অসমীয়া ভাষা আৰু সাহিত্য, 8) বৰবৰুৱাৰ সাহিত্যিক ৰহস্য, 9) বৰবৰুৱাৰ চ'ৰা, 10) বৰবৰুৱাৰ সামৰণি, 11) বিবিধ প্রসংগ, 12) সম্পাদকৰ চ'ৰা, 13) কাহুদি আৰু খাৰলি, 14) The Religion of Love and Devotion*

ইয়াৰ উপৰি মহেশ্বৰ নেওগে অন্য তিনিখন গ্রন্থ সম্পাদনা কৰি উলিয়ায়— 1) *বেজবৰুৱাৰ দিনলেখা* (প্রথম খণ্ড), 2) *বেজবৰুৱাৰ পত্রলেখা*, 3) *বেজবৰুৱাৰ দিনলেখা* (দ্বিতীয় খণ্ড)

এই বিশাল সাহিত্যকৃতিৰ মাজত আছে — গল্প, উপন্যাস, নাটক, ধর্মতত্ত্ব, ধর্মীয় ইতিহাস, জীৱনী, সাধুকথাৰ সংগ্রহ, কবিতা, সাহিত্য-সংস্কৃতিৰ আলোচনা, ব্যঙ্গাত্মক ৰচনা, প্রবন্ধ ইত্যাদি বিভিন্ন বিষয় আৰু ৰূপ।

1889 চনত প্রকাশ পোৱা *জোনাকী* আলোচনীতে অসমীয়া চুটিগল্পৰ জন্ম হয়। অৱশ্যে প্রথম প্রকাশিত চুটিগল্পটো কোনটো — এই ক্ষেত্রত দুই-এক মতবিৰোধ আছে যদিও *জোনাকী*ৰ চতুর্থ বছৰৰ চতুর্থ সংখ্যাত প্রকাশিত 'সেউতী' নামৰ গল্পটোৱেই বেজবৰুৱাৰ তথা অসমীয়া সাহিত্যৰ প্রথম চুটিগল্প বুলি বেছিসংখ্যক সমালোচকে মত পোষণ কৰে। সি যি কি নহওক, বেজবৰুৱাৰ আগতেও অসমীয়া সমাজত সাধুকথা বা নানা আখ্যান-কিম্বদন্তী প্রচলিত আছিল। *অৰুণোদই* আলোচনীত নানা নৈতিক আখ্যান, সাধু আৰু উপকথা প্রকাশ হৈছিল। কিন্তু আধুনিক সাহিত্যৰ এটা অপৰিহার্য আৰু বিশিষ্ট অংগ 'চুটি গল্প' (short-story)ৰ জন্ম হয় বেজবৰুৱাৰ হাততহে।

বেজবৰুৱাৰ হাতত অসমীয়া চুটিগল্পৰ জন্ম হয় যদিও বেজবৰুৱাই সাধুকথা (tale)ৰ লগত চুটি গল্পৰ বৰ এটা পার্থক্য ৰখা নাছিল। তেওঁৰ গল্প সংকলনসমূহৰ নামসমূহ চালে এই বিষয়ে ধাৰণা কৰিব পাৰি। তেওঁৰ এখন গল্পপুথিৰ নাম *সাধুকথাৰ কুঁকি*। বেজবৰুৱাই তেওঁৰ লিখনিৰ ক'তো চুটি গল্প বুলি কোৱা নাই; গল্প আৰু সাধুকথা বুলিহে কৈছে। আচলতে, অসমীয়া ভাষাত পোনপ্রথমবাৰৰ বাবে পশ্চিমীয়া সাহিত্যৰ আর্হিত চুটি গল্প লিখিবলৈ লোৱাৰ বাবে বেজবৰুৱাই গল্পৰ শিল্পৰূপ নির্মাণৰ দিশটো বৰকৈ মন কৰিব পৰা নাছিল। কাহিনী কোৱা আৰু কাহিনীৰ মাজেদি সমাজ-ব্যক্তি-পৰিস্থিতিৰ বিষয়ে নিজৰ উপলব্ধি প্রকাশ কৰাই বেজবৰুৱাৰ গল্পৰ বৈশিষ্ট্য। সকলো ভাষাৰ সাহিত্যৰ ক্ষেত্রতে আৰম্ভণিতে পৰিপক্কতা দেখা নাযায়। সময়ৰ লগে লগেহে সাহিত্যৰ বিভিন্ন ৰূপবোৰে গভীৰতা আৰু সমৃদ্ধি লাভ কৰে। আনহাতে, বেজবৰুৱা মানুহজনৰ মাজত অসমীয়া সমাজখনৰ সংস্কাৰ সাধনৰ এক গভীৰ তাড়ণা অনবৰতে সক্রিয় হৈ আছিল বাবে বেজবৰুৱাৰ গল্পত মাজে মাজে 'কৃপাবৰ বৰুৱা' নামৰ ব্যঙ্গ-হাস্যত সিদ্ধহস্ত মানুহজনেও ভুমুকি মাৰিছে।

বেজবৰুৱাৰ গল্পপুথিৰ সংখ্যা চাৰিখন — *সুৰভি, সাধুকথাৰ কুঁকি, জোনবিবি* আৰু *কেহোঁকলি*।এই গল্পসমূহৰ ভিতৰত কেইটামান গল্পত ৰসৰাজ, হাস্য-কৌতুকৰ মাজেৰে ব্যক্তি আৰু সমাজৰ দোষবোৰক তীব্ৰ ব্যঙ্গ কৰা বেজবৰুৱা মানুহজনৰ প্ৰকাশ লক্ষ্য কৰিব পাৰি। বেজবৰুৱাৰ গল্পত নাৰীৰ প্ৰতি উচ্চ ধাৰণা দেখা যায়। সমাজত যথার্থতে অৱহেলিত, বঞ্চিত আৰু পুৰুষৰ কামনাৰ সংগী— নাৰীৰ জীৱনৰ প্ৰতি বেজবৰুৱাৰ সহানুভূতিশীল দৃষ্টিভংগী প্ৰকাশিত হৈছে বিভিন্ন গল্পত। শৈলেন ভৰালীয়ে বেজবৰুৱাৰ গল্পসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিছে— (ক) কিছুমান গল্পত প্ৰকাশ পাইছে তেওঁৰ সমাজ-সংস্কাৰধৰ্মী কৃপাবৰী মনটো, (খ) আন কিছুমানত প্ৰকাশ পাইছে বেজবৰুৱাৰ গভীৰ মানৱতাবোধ। — ইয়াৰে দ্বিতীয় ভাগৰ গল্পবোৰৰ মাজতে যথার্থতে গল্পকাৰ বেজবৰুৱাজনৰ প্ৰকাশ ঘটিছে। 'ধোঁৱাখোৱা', 'ভদৰী', 'মুক্তি', 'পাটমুগী' আদি এই শ্ৰেণীৰ গল্প। বেজবৰুৱাৰ ব্যঙ্গাত্মক গল্পসমূহত হেমচন্দ্ৰ বৰুৱাৰ ব্যঙ্গাত্মক ভংগীৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। আনহাতে, আন কেইবাটাও ভাল গল্পত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ বহুজনে লক্ষ্য কৰিছে। যেনে— 'মালতী' গল্পৰ লগত ৰবীন্দ্ৰনাথৰ 'নিশীথে' গল্প, 'লাওখোলা' গল্পৰ লগত ৰবীন্দ্ৰনাথৰ 'কংকাল', 'ভদৰী' গল্পৰ লগত ৰবীন্দ্ৰনাথৰ 'শাস্তি' গল্পৰ মিল দেখা যায়। অৱশ্যে বেজবৰুৱাই গল্পবোৰত অসমৰ পটভূমি দিয়াৰ উপৰি বেজবৰুৱাৰ নিজস্ব শৈলী মন কৰিব পাৰি। একেদৰে ৰবীন্দ্ৰনাথৰ গল্পৰ শিল্প চাতুৰ্য আৰু গভীৰ জীৱনবীক্ষা বেজবৰুৱাৰ গল্পত দেখা নাযায়। তাৰ ঠাইত এক কাহিনী কথনৰ প্ৰৱণতাহে দেখা যায়। মহেশ্বৰ নেওগদেৰে উচিতভাৱেই মন্তব্য কৰিছে যে, বেজবৰুৱা পুৰণি সাধুকথা আৰু আধুনিক চুটি গল্পৰ সংযোজক সেতুৰ দৰে। নেওগদেৰে কৈছে— "তেওঁ বহুবোৰ পুৰণি সাধু সংগ্ৰহ কৰি তেওঁৰ নিজৰ বৈশিষ্ট্যপূৰ্ণ ভাষাত পুনঃপ্ৰকাশ দিছিল। আনহাতে ইংৰাজী, বঙলা আদি আধুনিক সাহিত্যৰ গল্পধাৰাৰে সামঞ্জস্য ৰাখি বেজবৰুৱাই আধুনিক সৃষ্টিত হাত দিছিল।... ..সকলো বাহিৰা প্ৰভাৱৰ ভিতৰেদিও বেজবৰুৱাৰ গল্পত অসমীয়া জীৱনৰ বাস্তৱ আৰু সম্ভাব্য চিত্ৰ কিছুমান আমি পাওঁ।... ...কোনো ঠাইত বা হাঁহি তুলিব পৰা দুই-এটি শব্দয়ে গল্পৰ অন্তৰ্গত গভীৰ অনুভূতিক পাতলাই পেলাইছিল।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ জন্মকথা বৰ্ণনা কৰাৰ প্ৰসঙ্গত কি বুলি মন্তব্য কৰিছিল?

.....

প্ৰশ্ন নং ২ঃ শৈলেন ভৰালীয়ে বেজবৰুৱাৰ গল্পসমূহক প্ৰধানকৈ কেইটা আৰু কি কি ভাগত ভাগ কৰিছে?

.....

৬.৩.২ গল্পটোৰ সাধাৰণ আলোচনা

'ভদৰী' গল্পটো বেজবৰুৱাৰ ভাল চুটি গল্প কেইটাৰ অন্যতম। বহুতৰ মতে 'ভদৰী' বেজবৰুৱাৰ শ্ৰেষ্ঠ গল্প। গল্পটোৰ বিষয়বস্তু, উপস্থাপন আৰু আংগিকগত নিৰ্মাণ— তিনিও দিশৰ পৰা যথার্থতে এটা ভাল, উন্নত পর্যায়ৰ গল্প।

মূলপাঠ অধ্যয়নৰ পৰা আপুনি নিশ্চয় বুজিছে যে, গল্পটোৰ পটভূমি গাঁও। গ্ৰাম্য জীৱনৰ কৃষিজীৱী সমাজ এখনৰ দাম্পত্য জীৱনৰ এক স্বাভাৱিক ৰূপ গল্পৰ ঘটনাক্ৰম আৰু ভাষাৰ মাজেদি প্ৰকাশি উঠিছে। সহজ-সৰল কৃষক শিশুৰাম আৰু তেওঁৰ পত্নী ভদৰীৰ দৈনন্দিন সাংসাৰিক জীৱনৰ দ্বন্দ্ব-খৰিয়ালৰ মাজতো এক মোহনীয় দাম্পত্য প্ৰেমৰ চিত্ৰ দাঙি ধৰা হৈছে — গল্পটোৰ মাজেদি।

জীৱন সংগ্ৰামে মানুহৰ আচৰণত বহু পৰিমাণে প্ৰভাৱ পেলায়। দুপৰীয়ালৈকে লঘোণীয়া পেটেৰে পথাৰত হাল বাই ঘৰলৈ ঘূৰি অহা শিশুৰাম সামান্য কথাতে অগ্নিশর্মা হৈ উঠিছে। শিশুৰামে দেখিলে ঘৈণীয়েকৰ ভাত ৰন্ধা হোৱাই নাই। শাক কাটি থোৱাতে আছে; মাছো বচা হোৱা নাই। ইফালে পেটত ভোক। তাৰ ওপৰতে কেঁচা খৰি ফুৰাই ফুৰাই আধা মৰা হৈ থকা ভদৰীয়েও গিৰিয়েকৰ টান সুৰৰ কথাৰ উত্তৰ টান সুৰতে দিয়াত শিশুৰামে হিতাহিত জ্ঞান হেৰুৱাই ভদৰীক মৈদাৰে দুকোব মাৰি দিলে। এই ঘটনাটোৰ মাজত অসমীয়া গ্ৰাম্য সমাজৰ কেইবাটাও কথাৰ জীয়া ছবি আছে। প্ৰথম, হালোৱাৰ খং। দ্বিতীয়তে, তিৰোতাৰ ওপৰত বৰ মতা দেখুওৱা পুৰুষ প্ৰাধান্য তথা যুগ যুগ ধৰি তিৰোতাক কৰা একধৰণৰ সামাজিক শোষণ আৰু পাৰিবাৰিক অত্যাচাৰ-অৱমাননা।

গল্পকাৰে দেখুৱাইছে, ভদৰীৰ ওপৰত সামান্য কথাতে কিলটো, গোৰটো পৰিয়েই থাকে। ভদৰী সেইবোৰত অভ্যস্ত হৈ পৰিছে। "এয়া তিৰোতাৰ ক্ষেত্ৰত হয়েই, গতিকে সাধাৰণ কথা" বুলি সামাজিক পৰম্পৰা আৰু নিজৰ চাক্ষুস অভিজ্ঞতাৰ পৰা ভাবিবলৈ শিকিছে ভদৰীয়ে। স্বামীক ভগৱান বুলি ভাবিবলৈ শিকোৱা সামাজিক পৰম্পৰাই স্বামীৰ সকলো কথাকে চকু-কাণ মুদি সহ্য কৰা 'শিক্ষা' পাইছে বাবে ভদৰীয়ে শিশুৰামক যি কোনো কথা ঘপকৰে নকয়। কিন্তু ভদৰীও এগৰাকী তেজ মঙহৰ মানুহ। তাইৰো ক্ষোভ, খং, বিৰক্তি আৰু প্ৰতিবাদৰ স্পৃহা আছে। সামাজিক অনুশাসনৰ শিক্ষা আৰু স্বামীৰ শাৰীৰিক ক্ষমতাৰ ভয়ত চেঁপা খাই থকা সেই সহজাত প্ৰবৃত্তিবোৰেও কেতিয়াবা বাধা ভাঙে। সেইদিনাও সেয়ে হ'ল। ফলত ভদৰী ডাক্তৰখানা আৰু শিশুৰাম জেল পাবলগীয়া হ'ল।

ভদৰী-শিশুৰামৰ এই ঘটনা বেজবৰুৱাৰ সময়ৰ অসমীয়া গ্ৰাম্য কৃষক সমাজৰ এক বাস্তৱ। গল্পটোৰ মাজত এই বাস্তৱক দাঙি ধৰাৰ লগতে এনে অসুস্থ বাস্তৱতাৰ প্ৰতি এক প্ৰতিবাদো আছে। মতা-তিৰোতাৰ দ্বন্দ্ব লাগেই; কিন্তু মতা-তিৰোতাৰ দ্বন্দ্বৰ

মাজত যদি তিৰোতাৰ প্ৰতি অন্যায়জনক ব্যৱহাৰ আৰু শাৰীৰিক নিৰ্যাতন থাকে, তেনে সেয়া গ্ৰহণযোগ্য নিশ্চয় নহয়।

গল্পটোৰ আটাইতকৈ মনোৰম আৰু সংবেদনশীল অংশটো হ'ল ইয়াৰ পিছৰ ঘটনাংশ। গিৰিয়েক জেললৈ যাবলগীয়া হ'ল বুলি জানি ভদৰীৰ অন্তৰাত্মাই হাহাকাৰ কৰি উঠিছে। ফলত গিৰিয়েকক অপৰাধৰ পৰা মুক্ত কৰিবলৈ নিজৰ দেহৰ শাৰীৰিক আঘাতৰ বাবে নিজকহে দোষী কৰিছে। একে সময়তে খণ্ডত অভং হৈ পৰা সেই শিশুৰামে এটা শিশুৰ দৰে কান্দি কান্দি নিজৰ দোষ স্বীকাৰ কৰিছে আৰু নিজৰ শাস্তি হ'ব লাগে বুলি দাবী কৰিছে। ইয়াৰ মাজত শিশুৰামৰ আত্মসমালোচন সূচক উপলব্ধিৰ প্ৰকাশ ঘটিছে।

জীৱন যাত্ৰাৰ সংঘাতৰ মাজত ভদৰী আৰু শিশুৰামৰ দাম্পত্য স্নেহ-ভালপোৱাই সুস্থ প্ৰকাশৰ বাট পোৱা নাই। সামাজিক ব্যৱস্থাত তিৰোতাৰ প্ৰতি ভালপোৱাৰ মুক্ত প্ৰকাশ যেন পুৰুষৰ বাবে দুৰ্বলতাৰ চিন! পুৰুষৰ (স্বামীৰ) প্ৰতি ভালপোৱাৰ মুক্ত প্ৰকাশো যেন একেদৰে তিৰোতাৰ বাবে পাপসদৃশ। কাৰণ, স্বামী ভগৱান। স্বামীক সন্তুষ্ট কৰিব লাগে, সেৱা কৰিব লাগে। কিন্তু ডাক্তৰখানাত ভদৰীৰ সৰল হৃদয়ৰ অকৃত্ৰিম প্ৰেমৰ মুক্ত প্ৰকাশে শিশুৰামৰ হৃদয়তো প্ৰেমৰ অনন্য ৰূপক উদ্ভাসিত কৰি তুলিলে। তলসুঁতীয়াকৈ বৈ থকা পাৰস্পৰিক দাম্পত্য প্ৰেমে বাধাহীন প্ৰকাশৰ পৰিবেশ পালে।

জীৱনৰ বাস্তৱতাৰ এনে সংবেদনশীল ৰূপায়নৰ বাবেই গল্পটো এটা সাৰ্থক গল্প। উপস্থাপনৰ মাজতো নাটকীয়তাৰ সংযোগ মন কৰিবলগীয়া। (ঘটনা কেৱল বিৱৰণমূলক নহৈ সংলাপ প্ৰধান হোৱাটোৱেই নাটকীয়তাৰ প্ৰমাণ।)

ভদৰী আৰু শিশুৰামৰ সংলাপবোৰ মন কৰক—

শিশুৰাম ঃ অমুকৰ জীয়েক, এইবেলি তিনিপৰীয়লৈকে ভাত হোৱা নাই কিয়?

ভদৰী ঃ মোৰ মূৰটোৱে ভাত ৰান্ধি দিম নেকি? খৰি এডাল বুলিবলৈ নাই। গেৱেহা কেঁচা খৰি ফুৱাওঁতে হাৰাশাস্তি হৈছো। নুবুজা নেমেলাকৈ দুপদুপাই উঠিলেই হ'ল নেকি? 'বেটী কি বুলিলি' এই বুলি জমদগ্নি শিশুৰামে.....।

এই সংলাপৰ মাজত গ্ৰাম্য শ্ৰমজীৱী মানুহৰ স্বাভাৱিকতা সম্পূৰ্ণ ৰক্ষা পৰিছে। আনহাতে, এই সংলাপৰ পৰাই ভদৰীক এগৰাকী মুখচোকা তিৰোতা যেন লাগে। কিন্তু সেইজনী তিৰোতাই ডাক্তৰখানাত গভীৰ স্বামীৰক্তা প্ৰেমিকা ৰূপে উদ্ভাসি উঠিছে। মন কৰিব মনস্তাত্ত্বিকভাৱে, ভদৰীৰ এনে বহুমাত্ৰিক চৰিত্ৰৰ মাজত নিৰাপত্তা আৰু আশ্ৰয়ৰ কথাও সোমাই আছে।

পুৰুষপ্ৰধান সমাজত নাৰী সদায় পুৰুষৰ ওপৰত নিৰ্ভৰশীল। সমাজ ব্যৱস্থাটোৱেই এনেকুৱা যে গিৰিয়েক নাথাকিলে নাৰীৰ জীৱন প্ৰবাহ ভয়াবহভাৱে সংঘাতময় হৈ পৰে। সেইবাবেও স্বামী যেনেকুৱাই নহওক, নাৰীয়ে স্বামীৰ অপকাৰ অনিষ্ট কৰাৰ কথা কেতিয়াও ভাবিব নোৱাৰে।

আনহাতে, শিশুৰামৰ কান্দোনৰ মাজত প্ৰকাশিত গভীৰ উপলব্ধি ভদৰীৰ আচৰণৰ মধুৰতাৰে ফল। অৰ্থাৎ, মধুৰ আচৰণে কঠোৰ মনৰ মানুহকো শান্ত কৰিব পাৰি।

বিভিন্ন দিশৰ পৰা গল্পটোক এনেদৰে লক্ষ্য কৰিব পাৰি। সাৰ্থক সৃষ্টিৰ বৈশিষ্ট্যই হ'ল তাৰ তাৎপৰ্যৰ বহুমাত্ৰিকতা। সেয়ে, ভদৰীক প্ৰকৃতাৰ্থত এটা সাৰ্থক চুটি গল্প বুলি বিনাদ্বিধাই ক'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গল্পটোৰ মাজেদি গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাই কিহৰ চিত্ৰ অংকন কৰিছ?

.....

প্ৰশ্ন নং ৪ ঃ গিৰিয়েকক জেলত ৰখা বুলি গম পাই ভদৰীয়ে কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল?

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু কৃতি সম্পৰ্কে জানিব পাৰিলো। লগতে অনুধাৱন কৰিলোঁ যে, ঊনবিংশ শতিকাৰ শেষ দশক দুটাৰপৰা বিংশ শতিকাৰ প্ৰথম চাৰিটা দশকলৈ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু সামগ্ৰিকভাৱে সমাজ-জীৱনত বেজবৰুৱাই আছিল সবাতোকৈ গুৰুত্বপূৰ্ণ ব্যক্তি।
- বেজবৰুৱাৰ হাতত প্ৰথম অসমীয়া চুটি গল্পৰ বিকাশ হয়। গল্পৰ উপৰি উপন্যাস, কবিতা, ৰস-ৰচনা, ব্যঙ্গ-সমালোচনা, ধৰ্ম-তত্ত্ব আলোচনা, জীৱনী, আত্মজীৱনী, নাটক, ভাষাতত্ত্ব আদি সকলো দিশতে বেজবৰুৱাই সবলভাৱে কলম চলাই আধুনিক অসমীয়া সাহিত্যৰ ভেটি বান্ধিলে। বেজবৰুৱাৰ গল্পসমূহক সাধু আৰু পাশ্চাত্যত সৃষ্টি হোৱা আধুনিক গল্প সাহিত্যৰ মাজত সেঁতু বুলি সাধাৰণভাৱে ভাবিব পাৰি। অৱশ্যে, বেজবৰুৱাৰ কেইটামান গল্প গভীৰ সংবেদনশীল আৰু জীৱনবোধ সমৃদ্ধ। এনে কেইটামান গল্প গাঁথনিক দিশৰপৰা যথেষ্ট উন্নত।
- 'ভদৰী' বেজবৰুৱাৰ অন্যতম ভাল গল্প। উপস্থাপন, বিষয়বস্তু, ভাষা আদি সকলো দিশৰপৰাই 'ভদৰী' সাৰ্থক চুটিগল্প। এই গল্পটোত অসমীয়া গ্ৰাম্য কৃষিজীৱী সমাজৰ দাম্পত্য জীৱনৰ এখন সাৰ্থক ছবি প্ৰকাশ পাইছে।



৬.৫ অধিক জানিবলৈ

1) গগৈ, লীলা (সম্পা.) (2002); *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।
2) গোস্বামী, ত্ৰৈলোক্যনাথ (2006); *আধুনিক গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।
3) দত্ত, উদয় (1995); *চুটিগল্প;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।
4) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
5) বৰা, মহেন্দ্ৰ [1997); *সাহিত্য আৰু সাহিত্য;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰচ।
6) বৰা, মহেন্দ্ৰ (1985); *সাহিত্য উপক্ৰমণিকা;* গোলাঘাট ঃ ভাৰতী বুক ষ্টল।
7) বৰুৱা, প্ৰহ্লাদ কুমাৰ (2005); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।
8) শৰ্মা, সত্যেন্দ্ৰনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জন্মকথা বৰ্ণনা কৰাৰ প্ৰসঙ্গত 'ভূমিষ্ঠ নহৈ নৌকাষ্ঠ' হোৱা বুলি কৈ গৈছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শৈলেন ভৰালীয়ে বেজবৰুৱাৰ গল্পসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিছে— (ক) কিছুমান গল্পত প্ৰকাশ পাইছে তেওঁৰ সমাজ-সংস্কাৰধৰ্মী কৃপাবৰী মনটো, (খ) আন কিছুমানত প্ৰকাশ পাইছে বেজবৰুৱাৰ গভীৰ মানৱতাবোধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সহজ-সৰল কৃষক শিশুৰাম আৰু তেওঁৰ পত্নী ভদৰীৰ দৈনন্দিন সাংসাৰিক জীৱনৰ দ্বন্দ্ব-খৰিয়ালৰ মাজতো এক মোহনীয় দাম্পত্য প্ৰেমৰ চিত্ৰ দাঙি ধৰা হৈছে — গল্পটোৰ মাজেদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ গিৰিয়েকক অপৰাধৰ পৰা মুক্ত কৰিবলৈ নিজৰ দেহৰ শাৰীৰিক আঘাতৰ বাবে নিজকহে দোষী কৰিছে।



৬.৬ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ বেজবৰুৱাৰ দুখন গল্প পুথিৰ নাম লিখক।

প্ৰশ্ন ২ ঃ বেজবৰুৱাই হাস্যৰসযুক্ত ব্যঙ্গ সাহিত্যসমূহ কি নামত লিখিছিল।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বেজবৰুৱাৰ গল্পৰ দুটা প্ৰধান ধাৰা কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'শিশুৰাম অসমীয়া গ্ৰাম্য কৃষকৰ প্ৰতিনিধি'— কথাষাৰ বিচাৰ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভদৰী গল্পত অসমীয়া গ্ৰাম্য সমাজৰ দাম্পত্য জীৱনৰ ছবিখন কিদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'ভদৰী' গল্পৰ কাহিনীটো নিজৰ ভাষাত সংক্ষেপে বৰ্ণনা কৰি 'ভদৰী' নামৰ যথাৰ্থতা বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৭ ঃ যোগেশ দাস — পৃথিৱীৰ অসুখ

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 যোগেশ দাসৰ জীৱন আৰু কৃতি

7.3.1 যোগেশ দাসৰ গল্পৰ মূল সুৰ

7.4 পৃথিৱীৰ অসুখ

7.4.1 গল্পটোৰ বিষয়বস্তু আৰু সাধাৰণ আলোচনা

7.4.2 চুটিগল্প হিচাপে পৃথিৱীৰ অসুখ

7.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.6 অধিক জানিবলৈ

7.7 অগ্রগতিৰ খতিয়ান

7.8 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যোগেশ দাসৰ জীৱন আৰু কৃতিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰি তেওঁৰ গল্পৰ মূল সুৰটোৰ লগত চিনাকী হ'ব
- 'পৃথিৱীৰ অসুখ' গল্পটোৰ বিষয়বস্তুৰ লগতে সামাজিক জীৱনৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব
- সমাজৰ প্রতি লেখকৰ সুক্ষ্ম দৃষ্টি অনুভৱ কৰিব পাৰিব।

৭.২ পৰিচয়

পূর্বৱর্তী অধ্যায়টোত আপুনি অসমীয়া চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা 'ভদৰী' নামৰ চুটিগল্পটোৰ বিষয়ে অধ্যয়ন কৰিলে। আমি এই অধ্যায়টোত অধ্যয়ন কৰিম বিশিষ্ট কথাশিল্পী যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' নামৰ গল্পটো। এই গল্পটোৰ মাজেদি গল্পকাৰে সাময়িক ভাবাদর্শৰ মাজেদি এক সার্বজনীন ভাবধাৰা প্রকাশ কৰাত সফল হৈছে। তলত সেইবিষয়ে বহলাই আলোচনা কৰা হ'ব। প্রসংগক্রমে ইয়াত গল্পকাৰ যোগেশ দাসৰ জীৱন আৰু কৃতিৰ বিষয়ে আলোচনা কৰি তেওঁৰ গল্পত প্রতিভাত হোৱা মূল বৈশিষ্ট্যবোৰৰ বিষয়েও চমুকৈ উল্লেখ কৰি যোৱা হ'ব। মন কৰিব যে এই গল্পটো বহু দীঘল হোৱাৰ বাবে মূল পাঠখিনি ইয়াত অন্তর্ভুক্ত কৰা নাই।

৭.৩ যোগেশ দাসৰ জীৱন আৰু কৃতি

সূর্যকান্ত দাসৰ ঔৰসত চিন্তামনি দাসৰ গর্ভত 1924 চনৰ পহিলা এপ্রিলৰ দিনা ডুমডুমাৰ হাঁহচৰা বাগিছাত যোগেশ দাসে জন্ম লাভ কৰে। সেই বাগিছাৰ বিদ্যালয়তে প্রাথমিক শিক্ষা সমাপ্ত কৰি ডিব্রুগড়ৰ জর্জ ইনষ্টিটিউচনত পঢ়িবলৈ যায়। তাৰে পৰা 1945 চনত প্রৰেশিকা পাছ কৰি ডুমডুমাৰ চুকেৰিটিং বিমানবন্দৰত ষ্ট'ৰকীপাৰ ৰূপে যোগদান কৰি তেওঁ চাকৰি জীৱনৰ পাতনি মেলে। উল্লেখযোগ্য যে 1944 চনতে তেওঁ ডিব্রুগড়ৰ পৰা প্রকাশিত *নতুন অসমীয়া* কাকতৰ উপ-সম্পাদক হিচাপেও নিয়োজিত হৈছিল। পৰৱর্তী সময়ত উচ্চশিক্ষাৰ বাবে কটন কলেজলৈ আহে আৰু 1949 চনত কটন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্রী অর্জন কৰে। স্নাতক উপাধি লাভ কৰাৰ পাছত তেওঁ ডুমডুমা এম. ই. স্কুলত শিক্ষক হিচাপে যোগদান কৰিছিল। অৱশ্যে তেওঁৰ শিক্ষাগ্রহণৰ স্পৃহা কমা নাছিল। সেয়ে 1953 চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম. এ. ডিগ্রী লাভ কৰে। তাৰ পাছতেই তেওঁ গুৱাহাটীৰ বি.বৰুৱা মহাবিদ্যালয়ত প্রৱক্তা হিচাবে যোগদান কৰে। সুদীর্ঘ দিন এই মহাবিদ্যালয়তে শিক্ষা দান কৰি 1988 চনত বিভাগীয় মূৰব্বী ৰূপে অৱসৰ গ্রহণ কৰে। ইয়াৰ পাছতো তেওঁ বিভিন্ন শিক্ষামূলক কাম-কাজৰ লগত ব্যস্ত আছিল। 1999 চনৰ 9 চেপ্তেম্বৰৰ দিনা এইজনা অসমপ্রাণ ব্যক্তিয়ে ইহলীলা সম্বৰণ কৰে।

1953 চনত বি. বৰুৱা কলেজত অধ্যাপক হিচাপে যোগদান কৰা বছৰতে তেওঁৰ প্রথম উপন্যাস *সহাঁৰি পাই* প্রকাশ পায়। তাৰ পাছত 1956 চনত প্রথম গল্প সংকলন *পপীয়া তৰা* প্রকাশিত হয়। তেওঁ 1965 চনৰ পৰা দুবছৰৰ বাবে *দৈনিক অসম* কাকতৰ সহকাৰী সম্পাদক হিচাপে কার্যনির্বাহ কৰে। 1976 চনত 'অসম সাহিত্য সভা'ৰ আলোচনী বিভাগৰ সম্পাদক নির্বাচিত হয়। 1979 চনত অসম সাহিত্য সভাৰ 'সীতানাথ ব্রহ্মচৌধুৰী বঁটা' আৰু 1980 চনত *পৃথিৱীৰ অসুখৰ* বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে। 1979 চনৰ পৰা তেওঁৰ সম্পাদনাত প্রকাশ পায় মাহেকীয়া আলোচনী *অধিনায়ক*। 1985 চনত অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিৱেশনৰ সভাপতি নির্বাচিত হয়। তেওঁ 1986 চনত অসম সাহিত্য সভাৰ 'ব্রহ্মানন্দ পাঠক শিশুসাহিত্য বঁটা' লাভ কৰে। 1994 চনত 'মেগৰ শিক্ষা ন্যাস'ৰ 'অসম উপত্যকা বঁটা'ও লাভ কৰা যোগেশ দাসে। যোগেশ দাসে কেইবাখনো উপন্যাস, গল্প পুথি লিখাৰ উপৰি কেইবাখনো গ্রন্থ অনুবাদ কৰি প্রকাশ কৰিছিল। তলত তেওঁৰ ৰচনাৰাজিৰ নাম উল্লেখ কৰা হ'ল।

- **উপন্যাস ঃ** *সঁহাৰি পাই*(1953); *ডাৰৰ আৰু নাই* [1955]; *জোনাকীৰ জুই* [1959]; *বঙহৰ মঙহ*(শংকৰ শইকীয়া ছদ্মনামত) [1962]; *নিৰুপায় নিৰুপায়*(1963]; *এমুঠি ধূলি* [1965]; *উপকণ্ঠ উপকণ্ঠ* [1967]; *হেমাৰ ফুল* [1967]; *পোহৰৰ ফালে* [1968]; *ছাঁ জুই খেদি* [1969]; *নেদেখা জুইৰ ধোঁৱা* [1972]; *অবৈধ* [1972]; *নৱেশ, মালতী আৰু* [1977]; *ৰজনী বিদুৰ* [1981]; *এজন খঞ্জল মানুহ* [1989]; *এনাজৰী* [1987]; *পোহৰ বিচাৰি*(1992]Ê, *একাবেঁকা* [1992]; *সোঁতৰ বিপৰীতে* [1992]।

- **গল্প সংকলন ঃ** *পপীয়া তৰা* [1956]; *আন্ধাৰৰ আঁৰে আঁৰে* [1958]; *ত্ৰিবেনী*(1961]; *মদাৰৰ বেদনা* [1963]; *হাজাৰ লোকৰ ভিৰ* [1965]; *পৃথিৱীৰ অসুখ* [1979]।
- **অনুবাদ ঃ** *আমাৰ কবি*(1961]; *ব্ৰাহ্মণ কন্যা*(1975]; *ৰবিন হুড*(1978]; *ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ*(1978]; *বনে-বনে* [1976]; *আকৌ বনে বনে* [1985]।
- **সম্পাদিত গ্ৰন্থ ঃ** *গল্পৰ কুকি* [1960); *প্ৰমথেশ বৰুৱা স্মৃতিগ্ৰন্থ* [1968]; *হেম বৰুৱা* [1979); *সমকালীন গল্প* [1980]; *বিষ্ণুপ্ৰসাদ ৰাভা ৰচনাসম্ভাৰ*(দুটা খণ্ডত) [1989] আৰু [1997]।
- **অন্যান্য ঃ** *Folklore of Assam* [1972]।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন গ্ৰন্থৰ বাবে যোগেশ দাসে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

.....

৭.৩.১ যোগেশ দাসৰ গল্পৰ মূল সুৰ

সহজ সৰল, সাৱলীল আৰু পৰিচ্ছন্ন কথন ভংগীৰে গল্প ৰচনা কৰা যোগেশ দাস ৰামধেনু যুগ তথা পৰৱৰ্তী সময়ৰ অসমীয়া গল্পকাৰসকলৰ মাজত স্বকীয় বৈশিষ্ট্যৰে অন্যতম বিশিষ্ট গল্পকাৰ ৰূপে পৰিচিত হৈছে। গল্প সৃষ্টিৰ পৰত দীঘল-চুটিৰ কথা বা কলা-কৌশল আদিৰ কথা ৰৰকৈ নাভাবা লেখক গৰাকীয়ে — "চুটিগল্পক মানৱ মনৰ সংঘাতৰ সাহিত্যিক প্ৰকাশৰ সৰ্বশ্ৰেষ্ঠ মাধ্যম বুলি ভাবিয়েই গল্প লিখিছে" বুলিও নতুন *কবিলৈ মুকলি চিঠি* নামৰ গ্ৰন্থখনত স্বীকাৰোক্তি দিছে। যোগেশ দাসৰ ছখন গল্প সংকলন ইতিমধ্যে প্ৰকাশ পাইছে। এই সংকলনকেইখনৰ গল্পসমূহত জীৱনৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনা ৰাজি আৰু পৰিস্থিতিক সংযত বৰ্ণনা, অনাড়ম্বৰ ভাষা আৰু আকৰ্ষণীয় ৰূপৰেখাৰ যোগেদি চিত্ৰিত কৰা বুলি বিশিষ্ট সাহিত্য সমীক্ষক সত্যেন্দ্ৰনাথ শৰ্মাদেৱে *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্ৰন্থত উল্লেখ কৰিছে। তেওঁৰ মতে— "তেওঁ (যোগেশ দাস) মানৱীয়তাৰ দৃষ্টিৰে আপাত দৃষ্টিত অসামাজিক, দুৰ্বল আৰু অৱহেলিতৰ প্ৰকৃত মানৱীয় দিশ উদ্‌ঘাটন কৰিছে আৰু লগতে সমাজৰ চকুত তথাকথিত ভাল মানুহৰ স্বাৰ্থপৰতা আৰু নীচতাও শিল্পীসুলভ দৃষ্টিৰে প্ৰদৰ্শন কৰিবলৈ সংকোচ কৰা নাই। দাসৰ ৰচনাৰীতিত বুদ্ধিমত্তাৰ অযথা প্ৰদৰ্শনী নাই, নাইবা কাব্যগন্ধী উচ্ছাসো নাই।"

মন কৰিবলগীয়া যে, সংকলিত গল্প পুথিসমূহৰ উপৰি বিভিন্ন কাকত-আলোচনীত অসংখ্য গল্প প্ৰকাশৰে এগৰাকী প্ৰসিদ্ধ গল্পকাৰ ৰূপে স্বীকৃত হোৱাৰ পাছতো লেখক গৰাকীয়ে অসমৰ গল্পসমালোচকসকলক বিশেষভাৱে আকৰ্ষিত কৰিব

পৰা নাই। লেখকগৰাকীৰ নিজৰ কথাৰ আঁত ধৰি ক'ব পাৰি যে, যোগেশ দাসে চুটিগল্পৰ কলা-কৌশল প্ৰয়োগৰ ক্ষেত্ৰত আওকণীয়া হোৱা বাবেই হয়তো তেওঁৰ চুটিগল্পই পাঠক আৰু সমালোচকসকলৰ পৰা সমাদৰ লাভ কৰা কঠিন হৈ পৰিছে।

সহজ সৰলভাৱে কথা-বস্তু উত্থাপন কৰি এক স্বাভাৱিক পৰিৱেশৰ মাজত সৰু-সুৰা ঘটনাৰ আকৰ্ষণীয় ৰূপদান কৰাত যোগেশ দাসৰ অপূৰ্ব দক্ষতা আছে। গাঁও আৰু চহৰৰ জীৱন যাত্ৰাৰে সম্পৰ্কিত তেওঁৰ বিস্তৃত অভিজ্ঞতা আৰু এনে ঘটনাক্ৰমৰ প্ৰতি থকা সূক্ষ্ম পৰ্যবেক্ষণেই তেওঁক এনে দক্ষতা প্ৰদান কৰা বুলি ধাৰণা কৰিব পাৰি। তদুপৰি, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অসমত ঘটা বিভিন্ন কাৰ্যকলাপ আৰু ঘটনা-পৰিঘটনাৰ প্ৰত্যক্ষদৰ্শী হোৱাৰ অভিজ্ঞতাও তেওঁৰ আছে। তেনে অভিজ্ঞতাৰে লিখা গল্প 'বগা কুঁৱলী আৰু ক'লা সাপ'ৰ কেন্দ্ৰস্থ অনুভূতিখিনি বিস্তৃতভাৱে উপস্থাপন কৰি তেওঁ লিখি উলিয়াইছিল *ডাৱৰ আৰু নাই* নামৰ বিখ্যাত আৰু কালজয়ী উপন্যাসখন। এই উপন্যাসৰে সংপৃক্ত ধৰণৰ ভাৱবস্তু আৰু বিষয়বস্তুৰ অভিজ্ঞতাই যোগেশ দাসৰ গল্পসমূহক সমৃদ্ধিশালী কৰিছে।

দৰাচলতে, ৰামধেনু যুগতেই গল্পকাৰৰূপে প্ৰসিদ্ধি লাভ কৰিলেও যোগেশ দাসৰ উত্তৰ ৰামধেনু আৰু পৰৱৰ্তী যুগতহে গল্পকাৰৰ ৰূপত পৰিপূৰ্ণতা প্ৰাপ্তি হয়। তত্ৰাচ, তেওঁৰ বহু গল্পৰ বিষয়, ভাবানুভূতি বা আঙ্গিকগত বৈশিষ্ট্য আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্যৰ লগতহে বহুখিনি মিল বিচাৰি পোৱা যায়। বিশ্বযুদ্ধৰ পিছৰ সমাজ জীৱনত যি ধৰণৰ জটিলতাই বিস্তাৰ লাভ কৰিছিল, তেনে জটিল মানসিকতাৰ খোৰাক যোগাব পৰা দ্বন্দ্বমুখৰ জটিল বিষয়বস্তুৰ উপস্থাপন, কিম্বা উপস্থিতি যোগেশ দাসৰ গল্পত একেবাৰে বিচাৰি পোৱা নাযায়। প্ৰথম চাৰিখন গল্পৰ সংকলনত সন্নিৱিষ্ট গল্পকেইটা অধ্যয়ন কৰিলে অনুভৱ হয়, তেওঁৰ গল্পৰ চৰিত্ৰবিলাক যেন প্ৰচণ্ড ভাববিলাসী। আধুনিকতাই আনি দিয়া সংশয় আৰু অস্থিৰতা এই চৰিত্ৰবিলাকত চকুত পৰে। সেয়ে চৰিত্ৰবিলাকৰ মাজত অৰ্থনৈতিক, ৰাজনৈতিক অথবা জৈৱিক নানান সমস্যাৰ ভিৰৰ কাৰণে উদাসীনতা, নিস্ক্ৰিয়তা আদিৰ পৰা উদ্ভুত দুৰ্বলতাই ক্ৰিয়া কৰাও দেখা যায়। এইবিলাক কথা-চহকী, নিৰ্ষ্কমা আৰু সহজতে পোৱাৰ আকাংক্ষাৰ পাছে পাছে লৰিব খোজা কিছুমান দুৰ্বল মস্তিষ্কৰ ব্যক্তিৰ চৰিত্ৰ। সিৰোৰ যেন সাহস আৰু কাৰ্যদক্ষতাৰ অভাৱত পাৰ্থিব সুখৰ অনুভূতিৰ পৰা ৰহিত হৈ বাঞ্ছিত বস্তু লাভ নকৰাকৈয়ে নাইকীয়া হৈ গৈছে। ব্যৰ্থতাই তেনে চৰিত্ৰক স্বতন্ত্ৰতাহীন অথবা ব্যক্তিত্ববৰ্জিত কৰি তুলিছে। সেইকাৰণেই তেওঁলোকে জীৱনৰ ৰংগমঞ্চত দুবাৰ এবাৰ ভূমুকি মাৰি বিস্মৃতিৰ কোলাত হেৰাই গৈছে। তাৰ মাজতেই কেইটামান গল্পত দেখা গৈছে তীব্ৰ ব্যংগ আৰু বক্ৰোক্তি। তেওঁৰ চিত্ৰিত চৰিত্ৰবিলাকৰ কিছুমান পাৰিপাৰ্শ্বিকতাৰ দাস যেন অনুভৱ হয়; সিবিলাকৰ মাজেৰে লেখকগৰাকীয়ে আৰ্থিক অভাৱ অনাটনৰ চিত্ৰ ফুটাই তুলিলেও, সৰহভাগতেই বলিষ্ঠ মনৰ পৰিচয় পাবলৈ নাই। সৰলতাৰ প্ৰতি মোহ আছে, কিন্তু সাহসৰ অভাৱহে

ফুটি উঠিছে। অনুভৱ হয়, দাসদেৱৰ চৰিত্রই যেন স্বাভাৱিক পৰিস্থিতিতহে বিকশিত হয়। বেছিভাগ গল্পত গাঁৱলীয়া জীৱনৰ মোহ আৰু দুখ-যাতনাৰ প্রতি লেখকৰ সহৃদয়তা দেখিবলৈ পাওঁ। সাধাৰণ মানুহৰ জীৱনক তেওঁ যেন নিচেই ওচৰৰ পৰা নিবিড় আৰু সুক্ষ্মভাৱে নিৰীক্ষণ কৰি; গল্পৰ কাহিনী কোৱাৰ চলেৰে চৰিত্রৰ মাজেৰে তেনে মানুহৰ গতানুগতিক বৈচিত্র্যহীন জীৱনলৈ যেন টৰ্চৰ পোহৰ পেলাই চোৱাৰ প্রয়াস কৰিছে।

যোগেশ দাসৰ গল্পসমূহত চকু ফুৰাই চালে, নিঃসন্দেহে ক'ব পাৰি যে, ৰামধেনু যুগত ৰচনা কৰা 'কলপটুৱাৰ মৃত্যু' গল্পটিয়েই দাসদেৱৰ সর্বশ্রেষ্ঠ গল্প। ভাৰতীয় সাহিত্যৰ মাজতেই অনুপম এই গল্পটিত গাঁৱৰ পটভূমিত বিলীয়মান এখন জগতৰ চিত্র অংকন কৰিবলৈ যাওতে, সেই জীৱনৰ সতে ওতপ্রোত হৈ থকা দুখ-যাতনা, সংঘাত, আশা-প্রত্যাশা আদি সুন্দৰ ৰূপত ফুটি উঠিছে। সমাজৰ ৰৱলোকৰূপী মানুহৰ শৃঙ্খলাহীন জীৱন আৰু স্বেচ্ছাচাৰিতাই কেনেকৈ তেওঁলোকক সৰু সৰু মানুহৰ ওচৰত আশ্রয়প্রার্থী কৰি তোলে আৰু এনে সৰু মানুহবোৰে সততাৰ বাবেই হওক বা মূর্খালিৰ বাবেই হওক কেনেকৈ ৰৱলোকৰ কাৰণে আত্মত্যাগ পর্য্যন্ত কৰিবলৈ কুণ্ঠাবোধ নকৰে, তাৰ এখন সার্থক প্রতিচ্ছবি 'কলপটুৱাৰ মৃত্যু' গল্পটোত দেখা যায়। গল্পটোত মৌজাদাৰৰ লগুৱা ধনীৰামে ৰৱপোনাৰ ল'ৰা-ছোৱালী কেইটা চোৱা-চিতাৰ বাবে আনি দিয়া ৰূপেৰ প্রতি আকৃষ্ট হোৱাৰ পিছত মৌজাদাৰৰ ঘৰৰ কাম বাদ দিব লগা হয়। পৰৱর্তী সময়ত আর্থিক দৈন্যত জুৰুলা হৈ খাজানা মাফ বিচাৰি মৌজাদাৰৰ ওচৰলৈ পুনৰ আহিবলগীয়া হয়। ধনীৰামে দেখে মৌজাদাৰৰ ঘৰখন নিষ্পন্দ, প্রাণহীন। সাৰ-সুৰহীন ঘৰখনত এবাৰ ৰূপে ছাৎকৈ তাৰ আগেদি পাৰ হৈ গ'ল। থমথমীয়া পৰিস্থিতিটো সি বুজিবলৈ চেষ্টা কৰে। মৌজাদাৰে তাক সহায় কৰিবলৈ প্রস্তুত, কিন্তু তাৰ কাৰণে সি ৰৱপোনাৰ লালসাৰ বলি হৈ অন্তঃসত্বা হোৱা ৰূপেক নি মৌজাদাৰৰ ঘৰখন উদ্ধাৰ কৰিব লাগিব। সি ভাবে-তাকো কাম-বন কৰিবলৈ তিৰোতা এজনী লাগে, তদুপৰি বৰ আইদেউৰ মৰম-চেনেহো সি পাহৰিব নোৱাৰে। সি সিদ্ধান্তলৈ আহে, লৈ যোৱা যাওক ৰূপেক। এদিন সিয়ে ৰূপেক ঘোৱাগাড়ীত তুলি পলুৱাই নিম বুলি চুপতি মাৰি কৈছিল। চাহ খাই (উঠি) যাবলৈ উঠি দেখে, চোতালৰ এচুকৰ আন্ধাৰত টোপোলা এটি লৈ ৰূপে ৰৈ আছে। গল্পটোৰ মানৱীয় আকর্ষণ তথা আবেদন অনস্বীকার্য। পৰিস্থিতিৰ শ্লেষাত্মক ৰূপে গল্পটোক এক আকস্মিক অথচ অপ্রত্যাশিত বাস্তৱ ঘটনাক্রমৰ অনুভূতি যোগাই তুলিছে; যিয়ে ধনীৰামৰ আত্মবিলুপ্তিৰ স্থায়ী মূল্য দিছে। 'পীতাম্বৰৰ প্রত্যাৱর্তন' আৰু 'টেমেকা' গল্প দুটাৰো বিষয়বস্তু, চৰিত্রাংকন আৰু দৃষ্টিভংগীৰ ফালৰ পৰা 'কলপটুৱাৰ মৃত্যু' গল্পটোৰ লগত সাদৃশ্য আছে। তিনিটা মূল চৰিত্র ধনীৰাম, পীতাম্বৰ আৰু মহিধৰ তিনিওটাই দুর্বল চৰিত্র, কিন্তু এনে দুর্বলতা অভাৱ-অনাটনৰ বাবে নহয়, বৰং জন্মগতহে।

'পোৱাসোণ', 'জোনাক নিশাৰ আন্ধাৰ', 'ডাৱৰ আৰু নাই', 'বৰুৱানী' আদি গল্পত ভুলৰ স্বীকাৰোক্তি আৰু লোকনিন্দাৰ ভয়; দাম্পত্য জীৱনৰ তিতা-কেঁহা, হতাশাই

আনি দিয়া কুপথৰ প্ৰলোভন, আৰু গাৰ্হস্থ্য জীৱনৰ মানসিক অশান্তি আদি বিষয় মূৰ্ত কৰি তোলা দেখা যায়। 'পৰকীয়া' গল্পত নন্দিতাৰ মানসিক অশান্তিৰ মাজত মানৱতাবোধৰ পৰশ নাথাকিলেও অন্তৰত মুক্তিৰ হেঁপাহ আছে। এই আকুলতা কিন্তু অস্পষ্ট। 'আন্ধাৰৰ আঁৰে আঁৰে কলংকিতা ৰাণুৰ ৰেলযাত্ৰা' আৰু 'ছিন্নমূল'ত টোটাৰামৰ অসম যাত্ৰাৰ মাজত সাদৃশ্য আছে যদিও, ফলশ্ৰুতিৰ মিল নাই। এই আটাইকেইটা গল্পৰ ৰীতি অলংকাৰহীন আৰু বিষয়বস্তু তেনেই সাধাৰণ হ'লেও লেখকৰ দক্ষতা প্ৰকাশ পাইছে। ক'তোয়ে মানসিক দ্বন্দ্ব স্পষ্ট হোৱা নাই।

প্ৰকৃতিৰ দুৰ্দমনীয়তাই কেনেকৈ গাঁৱৰ জীৱনলৈ আকস্মিক দুৰ্দশা নমাই আনিব পাৰে, তাৰ মৰ্মচিত্ৰ 'গৰাখহনীয়া' গল্পটোত দেখা যায়। গল্পটোত দেখা গৈছে বানপানীৰ তাণ্ডৱলীলাই মানুহৰ সা-সম্পত্তি বিনাশক গৰাখহনীয়াৰ সৃষ্টি কৰাৰ দৰে, দুৰ্দশাগ্ৰস্ত জীৱনৰ অৰ্থনৈতিক দুৰ্দশাই মানুহৰ আশা-আকাংক্ষাক মৰিমূৰ কৰি গৰাখহনীয়া সৃষ্টি কৰিছে। গল্পৰ গাভৰু গৰাকীক ভালপোৱা ল'ৰাটোৱে একপ্ৰকাৰৰ গৰাখহনীয়াৰ হাততেই গাভৰুক অৰ্পণ কৰিবলৈ বাধ্য হ'ল। গৰাখহনীয়া ইয়াত যেন অদৃষ্টহে। এই গল্পটোতেই যোগেশ দাসদেৱে প্ৰথমবাৰ প্ৰণয়ৰ অন্তৰায় সৃষ্টি কৰি কৰুণতাৰ উন্মেষ ঘটোৱাৰ প্ৰয়াস কৰা দেখা যায়।

সপ্তম দশক আৰু পিছৰ পৰ্যায়ৰ গল্পবিলাকত সমাজ জীৱনৰ প্ৰত্যাশিত নৈতিক শিথিলতাক পটভূমি হিচাপে লোৱাৰ আগ্ৰহ প্ৰস্ফূটিত হোৱা দেখা যায়। এনে গল্পসম্ভাৰৰ কিছুমানত দাম্পত্য জীৱনৰ গতানুগতিকতা আৰু যান্ত্ৰিকতাৰ চিত্ৰায়ণৰ মাজেদি বাস্তৱ জীৱনৰ একোটা অবিকৃত চিত্ৰ বৰ্ণিত হোৱা দেখা যায়। এই গল্পবিলাকত নৈতিকতাক নদীৰ জাঁজীৰ দৰে এৰি দিয়াহে পৰিলক্ষিত হয়। 'নায়িকা আহিল নামি' বা 'পৰদাৰেষু' আদি গল্পত নায়িকাই আত্মপ্ৰতিষ্ঠাৰ মাত্ৰাধিক অভিলাসেৰে পৰিশ্ৰম কৰি নিজে পৰিশ্ৰান্ত হোৱাৰ লগতে আনকো শ্ৰান্ত কৰিছে আৰু একপ্ৰকাৰ আত্মোপলব্ধিহীন চেতনাৰে যৌন অভীপ্সাৰ সোঁতত নিজক এৰি দিছে। প্ৰকৃতপক্ষে লেখকৰ নৈৰ্ব্যক্তিকতা মৰ্মস্পৰ্শী নোহোৱাৰ বাবে এনেবোৰ গল্পৰ পৰা কোনো জ্ঞানৰ উদয় সম্ভৱ নহ'ল।

যোগেশ দাসৰ শ্ৰেষ্ঠ গল্পকেইটাৰ মাজত 'পৃথিৱীৰ অসুখ' গল্পটিক নিঃসন্দেহে শ্ৰেষ্ঠ গল্প বুলি ক'ব পাৰি। গল্পটিৰ মাজেৰে লেখকে গোটেই পৃথিৱীখনকে অসুস্থ হৈ পৰাৰ ধাৰণা দিবলৈ যত্ন কৰিছে; কিন্তু কি পৰিস্থিতিত কিয় কেনেকৈ সমাজৰ কোন অংশত অসুস্থতাই প্ৰভাৱ পেলাইছে তাৰ বাখ্যা গল্পটিত নাই। অৱশ্যে ফলশ্ৰুতিৰ একমুখিতা আৰু ধাৰণাৰ ঐককেন্দ্ৰিকতাই গল্পটোক সুখপাঠ্য কৰি তুলিছে। সেইদৰে, 'উৰুকাৰ উকমুকৰ পোৱালী' এটা উল্লেখযোগ্য গল্প। গল্পটিৰ সৰল বৰ্ণনাভংগীত ভাৱৰ একময়তা, ফলশ্ৰুতিৰ ঐককেন্দ্ৰিকতা, ভাষা আৰু বৰ্ণনাৰ সংযম লক্ষণীয়। তদুপৰি আৱম্ভণিৰ আকস্মিকতা আৰু নাট্য গুণধৰ্মিতাই বিশেষ আদিক সৌন্দৰ্য্য দান কৰিছে।

যোগেশ দাসৰ চুটিগল্পৰ বৈশিষ্ট্যই হ'ল — নাট্যগুণধর্মিতা আৰু চিত্রধর্মী বাস্তৱ বর্ণনাভংগী। নাটকৰ দৰে বাস্তৱ চিত্র কিছুমানত সংঘাত পূর্ণ পৰিস্থিতিৰ সৃষ্টি কৰি চৰিত্রৰ মনোজগতৰ দ্বন্দ্ব প্রকাশ কৰাৰ যি অপূর্ব দক্ষতা যোগেশ দাসৰ গল্পত দেখা যায়, আন লেখকৰ গল্পত সি সাধাৰণতে বিৰল। তেওঁৰ গল্পত যথেষ্ট দোষ-ত্রুটি থকা স্বত্বেও পাঠকক মুগ্ধ কৰে এই কথন ৰীতিয়ে। এই কথন ৰীতিয়েই তেওঁৰ গল্পক বিচিত্রতা অবিহনেও মাধূর্যপূর্ণ কৰি তুলিছে।



জানি থোৱা ভাল

যোগেশ দাসৰ গল্প সম্পর্কে বিভিন্ন সময়ত বিভিন্ন সমালোচকে তেওঁলোকৰ মতামত উল্লেখ কৰি গৈছে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল—

- দাসৰ গল্পৰ দুটা উল্লেখযোগ্য মোহনীয় গুণ আছে। তাৰে প্রথমটো হ'ল — চিত্রধর্মী বাস্তৱ বর্ণনাভঙ্গী আৰু দ্বিতীয়টো হ'ল — নাট্যগুণধর্মিতা। দাসৰ গল্পৰ বর্ণনাই পাঠকৰ মনত চিৰ পৰিচিত বাস্তৱ পৰিৱেশ একোটাৰ সৃষ্টি কৰে আৰু এনে বাস্তৱ পৰিৱেশবোৰ নাটকীয় দৃশ্যপটৰ দৰে সজাই তোলাৰ বাবে দাসৰ গল্পই পাঠকক আমোদ দিয়ে।— প্রহ্লাদ কুমাৰ বৰুৱা ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*।
- তেওঁৰ বহুত গল্পতে গ্রামীণ জীৱনৰ দুঃখ-দৈন্যৰ প্রতি সহৃদয়তাৰ ভাব দেখিবলৈ পোৱা যায়। সাধাৰণ মানুহৰ জীৱনক তেওঁ ওচৰৰ পৰা সুক্ষ্মভাবে নিৰীক্ষণ কৰে আৰু তেনে মানুহৰ গতানুগতিক বৈচিত্র্যহীন জীৱনৰ ওপৰত পোহৰ পেলায়।— উপেন্দ্র নাথ শর্মা ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), (সম্পাদনা ঃ হোমেন বৰগোহাঞি)
- দাসৰ গল্প-চৰিত্রবোৰৰ মাজত মানসিক দ্বন্দ্ব আছে, কিন্তু এই দ্বন্দ্ব সুস্পষ্ট হোৱা নাই। তেওঁৰ গল্পৰ মাজেদি কোনো তত্ত্বৰ ব্যঞ্জনা চকুত নপৰে। — ত্রৈলোক্য নাথ গোস্বামী ঃ *আধুনিক গল্প সাহিত্য* ।
- তেওঁৰ গল্পৰ চৰিত্রবোৰ সাধাৰণতে উদাসীন, দুর্বল, নিস্ক্রিয় আৰু পাৰিপার্শ্বিকতাৰ দাস। — মহেশ্বৰ নেওগ ঃ *গল্পগুচ্ছ* পাতনি।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ যোগেশ দাসৰ কোন সময়ত গল্পকাৰ ৰূপে পৰিপূর্ণতা প্রাপ্তি হয় বুলি সমালোচকসকলে মন্তব্য কৰে?

.....

৭.৪ পৃথিৱীৰ অসুখ

'পৃথিৱীৰ অসুখ' গল্পটোৰ মাজেৰে গল্পকাৰ যোগেশ দসে অজয় চলিহাৰ মনত উদয় হোৱা এক সাময়িক সমস্যা আৰু সেই সমস্যাই চুবুৰীয়া মানুহৰ মনত সৃষ্টি কৰা অস্বাভাৱিকতাৰ ধাৰণাক সমাজ সচেতনভাৱে, মানৱীয় ৰূপত উত্থাপন কৰিছে। সুখপাঠ্য গল্পটোৰ মাজেদি সমাজৰ কৰবাত কিবা এটা অসুস্থতা থকাৰ অস্পষ্ট ইঙ্গিত দিয়াৰ চেষ্টা কৰিছে। গল্পটোত ব্যঞ্জনাদীপ্ততাৰ উপস্থিতি দেখা নাযায় যদিও, সামগ্ৰিকভাৱে গল্পটোৰ মাজেদি চুটিগল্পৰ তিনি ঐক্যৰ উপৰি নাট্যগুণধৰ্মী বৰ্ণনাৰ জৰিয়তে ব্যক্তি আৰু সামাজিক মনৰ অসুস্থতা আৰু এনে অসুস্থতাই বিয়পাই তোলা বিষক্ৰিয়াই ব্যক্তি বিশেষৰ মন আৰু মগজুৰ লগতে জীৱনো যে বিষময় কৰি তুলিব পাৰে — এনে এক অনুভূতি এক বিশেষ পৰিৱেশ আৰু পৰিস্থিতিৰ মাজেদি প্ৰতিবিম্বিত কৰিছে। ফলস্বৰূপে গল্পটোৰ বিষয়বস্তু যিয়েই নহওক — পাঠকৰ মন ফলশ্ৰুতিৰ একময়তাৰ পিনে ধাৱমান হোৱাৰ এটা ধাৰণা দিছে। গল্পটোৰ মূল পাঠখিনি বহু দীঘলীয়া হোৱা বাবে এই পাঠ্যবিষয়ৰ শেষৰ ফালে 'পৰিশিষ্ট' শীৰ্ষক শাখাটোত সেয়া সন্নিৱিষ্ট কৰা হ'ল। তলত গল্পটোৰ চমু বিশ্লেষণ আগবঢ়োৱা হ'ল।

৭.৪.১ গল্পটোৰ বিষয়বস্তু আৰু সাধাৰণ আলোচনা

'পৃথিৱীৰ অসুখ' গল্পটো নাট্যধৰ্মীগুণেৰে পৰিপূৰ্ণ এটা সুখপাঠ্য গল্প। গল্পটোৱে দীঘলীয়া সময়ৰ ভিন্ন পৰিৱেশ আৰু পৰিস্থিতিৰ ঘটনাক্ৰম সাঙুৰি আছে যদিও লক্ষ্যৰ একমুখিতা আৰু পৰিণতিৰ একময়তাৰ দিশত অলপ আঁতৰি যোৱা নাই। চুটিগল্পৰ অন্যতম বিশিষ্ট লক্ষণ সংক্ষিপ্ততা 'পৃথিৱীৰ অসুখ' নামৰ চুটিগল্পটোত ৰক্ষা কৰা হোৱা নাই। কিন্তু ভাবৰ ঐককেন্দ্ৰিকতা ৰক্ষা কৰি বিষয়বস্তুৰ এটা পূৰ্ণাঙ্গ ধাৰণা প্ৰদান কৰাত সফল হৈছে।

'পৃথিৱীৰ অসুখ' গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ অজয় চলিহা এগৰাকী চৰকাৰী চাকৰিয়াল। তেওঁ এটা ভাৰাঘৰ বিচাৰি যোৱাৰ পৰা আৰম্ভ কৰি ভাৰাঘৰত বসবাস কৰা আৰু সেই ভাৰাঘৰৰ যুটীয়া মালিক নিবাৰণ বৰুৱা আৰু তেওঁৰ বিধবা ভনীয়েক মনোৰমা দুৱৰাৰ সৈতে হোৱা নাটকীয় ঘটনাৰাজি গল্পটোৰ আখ্যানভাগত বৰ্ণিত হৈছে। দীঘলীয়া গল্পটোত উপন্যাসিকা এখনত থাকিব লগা এটা দীঘলীয়া আৰু পৰিপূৰ্ণ কাহিনী আছে যদিও ইয়াৰ মাজেৰে লেখকে নিজৰ এটা ধাৰণাকেই উপস্থাপন কৰিছে। গল্পটোত এগৰাকী ব্যক্তি আৰু এখন সমাজৰ মানসিক অসুস্থতা আৰু তাৰ পৰা উদ্ভূত প্ৰতিক্ৰিয়াই মানুহৰ জীৱন কেনেধৰণে বিষাক্ত কৰি তুলিব পাৰে — এনে এটা ধাৰণাকেই ব্যক্ত কৰিছে। লেখকৰ দৃষ্টিভংগীয়ে পাঠকৰ মনক আলোড়িত কৰিব পাৰিছে। যাৰ কাৰণে, গল্পৰ বিষয়বস্তু বিস্তৃত হোৱা সত্বেও ফলশ্ৰুতিৰ একময়তাই পাঠকসকলক ভাবৰ এক পূৰ্ণাঙ্গ ধাৰণা দিয়াত গল্পকাৰক সফল কৰি তুলিছে।

"কম কথাতে মনোৰমকৈ চিত্ৰ সংযোগৰ মাজেদি চঞ্চল জীৱনৰ কোনো মূহুৰ্তৰ অৱলম্বনত জীৱনক উদ্ভাসিত কৰি তোলা গল্পলেখকৰ প্ৰধান উদ্দেশ্য" বুলি *সাহিত্য সমীক্ষা*ত ত্ৰৈলোক্যনাথ গোস্বামীয়ে মত আগবঢ়াইছে। 'পৃথিৱীৰ অসুখ' গল্পটো এই ক্ষেত্ৰত সফল বুলি ক'ব পাৰি। নাটকৰ দৰে বাস্তৱ চৰিত্ৰ কিছুমানৰ সংযোগ কৰি সংঘাতপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা লেখক যোগেশ দাসে চৰিত্ৰবোৰৰ মনোজগতৰ দ্বন্দ্ব আৰু অনুভূতি প্ৰকাশ কৰি গল্পটোক ৰসোত্তীৰ্ণ কৰি তুলিছে।

এটা উদ্ভত পৰিৱেশৰ মাজেৰে গল্পটোৰ আৰম্ভণি ঘটিছে। নিবাৰণ বৰুৱাৰ কঁকালৰ টাৰেলখন হঠাতে খহি পৰিল, কিন্তু বৰুৱাৰ মুখত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নাপালে। কিন্তু অজয় চলিহা হতচকিত হৈ পৰিল। এই ঘটনাৰ কোনো অনুশোচনা নকৰা বৰুৱাই কিন্তু পিছৰ পৰ্যায়ত বিবেকসম্পন্ন ব্যক্তিৰ দৰেই কাম কৰিছে। আনকি ভনীয়েকক অপহৰণকাৰীৰ পৰা উদ্ধাৰ কৰি আনিছে। আনহাতে, মস্তিষ্কৰ ভাৰসাম্য হেৰুওৱা নাৰীৰ ৰূপত মনোৰমা দুৰৰাক অংকন কৰা হৈছিল, কিন্তু বিষয়টোৰ কোনো স্পষ্ট বাখ্যা গল্পটোত পোৱা নাযায়। এখন ঐতিহ্যৰে পৰিপূৰ্ণ ঘৰ কালবলুকাত জহি খহি যাবলৈ আৰম্ভ কৰিছে। সেই ঘৰৰ বংশধৰ নিবাৰণ বৰুৱাই সেই ঐতিহ্যপূৰ্ণ ঘৰৰ গাম্ভীৰ্যতা আৰু আভিজাত্য ধৰি ৰাখিব পৰা নাই। সামাজিক বৰ্জিত মানুহৰ দৰেই অকলশৰীয়া নিবাৰণ বৰুৱাৰ সহযাত্ৰী ভগ্নী মনোৰমা আৰু ৰান্ধনি শুকুৰা। বৰং ঐতিহাসিক পিতৃৰ প্ৰতি বিৰূপ মনোভাব পোষণ কৰিছে। কিবা এক অজ্ঞাত কাৰণত সেই ঐতিহ্য নিবাৰণ বৰুৱাৰ বাবে আমনিদায়ক হৈহে উঠিছে। তেওঁ মদাহী আৰু পিতৃদ্রোহী হৈ উঠিছে। আনহাতে স্বাৰ্থপৰ অভিভাৱকৰ স্বাৰ্থৰক্ষাৰ বাবে এগৰাকী বৃদ্ধৰ সতে বৈবাহিক জীৱন আৰম্ভ কৰা মনোৰমাই স্বামীৰ গৃহত লাঞ্ছিতা হৈ মানসিক সুস্থিৰতা হেৰুৱাই পেলাইছে। বৈধব্যক আঁকোৱালী হৈ এদিন পিতৃগৃহলৈ উভতি আহি ককায়েকৰ লগত থাকিব লৈছে। উদ্ভট চৰিত্ৰৰ নিবাৰণ বৰুৱাই পিছৰ পৰ্যায়ত বিবেকৱান মানুহৰ দৰে ভনীয়েক মনোৰমাৰ প্ৰতি দায়িত্বপূৰ্ণ আচৰণ কৰিছে। গল্পৰ শেষৰফালে ভাৰাতীয়া অজয় চলিহা আৰু এগৰাকী পৰিচিত ড্ৰাইভাৰৰ সহযোগত অপহৃত মনোৰমাক উদ্ধাৰ কৰি আনিবলৈ সক্ষম হৈছে।

সমাজৰ দৃষ্টিত মনোৰমা আৰু নিবাৰণৰ মাজত কিবা যেন এক অস্বাভাৱিকতা আছে। যাৰ কাৰণে সকলো মানুহে দুয়োৰে পৰা দূৰৈত অৱস্থান কৰিছে। কি এই অস্বাভাৱিকতা? লেখকে স্পষ্ট কৰা নাই। পাঠকক নিজেই অনুভৱ কৰিবলৈ যেন থৈ দিছে। আনহাতে অজয় চলিহাৰ অভিজ্ঞতাই সোঁৱৰাই দিছে— 'তেওঁলোকক যেন আন আন মানুহে সহজ হ'বলৈ নিদিলে।' গল্পটোৰ মাজেৰে লেখকে সমাজৰ মাজত ক'ৰবাত কিবা এটা খুঁত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। এই খুঁত, খুঁত নহয়; সমাজৰ মাজত থকা এক প্ৰকাৰৰ অসুস্থতা। লেখকৰ এই সামাজিক অসুস্থতাৰ ইঙ্গিত কিন্তু গল্পটোত সুস্পষ্ট নহয়। এক কথাত বুদ্ধিদীপ্ততাৰ অভাৱ। কিন্তু সামগ্ৰিকভাৱে আৰম্ভণিৰ আকস্মিকতা,

লক্ষ্যৰ একমুখিতা আৰু পৰিণতিৰ একময়তা — এই তিনি ঐক্যই গল্পটিৰ বিষয়বস্তুক পাঠকৰ মনত সাঁচ বহুৱাব পৰা পূৰ্ণাঙ্গ ৰূপৰ ধাৰণা, ঐককেন্দ্রিকতা প্রদান কৰিছে।

যোগেশ দাসৰ 'পৃথিৱীৰ অসুখ' নামৰ দীঘল গল্পটোৰ বিষয়বস্তু সম্পূৰ্ণৰূপে গতানুগতিক বা বাস্তৱ বুলি ক'ব নোৱাৰি। কিন্তু লেখকৰ সহজ-সৰল বৰ্ণনাভংগী আৰু মানুহৰ জীৱনৰ প্রতি সহানুভূতিশীল মনোভাবেৰে কাহিনী কোৱাৰ ৰীতিয়ে 'পৃথিৱীৰ অসুখ'ত উত্থাপিত সমস্যালানিকে বাস্তৱানুগত কৰি তুলিছে। বৰ্তমানৰ আমাৰ সমাজত ব্যাধিৰ দৰে বাঢ়ি অহা যি অস্থিৰতাৰ ছবি আমি প্রতি দিনে প্রত্যক্ষ কৰিবলৈ লৈছোঁ; গল্পটোৰ মাজে মাজে দি যোৱা ইঙ্গিতে এনেকুৱা এটা ভাব মনলৈ আনে যেন আজিৰ পৰা পয়ত্রিশ বছৰৰো আগেয়ে লেখক যোগেশ দাসদেৱৰ মনোজগতত তদনুৰূপ এখন অসমীয়া সমাজৰ ছবি জিলিকি উঠিছিল। গল্পটোৰ আখ্যানভাগ ৰচনা কৰোঁতে পৰিস্থিতি বিশেষে তেনে অনুভূতিৰ ইঙ্গিত দিছে। অৱশ্যে তাৰ বিষদ বাখ্যা তেওঁ ক'তোয়েই দিয়াৰ চেষ্টা কৰা নাই। কেৱল কাহিনী কোৱাৰ অচিলাৰে তেনে অনুভৱৰ টুকুৰা কিছুমান সুন্দৰভাৱে পাঠকৰ অন্তৰলৈ চেৰেকাৰে চিটিকনি মাৰি পঠোৱাৰ দৰে আভাস দিছে।

আনহাতে, চুটিগল্পক জীৱনৰ খণ্ডচিত্র বুলি কোৱা হয়। কিন্তু চুটিগল্পত ৰূপায়িত এই খণ্ডচিত্র হ'ল একোখনি সম্পূৰ্ণ চিত্র, সমালোচকৰ দৃষ্টিত একোটা সম্পূৰ্ণ সৃষ্টি। 'পৃথিৱীৰ অসুখ' গল্পটো এই লক্ষ্যৰ পৰা আঁতৰি যোৱা নাই। কিন্তু লেখকগৰাকীয়ে গল্পৰ দৈর্ঘ্যৰ ক্ষেত্রত মিতব্যয়িতাৰ পৰিচয় দিয়াত অক্ষম হৈছে। অৱশ্যে বিষয়বস্তুৰ লগত সম্পর্ক নথকা কোনো কথা গল্পটোত সংযোগ কৰা নাই। গল্পটোৰ আৰম্ভণিতে এটা উদ্ভট পৰিস্থিতি লেখকে বর্ণনা কৰিছে। বর্ণনাৰ এই আকস্মিকতাই পাঠকৰ মনত উৎসুক্য বঢ়াই তুলিবলৈ সমর্থ হৈছে। লেখকে কোনো ধৰণৰ পাতনি নেমেলাকৈ পোনে পোনে গল্পৰ বিষয়বস্তুত সোমাবলৈ প্রয়াস কৰিছে এনেদৰে। ভাৰঘৰ বিচাৰি যোৱা অজয় চলিহাই অযত্নত কদর্যৰূপ লোৱা ড্রয়িং ৰূমত বহি অস্বস্তি অনুভৱ কৰিছে, অথচ অচিনাকি অতিথিৰ সমুখতে কঁকালৰ টাৱেল খুলি পৰাত দিগম্বৰ হৈ পৰা ঘৰৰ মালিক নিবাৰণ বৰুৱাই লজ্জাবোধ কৰোতে দূৰৈৰ কথা, ই যেন গ্রাহ্য কৰিব লগা কথাই নহয় এনে ভাৱত টাৱেল খনেৰে গা-মূৰ মচিবলৈ ললে। তাৰ পিছতহে কঁকালৰ টাৱেলখন মেৰিয়াই লৈ চলিহাৰ পৰিচয় বিচাৰিছে। অতিৰঞ্জিত যেন লগা অথচ, লেখকৰ অতি সংযত ভাষা আৰু পৰিশীলিত বচনভংগীয়ে আৰম্ভণিতে পাঠকৰ মন উৎসুক কৰি তুলিছে। এই উৎসুক্য নিৰসণ নকৰাকৈয়ে 'পৃথিৱীৰ অসুখ' গল্পৰ পৃষ্ঠভূমি লেখকে তৈয়াৰ কৰাত সফলতা লাভ কৰিছে।

ভাষাৰ তীর্যক ৰূপ গল্পটোত সুন্দৰভাৱে উপস্থাপন কৰিছে নিবাৰণ বৰুৱাৰ মুখেৰে। অজয় চলিহাই দেউতাকৰ বিষয়ে সোধাত নিবাৰণ বৰুৱাই যি উত্তৰ দিলে, চলিহা স্তম্ভিত হৈছিল । বৰুৱাই দেউতাকৰ সম্পর্কে কৈছিল — "দুহাতে পাৰে মানে আর্জিছিল আৰু দুহাতে পাৰে মানে দান কৰি ডাঙৰ মানুহ বোলাব খুজিছিল।" আনহাতে

মনোৰমাৰ কথাটো তীর্যকতাৰ অনুৰণন ঘটিছে — "কোনে ল'ব সেইটো ঘৰ? কোনেও নলয়, কোনেও নলয়। এইট্রিন চেঞ্চুৰিৰ ঘৰটোত কোন থাকিব? এনেয়ে পৰি থাকেনে?"

লেখকৰ কাহিনী কোৱাৰ ভংগীয়ে পাঠকৰ উৎসুক্য বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। পৰিৱেশ পৰিস্থিতিৰ বর্ণনাই এনে উৎসুক্য বৃদ্ধিত বিশেষ অৰিহণা দিছে — "কোঠাটোত দৈন্যতকৈ অযত্নৰ চিন বেছিকৈ ফুটি উঠিছিল। দামী আচবাববোৰ লেতেৰা আৰু ধূলিময় — ক'ৰবাত আৱৰণ ফালি স্প্রিঙে দাঁত নিকটাইছে। মেজ ঢকা কাপোৰবোৰ কিজানি কেবা বছৰো ধোৱা নাই। সৰু ধাতৰ ফুলকটা ফুলদানি এটাত কিবা ফুলৰ ঠাৰি দুডাল কিমান দিন শুকাই আছে গৱেষণাৰ বিষয়।" বর্ণনাখিনি পঢ়ি যোৱাৰ পিছত ভাব হয় - এটা প্রশ্নবোধক অনুভূতি অনবৰতে যেন বাক্যটোৰ পিছে পিছে আগবাঢ়িছে — তাৰ পিছত? তাৰ পিছত কি হ'ব? লেখকৰ ভাষাতেই — "ক্ষয়িষ্ণুতাৰ দুর্বিসহ গোমোথা বতাহ একোঠালি তাত ৰুদ্ধ হৈ থকা যেন লাগিল।" এই উৎসুক্য লেখকে গল্পৰ শেষলৈ নিৰসণ নোহোৱাকৈ ৰাখিব পাৰিছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ 'পৃথিৱীৰ অসুখ' গল্পটোৰ মূল বৈশিষ্ট্য কি?

.....

৭.৪.২ চুটিগল্প হিচাপে 'পৃথিৱীৰ অসুখ'

যোগেশ দাসৰ গল্পসমূহৰ এক সুকীয়া সৌন্দর্য আছে। সকলো শ্রেণীৰ মানুহৰ প্রতি সহানুভূতি আৰু জৈৰিক-সামাজিক সমস্যাসমূহৰ বাস্তৱধর্মী চিত্রণ তেওঁৰ গল্পত লক্ষ্য কৰা যায়। প্রচণ্ড বাক্-সংযমেৰে গল্পৰ চৰিত্রৰ অন্তর্দ্বন্দ্ব আৰু মনস্তাত্বিক বিশ্লেষণ কৰাটো তেওঁৰ গল্পৰ বিশেষগুণ। "প্রচণ্ড সংস্কৃতি চেতনা আৰু কিঞ্চিৎ মনোবৈজ্ঞানিক ধাৰণা — এয়ে তেখেতৰ গল্পৰ পশ্চাৎভূমি" — বুলি হোমেন বৰগোহাঞিদেৱে 'অসমীয়া চুটিগল্প' [1940–70] শীর্ষক নিবন্ধত বর্ণনা কৰিছে। আনহাতে প্রফুল্ল বৰাই *অসমীয়া সাহিত্য ঃ আধুনিক যুগ* গ্রন্থত যোগেশ দাস সম্পর্কত মন্তব্য কৰিছে যে, "...ৰচনাৰ পৰিমাণ, পৰিশীলিত ভাবে গল্প ৰচনাত একাগ্রতা, নিৰৱচ্ছিন্ন সাধনা আৰু মানৱ চৰিত্রৰ সামগ্রিক বিষয়ৰ প্রতিফলন কৰাৰ ক্ষেত্রত এওঁলোক অসমীয়া সাহিত্যত কালজয়ী গল্পকাৰ ৰূপে সদায়ে স্বীকৃত হৈ থাকিব।"

যোগেশ দাসৰ শ্রেষ্ঠ গল্পসমূহৰ মাজত 'পৃথিৱীৰ অসুখ' এটা তাৎপর্যপূর্ণ চুটিগল্প। গল্পটোৰ ভাববস্তু বৰ গভীৰ নহয় যদিও গল্প এটা সুখপাঠ্য হ'বলৈ গল্পৰ মাজত থাকিব লগা ঐককেন্দ্রিক পূর্ণাঙ্গ ধাৰণা (total impression) "পৃথিৱীৰ অসুখ'ত বর্তমান কাৰণেই ই এটা সার্থক গল্পৰূপে পৰিগণিত হৈছে। লেখকৰ ভাষাৰ সৰলতা,

বর্ণনাৰ মাধুর্য আৰু কাহিনীৰ উপস্থাপন-ৰীতিৰ দক্ষতাই এনে সার্থকতা সম্ভৱ কৰিছে। সমালোচকসকলৰ মতেও, ভাৰতীয় যিকোনো ভাষাৰ আধুনিক চুটিগল্পৰ মাজত 'পৃথিৱীৰ অসুখ' এটা অসামান্য, গুণসম্পন্ন আৰু শ্রেষ্ঠতম চুটিগল্প। মহেন্দ্র বৰাদেৱে *প্রকাশ* আলোচনীৰ বিশেষ গল্প সংখ্যাত কৰা মন্তব্যষাৰ এই ক্ষেত্রত উল্লেখনীয়। তেওঁ লিখিছিল — "এই জেনেৰেশ্যনৰ গল্প লেখক কেইজনে অন্ততঃ কুৰি বছৰ সাহিত্য সাধনাৰ অন্তত একে ঠাইতে বহি থকা নাই। তেওঁলোকৰ প্রত্যেকজনে মাইলৰ খুটিৰ পিছত মাইলৰ খুটি এৰি থৈ আহিছে।" যোগেশ দাসদেৱৰ ক্ষেত্রত ই প্রণিধানযোগ্য। ৰামধেনু যুগতেই সাহিত্য সাধনাৰ বাট মুকলি কৰি তেওঁ 'কলপটুৰাৰ মৃত্যু'ৰ যোগেদি অসমীয়া চুটিগল্পৰ প্রথমটি নিজাববীয়া সৌধ নির্মাণ কৰিছিল। পিছৰছোৱাত 'উৰুকাৰ উক্মুকৰ পোৱালী' আৰু 'গৰাখহনীয়া' নামৰ গল্পদুটিৰে আকৌ নৱসৌধ নির্মাণ কৰিছিল। সত্তৰৰ দশকত 'পৃথিৱীৰ অসুখ'-এ তেওঁৰ সেই খ্যাতিক আকৌ এবাৰ স্থায়ী ৰূপ দি নির্মাণ কৰিলে। একে নামৰ গ্রন্থখনে ভাৰতীয় ভাষাসমূহৰ 'সাহিত্য অকাডেমি বঁটা'ও আজুৰি আনিলে।

চুটিগল্প হিচাপে 'পৃথিৱীৰ অসুখ'ৰ অৱয়ৱ দীঘলীয়া। বিষয়বস্তুও দীর্ঘকাল জুৰি বিয়পি আছে। পটভূমিত বিভিন্ন পৰিৱেশ, পৰিস্থিতি সংযোজিত হৈছে। তথাপি গল্পটোৰে লক্ষ্যৰ একমুখিতা বা পৰিণতিৰ একময়তাৰ পৰা বিচ্যুত হোৱা নাই। এক দীঘলীয়া কাহিনীক লেখকে পৰিকল্পিতভাৱে উপস্থাপন কৰি এক সু-সমাপ্তি প্রদান কৰিছে। তাৰ পিছতো মনত প্রশ্ন উদয় কৰিছে — তাৰ পিছত কি হ'ব? লেখকৰ গল্পকোৱাৰ এই ভংগীয়ে পাঠকক আপ্লুত কৰিবলৈ সমর্থ হৈছে।

"লেখকে নিজস্ব একোটা ধাৰণা বা দৃষ্টিভংগীক প্রতিবিম্বিত কৰে চুটিগল্পৰ মাজেৰে আৰু গল্প পাঠৰ সময়ত পাঠকৰ মন যাতে সেই ধাৰণাটোতে নিবিষ্ট কৰি ৰাখিব পাৰে, তাৰ যত্ন কৰে" বুলি বাংলা সাহিত্যৰ সমালোচক ভূদেৱ চৌধুৰীয়ে *বাংলা সাহিত্যৰ ছোট গল্প ও গল্পকাৰ* নামৰ গ্রন্থত উল্লেখ কৰিছে। যোগেশ দাসৰ আলোচ্য গল্পটি এই আদর্শৰ পৰা বিচ্যুত নহয়। এই গল্পটিত ব্যক্তি সত্বা আৰু সামাজিক সত্বাৰ অসুস্থতা আৰু ইয়াৰ পৰা ব্যাপ্ত হোৱা বিষ বাষ্পই ক্রিয়া কৰি ব্যক্তিৰ জীৱন কেনেকৈ বিষময় কৰি তুলিব পাৰে — তেনেকুৱা ধাৰণা বিশেষক প্রতিবিম্বিত কৰিছে। গল্পটিয়ে বহুকেইটা চৰিত্র, ভিন্ন ভিন্ন স্থান আৰু বিস্তৃত সময়ৰ পটভূমি সামৰি ল'লেও, ঘটনা প্রৱাহো কোনো সময়তে লক্ষ্যৰ একমুখিতা আৰু পৰিণতিৰ একময়তাৰ পৰা আঁতৰি যোৱা নাই। বৰং পাঠকৰ মন পৰিণতিৰ একময়তাৰ পিনে ধাৱমান কৰি নি গল্পটোৰ সমাপ্তিকেই নহয় সমগ্র গল্পটোকেই সার্থক কৰি তুলিছে।

'পৃথিৱীৰ অসুখ'ৰ প্রথমতে লক্ষণীয় দিশ হ'ল — 'নাট্যগুণধর্মিতা'। নাট্যগুণধর্মিতাই চুটিগল্পক সৌন্দর্যময় কৰি তোলে। তদুপৰি এই নাট্যগুণধর্মিতাই চুটিগল্পৰ বিষয়বস্তু আৰু চৰিত্রৰ মনোজগতৰ দ্বন্দ্ব প্রকাশ কৰাত বিশেষ সহায়ক হয়

আৰু পাঠকৰ মনক গল্পৰ কাহিনীৰ মাজলৈ সহজে সুমুৱাই নিয়ে। 'পৃথিৱীৰ অসুখ' আৰম্ভণিৰ পৰা সমাপ্তিলৈ যিমানবিলাক মূহূর্তৰ চিত্রাংকন হৈছে, সেইবিলাক জীৱন্ত, বাস্তৱ হোৱাৰ উপৰি নাট্যধর্মী হৈ উঠিছে। এনে নাটকীয় পৰিৱেশ নির্মাণ হোৱাত 'পৃথিৱীৰ অসুখে' বাস্তৱ ধাৰণা পাঠকৰ মনত সুমুৱাই দিবলৈ সক্ষম হৈছে।

চুটিগল্পৰ চৰিত্রই কম সময়ৰ ভিতৰতে এটা শক্তিশালী বা গভীৰ ধাৰণা পাঠকক দিয়ে। হাডচনৰ এই উক্তি 'পৃথিৱীৰ অসুখ'ত প্রত্যক্ষ কৰিব নোৱাৰি। গল্পটিৰ বিষয় অনুযায়ী চৰিত্র অনেক। চলিহা, বৰুৱা, মনোৰমা — এই তিনিটা চৰিত্রৰ ভূমিকা গল্পটোত সমান হোৱা কাৰণে কোনো এটা চৰিত্রই প্রয়োজনীয় উজ্জ্বলতা লাভ কৰিবলৈ সক্ষম নহ'ল। আৰম্ভণিতে নিবাৰণ বৰুৱাৰ চৰিত্র উদ্ভট যেন কৈ নির্মাণ কৰিলেও, শেষলৈ বিবেকবান মানুহৰ দৰে আচৰণ কৰিছে। মনোৰমাৰ মস্তিষ্কৰ ভাৰসাম্য হেৰুৱাৰ কোনো স্পষ্ট কাৰণ গল্পটিত পাবলৈ নাই। ফলশ্রুতিত কোনো এটা চৰিত্রই পাঠকৰ মনক চুই যাব পৰা নাই। 'পৃথিৱীৰ অসুখ' গল্পটিত এই ক্ষেত্রত (চৰিত্র নির্মাণৰ ক্ষেত্রত) যোগেশ দাস সফল হ'ব পৰা নাই। গোটেই পৃথিৱীখনেই ক্রমশঃ অসুস্থ হৈ পৰাৰ যি ধাৰণা গল্পটোৰ যোগেদি দিব বিচৰা হৈছিল, তাৰ কোনো স্পষ্ট বাখ্যা গল্পকাৰে দিব পৰা নাই। অৱশ্যে, ব্যঞ্জনাদীপ্ততা অবিহনেও সামগ্রিকভাৱে 'পৃথিৱীৰ অসুখ' গল্পটো সুখপাঠ্য গল্প হৈ উঠিছে; গল্পটোত নিহিত হৈ থকা লক্ষ্যৰ ঐক্য, ফলশ্রুতিৰ একমুখিতা, ধাৰণাৰ ঐককেন্দ্রিকতা আৰু নাট্যগুণধর্মিতাৰ বাবে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'পৃথিৱীৰ অসুখ' গল্পটোৰ প্রধান লক্ষণীয় দিশ কি বুলি ক'ব পাৰি?

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া চুটিগল্পৰ ৰামধেনু যুগৰ পৰা আশীৰ দশকলৈ ধাৰাবাহিকভাৱে গল্প ৰচনা কৰা যোগেশ দাসৰ জীৱন আৰু কৃতি সম্পর্কে থূলমূলকৈ আভাস লাভ কৰি তেওঁৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্য সম্পর্কে অধ্যয়ন কৰিলে।
- যোগেশ দাসৰ গল্পৰ কথন ৰীতি সৰল আৰু অলংকাৰবিহীন হ'লেও, সি কেতিয়াও গতানুগতিক লয়ৰ বাহক হৈ পৰিব লগা হোৱা নাই। গল্পত জটিলতা থাকিলেও কোনো সময়তে তেওঁ শীর্ষ পর্যায়লৈ নিয়াৰ চেষ্টা কৰা নাই।

- অসমীয়া চুটিগল্পৰ ইতিহাসত 'পৃথিৱীৰ অসুখ' অন্যতম শ্ৰেষ্ঠ গল্প। গল্পটোত গোটেই পৃথিৱীখনেই ক্ৰমশঃ অসুস্থ হৈ পৰাৰ এক ধাৰণা দিব বিচৰা হৈছে। অৱশ্যে এই ধাৰণা স্পষ্ট হোৱা নাই। গল্পটো দীঘলীয়া আৰু অলংকাৰহীন। বৰ্ণনাত বুদ্ধিদীপ্ততা আৰু ব্যঞ্জনাদীপ্ততা নাই যদিও লক্ষ্যৰ একমুখিতা, পৰিণতিৰ একময়তা, ধাৰণাৰ ঐককেন্দ্ৰিকতা আৰু নাট্যগুণধৰ্মিতাই গল্পটোক সুখপাঠ্য কৰি তুলিছে।
- দীঘলীয়া চুটিগল্প হ'লেও লক্ষ্যৰ একমুখিতা আৰু পৰিণতিৰ একময়তাৰ মাজেৰে 'পৃথিৱীৰ অসুখ' গল্পটোৱে পাঠকক এটা ঐককেন্দ্ৰিকতাৰ পূৰ্ণাঙ্গ ধাৰণা দিব পাৰিছে। সেই ফালৰ পৰা গল্পটো সাৰ্থক হৈছে। এই সকলোবোৰ দিশৰ সম্পৰ্কে এই অধ্যায়টোত আপুনি অধ্যয়ন কৰিলে।



৭.৬ অধিক জানিবলৈ

1) গগৈ, লীলা (সম্পাঃ) (2002); *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; গুৱাহাটী ঃ বনলতা।

2) গোস্বামী, ত্ৰৈলোক্যনাথ (2006); *আধুনিক গল্প সাহিত্য*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

3) দত্ত, উদয় (1995); *চুটিগল্প*; গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

4) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পাঃ) (2006); *কথা বৰেণ্য 100*; গুৱাহাটী ঃ কথা।

5) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

6) বৰগোহাঞি, হোমেন (সম্পাঃ) (2004); *অসমীয়া গল্প সংকলন (প্ৰথম খণ্ড)*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

7] বৰগোহাঞি, হোমেন (সম্পাঃ) (1993); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

8) বৰুৱা, প্ৰহ্লাদ কুমাৰ (2005); *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

9) ভট্টাচাৰ্য, পৰাগ কুমাৰ (1993); *গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

10) ভট্টাচাৰ্য, বসন্ত কুমাৰ (2003); *অসমীয়া চুটি গল্পৰ সুবাস*; নলবাৰী ঃ জাৰ্ণেল এম্প'ৰিয়াম।

11)শইকীয়া বৰা, লীলাৱতী (সম্পাঃ) (2003); *অসমীয়া চুটিগল্পৰ প্ৰবাহ*; গুৱাহাটী ঃ বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

12) শৰ্মা, সত্যেন্দ্ৰনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৭.৭ অগ্রগতিৰ খতিয়ান

১ নং **প্রশ্নৰ উত্তৰ ঃ** *পৃথিৱীৰ অসুখ*গল্প পুথিৰ বাবে।

২ নং **প্রশ্নৰ উত্তৰ ঃ** ৰামধেনু যুগতেই গল্পকাৰৰূপে প্রসিদ্ধি লাভ কৰিলেও যোগেশ দাসৰ উত্তৰ ৰামধেনু আৰু পৰৱৰ্তী যুগতহে গল্পকাৰৰ ৰূপত পৰিপূর্ণতা প্রাপ্তি হয়।

৩ নং **প্রশ্নৰ উত্তৰ ঃ** নাটকীয় পৰিস্থিতিৰ চিত্রণৰ মাজেদি লক্ষ্যৰ একমুখিতা পৰিণতিৰ একময়তা আৰু প্রতীতিৰ ঐককেন্দ্রিকতা গঢ়ি এক সুখপাঠ্য গল্পৰ নির্মাণ।

৪ নং **প্রশ্নৰ উত্তৰ ঃ** 'পৃথিৱীৰ অসুখ' গল্পটোৰ প্রধান লক্ষণীয় দিশ হ'ল ইয়াৰ নাট্যধর্মিতা বা নাট্যধর্মী উপস্থাপন।



৭.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ যোগেশ দাসৰ দুখন গল্প পুথিৰ নাম লিখক।

প্রশ্ন ২ ঃ যোগেশ দাসৰ গল্প সততে দেখা পোৱা দুটি বৈশিষ্ট্য উল্লেখ কৰক।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গল্পকাৰ হিচাপে যোগেশ দাসৰ চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ যোগেশ দাসৰ গল্প ৰচনাৰ বিষয়বস্তু সম্পর্কত মতামত দিয়ক।

প্রশ্ন ৩ঃ যোগেশ দাসৰ চুটিগল্প সম্পর্কত এটা টোকা প্রস্তুত কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'পৃথিৱীৰ অসুখ' গল্পটোৰ মাজেৰে লেখকে সমাজ জীৱনৰ কি ধৰণৰ অসুস্থতাৰ ধাৰণা দিব বিচাৰিছে, আলোচনা কৰক।

প্রশ্ন ২ ঃ "যোগেশ দাসৰ বিশেষত্ব হ'ল সৰল বাক্-ভঙ্গীৰ সহায়ত অজটিল ঘটনাৰ প্রকাশ। এই প্রকাশৰ মাজত বিচিত্রতা নাথাকিলেও ঠায়ে ঠায়ে মাধূর্য্য আছে।" - ত্রৈলোক্য নাথ গোস্বামীৰ এই মন্তব্যৰ আঁত ধৰি 'পৃথিৱীৰ অসুখ' গল্পটোৰ এটা আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ 'পৃথিৱীৰ অসুখ' গল্পটিত নাট্যগুণধর্মিতা — শীর্ষক এটি আলচ প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৮ ঃ বাণীকান্ত কাকতি — সাহিত্যত কৰুণ ৰস

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি

8.3.1 সাহিত্য সমালোচক হিচাপে বাণীকান্ত কাকতি

8.3.2 কাকতিৰ প্ৰবন্ধ শৈলীৰ বৈশিষ্ট্য

8.4 সাহিত্যত কৰুণ ৰস

8.4.1 প্ৰবন্ধটোৰ বিষয়বস্তু

8.4.2 সাধাৰণ আলোচনা

8.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.6 অধিক জানিবলৈ

8.7 অগ্ৰগতিৰ খতিয়ান

8.8 আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাণীকান্ত কাকতিৰ জীৱন, শিক্ষা, সাহিত্য কৰ্মৰ বিষয়ে অৱগত হ'ব
- বাণীকান্ত কাকতিৰ প্ৰবন্ধ সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি সাধাৰণ ধাৰণা লাভ কৰিব
- কাকতিৰ 'সাহিত্যত কৰুণ ৰস' নামৰ প্ৰবন্ধটোৰ মূল বিষয়বস্তুৰ লগত পৰিচিত হ'ব
- সাহিত্যত কৰুণ ৰস কি দৰে প্ৰকাশ পায় সেই বিষয়ে জ্ঞান লাভ কৰিব।

৮.২ পৰিচয়

অসমীয়া সাহিত্যত প্ৰবন্ধ সাহিত্যৰ আঁতি গুৰি বিচাৰিলে দেখা যায় যে ইয়াৰ আৰম্ভণি হয় 'অৰুনোদয় যুগ'তে। আধুনিক অসমীয়া সাহিত্যৰ প্ৰায় সকলো দিশৰে আৰম্ভণি হোৱাৰ দৰে *অৰুণোদই*ৰ পাততে প্ৰবন্ধ সাহিত্যৰ গজালি মেলে যুক্তিনিষ্ঠ আৰু বিজ্ঞানসন্মত ৰূপত।

লক্ষ্মীনাথ বেজবৰুৱাই দেখুৱাই যোৱা প্ৰবন্ধ সাহিত্যৰ বাটত এক বিশেষ মাত্ৰা দান কৰি অসমীয়া প্ৰবন্ধ সাহিত্যক গজগজীয়া কৰে ড^{0} বাণীকান্ত কাকতিয়ে। প্ৰবন্ধ সাহিত্যৰ বিষয়ত বিশেষকৈ সমালোচনা সাহিত্যৰ ক্ষেত্ৰত বাণীকান্ত কাকতি আছিল বাটকটীয়াস্বৰূপ। *পুৰণি অসমীয়া সাহিত্য, নতুন অসমীয়া সাহিত্য* আদি গ্ৰন্থত সংকলিত ৰচনাসমূহে সমালোচক, পণ্ডিত কাকতিৰ বৈদগ্ধৰ লগতে এজন সুন্দৰ ৰসাল গদ্য লেখকৰ পৰিচয় দাঙি ধৰে।

'সাহিত্যত কৰুণ ৰস' প্ৰবন্ধৰ যোগেদিয়ে সাহিত্য বিচাৰৰ পাতনি মেলে বাণীকান্ত কাকতিয়ে। তেওঁৰ সাহিত্য সমালোচনাৰ প্ৰবন্ধবোৰ প্ৰথমে প্ৰকাশ পাইছিল বিভিন্ন আলোচনীসমূহত। পিছতহে এইবোৰ গ্ৰন্থ আকাৰে প্ৰকাশ পাইছিল। *আলোচনী, চেতনা, আৱাহন, জয়ন্তী, বাঁহী, শান্তিদূত* আদিত বিভিন্ন সমালোচনামূলক প্ৰবন্ধ লিখি মননশীলতাৰ পৰিচয় দিয়াৰ লগতে বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্য জগতত সমালোচনা সাহিত্যৰ এক শক্তিশালী ভেটি গঢ় দি থৈ গৈছে। এই অধ্যায়টোত তেওঁৰ এটি উল্লেখযোগ্য প্ৰবন্ধ 'সাহিত্যত কৰুণ ৰস'ৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব। লগতে তেওঁৰ জীৱন আৰু কৃতি তথা প্ৰবন্ধকাৰ হিচাপে তেওঁৰ কৃতিত্বৰ বিষয়েও চমুকৈ আলোকপাত কৰা হ'ব।

৮.৩ বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি

গৱেষক পণ্ডিত বাণীকান্ত কাকতিৰ জন্ম হয় 1894 চনত ৰৰপেটাত। শিশুকালৰে পৰা অতি মেধাবী আৰু অধ্যয়নপ্ৰিয় কাকতিয়ে স্কুলীয়া জীৱন পাৰ কৰে ৰৰপেটাত। কটন কলেজৰ পৰা বি. এ. পাছ কৰাৰ পাছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ৰ দুয়োটা গ্ৰুপতে সুখ্যাতিৰে এম. এ. পাছ কৰাৰ লগতে দ্বিতীয় গ্ৰুপত 'আশুতোষ স্বৰ্ণ পদক' লাভ কৰে। পিছত 1935 চনত ড^0 সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ তত্ত্বাৱধানত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পিএইচ. ডি. উপাধি লাভ কৰে। তেওঁৰ গৱেষণা-গ্ৰন্থ ***Assamese : Its Formation and Development*** এখন গৱেষণাগ্ৰন্থয়েই নহয়; ই অসমীয়া ভাষাৰ মাইলৰ খুঁটিস্বৰূপ। ই তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ। এই গৱেষণা-গ্ৰন্থখন গ্ৰন্থ আকাৰত ছপা হৈ ওলাই 1941 চনতহে।

বাণীকান্ত কাকতিয়ে পোনতে কটন কলেজত অধ্যাপনা কৰিছিল আৰু পাছত অধ্যক্ষৰূপেও নিযুক্ত হৈছিল। শেষত কৰ্মজীৱনৰ সামৰণি পৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক আৰু কলা গুৰু ৰূপে। তেওঁ 1952 চনৰ 15 নৱেম্বৰৰ দিনা প্ৰাতঃভ্ৰমণ কৰি আহি মুখ-হাত ধোওঁতেই অচেতন হৈ পৰি মৃত্যুক আকোঁৱালি লয়।

বাণীকান্ত কাকতিৰ বিভিন্ন আলোচনীত প্ৰকাশিত প্ৰবন্ধসমূহ সংকলিত ৰূপত পাছলৈ প্ৰকাশ হৈছিল। ইয়াৰ ভিতৰত মুঠ চৈধ্যটা প্ৰবন্ধ সম্বলিত গ্ৰন্থ হ'ল 1940 চনত প্ৰকাশিত *পুৰণি অসমীয়া সাহিত্য*। ঠিক তেনেকৈ 1948 চনত প্ৰকাশ পায় ছটা প্ৰবন্ধৰ সংকলন *সাহিত্য আৰু প্ৰেম*। তেনেদৰে আন দুখন প্ৰবন্ধ গ্ৰন্থ হ'ল — *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা* [1955] আৰু *কলিতা জাতিৰ ইতিবৃত্ত* [1943]। ইংৰাজী ভাষাত ৰচিত দুখন আপুৰুগীয়া গ্ৰন্থ হ'ল -- ***The Mother Goddess Kamakhya, Visnvite Myths and Legends***। তেওঁৰ মৰণোত্তৰভাৱে প্ৰকাশিত প্ৰবন্ধ সংকলন হ'ল *বাণী-প্ৰতিভা* [1964]। কাকতিৰ আন এখন দুৰ্লভ গ্ৰন্থ হ'ল মাদ্ৰাজৰ জি.এ. নটেশন এণ্ড কোম্পানিৰ পৰা তেওঁলোকৰ Saint of India Series-অত ওলোৱা শংকৰদেৱ সম্পৰ্কীয় কিতাপখন। তাৰ নাম আছিল ***Sankardeva*** কিংবা ***Life and Teaching of Sankaradeva*** [1923]।

এইবোৰৰ উপৰি প্ৰবন্ধ সংকলনত স্থান নোপোৱা বহুতো সাহিত্য-বিচাৰৰ প্ৰবন্ধ আছে যিবিলাক অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ। আনহাতে তেওঁ *কেতেকী, ফুলৰ শৰাই, দহিকতৰা, কথা-কবিতা, তুমি* আদি কাব্যগ্ৰন্থৰ পৰিচয় অথবা পাতনি ৰূপে বহুতো সমালোচনামূলক প্ৰবন্ধ ৰচনা কৰি গৈছে। ভবানন্দ পাঠক ছদ্মনামতো তেওঁ বহুতো প্ৰবন্ধ-নিবন্ধ যুগুতাই গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাণীকান্ত কাকতিৰ গৱেষণা-গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ২ ঃ মৰণোত্তৰভাৱে প্ৰকাশিত বাণীকান্ত কাকতিৰ প্ৰবন্ধ সংকলনখনৰ নাম কি?

.....

প্ৰশ্ন নং ৩ ঃ ড^{0} বাণীকান্ত কাকতিৰ ছদ্মনামটি কি আছিল?

.....

৮.৩.১ সাহিত্য সমালোচক হিচাপে বাণীকান্ত কাকতি

আধুনিক যুগৰ শ্ৰেষ্ঠ সমালোচকৰ স্থান দখল কৰা বাণীকান্ত কাকতি হ'ল বেজবৰুৱাৰ পিছৰে এজন উল্লেখযোগ্য সমালোচক। তেওঁ নিজৰ পাণ্ডিত্যক ভাষাতত্ত্ব আৰু ভাৰততত্ত্ব — এই দুয়ো ক্ষেত্ৰতে প্ৰয়োগ কৰিছিল। সংস্কৃত আৰু পাশ্চাত্য সাহিত্যৰ লগত গভীৰ পৰিচয় থকা কাকতিৰ সাহিত্য সমালোচনাৰ ক্ষেত্ৰত আগবঢ়োৱা সমীক্ষা ব্যাখ্যাত্মক আৰু তুলনামূলক। সাধাৰণ পাঠকৰ দৃষ্টিগোচৰ নোহোৱা সাহিত্যৰ সৌন্দৰ্য আৱিষ্কাৰ কৰিব পৰা কাকতিৰ যুক্তি আছিল অকাট্য, দৃষ্টিভংগী আছিল বৈজ্ঞানিক আৰু পৰ্যবেক্ষণ শক্তি আছিল তীক্ষ্ণ আৰু অন্তৰ্প্ৰৰেশী।

বাণীকান্ত কাকতিক সাহিত্য সমালোচনাৰ বাবে উদ্ৰেক জন্মোৱাৰ গুৰিতে হ'ল তেওঁ ইংৰাজী সাহিত্যৰ ছাত্ৰ ৰূপে তাৰ সমালোচনা আৰু বুৰঞ্জী অধ্যয়ন কৰাটো। আনফালে নীতি সদাচাৰ মানি চলা নৈষ্ঠিক মহাপুৰুষীয়াৰূপে শংকৰদেৱ-মাধৱদেৱৰ ধৰ্ম-গত, কৰ্মগত, লেখা-গত আদৰ্শৰ প্ৰতি একান্ত আনুগত্যতা।

কাব্যৰ সমালোচক কাকতিয়ে প্ৰথমে ইংৰাজীৰ শিক্ষকৰূপে ইংৰাজী ৰোমাণ্টিক কবিতাৰ সমালোচনা আগবঢ়াইছিল। যিকি নহওক, কাকতিৰ সাহিত্য সমালোচনাৰ প্ৰবন্ধবোৰৰ ভিতৰত প্ৰথম আছিল "সাহিতত কৰুণ ৰস" বোলা প্ৰবন্ধটো। ডেকা-বয়সৰ ৰচনা যদিও কৰুণ ৰসৰ গাঢ়তা ইয়াত অতি সুন্দৰভাৱে উদাহৰণৰদ্বাৰা দেখুওৱা হৈছে। আধুনিক সমালোচনাৰ দৃষ্টিৰে "এসময়ত গাঁৱলীয়া মানুহে পঢ়া অসাৰ পদ-পুথি" বুলি ভবা বৈষ্ণৱ সাহিত্যৰ পুৰণি পুথিসমূহৰ কাব্যিক সৌন্দৰ্য নিৰূপণ কৰি

ভাষাগত আৰু সামাজিক মূল্যাংকন কৰে। 'শংকৰদেৱৰ আধ্যাত্মিক দান', 'ৰগীত', 'নামঘোষা', 'চোৰধৰা', 'অংকীয়া-নাট' আদি প্ৰবন্ধৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ সনাতন আৰ্য সত্য, একেশ্বৰবাদ আদিৰ উপৰি বৈষ্ণৱ আন্দোলনৰ সংগীত নাট্য আৰু চিত্ৰকলাৰ বিষয়েও আলোচনা কৰা হৈছে।

বাণীকান্ত কাকতিৰ আন এখন প্ৰবন্ধ-সংকলন হ'ল *সাহিত্য আৰু প্ৰেম*। মানৱীয় প্ৰেমৰ অনুভূতিৰ স্বৰূপ বিশ্লেষণ কৰিবলৈ গৈ তেওঁ ইয়াত প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ কেইটিমান প্ৰণয় কাহিনী বিশ্লেষণ কৰিছে। প্ৰেম যেনেকৈ কাৰোবাৰ বাবে অতি প্ৰেৰণাদায়ক ঠিক তেনেকৈ আন কাৰোবাৰ বাবে খন্তেকৰ মোহ অথবা বেদনাদায়ক। প্ৰেমৰ এনে অসম প্ৰভাৱৰ কথা উল্লেখ কৰিছে 'নিশাদূত', 'ভাৱৰীয়াৰ বেশত প্ৰেমিক', 'নাৰী-হৃদয়', 'সৌন্দৰ্যৰ প্ৰতাৰণা', 'কবিৰ অহৈতুকী প্ৰীতি', 'পণ্ডিতৰ ভূমাস্পৃহা' আদি প্ৰবন্ধৰ যোগেদি। ইয়াৰ জৰিয়তে অসমীয়া সাহিত্যত মানৱীয় প্ৰেম অনুভূতিৰ সাহিত্যিক প্ৰকাশৰ বাট মুকলি হ'ল।

কাকতিদেৱে তেওঁৰ সমসাময়িক, অগ্ৰজ আৰু অনুজসকলৰ ভিতৰত সৰহসংখ্যক সাহিত্যিকৰে সাহিত্য কৰ্মৰাজিৰ সমালোচনাত্মক বিশ্লেষণ কৰি গৈছে। এনে সমালোচনামূলক সাহিত্য বিচাৰ তেওঁ বিভিন্ন প্ৰবন্ধ, কাব্যৰ পাতনি, আলোচনী, পত্ৰিকা আদিৰ জৰিয়তে আগবঢ়াই গৈছে। যদিও ইবিলাকৰ ৰচনাৰ বুৰঞ্জী ধাৰা-বাহ্যিকভাৱে ৰক্ষা কৰা নাই তথাপি বিভিন্ন কবি সাহিত্যিকৰ সাহিত্যকৃতি আলোচনা কৰি অসমীয়া সাহিত্যত তেওঁলোকৰ স্থান সম্পৰ্কে আলোচনা কৰিছে। তেওঁ ৰঘুনাথ চৌধাৰীক ঊনবিংশ শতিকাৰ বৈশিষ্ট্যপূৰ্ণ প্ৰধান কবিৰূপে আখ্যা দি ইংৰাজী চৰাই কবিতাৰ সমান্তৰাল ৰূপত 'বিহগী কবি' নাম দিয়ে। উল্লেখযোগ্য যে পৰৱৰ্তী কালৰ সকলো সমালোচকেই 'বিহগী কবি' নামটো ব্যৱহাৰ কৰিছে। আকৌ যতীন্দ্ৰনাথ দুৱৰাক বিংশ শতিকাৰ গুণালংকৃত কবি হিচাপে স্থান দিছে। অম্বিকাগিৰি ৰায়চৌধুৰীৰ ৰহস্যবাদী মনোভাৱ বিশ্লেষণ কৰি *তুমি* কাব্য সমালোচনা কৰি ইয়াৰ কবিত্বক অতি উচ্চ স্থান দিছে। ঠিক তেনেকৈ ৰায়চৌধুৰীৰ দেশানুৰাগমূলক গীত কবিতাকেইটি বিচক্ষণ আৰু মনোৰমভাৱে ইংৰাজীলৈ অনুবাদ কৰি নাম দিয়ে ***Songs of the Cell***।

সমালোচনাত্মক প্ৰবন্ধৰ ভিতৰত কাকতিৰ বেজবৰুৱাৰ সাহিত্যিক কীৰ্তিৰ বিশ্লেষণমূলক লেখনিটি লেখত ল'বলগীয়া। উক্ত প্ৰবন্ধত বেজবৰুৱাৰ কীৰ্তি আৰু বৈশিষ্ট্যৰ ভিতৰত দেশৰ প্ৰতি থকা অতিমাত্ৰা স্নেহ, অনাবিল হাস্যৰস আৰু অননুকৰণীয় কথনভংগীকে মুখ্যস্থান দিছে। অসমীয়া ভাষা শুদ্ধকৈ ক'বলৈ, লেখিবলৈ হ'লে বেজবৰুৱাৰ ৰচনা দিনে-নিশায়ে পঢ়িবলৈ কাকতিদেৱে ঘোষণা কৰিলে।

কাকতিয়ে সৌন্দৰ্য গন্ধ, সত্য-সন্ধ ভাষা উজলাই ধৰ্মেশ্বৰী দেৱী-বৰুৱানীৰ *ফুলৰ শৰাই*ৰ পাতনিখনি সৰু কিন্তু ধুনীয়া ৰূপত আলোচনা কৰি গৈছে।

নাট্য সাহিত্যৰ ভিতৰত জ্যোতিপ্ৰসাদৰ *শোণিত কুঁৱৰী*ৰ সমালোচনাত

পৌৰাণিক বিষয়বস্তুক কেনেকৈ আধুনিক মনস্তাত্ত্বিক আৰু নাটকীয় কৌশলেৰে পৰিৱেশন কৰিছে তাৰে প্ৰশংসাবাদ কৰি জ্যোতি প্ৰসাদৰ আৰ্টৰ অভিনৱত্বক অভিবাদন জনাইছে।

1842 শকত ভবানন্দ পাঠক নাম লৈ কাকতিয়ে 'বিজুলী' নামেৰে *বাঁহীত* দশম বছৰ, সপ্তম সংখ্যাৰ পৰা এলানি প্ৰবন্ধ লিখিবলৈ ধৰে। এই প্ৰবন্ধলানিত মুঠ ওঠৰটি প্ৰবন্ধ প্ৰকাশ পাইছিল। ৰজনীকান্ত বৰদলৈৰ সম্পাদনাত প্ৰকাশিত *অসম প্ৰদিপীকা* কাকতত মহাপুৰুষীয়া ধৰ্ম সম্পৰ্কীয় এক বিৰূপ সমালোচনাৰ প্ৰতি সমালোচনা হিচাপে এই লানি প্ৰবন্ধৰ সৃষ্টি। ইয়াত বাদ-বিসম্বাদৰ তিক্ততা স্বাভাৱিক পূৰ্ণৰূপত প্ৰকাশ পোৱাৰ লগতে প্ৰবন্ধসমূহত বেদ-উপনিষদৰে পৰা আৰম্ভ কৰি দাক্ষিণাত্যৰ বৈষ্ণৱ আৰু বৈদান্তিক সম্প্ৰদায় আৰু বংগদেশৰ বাধা সাহিত্যলৈকে সকলোকে সামৰি লোৱা হৈছে। এই কাৰ্যৰ পৰিণতিত আন দুটা সৎকৰ্ম হ'ল মধ্যযুগীয় অসমৰ ধৰ্মসমূহৰ নিৰ্ভীক আলোচনাৰে পুষ্ট *The Mother Goddess Kamakhya* আৰু বৈষ্ণৱ-ধৰ্মৰ মূল সূত্ৰবোৰৰ বৈজ্ঞানিক বাখ্যা সম্বলিত *Visnavite Myths and Legends* নামৰ গ্ৰন্থৰ সৃষ্টি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *ফুলৰ শৰাই* কাৰ ৰচনা ?

.....

প্ৰশ্ন নং ৫ ঃ ৰঘুনাথ চৌধাৰীক "বিহগী কবি" আখ্যা কোনে দিছিল ?

.....

৮.৩.২ কাকতিৰ প্ৰবন্ধ শৈলীৰ বৈশিষ্ট্য

জতুৱা ঠাঁচেই যে একোটা ভাষাৰ আচল প্ৰাণ সেই কথা বাণীকান্ত কাকতিৰ গদ্য ৰচনাই যেনেদৰে তুলি ধৰে তেনেদৰে তৎসম শব্দৰ সুষম আৰু যথাৰ্থ প্ৰয়োগৰ মাজেদি অসমীয়া গদ্যক এক পৰিসীমিত ৰূপ দান কৰাৰ ক্ষেত্ৰতো তেওঁৰ ভূমিকা অনস্বীকাৰ্য। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে সিদ্ধহস্ত কাকতিৰ প্ৰবন্ধসমূহৰ কথন শৈলী আছিল সাৱলীল। সমালোচকৰ এটি বাহ্যিক সম্বল হ'ল প্ৰকাশিকা শক্তিসম্পন্ন ভাষাৰীতি। কাকতিৰ ভাষাৰীতি বা প্ৰকাশিকা শক্তিৰ কেইটামান বিশেষ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

- কাকতিৰ ভাষা সোৱাদ, নিটোল অৰ্থাৎ balanced বা সন্তুলিত।
- সাধাৰণ অসমীয়া শব্দৰ মধুৰ ব্যৱহাৰ তেওঁৰ ভাষা ৰীতিৰ এটি বিশিষ্ট অংগ।
- তেওঁ নিজৰ উপমা, ৰূপক আৰু নিজৰ গঠন-ৰীতি ব্যৱহাৰ কৰি ভাষাক এটি অভিনৱ

ঘৰুৱা ৰূপ দিছিল।

- কোনো কোনো ঠাইত তেওঁৰ ভাষা কাব্যসুলভ গদ্য হোৱাৰ লগতে ছন্দৰে মনোৰম হৈ উঠা দেখা যায়।
- কাকতিৰ কথা-শৈলীৰ আটাইতকৈ মনোৰম গুণ হ'ল কল্পনাময় চিত্ৰ গুণ।
- অন্য ভাষাৰ শব্দ বা খণ্ডবাক্য অসমীয়ালৈ ভাষান্তৰ কৰোঁতে ৰূপৰ সার্থক ব্যৱহাৰ কৰি এই ক্ষেত্ৰত যে অসমীয়া ভাষা পিছপৰা নহয় তাকে প্ৰমাণ কৰিছে। যেনে— ভূমাস্পৃহা (Longing for totality), দুৰ্ভাগ্যৰ সোঁৱৰণী (Historia calamitatum) ইত্যাদি।
- কাকতিৰ ভাষা যুক্তিনিষ্ঠ, স্পষ্ট, সৰল, সাৱলীল আৰু বর্ণনা বাহুল্যবর্জিত।
- অৱহেলিত শব্দক ৰীতিবদ্ধ কৰি শিল্পীসুলভ কৌশলেৰে ভাষাত স্থান দি ব্যৱহাৰৰ উপযোগী কৰি তোলে কাকতিদেৱে।
- তেওঁ ৰচনাক অধিক অর্থবহ আৰু নিটোল কৰি তুলিবলৈ তৎসম শব্দ, সংস্কৃতৰ উপমা অলংকাৰ, খণ্ডবাক্য বা বাক্যাংশৰ প্ৰয়োগ কৰিছে।
- কাকতিৰ ৰচনাৰ আন এটি প্ৰধান বিশেষত্ব হ'ল — সুসংগঠিত ৰূপত বক্তব্যৰ প্ৰকাশ। অর্থাৎ প্ৰতিটো প্ৰবন্ধৰে আৰম্ভণি, বিকাশ আৰু শেষ — এই তিনিটা স্তৰ সুনিয়ন্ত্ৰিত ৰূপত পোৱা যায়।

৮.৪ সাহিত্যত কৰুণ ৰস

বাণীকান্ত কাকতিৰ 'সাহিত্যত কৰুণ ৰস' এটি মনোৰম মননশীল আলোচনা। সাহিত্য বিচাৰৰ প্ৰবন্ধসমূহৰ ভিতৰত এই ৰচনাকে প্ৰথম বুলি কোৱা হয়। 1916 চনৰ 15 ডিচেম্বৰত গুৱাহাটীত বহা অসমীয়া ছাত্ৰ সন্মিলনৰ অধিৱেশনত এই প্ৰবন্ধ পাঠ কৰা হয়। আনহাতে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত পত্ৰিকা *আলোচনী*ত 1838 শকৰ মাঘৰ অষ্টম বছৰ চতুর্থ সংখ্যাত এই প্ৰবন্ধ প্ৰকাশ হৈছিল।

এই প্ৰবন্ধৰ যোগেদি সাহিত্যত কি ভাবে কৰুণ ৰস ৰূপায়িত হয় তাকে দেখুওৱাবলৈ প্ৰাচ্য আৰু পাশ্চাত্যৰ কেইবা গৰাকীও লেখকৰ উদ্ধৃতি দিছে। শোক অনুপ্ৰেৰণাতেই সকলো সুকুমাৰ কলাৰ উৎপত্তি হয় বুলি দেখুওৱাৰ লগতে কাকতিদেৱে কৰুণ ৰসকেই 'প্ৰকৃত জীৱন শ্বাস' আখ্যা দিছে। মূল পাঠখিনি বহু দীঘলীয়া হোৱা বাবে সেয়া এই পাঠ্যবিষয়ৰ শেষৰ ফালে 'পৰিশিষ্ট' শীর্ষক শাখাটোত সন্নিৱিষ্ট কৰা হৈছে। তলত পাঠটোৰ চমু বিশ্লেষণ আগবঢ়োৱা হ'ল।

৮.৪.১ প্ৰবন্ধটো বিষয়বস্তু

জগতৰ সেইবোৰ সাহিত্যই অতি মনোৰম, হৃদয়স্পর্শী তথা বিখ্যাত হয়, যিবোৰ সাহিত্য কৰুণ ৰসত ডুব গৈ আছে। আৰম্ভণিৰ শ্লোক ছন্দও শোকৰ পৰাই উদ্ভৱ হোৱা।

মহামুনি বাল্মীকিয়ে নিকৰুণ ব্যাধৰ শৰত ক্রৌঞ্চ পক্ষী এটা গছৰ পৰা পৰি যোৱা দেখি নিজৰ মনৰ কৰুণ ভাব নিজে নজনাকৈয়ে শ্লোক ছন্দেৰে বিস্ফুৰিত হ'ল এনেদৰে —

মা নিষাদ প্রতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্রৌঞ্চমিথুনাদেকমৱধীঃ কামমোহিতম্।।

নভবা-নিশ্চিন্তাকৈ ঋষিৰ মুখ নিসৃতঃ এই শোকেই হ'ল আদি শ্লোক। দেৱশিশু এটি উপজিয়েই ক্রন্দন ধ্বনিৰ দ্বাৰা নিজৰ আগমনৰ কথা জনোৱাৰ দৰে বাল্মীকিৰ কৰুণ হৃদয়ৰ এই শ্লোকটিয়েই কাব্যৰ জন্মৰ জাননী দিয়ে। সেয়েহে বাল্মীকিক আদি কবি বোলা হয় আৰু *ৰামায়ণ*ক আদিকাব্য বোলা হয়।

মানুহৰ জীৱনৰ পুৱাৰ ভাগত নৱ-বিকশিত জীৱনোচ্ছাস জীৱনৰ সন্ধ্যা বেলা এটা নিৰাশাৰ নিশ্বাস স্বৰূপে বাহিৰ হয়। অর্থাৎ মানৱ জীৱন জন্মৰ পৰা মৰণলৈকে এক সুদীর্ঘ কাৰুণ্য মাথোন। যোগীসকলে সেয়েহে এই কাৰুণ্য তথা ভীষণ নৈৰাশ্যৰ পৰা হাত সাৰিবলৈ শূন্যত আশাৰ কণিকা বিচাৰি ফুৰে।

ইংৰাজ কবি শ্যেলীয়ে চাৰিওফালৰ আনন্দ উৎসৱত বুৰাই ৰাখিও মানুহৰ মগ্ন চৈতন্যত যে কৰুণ প্রৱাহ এটা চলি থাকে তাকে প্রকাশ কৰিছে এনেদৰে — Our sincerest laughter with some pain is fraught, our sweetest songs are those that tell of saddest thought. (আমাৰ অতি মুকলি মনৰ হাঁহিতো বেদনাৰ চেক আছে, আমাৰ সুৱদী গীত সেইবোৰ, যিবোৱত বিষাদৰ কাহিনী আছে।)

সাহিত্যত কৰুণ ৰস প্রকাশ পায় তিনি ধৰণে —

ক) ৰুদ্র বা প্রচণ্ড মূর্তিৰে
খ) অসংযত অথচ কোমল প্রকৃতিৰে আৰু
গ) সংযত অথচ সহনীয় প্রকৃতিৰে।

ৰুদ্র বা প্রচণ্ড মূর্তিৰ কৰুণ ৰস ইমান জটিল যে মহতোপি মহীয়ান কবিসকলেহে তাক প্রকাশ কৰিবলৈ সমর্থ হয়। এনে কবিসকল দৈৱশক্তিসম্পন্ন বা genius হ'ব লাগে। প্রচণ্ড কৰুণ ৰস মানৱ হৃদয়ত এবাৰ উপজিলে সংসাৰৰ ঘাত-প্রতিঘাতৰ ফেনে-ফোটোকাৰে মানৱ জীৱন হৈ পৰে ছিন্ন-বিছিন্ন।

সংযমহীনভাৱে ভাব সাগৰত উটি বুৰি যোৱা এনে এক ৰকমৰ কবি আছে যিসকলে সমগ্র জগতখনকে মনত যি ভাব খেলায় তেনে ৰূপত দেখে। তেওঁলোকে দেখা নাপায় জগতৰ আনন্দময় প্রতিমূর্তি। বতাহ লাগিলেই আপোনা-আপুনি বাজি উঠা কীচক বেণুৰ দৰেই এই শ্রেণীৰ কবিসকলে ভাব আহিলেই আপোনা-আপুনি উথলি উঠে, গাত চেতনা, মনত সংযম, ধৈর্য একোৱেই নোহোৱা হয়। শোকত আপ্লুত হৈ ব্যর্থ জীৱনৰ অসহ্য যন্ত্রণা প্রকাশ কৰে।

সংস্কৃত নাট্য সাহিত্যত এই অসংযত কৰুণ ৰসে এক বিশাল স্থান অধিকাৰ কৰি আছে। *শকুন্তলা, উত্তৰৰামচৰিত, বিক্রমোর্ৱশীয়, মালতী মাধৱ* আদি নাট্য সাহিত্যত

উন্মাদ, মূর্ছা, চিত্ত বিভ্রম আদি নানা আকাৰত এই অসংযত শোক প্রকাশিত হৈছে।

মহাকবি শ্বেইক্সপীয়েৰৰ নাটকবোৰতো অসংযত শোক ৰসেই বেছি ভাগ আৰৰি আছে। উদাহৰণস্বৰূপে, শোকাকুল জননীক পুত্রই দিয়া সান্ত্বনাৰ উত্তৰত প্রকাশিত অসংযত শোক এনেধৰণৰ —

No, I defy all counsel, all redress
But that which ends all counsel, true redress,
Death, death : O amiable, lovely death!
Thou odoriferous stench, sound rottenness!
Arise forth from the couch of lasting night.

(নেমানো উপদেশ, নেমানো কোনো প্রতিকাৰ। লাগে মাথো মোক মৃত্যু, য'ত সকলো উপদেশ আৰু প্রতিকাৰৰ ওৰ পৰে। অ' ৰমণীয়, কমনীয় মৰণ, তই গোন্ধময়, বাষ্পময়, পূর্ণ গলনৰ নৰ ৰূপ ! উঠি আহ, চিৰ এন্ধাৰৰ শয়নতলিৰপৰা।)

সাহিত্যত প্রকাশিত আন এবিধ কৰুণ ৰস হ'ল সংযত কৰুণ ৰস। অন্তৰৰ কাতৰ হুমুনিয়াহ আৰু কোনেও নেদেখা চকুলোৰ দ্বাৰা সাধাৰণতে এই শোক প্রকাশ পায়। এই ৰস এন্ধাৰ আৰু পোহৰৰ যুগল প্রতিমূর্তি। এই শোক ৰস মানসিক সংযমৰ দ্বাৰা প্রতিফলিত হয়। ইয়াত শোক থাকে, কিন্তু ধৈর্যচ্যুতি নহয়। গভীৰ অশান্তি থাকে, কিন্তু কর্তব্য-নিষ্ঠা নাপাহৰে। সংযত শোক প্রকাশ কৰোঁতে মহাকবিসকলে বিচিত্র কৌশল ব্যৱহাৰ কৰে। গভীৰ নিশা শ্মশানৰ জুয়ে জগতৰ অন্ধকাৰ শতগুণে ঘনীভূত কৰি তোলাৰ দৰে সংযত হৃদয় বেদনা সংযমৰ পোহৰতহে বেছি উজলি উঠে। সেয়েহে ইয়াক প্রকাশ কৰিবলৈ কঠিন। কবিৰ বিশেষ শক্তি নাথাকিলে কৰুণ ৰস গৈ হাস্য ৰসতহে পৰিণত হয়।

জীৱন-প্রৱাহত যিবোৰ সূক্ষ্ম প্রভাৰ একগোট হৈ থাকে সংকুল অৱস্থাত তীব্র যন্ত্রণাত সেইবোৰ নিঃশেষ হৈ যায়। এনে অৱস্থাত পৰিলে মানুহে তীব্র যন্ত্রণাত মৰি যায় অথবা সমস্ত শোক বুকুত বান্ধি লৈ প্রশান্তভাৱে নতুন কর্তব্য পথত নিমগ্ন হয়। অনেকে কাল্পনিক ভৱিষ্যতৰ সুখৰ পোহৰত বর্তমানৰ দুখ-যন্ত্রণা পেলাই দিয়ে।

কৰুণ ৰসৰ দুটা অসাধাৰণ ৰূপ আছে। কেতিয়াবা দেখা যায় অসহ্য যন্ত্রণাত মানুহ মৰিও নাযায় বা ধর্মও নামানে; সান্ত্বনাও নাপায় অথচ পগলাও নহয়। তেতিয়া মানুহে মহাপাপত লিপ্ত হৈ থাকিও হৃদয়ত গভীৰ বেদনা ধৰি ৰাখিব খোজে আৰু অনেক সময়ত বাৰুণী দেৱীৰ আশ্রয় লয়।



জানি থোৱা ভাল

'বাৰুণী' হ'ল এবিধ মদ। ইয়াৰ আন এটা অর্থ হ'ল — শতভিষা নক্ষত্রত মিলা চ'ত মাহৰ কৃষ্ণা ত্রয়োদশী তিথি। অৱশ্যে এই প্রবন্ধত 'বাৰুণী' শব্দটো মদ বা সুৰা অর্থতহে ব্যৱহৃত হৈছে।

উদাহৰণস্বৰূপে পাৰস্যৰ কবি আৰু দার্শনিক পণ্ডিত ওমৰ খায়ামৰ কবিতাসমূহৰ কথা ক'ব পাৰি। তেওঁৰ মদপীৰ কবিতা যেন লগা *ৰুবায়াৎ*-অৰ কবিতাসমূহৰ সাহিত্যিক মূল্য হ'ল ইয়াৰ গভীৰ শোক। সংসাৰৰ ভীষণ অশান্তিৰ ধুমুহাৰ বিষয়ে দার্শনিক সূত্ৰ আগবঢ়াবলৈ গৈ বিস্মৃত শোকৰ উদ্বেগ থমাবলৈ তেওঁ মাজে মাজে মদ এগিলাচ খাই লয়। জগতত কোনো শক্তিৰ ছাঁয়াকে নেদেখি বুকুৰ তেজেৰে লিখি গ'ল দার্শনিক ভাব সন্নিৱিষ্ট কবিতাসমূহ। উদাহৰণস্বৰূপে —

Ah fill the cup ; What boots it to repeat
How time is slipping under our feet ?

(ভৰোৱা, অহ, ৰাতিটো ভৰোৱা। কৈ থাকিলে কি হ'ব, সময় কেনেকৈ দুভৰিৰ ফাঁকেৰে সৰকি যাব লাগিছে।)

কৰুণ ৰসৰ আৰু এবিধ অসাধাৰণ মূর্তি হ'ল হাঁহি। যি কাৰণে আমি হাঁহো; সেই কাৰণেই আমি কান্দো। উদাহৰণস্বৰূপে বিকলাঙ্গ মানুহ দেখিলে সৰু ল'ৰাই হাঁহে, কিন্তু ডাঙৰ মানুহৰ কৰুণাৰহে উদ্রেক হয়। মহাকবিসকলে হাঁহি-কান্দোনৰ এই ঐক্যভাবৰ সমাহাৰতে প্রচণ্ডতকৈও প্রচণ্ড শোক-ৰস প্রকাশ কৰিব পাৰে।

শেষত ক'ব পাৰি যে সীমাবদ্ধ জীৱনৰ অসীম বাসনাৰ নিমিত্তে অথবা সংসাৰৰ অজস্র বাধা-বিঘিনিৰ নিমিত্তে মানুহৰ হৃদয় সদায় উতলা অৱস্থাতেই থাকে। সেয়েহে হাঁহি প্রকৃত জীৱন-ৰস নহৈ গভীৰ বেদনাৰ কুলু কুলু নিজৰা এটিহে বৈ থাকে প্রকৃত জীৱন ৰসত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ 'সাহিত্যত কৰুণ ৰস' প্রবন্ধটি কোন আলোচনীত কিমান চনত প্রকাশ হৈছিল ?

.....

প্রশ্ন নং ৭ ঃ আদি কবি বুলিলে কাক বুজা যায় ?

.....

প্রশ্ন নং ৮ ঃ ওমৰ খায়াম কোন দেশৰ কবি ?

.....

প্রশ্ন নং ৯ ঃ *ৰুবায়াৎ* কাৰ ৰচনা ?

.....

৮.৪.২ সাধাৰণ আলোচনা

বাণীকান্ত কাকতিৰ 'সাহিত্যত কৰুণ ৰস' প্রবন্ধত তিনি প্রকাৰৰ কৰুণ ৰসৰ

কথা কোৱা হৈছে। অৱশ্যে ইয়াত কেৱল দুই প্ৰকাৰৰ কৰুণ ৰসৰ বিষয়েহে আলোচনা কৰা হৈছে। এই কৰুণ ৰস সাহিত্যত কিভাৱে প্ৰকাশিত হয় সেই বিষয়ে ক'বলৈ যাওঁতে কাকতিয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ কেইবাগৰাকীও কবিৰ কবিতাৰ উদ্ধৃতি দিছে। উদাহৰণস্বৰূপে — বাল্মিকী, কালিদাস, ভৱভূতি, ওমৰ খয়াম, হোমাৰ, ডাণ্টে, শ্বেইক্সপীয়েৰ, শ্যেলী, মেথিউ আৰ্নল্ড আদিৰ নাম উল্লেখ কৰিব পাৰি। এই কবিসকলৰ মহান সৃষ্টিসমূহ অসংযত বা সংযত যিকোনো প্ৰকাৰৰ কৰুণ ৰসতেই ডুব গৈ আছে। এই কৰুণ ৰসৰ বাবেই এই কাব্যসমূহ মহান।

কৰুণ ৰসেই প্ৰকৃত জীৱন-ৰস। কৰুণ ৰসতেই সৃষ্ট হয় কাব্যৰো। কাকতিৰ সমগ্ৰ প্ৰবন্ধটোতে এই কৰুণ ৰসৰ গভীৰতাৰ ধাৰণাই ক্ৰিয়া কৰি আছে। কৰুণ ৰসৰ গাঢ়তাৰ তুলনা আন কোনো ৰসৰ লগতেই কৰিব নোৱাৰি। এই কৰুণ ৰসৰ অনুপ্ৰেৰণাতেই সকলো প্ৰকাৰৰ সুকুমাৰ কলাৰ উৎপত্তি হৈছে বুলিও কোৱা হয়।

কবিতা বা মহাকাব্য বা সাহিত্য, চকী, মেজ আদিৰ দৰে সাজি ল'ব নোৱাৰে। ই হৃদয়ৰ অনুভূতি। আপোনা-আপুনি সৃষ্টি হোৱা শ্লোক ছন্দ বা সাহিত্যসমূহৰ লগত মানুহৰ শৰীৰ আৰু মনৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াবোৰৰ অতীৱ ঘনিষ্ঠ সম্বন্ধ আছে। সেয়েহে স্বতঃস্ফূৰ্তভাৱে বাল্মীকিৰ মুখ নিসৃতঃ শ্লোকেই কাব্য হৈছে। এই কাব্যও কৰুণ ৰসৰ পৰাই উদ্ভূত। ইয়াৰ আঁত ধৰি ক'ব পাৰি যে মানৱ-সৃষ্ট সকলো সাহিত্য কৰ্মই কৰুণ জীৱন ৰসৰ পৰা সৃষ্টি হৈছে।

মহেশ্বৰ নেওগৰ লেখনিৰ পৰা জনা যায় যে বাণীকান্ত কাকতিৰ 'সাহিত্যত কৰুণ ৰস' শীৰ্ষক প্ৰবন্ধটি ছাত্ৰ অৱস্থাতেই লিখা হৈছিল। সেয়েহে এজন সমালোচকে প্ৰবন্ধটো পঢ়াৰ পাছত আপঁইতা বুলি এঙাইছিল। ই বোলে হলা গছত বাগি কুঠাৰহে মাথোন। আন কিছুমানে আকৌ ইয়াক নৈৰাশ্যৰ নিষ্ঠুৰ প্ৰকাশ বুলিও ক'ব খোজে। পাছে আনে যি নকওক বাণীকান্ত কাকতিয়ে কৰুণ ৰসৰ বিষয়ে দিয়া উক্তিবোৰৰ দাৰ্শনিক সমালোচনা উক্ত প্ৰবন্ধতেই প্ৰকাশ হৈছে। আনকি সহজে বুজি পাবলৈ পৰ্যাপ্ত পৰিমাণে উদাহৰণো দিয়া হৈছে। লেখকে হাঁহি প্ৰকৃত জীৱন-ৰস নহয় বুলি কোৱাৰ লগে লগে এইটোও কৈছে যে হাঁহি আৰু কান্দোনৰ একো পাৰ্থক্য নাথাকে। যি কাৰণে আমি হাঁহো সেই কাৰণেই আমি কান্দো। অৰ্থাৎ হাঁহি আৰু কান্দোন একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। ঠিক তেনেকৈ তেওঁ কৈছে যে চৈতন্যৰ উদয়ৰ পৰা মৰণলৈকে মানৱ জীৱন এক সুদীৰ্ঘ কাৰুণ্যৰ আৱেগ মাথোন; নাইবা গভীৰ নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাস। আকৌ কৈছে — জীৱনৰ সীমাবদ্ধতাৰ নিমিত্তে হৃদয়ৰ বাসনাৰ অসীমতাৰ নিমিত্তে আৰু সংসাৰৰ বাধা-বিঘিনিৰ নিমিত্তে মানৱ হৃদয় সদায় উতলা অৱস্থাতেই থাকে। অৰ্থাৎ মহান সাহিত্যিকসকলে মনৰ এই উতলা অৱস্থাৰ অনুভৱকে এক কলাৰূপে জীৱনৰ দুখৰ উপলব্ধিৰ চৰম প্ৰকাশ দিব পাৰে। মনৰ এই উতলা অৱস্থা হ'ল জীৱন-জোৰা কাৰুণ্য বা নৈৰাশ্য অথবা স্বৰ্গীয় হতাশা। কাকতিয়ে এই কাৰুণ্যতাৰ পটন্তৰ হিচাপে উৎকৃষ্ট

উদাহৰণ দিছে *ৰামায়ণ*ৰ বালকাণ্ড আৰু ভৰভূতিৰ *উত্তৰৰামচৰিতৰ* পৰা। বালকাণ্ডই শোকৰ ৰসনিষ্পতিৰে কৰুণ আদি কাব্যৰ জন্মৰ কথা কোৱাৰ পিছত ভৰভূতিয়েই ক'লে— "একো ৰসঃ কৰুণ এৱ।"

'সাহিত্যত কৰুণ ৰস' প্ৰবন্ধটিৰ যোগেদি কাকতিৰ ৰচনা শৈলীৰ বৈশিষ্ট্যসমূহো সুন্দৰভাৰে ফুটি উঠিছে। অন্য ভাষাৰ পৰা শব্দ বা খণ্ডবাক্য অসমীয়ালৈ ভাষান্তৰ কৰোঁতে কাকতিদেৱে ৰূপৰ সার্থক ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে এই প্ৰবন্ধতে 'Submerged Consciousness' শব্দাংশটো তেওঁ অসমীয়া ৰূপ দিছে 'মগ্ন চৈতন্য' ৰূপে। কাকতিৰ গদ্য ঠায়ে ঠায়ে কাব্যসুলভ। ছন্দও মনোৰম। তেওঁ নিজৰ উপমা, ৰূপক আৰু নিজৰ গঠন-ৰীতি ব্যৱহাৰ কৰি ভাষাক এটি অভিনৱ ঘৰুৱা ৰূপ প্ৰদান কৰিছে। কেইটিমান উদাহৰণৰ দ্বাৰা এই কথা সহজে বুজিব পাৰি — "এই ভীষণ ৰসতে সাহিত্যৰ জীৱন। কেতিয়াবা উত্তাল তৰঙ্গৰ দৰে, কেতিয়াবা কুলু-প্ৰৱাহিনী স্ৰোতৰ দৰে নানা মূৰ্তিৰে ই সাহিত্যত প্ৰকাশ পায়।"

ঠিক তেনেকৈ "গভীৰ নিশা শ্মশানৰ জুয়ে জগতৰ অন্ধকাৰ শতগুণে ঘনীভূত কৰি তোলে। মৃত্যু শর্য্যাৰ ওচৰত শিশুৰ কোমল হাস্যধ্বনিয়ে সেই মূহূৰ্তৰ অন্ধকাৰক পুঞ্জীকৃত কৰিহে তোলে।"

আকৌ "অপৰিস্ফুট কুসুম-কলিকা লৈ কল্পনা-শক্তিয়ে যিমানে খেলা কৰিব পাৰে বা আনন্দ বা নিৰানন্দ পাব পাৰে, পূর্ণ-বিকশিত কুসুমত সেই আনন্দ বা নিৰানন্দ ভাব অকণো নাথাকে, অন্ততঃ কল্পনা-শক্তিয়ে বিচাৰি নাপায়। কিয়নো ইয়াৰ ভৱিষ্যত নাই, অথবা যি আছে সি জ্ঞানগম্য।"

বাণীকান্ত কাকতিয়ে তেওঁ ৰচনাক অধিক অর্থবহ আৰু নিটোল কৰি তুলিবলৈ তৎসম শব্দ, সংস্কৃতৰ উপমা, অলংকাৰ, খণ্ডবাক্য বা বাক্যাংশৰ প্ৰয়োগ কৰিছে। এই প্ৰবন্ধত ইয়াৰ উদাহৰণ যথেষ্ট পৰিমাণে পোৱা যায়। যেনে — চিত্ত, চন্দ্ৰ, আত্ম-বিস্মৃত, হৃদয়, শূন্য, দর্শন, ৰুদ্ৰ, সূর্যাস্ত, ইচ্ছা, আকাঙ্খা, স্বাস্থ্য, তর্পন, নির্মল, ক্রৌঞ্চ, বিধোত, তমসা, হাস্য, কদাচিৎ, পক্ষী, তৰঙ্গ, শব্দ, বাহ্য, আপ্লুত, বিভ্রম, শিষ্য, বাষ্প, পূর্ণ, ধৈর্য, জ্ঞান আদি তৎসম শব্দ। ঠিক তেনেকৈ সংস্কৃত উপমা, অলংকাৰ আদিও ব্যৱহৃত হৈছে। যেনে — "প্ৰমথ্যমানো গিৰিণেব ভূঃ "।

ইয়াৰ উপৰি সমস্ত কৰুণ ৰসৰ বিষয়ে উদাহৰণৰ সৈতে প্ৰকাশ কৰিছে যদিও ক'তো বর্ণনাৰ বাহুল্যতাৰ দোষে চুই যোৱা নাই। কম শব্দৰে বেছি অর্থ প্ৰকাশ কৰাৰ লগতে শিল্পীসুলভ কৌশলেৰে শব্দসমূহ ৰীতিবদ্ধ কৰি ব্যৱহাৰ কৰিছে। যেনে — "শ্লোক-ছন্দত ভাব তৰঙ্গ পৰিমাপক সুৰহে", "মহতোপি মহীয়ান", "জীৱন ৰসৰ প্ৰধান লক্ষ্য আনন্দৰ মূল স্বৰূপ মানসিক সংযমৰ ওপৰত প্ৰতিফলিত হৈ ভীষণ মর্মদাহ স্বৰূপেই জ্বলি থাকে" ইত্যাদি।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে বাণীকান্ত কাকতিৰ 'সাহিত্যত কৰুণ ৰস' এটি উৎকৃষ্টমানৰ সাহিত্য সমালোচনামূলক প্ৰবন্ধ; যদিও সেই সময়ৰ বহুতো সমালোচকে তেওঁৰ এই ৰচনাক তেওঁৰ অপৈণত চিন্তাৰ ভ্ৰম অথবা ব্যক্তিগত জীৱনৰ বা সমাজৰ কিবা সংঘাতৰ বিষমৰ পৰিণতি বুলি আখ্যা দিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ *উত্তৰ ৰামচৰিতৰ* ৰচক কোন?

.....

প্ৰশ্ন নং ১১ঃ ÂÂবাণীকান্ত কাকতিৰ মতে হাঁহি প্ৰকৃত জীৱন ৰস হয়নে?

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোৰ পৰা আমি পণ্ডিত, ভাষাবিদ বাণীকান্ত কাকতিৰ জীৱনৰ বিষয়ে চমুকৈ জানিব পাৰিলোঁ। বাণীকান্ত কাকতি হ'ল অসমীয়া সাহিত্যৰ এগৰাকী উল্লেখযোগ্য সমালোচক। সমালোচনা সাহিত্যত বেজবৰুৱাৰ পিছতে স্থান লাভ কৰা কাকতিয়ে পাণ্ডিত্যক ভাষাতত্ত্ব আৰু ভাৰততত্ত্ব এই দুটা বহুল ক্ষেত্ৰত প্ৰয়োগ কৰিছিল।
- পৌৰাণিক সাহিত্যৰ পৰা আধুনিক সাহিত্যলৈকে সমালোচনা আগবঢ়োৱা কাকতিৰ 'সাহিত্যত কৰুণ ৰস' এটা অতি মনোৰম প্ৰবন্ধ। কৰুণ ৰসেই যে প্ৰকৃত জীৱন-ৰস সেই বিষয়েও উক্ত অধ্যায়টিৰ পৰা জানিব পৰা গ'ল। হাঁহিৰ মাজত লুকাই থকা মানৱ-হৃদয়ৰ কৰুণতাৰ পৰাই সংযত বা অসংযত ৰূপত মহাকবিসকলৰ কাপেদি মহাকাব্যৰ সৃষ্টি হয়। আদি কবিতাও সৃষ্টি হৈছিল কৰুণ ৰসতেই। আন একো ৰসতে নথকা কৰুণ ৰসৰ গাঢ়তাৰ বিষয়েই এই অধ্যায়টোৰ পৰা আমি জানিব পাৰিলোঁ।



৮.৬ অধিক জানিবলৈ

1] গোস্বামী, মালিনী (1995] Ê, *অধ্যাপক বাণীকান্ত কাকতি;* যোৰহাট ঃ অসম সাহিত্য সভা।

2] নেওগ, মহেশ্বৰ (2000] Ê, *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।

3) নেওগ, মহেশ্বৰ (সম্পাঃ) (1991); *বাণীকান্ত ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

4] নাথ, প্ৰফুল্ল কুমাৰ (2012] Ê, *অসমীয়া গদ্য সাহিত্যৰ পৰিচয়;* নগাঁও ঃ ক্ৰান্তিকাল প্ৰকাশন।

5) ৰৱগোহাঞি, হোমেন (সম্পাঃ) (2004); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* গুৱাহাটী ঃ বনলতা।

6] ভৱালী, শৈলেন (2009] Ê, *বাণীকান্ত কাকতিৰ পৰা ভবেন বৰুৱালৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

7) ভৱালী, শৈলেন (সম্পাঃ) (1995); *বাণীকান্ত কাকতি;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয

8] শৰ্মা, সত্যেন্দ্ৰনাথ (2009] Ê, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

9] শৰ্মা, হেমন্ত কুমাৰ (2007] Ê, *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

10] শৰ্মা, দলৈ হৰিনাথ (1992] Ê, *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ;* নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

৮.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *Assamese : Its formation and development.*

২ নং প্ৰশ্নৰ উত্তৰ ঃ *বাণী-প্ৰতিভা*।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভবানন্দ পাঠক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ড^{0} বাণীকান্ত কাকতিয়ে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ *আলোচনী* নামৰ আলোচনীত। 1838 চনত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মহামুনি বাল্মীকিক।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ পাৰস্যৰ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ওমৰ খায়ামৰ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ভৱভূতি।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।



৮.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কাৰ তত্ত্বাৱধানত কোন বিশ্ববিদ্যালয়ৰ পৰা কি বিষয়ত ড^0 বাণীকান্ত কাকতিয়ে পিএইচ. ডি. ডিগ্ৰী লাভ কৰিছিল?

প্ৰশ্ন ২ ঃ ড^0 বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখন কি আছিল?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ড^0 বাণীকান্ত কাকতিৰ জীৱনৰ চমু পৰিচয় দিয়ক।

প্ৰশ্ন ২ ঃ কাকতিৰ গদ্যৰ বৈশিষ্ট্যসমূহৰ এটি চমু পৰিচয় দিয়ক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সাহিত্যৰ বিচাৰক বা সমালোচক হিচাপে বাণীকান্ত কাকতিৰ এটি পৰিচয় আগবঢ়াওক।

প্ৰশ্ন ২ ঃ 'সাহিত্যত কৰুণ ৰস' প্ৰবন্ধত প্ৰকৃত জীৱন ৰস কি বুলি কোৱা হৈছে? এই বিষয়ত এটি টোকা যুগুত কৰক।

প্ৰশ্ন ৩ঃ সাহিত্যত কৰুণ ৰস কি কি প্ৰকাৰে প্ৰকাশ পায়, আলোচনা কৰক।

প্ৰশ্ন ৪ঃ কৰুণ-ৰসৰ অসাধাৰণ মূৰ্তি দুটা কি কি? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ ৰজনীকান্ত বৰদলৈ — *নির্মল ভকত* — ১

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য

9.2 পৰিচয়

9.3 ৰজনীকান্ত বৰদলৈ ঃ জীৱন আৰু কৃতি

9.3.1 ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

9.4 *নির্মল ভকত* ঃ সাধাৰণ আলোচনা

9.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

9.6 অধিক জানিবলৈ

9.7 অগ্রগতিৰ খতিয়ান

9.8 আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু কৃতিৰ বিষয়ে জানিব পাৰিব
- ৰজনীকান্ত বৰদলৈৰ উপন্যাস সম্পর্কে পৰিচয় দাঙি ধৰিব পাৰিব
- ঐতিহাসিক উপন্যাস হিচাপে *নির্মল ভকত* উপন্যাসখনৰ ব্যাখ্যা আগবঢ়াব পাৰিব

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া গদ্যৰ এটি নির্বাচিত পাঠ অধ্যয়ন কৰিলে। সাহিত্যৰ বিধাসমূহৰ ভিতৰত উপন্যাস এক অন্যতম ধাৰা। অসমীয়া উপন্যাস সাহিত্যৰ বুনিয়াদ ৰচনা কৰোঁতাসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ অন্যতম। এই গৰাকী ঔপন্যাসিকৰ হাততেই অসমীয়া ঐতিহাসিক উপন্যাসে প্রতিষ্ঠা লাভ কৰে। ইংৰাজী সাহিত্যৰ স্কট্ আৰু বাংলা সাহিত্যৰ বঙ্কিমচন্দ্র চট্টোপাধ্যায়ৰ দৰে বৰদলৈয়ে বুৰঞ্জীৰ পাতত উপন্যাসৰ সমল বিচাৰি পাইছিল। বৰদলৈৰ হাতত অতীতৰ গৌৰৱোজ্জল অসমে উপন্যাসৰ ৰূপত ভুমুকি মাৰিছিল। আলোচক, পণ্ডিত মহেশ্বৰ নেওগৰ ভাষাত, "ঐতিহাসিক পটভূমিত আমাৰ সমাজখনক বুজিবৰ চেষ্টাই হ'ল বৰদলৈৰ উপন্যাসৰ ঘাই তাৎপর্য।" বৰদলৈৰ অন্যতম উপন্যাস *নির্মল ভকত* মানৰ অসম আক্রমণৰ পটভূমিত ৰচিত এখন উল্লেখযোগ্য অসমীয়া উপন্যাস। দুটা অধ্যায়ত এই উপন্যাসখনৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব। এই অধ্যায়টিত ঔপন্যাসিক বৰদলৈৰ জীৱন আৰু কৃতিৰ লগতে সামগ্রিকভাৱে উপন্যাসখনৰ আলোচনা দাঙি ধৰা হৈছে।

৯.৩ ৰজনীকান্ত বৰদলৈ ঃ জীৱন আৰু কৃতি

অসমীয়া সাহিত্যত 'উপন্যাস সম্ৰাট' আখ্যা পোৱা সাহিত্যিক ৰজনীকান্ত বৰদলৈৰ জন্ম 1867 চনৰ 24 নৱেম্বৰ তাৰিখে গুৱাহাটীৰ কুকুৰমুতাত (বৰ্তমানৰ হেদায়েৎপুৰত)। তেওঁৰ পিতৃ নৰকান্ত বৰদলৈ আৰু মাতৃ স্বৰ্ণময়ী দেৱী। তেওঁৰ পিতৃ পুৰুষৰ বংশৰ ইতিহাসলৈ দৃষ্টি দিলে এইটো গম পোৱা যায় যে ৰজনীকান্ত বৰদলৈৰ ককাদেউতাকহঁতৰ আদি ঠালটোৱে উজনিৰ দিহিং অঞ্চলত স্থায়ীভাৱে বসতি স্থাপন কৰিছিল। সেইবাবে তেওঁলোকৰ বংশটোক দিহিংগীয়া খড়িৰ বংশ হিচাপে জনা যায়। তেওঁৰ ককাদেউতাক তুৰাৰাম দেৰ শর্মাই আহোম ৰজা চন্দ্রকান্ত সিংহক সেৱা কৰিছিল। মানৰ অসম আক্রমণৰ সময়ত তুৰাৰামে ভটিয়াই আহি এসময়ত ইংৰাজৰ শাসন প্রৱর্তন হোৱা অঞ্চল বিশেষ বজালীৰ বাং অঞ্চলত থাকিবলৈ ল'লে। তাতেই তেওঁৰ গার্হস্থ্য জীৱন আৰম্ভ হয়। ৰজনীকান্তৰ দেউতাক নৰকান্তৰ জন্মও বজালীতে হয়। নিচেই কম বয়সতে তেওঁ পিতৃক হেৰুৱাইছিল। তেওঁ নিজৰ মাক আৰু মোমায়েকৰ তত্ত্বাৱধানত থাকি ডাঙৰ দীঘল হৈছিল। মেধাবী ছাত্রৰূপে পৰিচিত ৰজনীকান্তই 1885 চনত গুৱাহাটীৰ চৰকাৰী হাইস্কুলৰ পৰা প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। 1887 চনত কলকাতাৰ মেট্রোপলিটন কলেজৰ পৰা তেওঁ এফ.এ. পৰীক্ষাত উত্তীর্ণ হৈ মেডিকেলত নাম ভর্তি কৰিলে। 1889 চনত তেওঁ মেডিকেল পঢ়া বাদ দি উক্ত কলেজৰ পৰা বি.এ. পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পাছত তেওঁ আইন কলেজত নাম ভর্তি কৰে। পিছে তেওঁ আইন পঢ়া আধাতে এৰি অসমলৈ প্রত্যাৱর্তন কৰে আৰু উত্তৰ লখিমপুৰত মাটিৰ হাকিম হিচাপে 1891 চৰকাৰী চাকৰিত যোগদান কৰে। তেওঁ এগৰাকী কর্তব্যনিষ্ঠ বিষয়া হিচাপে কার্য নির্বাহ কৰি দোপত দোপে উন্নতি কৰি ডেপুটি কমিছনাৰ পর্যন্ত পদবী লোৱাৰ সুযোগ পাইছিল। সমসাময়িক ছীফ কমিছনাৰ পার্ল, গেইট চাহাব আৰু ক্লার্কৰ লগত বৰদলৈৰ সৌহার্দ আছিল। বিশেষকৈ গেইটৰ লগত তেওঁৰ এক অনন্য সম্পর্ক আছিল।

তেওঁ এফ.এ. পৰীক্ষাত উত্তীর্ণ হোৱাৰ পাছতে সাত্তিক পৰিয়ালৰ ব্যক্তি জয়নাথ বৰদলৈৰ জীয়াৰী স্বৰ্ণময়ী দেৱীৰ পাণি গ্রহণ কৰে। তেওঁৰ শহুৰেকে গুৱাহাটীৰ কাছাৰীত কাম কৰিছিল। ৰজনীকান্ত আৰু স্বৰ্ণময়ী আদর্শ দম্পতি ৰূপে চিহ্নিত হৈছিল। তেওঁ তেওঁৰ পত্নীৰ সুখ-সুবিধাৰ প্রতি সদা সচেতন আছিল। 1901 চনত তেওঁৰ হাকিমৰ পৰা অতিৰিক্ত সহকাৰী আয়ুক্তলৈ পদোন্নতি হৈছিল। 1909 চনত তেওঁ উপাযুক্ত হিচাপে পদোন্নতি পাই নগাঁৱত কার্যনির্বাহ কৰে। 1918 চনত তেওঁ চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্রহণ কৰে। 1920 চনত তেওঁ *প্রদীপিকা*নামৰ আলোচনীখন সম্পাদনা কৰে। 1925 চনত তেওঁ অসম সাহিত্য সভাৰ নগাঁও অধিবেশনৰ সভাপতি হয়।

ৰজনীকান্ত বৰদলৈৰ সাহিত্য কৃতিৰ কথা ক'লে আমাৰ মনলৈ তেওঁ ৰচনা কৰি থৈ যোৱা উপন্যাস কেইখনৰ কথা মনলৈ আহে। ঐতিহাসিক পটভূমিত বিচাৰ কৰিলে বৰদলৈয়ে ৰচনা কৰা নখন উপন্যাসে আধুনিক অসমীয়া সাহিত্যৰ উপন্যাসৰ ক্ষেত্রত মাইলৰ খুটি প্রতিষ্ঠা কৰিলে। তেওঁৰ সেই নিৰৱচ্ছিন্ন সাধনাই অসমীয়া উপন্যাস সাহিত্যক ভালেখিনি দূৰ আগু�ৱাই নিলে।

ৰজনীকান্ত ৰৱদলৈয়ে মুঠ নখন উপন্যাস ৰচনা কৰিছিল। সেইসমূহ হ'ল— *মিৰি-জীয়ৰী* (1895), *মনোমতী*(1900), *ৰঙ্গিলী*(1925), *নির্মল ভকত* (1926), *ৰহদৈ লিগিৰী* (1930), *দন্দুৰা দ্রোহ*(1909), *তাম্রেশ্বৰী মন্দিৰ*(1926), *ৰাধা ৰুক্মিণীৰ ৰণ*(1925] আৰু *খাম্বা-খোইবী*(1932)।

উক্ত উপন্যাসৰাজিৰ ভিতৰত *মিৰি-জীয়ৰী* উজনি অসমৰ মিচিংসকলৰ সমাজ জীৱনৰ পটভূমিত ৰচিত। এইখন এখন প্রেমমূলক কৰুণ পৰিণতিযুক্ত উপন্যাস। *মনোমতী, ৰঙ্গিলী, নির্মল ভকত, ৰহদৈ লিগিৰী* আৰু *তাম্রেশ্বৰী মন্দিৰ* উপন্যাসৰ পটভূমি হৈছে মানৰ অসম আক্রমণ। *দন্দুৰা দ্রোহ* আৰু *ৰাধা ৰুক্মিণীৰ ৰণৰ* পটভূমি যথাক্রমে হৰদত্ত বীৰদত্তৰ বিদ্রোহ আৰু মোৰামৰীয়া বিদ্রোহ। *খাম্বা-খোইবীৰ* কাহিনীভাগ মণিপুৰীসকলৰ মাজত প্রচলিত এটি কিংবদন্তিৰ আধাৰত ৰচিত। *আৰাহন* ৰ তৃতীয় বছৰৰ বিভিন্ন সংখ্যাত *খাম্বা-খোইবী* ছোৱা-ছোৱাকৈ প্রকাশ হৈছিল।

উল্লেখযোগ্য যে ৰৱদলৈদেৱৰ উপন্যাসৰাজিৰ ভিতৰত সৰহ সংখ্যকেই হ'ল ঐতিহাসিক উপন্যাস। তেওঁ এই শ্রেণীৰ উপন্যাস ৰচনা কৰাৰ উদ্দেশ্য বিচাৰ কৰিবলগীয়া। সাধাৰণতে ঔপন্যাসিকসকলে ঘটনাৰ বৈচিত্র্য আৰু চমৎকাৰিত্ব বিচাৰি ইতিহাস অনুসন্ধান কৰে। কিন্তু কেৱল ঘটনাৰ বৈচিত্র্যৰ বাবেই ৰৱদলৈয়ে অসম বুৰঞ্জীৰ পাত লুটিয়াই তাৰ পৰা উপন্যাসৰ সমল সংগ্রহ কৰা নাছিল। তেওঁ ঐতিহাসিক বা বুৰঞ্জীমূলক উপন্যাস ৰচনাৰ আন কেইবাটাও উদ্দেশ্য আছিল। আলোচক সত্যেন্দ্রনাথ শর্মাই সেই উদ্দেশ্যকেইটা ভাগ কৰিছে এইদৰে --

- অতীতৰ অসমীয়া জাতিৰ সাহস, শৌর্য-বীর্যৰ নিদর্শন দাঙি ধৰি সমসাময়িক মুমূর্ষু, ভীৰু অসমীয়াৰ প্রাণত দেশাত্মবোধ জগাই মৃতপ্রায় প্রাণত আদর্শৰ সঞ্জীৱনী ঢলা।
- এসময়ৰ স্বাধীনচিতীয়া বীৰ অসমীয়া জাতিৰ স্বাধীনতা লুপ্ত হোৱাৰ কাৰণ নির্দেশ কৰা।
- ইংৰাজ ৰাজত্ব-পতনৰ অব্যৱহিত পূর্ববর্তী অসমীয়া সমাজৰ ৰীতি-নীতি, ধর্ম সংস্কাৰ, আচাৰ-বিচাৰ, ৰাজ্যিক আৰু সামাজিক ব্যৱস্থা আদিৰ চিত্র দাঙি ধৰা।
- ঐতিহাসিক বা ৰাজনৈতিক ধুমুহাৰ অন্তৰালত প্রৱাহিত জীৱনৰ চিৰন্তন সহজাত বৃত্তিবোৰৰ ক্রিয়া-প্রতিক্রিয়া প্রদর্শন কৰা।
- অসমীয়াৰ মাজত ধর্ম আৰু আদর্শৰ আৰ্হি দাঙি ধৰা।

ৰজনীকান্ত ৰৱদলৈৰ প্রকাশিত অন্যান্য গ্রন্থ হৈছে *জ্ঞান সোপান, দেৱ দামোদৰ, হিন্দু ধর্ম, পুৰী ভ্রমণ* আৰু *মনোবিজ্ঞান*। তদুপৰি তেওঁ ইংৰাজী আৰু অসমীয়া উভয় ভাষাতে ৰচনা কৰিছিল। প্রৱন্ধসমূহক আৰু প্রকৃতি অনুযায়ী জীৱনীমূলক, ভ্রমণ বিষয়ক, অনুবাদমূলক, সাহিত্য বিষয়ক, প্রত্নতত্ত্বমূলক আৰু শিক্ষামূলক— এইদৰে ভাগ কৰিব পাৰি। তেওঁ ৰচনা কৰি যোৱা কেইটামান আপুৰুগীয়া ইংৰাজী প্রৱন্ধ হৈছে ক্রমে— *Religion of Miris, Potteries of Assam, The Weaving Industries of Assam, The Fisheries of Assam, Notes on Assamese Language, The Chutias of Assam, About the Mayamarias* আদি।

1940 চনৰ মার্চ মাহৰ 25 তাৰিখে গুৱাহাটীত ৰজনীকান্ত বৰদলৈয়ে ইহলীলা সম্বৰণ কৰিলে।



জানি থোৱা ভাল

ঐতিহাসিক উপন্যাস ৰচনা কৰিবলৈ বৰদলৈয়ে অনুপ্রেৰণা লাভ কৰিছিল ইংৰাজী সাহিত্যৰ প্রখ্যাত ঐতিহাসিক ঔপন্যাসিক চাৰ ওৱাল্টাৰ স্কট আৰু প্রধানকৈ বাংলা ঔপন্যাসিকসকলৰ পৰা। স্কট আৰু বঙ্কিমচন্দ্রৰ কথা বৰদলৈয়ে নিজেই উল্লেখ কৰি গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা পাঁচখন উপন্যাসৰ নাম লিখক?

.....

প্রশ্ন নং ২ঃ ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা *মিৰি-জীয়ৰী* উপন্যাসখন ৰ পটভূমি কি?

.....

৯.৩.১ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

- ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ উপন্যাস কৃতিসমূহত চকু ফুৰালে আমাৰ দৃষ্টি আকর্ষণ কৰা বিষয়টো হৈছে তেওঁৰ ইতিহাস প্রীতি। অসমৰ অতীত বুৰঞ্জীৰ প্রতি থকা তেওঁৰ আগ্রহে তেওঁৰ সৃষ্টিশীল কর্মৰাজিকো প্রভাৱিত কৰিছিল। কেইবাখনো ঐতিহাসিক ধাৰাৰ উপন্যাস প্রণেতা ৰজনীকান্ত বৰদলৈৰ ৰচনাত আমি অতীত অসমৰ গৌৰৱ-গৰিমাৰ লগতে ৰাজনৈতিক উত্থান-পতনৰ লেখ পাব পাৰো। ঔপন্যাসিকে সেই ঐতিহাসিক তথ্যৰ লগত জড়িত পাত্র-পাত্রীত নিজৰ সৃষ্টিশীলতাৰ প্রলেপ সানি কেইবাখনো সৰস ঐতিহাসিক উপন্যাস ৰচনা কৰিছে।
- বৰদলৈৰ উপন্যাসত কিংবদন্তিমূলক উপাদানৰ সন্নিৱেশ ঘটা পৰিলক্ষিত হয়। এনে উপাদানৰ অৱস্থিতিয়ে লোক জীৱন আৰু লোক মনৰ মনোজ্ঞ দিশসমূহৰ প্রতি থকা ঔপন্যাসিকৰ আকর্ষণ আৰু সেইসমূহ আকর্ষণীয় ৰূপত উপস্থাপন কৰাৰ প্রতি থকা ঔপন্যাসিকৰ আগ্রহৰ কথা সূচায়।
- উপন্যাসৰ চৰিত্র সৃষ্টিত ঔপন্যাসিক ৰজনীকান্ত বৰদলৈয়ে সদায়ে অসমীয়া সমাজখন আৰু এক সংস্কাৰবাদী মনোভাব আগত ৰাখি চৰিত্র নির্মাণ কৰিছিল। সমসাময়িক অসমীয়া সমাজত অৱস্থান কৰা বিভিন্ন স্তৰৰ লোকসকলৰ চিত্রণে

তেওঁৰ উপন্যাসমূহ অধিক বাস্তৱ কৰি তোলা পৰিলক্ষিত হয়। মন কৰিবলগীয়া যে তেওঁৰ উপন্যাসত চিত্রিত হোৱা প্রায়ভাগ চৰিত্রই সংস্কাৰবাদী মনৰ অধিকাৰী। অৱশ্যে তেওঁৰ ৰচনাত হিংসা, ৰাগ-দ্বেষ-কপটতাৰে পূর্ণ চৰিত্রৰো অস্তিত্ব আছে। অৱশ্যে তেনে মানৱীয় দোষ-গুণযুক্ত চৰিত্রৰ অৱস্থিতিয়ে উপন্যাসৰ কাহিনীভাগ পৰিণতিৰ ফালে গতি কৰাত সহায় কৰে।

- অসমৰ ধর্মীয় জীৱনৰ চিত্রণ ৰৱদলৈৰ উপন্যাসৰ অন্য এটা উল্লেখযোগ্য দিশ। ইয়াত সমসাময়িক অসমত প্রচলিত শাক্ত-শৈৱ-নৱবৈষ্ণৱ আদি ধর্মীয় মতৰ চর্চা চৰিত্র বিশেষে কৰিছে। লগতে স্থান বিশেষে ঔপন্যাসিকে অসমৰ ধর্মীয় পৰম্পৰাৰ লগত জড়িত বিভিন্ন দিশৰ আলোচনা কৰিছে। সৰসভাৱে উপস্থাপিত সেই বিৱৰণসমূহে উপন্যাসৰ কাহিনীক আকর্ষণীয় কৰি তুলিছে।
- নৰ-নাৰীৰ সম্পর্ক চিত্রণৰ বেলিকা ঔপন্যাসিকে এগৰাকী সূক্ষ্মদর্শী মনোবিদৰ ভূমিকা গ্রহণ কৰিছে। তেওঁৰ উপন্যাসৰ নায়ক-নায়িকাই কেতিয়াবা প্রাপ্তিৰ আনন্দত নাচিছে আৰু কেতিয়াবা অপ্রাপ্তিৰ বেদনা বুকুত বান্ধি হা-হুতাহ কাঢ়িছে। তেওঁৰ নায়ক-নায়িকা ধূলি ধূষৰিত পৃথিৱীৰ তেজ-মঙহৰ নৰ-নাৰী। তেওঁলোকে হাঁহিব জানে, কান্দিব জানে, গোপন বেদনাক হাঁহি আৰু খুহুটীয়া কথাৰ জালি কটা কপোৰৰ আঁৰত লুকুৱাই আনক আনন্দ বিনোদন যোগাব পাৰে। পাঠকে সেই চৰিত্রসমূহৰ লগত একাত্ম হৈ সিহঁতৰ মর্ম বাণী উপলব্ধি কৰিব পাৰে। প্রেমৰ বাবে, প্রিয়জনৰ মংগলৰ বাবে তেনে চৰিত্রই হাঁহি মুখে প্রত্যাহ্বান বা কঠিন পৰীক্ষাৰ সন্মুখীন হ'ব পাৰে। *ৰহদৈ লিগিৰীৰ* কাহিনীভাগলৈ দৃষ্টি দিলে তেনে এক উপলব্ধি হ'ব।
- ৰৱদলৈৰ উপন্যাস সমসাময়িক অসমীয়া সমাজ আৰু সাংস্কৃতিক জীৱনৰ জীৱন্ত দলিল স্বৰূপ। তেওঁৰ পূর্বে কোনেও সামগ্রিকভাৱে অসমীয়া জীৱন চর্যাক ইমান মনোগ্রাহী ৰূপত উপস্থাপন কৰা নাছিল। ৰজা-বিষয়াৰ অভিজাত জীৱন যাত্রাৰ কথাই হওক বা সাধাৰণ শ্রেণীৰ মানুহৰ জীৱন যাত্রাৰ কথাই হওক— ঔপন্যাসিক ৰৱদলৈয়ে সমসাময়িক যুগৰ পাৰিপার্শ্বিক পৰিৱেশৰ কথা মনত ৰাখি উপন্যাসত যথাযথভাৱে সেই দিশসমূহ উপস্থাপন কৰিছে। ফলত পাঠকে ইতিহাসে গৰকা একোখন অতীতৰ সমাজ আৰু সামাজিক বাতাবৰণত বিচৰণ কৰাৰ সুযোগ লাভ কৰে।
- ৰৱদলৈৰ প্রায় আটাইকেইখন উপন্যাসৰ মন কৰিবলগীয়া বিশেষত্ব হ'ল শাসক আৰু শাসিতৰ মাজত সৃষ্টি হোৱা মনোমালিন্যৰ ভাব অথবা দুর্বলৰ ওপৰত বলবানৰ নির্যাতন বা বল প্রদর্শন । কিন্তু শেষত সত্য আৰু ন্যায়ৰ পথত থকা দুর্বলজনৰ জয় হৈছে, যদিওবা সেই দীর্ঘ পৰিক্রমাত দুর্বলজন বলবানৰ হাতত লাঞ্ছিত হয়।
- ঔপন্যাসিক গৰাকী মহান ভাৰতীয় পৰম্পৰা আৰু মূল্যবোধৰ প্রতি শ্রদ্ধাশীল। সেয়েহে তেওঁৰ হাতত প্রাণ পোৱা লেখৰ চৰিত্রসমূহে তেওঁৰ সেই আদর্শ বাস্তৱায়িত

কৰিছে। তেওঁৰ উপন্যাসৰ প্ৰধান পুৰুষ চৰিত্ৰ আৰু নাৰী চৰিত্ৰসমূহে সেই মহান আদৰ্শৰ প্ৰতি সন্মান জনাই নিজৰ আচৰণ আৰু সৎ কৰ্মৰ মাজেদি নিজৰ লগতে সমাজৰো কল্যাণ সাধন কৰা দেখা গৈছে।

- ৰৱদলৈৰ উপন্যাস কেইখনক আমি আঞ্চলিক উপন্যাসৰ শাৰীত পেলাব পাৰোঁ। তেওঁৰ জনগোষ্ঠীয় সমাজ নিৰ্ভৰ উপন্যাস কেইখনেই হওক বা অসমত হোৱা মানৰ আক্ৰমণ ভিত্তিক উপন্যাস কেইখনেই হওক-সকলোতে আঞ্চলিক উপাদান ঠাহ খাই আছে।
- ৰোমান্স সৃষ্টিৰ প্ৰতি ঔপন্যাসিক ৰৱদলৈৰ সহজাত প্ৰৱণতা লক্ষ্যণীয়। তেওঁ ইংৰাজ ঔপন্যাসিক ৱাল্টাৰ স্কটৰ ৰোমান্সধৰ্মী উপন্যাসসমূহৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হৈছিল। ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰ আলোচনাৰ প্ৰসংগত এগৰাকী আলোচকে কৈছে যে ৰৱদলৈয়ে কল্পনাৰ ৰহণ সানি চৰিত্ৰক ইতিহাসৰ ঘটনাৰ লগত জড়িত কৰাৰ উপৰি পাঠকৰ সমুখত তাক অধিক সজীৱ আৰু আৱৰ্ষণীয় ৰূপত তুলি ধৰিবলৈ যত্ন কৰিছিল। তেনে চৰিত্ৰৰ ভিতৰত হৰকান্ত, মনোমতী, পমিলা, পদুমী, শান্তিৰাম, ৰহদৈ লিগিৰী, ৰংগিলী, নির্মল ভকত, দয়াৰাম আদিৰ নাম উল্লেখযোগ্য।
- অতি প্ৰাকৃতিক উপাদানৰ উপস্থিতি ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰ অন্য এটা বৈশিষ্ট্য। অতি প্ৰাকৃতিক উপাদানৰ উপস্থিতিয়ে কেৱল যে কাহিনীৰ আকৰ্ষণীয়তা বৃদ্ধি কৰে এনে নহয়, ৰৱঞ্চ পাঠকক এনে এখন জগতলৈ লৈ যায় যিখন জগত তেওঁলোকৰ কল্পনাৰ অগোচৰ। বিশেষকৈ *ৰহদৈ লিগিৰী* উপন্যাসত ৰহদৈ কৃষ্ণদাসীলৈ ৰূপান্তৰিত হোৱা অদ্ভুত প্ৰক্ৰিয়াটো অতি প্ৰাকৃতিক উপাদানৰ এটা সাৰ্থক দৃষ্টান্ত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰাজিত প্ৰকাশ পোৱা দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৯.৪ *নির্মল ভকত* ঃ সাধাৰণ আলোচনা

নির্মল ভকত এখন ঐতিহাসিক উপন্যাস। এখন উপন্যাসৰ মূল পাঠখিনি স্ব-শিক্ষণ সামগ্ৰীত অন্তৰ্ভুক্ত কৰিব নোৱাৰি বাবে ইয়াত উপন্যাসখনৰ সামগ্ৰিক আলোচনা হে দাঙি ধৰা হ'ব। আপুনি উপন্যাসখন সংগ্ৰহ কৰি অধ্যয়ন কৰিলে সেয়া আপোনাৰ বাবে ভাল হ'ব। উপন্যাসখনৰ ৰচনাকাল বিংশ শতিকাৰ প্ৰথম দশকটো অৰ্থাৎ 1910 চন। পিছে উপন্যাসখন

প্রকাশ হয় পলমকৈ— 1926 চনত।

উপন্যাসখন এযোৰ সৰল মনা গ্রাম্য সমাজৰ ডেকা-গাভৰুৰ প্রণয় কাহিনীৰে আৰম্ভ হৈছে। অভিভাৱকসকলে তেওঁলোকৰ প্রেমৰ পথত বাধা হিচাপে থিয় হৈছে যদিও সময়ত সেই বাধা আঁতৰি গৈছে। নির্মল আৰু ৰূপহী সৰুৰেপৰা একেলগে ফুৰি, খেল-ধেমালি কৰি ডাঙৰ দীঘল হৈছিল। সিহঁতৰ সৰুকালৰ মৰম যৌৱনকালত প্রেমলৈ ৰূপান্তৰিত হয়। নির্মলৰ দেউতাক জনার্দন মেধি সমাজৰ মুধাফুটা, সম্ভ্রান্ত লোক। পুতেকৰ বিয়াৰ বয়স হোৱাত তেওঁ নির্মলৰ বাবে আন এঘৰত ছোৱালী খুজি জোৰণ পেলোৱাত নির্মল আৰু ৰূপহীয়ে এদিন গাঁৱৰ ভাওনা চাই উঠি পলাই গৈ নির্মলৰ মাহীয়েকৰ ঘৰত আশ্রয় ল'লে। মাহীয়েকৰ ঘৰত থকা সময়তে মাহীয়েকে সিহঁতৰ মাক-দেউতাকক বুজাই বঢ়াই সমাজৰ নিয়ম অনুসাৰে দুয়োৰে বিয়া পাতি দিয়ে। ৰূপহীক বিয়া কৰাই নির্মল সুখী হৈছিল যদিও এই সুখ দীর্ঘদিনীয়া নহ'ল। বিয়াৰ এবছৰৰ পাছত তেওঁৰ দেউতাক ঢুকায়। তাৰে দুমাহৰ পিছত মাকেও ইহলীলা ত্যাগ কৰে। ইয়াৰ ছমাহৰ মূৰত মান সৈন্যই দ্বিতীয়বাৰৰ কাৰণে অসম আক্রমণ কৰেহি। মানৰ আক্রমণৰ পৰা স্বদেশ ৰক্ষা কৰিবলৈ আন আন অসমীয়া সৈন্যৰ লগত নির্মলো যুদ্ধলৈ গ'ল আৰু দুর্ভাগ্যক্রমে মান সৈন্যৰ হাতত বন্দী হৈ তেওঁ মানদেশ পালেগৈ। নির্মল মানদেশত থকা কালতে মানৰ তৃতীয় আক্রমণত অসমৰ গাঁও-ভূই উচ্ছন্ন হয়। নির্মলৰ নিজ গাঁৱৰ মানুহবোৰৰ কিছুমানে হাবি জংগলত লুকাই থাকি প্রাণ ৰক্ষা কৰে আৰু নিৰাপত্তা বিচাৰি বোকাখাতৰ ফালে আশ্রয় লয়গৈ। ইফালে সৰুকালৰে পৰা ৰূপহীক অন্তৰেৰে ভালপোৱা অনিৰাম নামৰ এজন ডেকাই ৰূপহীৰ বিৰহতে বিয়া-বাৰু নকৰাই বৰলা হৈ আছিল। এই অনিৰামৰ চেষ্টাতেই মানৰ আক্রমণৰ সময়ত ৰূপহীৰ জীৱন ৰক্ষা পৰিছিল। অ'ত ত'ত কাম কৰি, কোনোমতে জীৱিকা উপার্জন কৰি ৰূপহীয়ে প্রিয়তম স্বামী নির্মলৰ বাবে অপেক্ষা কৰি বাৰ বছৰ কাল অতিবাহিত কৰিলে। বাৰ বছৰৰ মূৰত নির্মল ঘূৰি নহা দেখি গাঁৱৰ মানুহে বুজাই বঢ়াই ৰূপহী আৰু অনিৰামৰ বিয়া পাতি দিলে। মানৰ দেশত চৈধ্য বছৰ বন্দী জীৱন কটোৱাৰ পিছত নির্মলে বন্দী জীৱনৰ পৰা মুক্তি পাই স্বদেশলৈ ঘূৰি আহি নিজৰ জন্মস্থানলৈ গৈ গাঁৱৰ একো চিন-চাব দেখা নাপালে। এজন কেৱলীয়া ভকতৰ ছদ্মবেশত নির্মলে বোকাখাতৰ ওচৰৰ যোগী গাঁৱৰ মান ভগনত পলাই অহা এজন বুঢ়া মানুহৰ মুখে মানৰ অত্যাচাৰত গাওঁ ভাগি যোৱা আৰু ৰূপহী অনিৰামৰ বিয়াৰ কথা জানিব পাৰিলে। নির্মলে সেই কথা জানিব পাৰি শোকে দুখে ম্রিয়মান হ'ল আৰু ছদ্মবেশে গৈ ৰূপহী-অনিৰামৰ সংসাৰখন চাই আহিল। ইয়াৰ পাছত নির্মলে সাংসাৰিক জীৱনৰ চিন্তা পৰিহাৰ কৰি ঈশ্বৰৰ ওচৰত দেহ-মন উছর্গা কৰাৰ উদ্দেশ্যৰে দক্ষিণপাট সত্রলৈ গৈ বৈষ্ণৱ ধর্মৰ মন্ত্র ল'লে আৰু তাতে পৰিত্র জীৱন অতিবাহিত কৰিলে। এশ বছৰৰ অধিক কাল জীয়াই থাকি নির্মল আতৈয়ে দেহ ত্যাগ কৰিলে। সেই দিনাই সত্রলৈ আহি থকা ৰূপহী আৰু অনিৰামে বাটতে নির্মলৰ মৃতদেহ দেখা পাই সকলো কথা জানিব পাৰি শোকত ম্রিয়মান হয় আৰু পাছত তেওঁলোকে নিজৰ জ্যেষ্ঠ পুত্রৰ হতুৱাই নির্মলৰ আত্মাৰ সদ্‌গতিৰ বাবে শ্রাদ্ধ অনুষ্ঠান কৰে।

উল্লেখযোগ্য যে *নির্মল ভকত* উপন্যাসখনৰ কাহিনীভাগত ইংৰাজ কবি টেনিচনৰ *এন'ক্*

আর্ডেন (*Enoch Arden*) কাব্য কাহিনীৰ ছাঁ পৰিছে। ইংৰাজ কবিৰ কাব্যত থকা এন'ক্, ফিলিপ্ আৰু এনী নামৰ চৰিত্রকেইটিয়ে অসমীয়া কাহিনীত ক্রমে নির্মল, অনিৰাম আৰু ৰূপহী ৰূপে আত্মপ্রকাশ কৰিছে। *এন'ক্-আর্ডেন* কাব্যৰ কাহিনীত এন'ক্ তিনিটা সন্তানৰ পিতৃ হোৱাৰ পাছত বনিজলৈ যাওঁতে জাহাজ বুৰাৰ ফলত নির্জন দ্বীপত আশ্রয় ল'বলগীয়া হোৱাত এনিলিৰ লগত তেওঁৰ বিচ্ছেদ ঘটিছে আৰু সেই সুযোগতে ফিলিপৰ লগত এনিলিৰ বিয়া হৈছে। *নির্মল ভকতত* নির্মল ৰূপহীৰ বিচ্ছেদ ঘটাইছে মানৰ আক্রমণে। ইংৰাজী কাব্যত এন'কে দহবছৰ মূৰত নিজ দেশলৈ উভতি আহিছে আৰু এনিলি-ফিলিপৰ মিলন হোৱা দেখি বেদনাত ভাগি পৰি কম দিনৰ ভিতৰতে মৃত্যু বৰণ কৰিছে। কিন্তু *নির্মল* ভকতৰ নির্মলে মানদেশৰ পৰা উলটি আহি ৰূপহী-অনিৰামৰ সুখৰ সংসাৰ দেখি দুখত ভাগি পৰিছে যদিও আধ্যাত্মিক জীৱনৰ পাতনি মেলি দীর্ঘজীৱন যাপন কৰিছে। অর্থাৎ ইংৰাজ কবিৰ কাব্যৰ বিপৰীতে অসমীয়া লেখক ধর্মীয় আদর্শৰ দ্বাৰা প্রভাৱিত। মুঠতে ক'ব পাৰি যে, ইংৰাজ কবিৰ কাহিনীটোক বৰদলৈয়ে অসমত মানৰ তৃতীয় আক্রমণৰ পটভূমিত অসমীয়া সাজ পোছাক পিন্ধাই অলপ বহল ৰূপত প্রকাশ কৰিছে।

ইয়াৰ পৰৱর্তী অধ্যায়টোত উপন্যাসখনৰ চৰিত্র-চিত্রণ, বৈশিষ্ট্যসমূহ আৰু এখন সার্থক ঐতিহাসিক উপন্যাস হয়নে নহয় সেই বিষয়ে বহলাই আলোচনা দঙি ধৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *নির্মল ভকত* উপন্যাসখনৰ কাহিনীভাগত কোনজনা ইংৰাজ কবিৰ কোনখন কাব্যৰ ছাঁ অনুভূত হয়?

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰজনীকান্ত বৰদলৈ অসমীয়া উপন্যাস সাহিত্যৰ ভেটি ৰচনা কৰোঁতাসকলৰ ভিতৰত অন্যতম। বৰদলৈয়ে মুঠ নখন উপন্যাস ৰচনা কৰিছে আৰু ইয়াৰে সৰহ সংখ্যকেই হ'ল ঐতিহাসিক উপন্যাস।
- *নির্মল ভকত* উপন্যাসখন মানৰ তৃতীয়বাৰৰ অসম আক্রমণক ভিত্তি কৰি ৰচনা কৰা উপন্যাস। উপন্যাসখনত বুৰঞ্জী বা ঐতিহাসিক কাহিনীৰ বা চৰিত্রৰ কোনো পোনপটীয়া প্রভাৱ নাই। এই ফালৰ পৰা ইতিহাস এই উপন্যাসৰ পৃষ্ঠভূমিহে— ই ইতিহাস প্রধান উপন্যাস নহয়।

ইংৰাজ কবি টেনিচৰ *এন'ক্-আর্ডেন* নামৰ দীঘলীয়া কাহিনীকাব্যৰ বিষয়বস্তুৰ আধাৰত এইখন উপন্যাস ৰচনা কৰা হৈছে।



৯.৬ অধিক জানিবলৈ

1) ঠাকুৰ, নগেন (সম্পাদনা) (2000); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।
2) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
3) ভৰালী, শৈলেন (1996); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
4) ভৰালী, শৈলেন (2003); *উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
5) শর্মা, গোবিন্দ প্রসাদ (1995); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোর্ছ।
6) শর্মা, বসন্ত কুমাৰ (সংকলন); *ৰজনীকান্ত ৰৱদলৈৰ উপন্যাস সমগ্র;* ডিব্রুগড় ঃ সাৰদা প্রকাশন।
7) শর্মা, সত্যেন্দ্রনাথ (2007); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰজনীকান্ত ৰৱদলৈয়ে ৰচনা কৰা পাঁচখন উপন্যাসৰ নাম হ'ল *মিৰি-জীয়ৰী* (1895), *মনোমতী*(1900), *ৰঙ্গিলী*(1925), *নির্মল ভকত* (1926), *ৰহদৈ লিগিৰী* (1930)।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰজনীকান্ত ৰৱদলৈয়ে ৰচনা কৰা *মিৰি-জীয়ৰী* উপন্যাসখনৰ পটভূমি উজনি অসমৰ মিচিংসকলৰ সমাজ জীৱন।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰাজিত প্রকাশ পোৱা দুটা প্রধান বৈশিষ্ট্য হ'ল ক্রমে — ৰৱদলৈৰ উপন্যাস সমসাময়িক অসমীয়া সমাজ আৰু সাংস্কৃতিক জীৱনৰ জীৱন্ত দলিল স্বৰূপ। তেওঁৰ পূর্বে কোনেও সামগ্রিকভাৱে অসমীয়া জীৱন চর্যাক ইমান মনোগ্রাহী ৰূপত উপস্থাপন কৰা নাছিল। দ্বিতীয়তে ৰৱদলৈৰ প্রায় আটাইকেইখন উপন্যাসৰ মন কৰিবলগীয়া বিশেষত্ব হ'ল শাসক আৰু শাসিতৰ মাজত সৃষ্টি হোৱা মনোমালিন্যৰ

ভাব অথবা দুর্বলৰ ওপৰত বলবানৰ নির্যাতন বা বল প্রদর্শন। কিন্তু শেষত সত্য আৰু ন্যায়ৰ পথত থকা দুর্বলজনৰ জয় হৈছে, যদিওবা সেই দীর্ঘ পৰিক্রমাত দুর্বলজন বলবানৰ হাতত লাঞ্ছিত হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ *নির্মল ভকত* উপন্যাসখনৰ কাহিনীভাগত ইংৰাজ কবি টেনিচনৰ *এন'ক্ আর্ডেন* (*Enoch Arden*) কাব্য কাহিনীৰ ছাঁ পৰিছে।



৯.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ৰজনীকান্ত বৰদলৈয়ে লিখা একমাত্র সামাজিক উপন্যাসখনৰ নাম কি?

প্রশ্ন ২ ঃ ৰজনীকান্ত বৰদলৈয়ে কিমান চনত চৰকাৰী চাকৰিত যোগদান কৰে?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু কৃতিৰ বিষয়ে এটি বিস্তৃত আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ কি কি?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ঐতিহাসিক পৃষ্ঠভূমিত বিচাৰ কৰিলে অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈৰ স্থান কি?

প্রশ্ন ২ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত অসমীয়া সমাজখন কিদৰে চিত্রিত হৈছে?

প্রশ্ন ৩ ঃ ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ উপন্যাসত ইতিহাস আৰু কল্পনাৰ সংমিশ্রন ঘটাই মনোজ্ঞ কাহিনী উপস্থাপন কৰিছে — কেনেকৈ?

*** ***** ***

অধ্যায় ১০ ঃ ৰজনীকান্ত বৰদলৈ — *নির্মল ভকত* — ২

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 *নির্মল ভকত*

10.3.1 উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

10.3.2 উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

10.3.3 ঐতিহাসিক উপন্যাস হিচাপে *নির্মল ভকত*

10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

10.5 অধিক জানিবলৈ

10.6 অগ্ৰগতিৰ খতিয়ান

10.7 আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নির্মল ভকত উপন্যাসখনৰ চৰিত্ৰৰাজিৰ বিশ্লেষণ কৰিব পাৰিব
- নির্মল ভকত উপন্যাসখনত ধর্মৰ প্ৰভাৱ আৰু অতিপ্ৰাকৃত পৰিৱেশৰ চিত্ৰণ —এই বিষয়ে আলোচনা কৰিব পাৰিব
- উপন্যাসখনৰ ৰচনাৰীতি আৰু ভাষা সম্পৰ্কে বিশ্লেষণ আগবঢ়াব পাৰিব।

১০.২ পৰিচয়

বৰদলৈৰ অন্যতম উপন্যাস *নির্মল ভকত* মানৰ অসম আক্ৰমণৰ পটভূমিত ৰচিত এখন উল্লেখযোগ্য অসমীয়া উপন্যাস। পূৰ্বৱৰ্তী অধ্যায়টিত এইখন উপন্যাসৰ এটি সম্যক আলোচনা দাঙি ধৰা হৈছে। লগতে ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু কৃতি সম্পৰ্কেও কিছু কথা আলোচনা কৰা হ'ল। সেই অধ্যায়টোতে আমি উল্লেখ কৰি আহিছিলোঁ যে এই উপন্যাসখন দুটা অধ্যায়ত আলোচনা কৰা হ'ব।

এতিয়া এইটো অধ্যায়ত *নির্মল ভকত* উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ আৰু ঐতিহাসিক উপন্যাস হিচাপে *নির্মল ভকতক* বিশ্লেষণ আগবঢ়োৱা হ'ব। অধ্যায়টিৰ অধ্যয়নে আপোনাক আলোচ্য উপন্যাসখনৰ সামগ্ৰিক পৰিচিতি প্ৰদান কৰিব।

১০.৩ *নির্মল ভকত*

ইতিমধ্যে আলোচ্য উপন্যাসখনৰ কাহিনীভাগ আপুনি পূর্বৱর্তী অধ্যায়ত পঢ়ি আহিছে। আহক আমি এতিয়া উপন্যাসখনৰ চৰিত্রসমূহ বিশ্লেষণ কৰোঁ।

১০.৩.১ উপন্যাসখনৰ চৰিত্র চিত্রণ

ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ চৰিত্রৰ বিষয়ে ক'বলৈ গৈ নির্মলপ্রভা বৰদলৈয়ে লিখিছে— "বুৰঞ্জীক পটভূমি কৰি ৰচনা কৰা উপন্যাসত লিখকৰ স্বকীয় বা মৌলিক প্রতিভা বিস্তাৰিত কৰা বা নিজাকৈ চৰিত্র সৃষ্টি কৰা কাম বেচ কঠিন। কিন্তু ঐতিহাসিক উপন্যাস যিহেতু ৰোমাণ্টিক তথা সৃষ্টিধর্মী উপন্যাস, দক্ষ ঔপন্যাসিকে সেয়ে বর্ণ বৈচিত্র্য আৰু পৰিৱেশৰ বাবে ইতিহাসৰ উজ্জ্বল চৰিত্রবোৰ কাযে কাযে থৈ, বুৰঞ্জীত মাত্র উল্লেখ থকা বা একেবাৰেই বুৰঞ্জী অখ্যাত চৰিত্র কল্পনাৰে আঁকি চিৰন্তন সত্যৰ ৰমণীয় প্রকাশ দিয়ে। অমৰ প্রতিভাবান শিল্পী বৰদলৈৰ হাতেৰে ৰূপ দিয়া প্রতিটো চৰিত্রই পূর্ণাঙ্গ আৰু মনোৰম ৰূপত ধৰা দিয়ে।"

- *নির্মল ঃ নির্মল ভকত* আত্মবিবৃতিমূলক উপন্যাস। নায়ক নির্মলে নিজৰ জীৱনৰ ইতিবৃত্ত নিজে প্রকাশ কৰা কাৰণে উপন্যাসখনত স্বাভাৰিকতেই তেওঁৰেই প্রাধান্য ঘটিছে। নির্মল সাহসী, কর্মপটু, গভীৰ প্রেমিক আৰু স্বদেশহিতৈষী যুৱক। শৈশৱৰ খেলৰ লগৰী ৰূপহীক গভীৰভাৱে ভালপাই পৰৱর্তী কালত জীৱন লগৰী কৰিছিল। মাক-বাপেকৰ প্রৱল বাধায়ো তেওঁক ৰূপহীৰ পৰা আঁতৰাই ৰাখিব পৰা নাছিল। বিয়াৰ দুবছৰ পাছতেই দেশৰ শত্রুৰ বিৰুদ্ধে যুঁজিবলৈ নির্মল ঘৰৰ পৰা ওলাই গৈছিল। যুদ্ধত বন্দী হৈ চৈধ্য বছৰ কাল বিদেশত অতিবাহিত কৰিবলগীয়া হোৱাতো জন্মভূমি আৰু ৰূপহীক তিলমাত্রৰ বাবেও পাহৰা নাছিল। একমাত্র ৰূপহীকে অন্তৰত স্থান দিয়া বাবেই মান ছোৱালী বা মানৰ লগত বন্দী হিচাপে যোৱা অসমীয়া ছোৱালী বিয়া কৰাই সেই ঠাইতে ঘৰ-সংসাৰ কৰিবলৈ বহুতে দিয়া উপদেশ নির্মলে গ্রহণ কৰা নাছিল। চৈধ্য বছৰৰ মূৰত ঘৰলৈ উভতি আহি ৰূপহী আৰু অনিৰামৰ সংসাৰ প্রত্যক্ষ কৰি নির্মল মূর্চ্ছা গ'ল যদিও ৰূপহীৰ প্রতি কোনো খং ৰাগ প্রদর্শন নকৰিলে। বৰং ৰূপহীৰ জীৱনলৈ দুনাই বিপর্যয় নানি তাইক সুখে সন্তোষে অনিৰামৰ লগত ঘৰ-সংসাৰ কৰিবলৈ এৰি দি নিজে ছদ্মবেশ ধাৰণ কৰিলে। এনে কার্যই নির্মলৰ প্রেমৰ গভীৰতা আৰু চৰিত্রৰ মহত্ব প্রকাশ কৰিছে। তাৰ পাছত সাংসাৰিক জীৱন পৰিত্যাগ কৰি নির্মলে কৃষ্ণত শৰণ লৈ ভকত হ'ল আৰু সত্রত থাকিবলৈ ল'লে। কিন্তু সত্রত থকা কালতো তেওঁ দেশৰ মংগল আৰু সমাজৰ মঙ্গলৰ কাৰণে সদা চিন্তিত হৈ আছিল। তেওঁ এঠাইত নিজ মুখে কৈছে— "এই বৈষ্ণৱবৃন্দ, এই মোৰ

ঈশ্বৰ পুৰুষ, এই মোৰ যাদৰৰায়, এই মোৰ ব্রহ্মপুত্র, এই মোৰ অসমত থকা সকলো মানুহ আনকি এই পৃথিৱীৰ মানুহ মাত্রেই আৰু মোৰ দেশৰ গছ-গছনি, তৰু-তৃণ, পক্ষী-পতংগ এই সকলো মোৰ নিজা নহয়নে? মইনো আন কোন ঠাইত এই নদী, এই হাবি, এই ব্রহ্মপুত্র, এই সত্র, এই বৈষ্ণৱবৃন্দ পাম।" নির্মলৰ উক্ত বক্তব্যৰ মাজেৰে চৰিত্রটিৰ গভীৰ স্বদেশপ্রীতি প্রকাশ পাইছে।

- *অনিৰাম ঃ* উপন্যাসখনৰ অন্যতম পুৰুষ চৰিত্র অনিৰামো একনিষ্ঠ প্রেমিক। সৰুৰে পৰা ভালপোৱা ৰূপহীৰ বিয়া হৈ যোৱাৰ পিছতো তাইৰ বিৰহতেই তেওঁ বিয়া বাৰু নকৰাকৈ আছিল। ইচ্ছা কৰাহেঁতেন তেৰোঁ অইন এজনীক বিয়া কৰাই সংসাৰী হ'ব পাৰিলেহেঁতেন। কিন্তু ৰূপহীৰ প্রতি তেওঁৰ ভালপোৱা গভীৰ আছিল বাবেই তেওঁ বিয়া কৰোৱা নাছিল। নির্মল-ৰূপহীৰ মিলনত তেওঁ মুঠেও বাধা দিয়া নাছিল; খং ক্ষোভো প্রকাশ কৰা নাই, অন্যায় অমংগলো চিন্তা কৰা নাই। বৰঞ্চ বিয়াৰ পাছতো তেওঁ সুবিধা পালেই ৰূপহীক সহায় কৰিছিল। বাৰ বছৰ কাল অতিবাহিত কৰাৰ পাছতো নির্মলৰ সন্ধান নোলোৱাত অনিৰামে ৰূপহীক বিয়া কৰাই তাইৰ ভৱিষ্যৎ জীৱনটোক নিৰাপত্তা দিছে। এয়া এগৰাকী প্রেমিকৰ মহত্বৰ পৰিচয়। উপন্যাসখনত অনিৰামৰ ভূমিকা উপ নায়কৰ; কিন্তু চৰিত্রটো বহুক্ষেত্রত অস্পষ্ট আৰু অনুজ্জ্বল হৈ ৰ'ল।
- *ৰূপহী ঃ* উপন্যাসখনৰ নায়িকা ৰূপহী। ৰৰদলৈৰ উপন্যাসৰাজিৰ নাৰী চৰিত্রবোৰৰ অন্যতম প্রধান বৈশিষ্ট্য সৰলতা আৰু সততা এই চৰিত্রটোৰো প্রধান বৈশিষ্ট্য। ৰূপহীয়ে জানিছিল সিহঁত দুখীয়া মানুহ আৰু নির্মলহঁত ধনী। সেয়ে তাই নির্মলক ভাল পায় যদিও কান্দি কাটি মনক প্রবোধ দিছিল, "চকুৰ মণি নির্মলে যদি আন এজনী বিয়া কৰাই সুখী হয়, তেন্তে তাক সুখী হোৱা দেখিয়েই সুখী হ'ম।" নির্মলে তাইৰ ওচৰত বিয়াৰ প্রস্তাৱ দাঙি ধৰাত তাই সেই প্রস্তাৱ গ্রহণ কৰিলে অকপট সৰলতাৰে,— "নির্মল! আজি অতদিনে মই আন কেৰে নজনাকৈ যিটি ভাব হৃদয়ত লৈ আছিলো, আজি তই সেই ভাব উলিয়াই ললি।" অসমীয়া সমাজৰ আচাৰ নীতিৰ প্রতি তাই সজাগ। সেয়ে তাই নির্মলক ক'ব পাৰিছে,— "পিতৃ মাতৃ আমাৰ পৰম গুৰু, সেইসকলৰ বাক্যে আমাৰ চলা উচিত নহয় জানো?" ঘৰৰ বাধা নিষেধৰ বাবে পোনে পোনে বিয়া কৰাব নোৱাৰি নির্মলে যেতিয়া তাইক পলুৱাই নিবলৈ স্থিৰ কৰিলে, তেতিয়া তাই কৈছে — " আই বোপাইক এৰি পলাই যোৱাটো বেয়া কথা।"— এইখিনিতে তাইৰ নাৰী চৰিত্রৰ বৈশিষ্ট্য ফুটি ওলাইছে। মানৰ হাতত বন্দী হৈ নির্মল নিৰুদ্দেশ হোৱাৰ পাছত ৰূপহীয়ে অশেষ কষ্ট স্বীকাৰ কৰি বাৰ বছৰ কাল নির্মললৈ অপেক্ষা কৰিছে। বাৰ বছৰৰ মূৰতো গাঁওবাসীৰ উপদেশ আৰু বুজনিতহে সৰু কালৰ লগৰীয়া অনিৰামৰ সৈতে তাই বিয়াত সোমাইছে। ইচ্ছা কৰা হ'লে নির্মল সন্ধানহীন হোৱাৰ দিনচেৰেক পিছতেই তাই পুনৰ স্বামী ৰৰণ

কৰিব পাৰিলেহেঁতেন; কিন্তু ৰূপহীয়ে সেয়া কৰা নাই। এয়াও তাইৰ স্বামী ভক্তিৰ লগতে সংযমশীলতা আৰু মানসিক দৃঢ়তাৰ নিদর্শন। উভতি অহাৰ কোনো সম্ভাৱনা নথকা নির্মলৰ প্রতি বাট চাই জীৱনটো মৰহি যাবলৈ নিদি ৰূপহীয়ে নির্মলৰ সমানেই তাইক ভালপোৱা অনিৰামক বাৰ বছৰৰ মূৰত স্বামীৰূপে গ্রহণ কৰিছে। সেইবাবেই হয়তো প্রখ্যাত আলোচক সত্যেন্দ্রনাথ শর্মাই ৰূপহীৰ চৰিত্রটো আদর্শাত্মক বাস্তৱ দৃষ্টিৰে অংকন কৰিছে বুলি অভিমত প্রকাশ কৰিছে।

- *কৃষ্ণদাসী* ঃ উপন্যাসখনৰ আন এটি লেখত ল'বলগীয়া চৰিত্র হ'ল নির্মলৰ মাহীয়েক। এইগৰাকী নাৰী ব্রহ্মচাৰিণী কৃষ্ণদাসী আনৰ সুখত সুখী আৰু দুখত দুখী হোৱা অলেখ অসমীয়া গঞা নাৰীৰ প্রতিনিধি স্বৰূপ। নির্মল-ৰূপহী পলাই গৈ মাহীয়েকৰ ঘৰতে আশ্রয় লৈছিল। তেতিয়া তেওঁ দুয়োকে মৰমেৰে আঁকোৱালি লৈ 'দৰাৰো মাক, কইনাৰো মাক' হৈ দুয়োৰে মিলন ঘটাই আনন্দত আত্মহাৰা হৈছে। নির্মলৰ ওপৰত এইগৰাকী নাৰীৰ পৰিত্র জীৱনৰ প্রভাৰ ভালকৈয়ে পৰিছিল। নির্মল ভগৱৎ প্রেমৰ প্রতি আকর্ষিত হৈ ভকত হোৱাৰ মূলতেই মাহীয়েক বুলি ধৰিব পাৰি। বৰদলৈয়ে বোধ হয় কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্রচাৰৰ উদ্দেশ্যেই এইগৰাকী নাৰী চৰিত্র অংকন কৰিছে।



চিন্তা-চর্চা কৰক — ১০.১

ঔপন্যাসিক ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ কেউখন উপন্যাসতে সমাজ জীৱনৰ ভাল-বেয়া সকলোবোৰ দিশ সাঙুৰি লোৱাৰ লগতে সেই সেই সামাজিক পৰিৱেশে গঢ় দিয়া ব্যক্তি মনৰ বিচিত্র ক্ষেত্রখনত দৃষ্টিপাত কৰিছে। বৰদলৈৰ উপন্যাসকেইখনৰ আধাৰত ইয়াৰ সত্যতা নির্ণয় কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *নির্মল* ভকত উপন্যাসখনৰ ব্রহ্মচাৰিণী কৃষ্ণদাসী চৰিত্রটোৰে অসমীয় সমাজৰ কেনে ধৰণৰ চৰিত্রক প্রতিনিধিত্ব কৰে?

.....

১০.৩.২ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

- *ধর্মীয় প্রভাৱপুষ্ট উপন্যাস হিচাপে নির্মল ভকত* ঃৰজনীকান্ত বৰদলৈ বৈষ্ণৱ ধর্মালম্বী লোক আছিল বুলি জনা যায়। *নির্মল* ভকত উপন্যাসখনত ঔপন্যাসিকগৰাকীৰ ধর্ম বিশ্বাস প্রকট হৈ উঠা পৰিলক্ষিত হয়। নির্মল চৰিত্রটো বৰদলৈৰ ধার্মিক মনটোৰেই

প্রতিফলন স্বৰূপ। নির্মলে কয়— "...কৃষ্ণনাম মহাধনে জীয়াই থকা দিন কেইটাত সংসাৰৰ সুখ দৈবাৎ নিদিলেও মৰণ কালত তৰাব, ইয়াকে মনত সাৱোগত কৰিলোঁ। ভাবিলোঁ যি ছদ্ম উদাসীন বেশেৰে ৰূপহীক ধৰা নিদিলো সেই বেশক লৈ সংসাৰক ধৰা নিদিয়াই ভাল।" সেই কাৰণে দক্ষিণপাট সত্রত উদাসীন হৈ মালা-মন্ত্র লয়। তেওঁ উদাসীন হৈ ধর্মৰ অনেক গূঢ়তত্ত্ব জানিব পাৰে। নির্মল আতৈ আৰু ডাঙৰীয়া গৰাকীৰ কথোপকথনৰ জৰিয়তে ধর্ম সম্পর্কীয় বিভিন্ন কথা আলোচনা কৰা হৈছে। বিশেষকৈ উপন্যাসখনৰ শেষ অধ্যায় কেইটাত ব্রহ্মচর্য, গুৰুৰ আৱশ্যকতা, প্রায়শ্চিত্ত, কেৱলীয়া জীৱনাদর্শ, গার্হস্থ্য আদি ধর্ম বিষয়ক কথা আলোচনা কৰা হৈছে। তদুপৰি কৃষ্ণ মাহাত্ম্যসূচক গীত-পদো উপন্যাসখনত সন্নিৱিষ্ট কৰা হৈছে। সন্দেহ নাই যে এনেবোৰ ধর্মীয় কথাৰ লগত উপন্যাসখনৰ মূল কথাবস্তুৰ কোনো সম্পর্ক নাই; উপন্যাসখনৰ ৰস পৰিপাকতো সিবোৰে কোনো সহায় নকৰে, বৰঞ্চ বহুক্ষেত্রত পাঠকক আমনিহে লগায়। ঔপন্যাসিকে বৈষ্ণৱ ধর্মৰ আদর্শ জনসমাজত বিয়পাই দিবৰ নিমিত্তেই উপন্যাসখনত ধর্মতত্ত্বৰ দীঘলীয়া বিৱৰণ সংযোগ কৰিছে বুলি ধৰিব পাৰি।

- *অতিপ্রাকৃতিক পৰিবেশৰ চিত্রণ ঃ* ৰৰদলৈৰ উপন্যাসত অতিপ্রাকৃতৰ পৰিবেশনো এক লক্ষ্য কৰিবলগীয়া বিষয়। *নির্মল ভকত* উপন্যাসখন এখন ঐতিহাসিক উপন্যাস আৰু ইয়াৰ পটভূমি মানৰ অসম আক্রমণ যদিও ৰৰদলৈয়ে তাৰ মাজতেই অতিপ্রাকৃতৰ সংযোগ কৰিব পৰা পৰিবেশ নির্মাণ কৰি লৈছে। নির্মলে তুলসীৰ ভেটিৰ কাষত বহি বহিয়েই প্রাণ এৰা কার্য আৰু সেই সময়ত দিব্যৰথ এখন নামি অহা দেখিবলৈ পোৱা কার্য ধার্মিক যোগসিদ্ধ পুৰুষৰ অতিপ্রাকৃত কার্য মাথোন।

  অতিপ্রাকৃতৰ অৱতাৰণাত দৈৱী মায়া প্রসঙ্গ আৰু স্বপ্নৰ বিৱৰণেই ঠাই পাইছে। ৰূপহীৰ বিৰহত দুখে বেজাৰে দক্ষিণপাট সত্রলৈ ভকত হ'বলৈ অহা নির্মলে জাতি ভ্রষ্ট বুলি আখ্যা পাই সত্রৰ বাহিৰতে নিশাটো কটাবলগীয়া হয়। পুৱঁতী নিশা সপোন এটা দেখাৰ পাছত সাৰ পাই মূৰ তুলি অলপ আঁতৰত এটা ঢেকীয়াপতীয়া বাঘ দেখা পালে। বাঘটোৱে নির্মলৰ ফালে চাই পিছভৰি দুখন পাৰি আগভৰি দুখনৰ ওপৰত বহি আছে। নির্মলৰ মনত ভাব হ'ল— "হে প্রভু কৃষ্ণ! সমাজিকত তুমি মোক তোমাৰ মদনমোহন মূর্তি দেখু�ৱালা এতিয়া সাৰ পালত দিঠকত বাঘ হৈ মোক খাবলৈ আহিছা। তোমাৰ যি ইচ্ছা সেয়ে হক। এই দেহ তোমাৰেই। তোমাতেই অর্পন কৰিছো, তুমি এতিয়া বাঘ হৈ ল'ব পাৰা।" এইদৰেই ভাবি কৃষ্ণৰ মদনমোহন মূর্তিকে জপ কৰিবলৈ ধৰি বাঘটোক নমস্কাৰ জনোৱাৰ লগে লগে বাঘটোৱে দীঘলীয়া হামি এটা মাৰি মূৰটো দোৱাই মাটিত লগালে। তাৰ পাছত লাহেকৈ উঠি হাবিৰ ফালে এখোজ দুখোজকৈ গুচি গ'ল। ধর্মীয় কাহিনীৰ বর্ণনাৰ মাজত থকা অতিপ্রাকৃতৰ ই সুন্দৰ দৃষ্টান্ত। বাঘটো যেন ইয়াত দৈৱক্রমে

উপস্থিত হৈছে আৰু ই স্বভাৱ বিৰুদ্ধ কাম কৰি গুচি গৈছে। সমুখত নিৰস্ত্ৰ নির্মলক দেখিও আক্রমণ নকৰি প্রণাম জনাই গুচি যোৱা কার্য ধর্মীয় অতিপ্রাকৃতৰ উৎকৃষ্ট দৃষ্টান্ত।

প্রসঙ্গক্রমে উল্লেখ কৰিব পাৰি যে স্বপ্নত দেৱ-দেৱী দেখাটো ৰৱদলৈৰ উপন্যাসমূহৰ সাধাৰণ লক্ষণ। দেৱ-দেৱীসমূহে স্বপ্নত আহি নায়ক বা নায়িকাক ভৱিষ্যত কার্যপন্থাৰ ইংগিত দি যায়। *নির্মল ভকতত* নির্মলে একাধিক স্বপ্নত দেৱদেৱী, স্বর্গগত মাহীয়েক আৰু মাকক দেখা পাইছে আৰু সেইসকলে যেন তেওঁক নানান উপদেশ নির্দেশ দি ভৱিষ্যত কার্যপন্থা গ্রহণ কৰিবলৈকে আহ্বান জনাইছে। সপোন কেন্দ্রিক ক্রিয়া প্রতিক্রিয়াৰ সংযোগ উপন্যাসখনৰ এক ৰহস্যময় পৰিবেশ সৃষ্টিতো সহায় কৰিছে।

- *উপন্যাসখনত প্রতিফলিত হোৱা অসমীয়া সমাজৰ সংস্কাৰ-কু-সংস্কাৰ, পৰম্পৰা আদি ঃ* স্বপ্নৰ উপৰি অসমীয়া সমাজত প্রচলিত ৰংগানুষ্ঠান ভাওনাৰ বিস্তৃত বিৱৰণ উপন্যাসখনত আছে। বৈষ্ণৱ ধর্মৰ অন্যতম কীর্তিস্তম্ভ দক্ষিণপাট সত্রৰ বর্ণনা ইয়াত বিশেষভাৱে দিয়া হৈছে আৰু এই বর্ণনাই অসমীয়া মানুহৰ জনবিশ্বাসকে প্রতিফলিত কৰিছে। অসমীয়া সমাজত, অনাদি বৈষ্ণৱ সত্রসমূহতো যে জাত পাতৰ বিচাৰে দকৈ শিপাইছিল সেই কথাৰ উল্লেখো উপন্যাসখনত পোৱা যায়। মান দেশৰ পৰা উভতি অহাৰ পিছত গাঁৱৰ মানুহে নির্মলক জাত যোৱা বুলি বাহিৰত খাবলৈ আৰু শুবলৈ দিছিল। দক্ষিণপাট সত্রৰ ভকতসকলে পৰাচিত নোহোৱাকৈ নির্মলক সত্রৰ ভিতৰলৈ যাব দিয়া নাছিল। এনেবোৰ কথাৰ মাজেদি অতীত অসমৰ সামাজিক, ধর্মীয়, লৌকিক বিশ্বাসৰ পৰিচয় লাভ কৰিব পাৰি।
- *উপন্যাসখনৰ ৰচনাৰীতি আৰু ভাষা ঃ নির্মল ভকত* উপন্যাসখন আত্মবিবৃতিমূলক বা আত্মভাষণমূলক ৰীতিৰে ৰচনা কৰা হৈছে। অৱশ্যে আত্মবিবৃতিমূলক ৰীতিৰে ৰচনা কৰিলেও উপন্যাসখনৰ কাহিনী কথনৰ দিশৰ পৰা কিছু দুর্বলতা সহজে চকুত পৰে। উপন্যাসখনৰ কাহিনীভাগ পোনতে নির্মলে নিজ মুখে কৈ গৈছে, কিন্তু শেষৰ পিনে আকৌ আত্মবিবৃতিমূলক ৰীতি এৰি তৃতীয় পুৰুষত বর্ণনা কৰিবলগীয়া হৈছে— কাৰণ প্রথম পুৰুষত নির্মলৰ মৃত্যু আৰু তাৰ পৰৱর্তী অৱস্থা বর্ণনা কৰিব নোৱাৰি। সেয়ে উপন্যাসখনক আমি আত্মবিবৃতিমূলক ৰীতিৰে ৰচনা কৰা সফল উপন্যাস বুলি অভিহিত কৰিব নোৱাৰো।

ৰৱদলৈৰ ভাষা সহজ সৰল আৰু যথার্থ ভাব প্রকাশক। অলংকাৰ আদিৰ মাত্রাধিক প্রয়োগেৰে তেওঁ ৰচনা ভাৰাক্রান্ত নকৰে। সেই কাৰণে সর্বস্তৰৰ পঢ়ুৱৈৰ বাবে তেওঁৰ ৰচনা সহজবোধ্য আৰু আবেদনক্ষম। "কিন্তু তেখেতৰ ৰচনা সম্পূর্ণ বাহুল্যবর্জিত বুলি ক'ব নোৱাৰি।... ...ৰৱদলৈদেৱৰ পাত্র-পাত্রীবোৰৰ মাজত হোৱা

দীঘলীয়া কথোপকথনবোৰে ঠায়ে ঠায়ে পাঠকক আমনি লগায়। আকৌ প্ৰাকৃতিক দৃশ্য, স্থান, মানুহৰ ৰূপ, বেশ, বাসঘৰ আদি বিশেষ বিশদভাৱে দিয়া হৈছে। এইবোৰে কেতিয়াবা আমনি লগালেও বাহ্য দৃশ্য চিত্ৰণত বিশেষ আৱশ্যকীয়। যথাযথ বৰ্ণনা দি বিষয়বোৰ স্বাভাৱিক কৰি তোলা উদ্দেশ্যৰ কাৰণেই এইবোৰ অনিবাৰ্য্য।" *নির্মল* ভকত উপন্যাসৰ ক্ষেত্ৰতো উপৰ্যুক্ত কথাখিনি প্ৰযোজ্য। উপন্যাসখনত মানৰ আক্ৰমণৰ বৰ্ণনা, মান দেশৰ বৰ্ণনা আৰু ধৰ্ম সম্পৰ্কীয় আলোচনাই বিস্তৃত ঠাই আগুৰি আছে। ফলত, উপন্যাসখনৰ আখ্যানভাগৰ আবেদন তথা কলাত্মক ৰস বহু পৰিমাণে হ্ৰাস পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ মান দেশৰ পৰা উভতি অহাৰ পিছত গাঁৱৰ মানুহে নির্মলক কেনে ব্যৱহাৰ কৰিছিল?

.....

১০.৩.৩ ঐতিহাসিক উপন্যাস হিচাপে *নির্মল ভকত*

ইতিহাসক ভিত্তি কৰি নাইবা পটভূমি হিচাপে লৈ ৰচনা কৰা উপন্যাসকে বহল অৰ্থত ঐতিহাসিক উপন্যাস বুলি কোৱা হয়। ঐতিহাসিক উপন্যাসত ইতিহাসৰ কোনো তথ্য অথবা সত্য ঘটনা বা চৰিত্ৰৰ কাৰ্যকলাপৰ বৰ্ণনা কৰাটো ঔপন্যাসিকৰ ঘাই উদ্দেশ্য নহয়। উপন্যাস যিহেতু সৃষ্টিধৰ্মী সাহিত্যৰ এটি শাখা সেয়ে সাহিত্য কলাৰ অন্যান্য শাখাৰ দৰে ইয়াৰো প্ৰধান উদ্দেশ্য আনন্দ প্ৰদান কৰা। সেয়ে ইতিহাসৰ সত্য কাহিনীত কল্পনাৰ ৰহন সানি নান্দনিকতা প্ৰদান কৰিব পৰাটোৱেই এইবিধ উপন্যাসৰ সাৰ্থকতা নির্ভৰ কৰে। কথাখিনি আন এক ধৰণেও ক'ব পাৰি। বুৰঞ্জীত মানুহৰ ৰাজনৈতিক জীৱনটোহে লিপিবদ্ধ হয়। মানুহৰ পাৰিবাৰিক নাইবা ঘৰুৱা জীৱনৰ কথা সন্নিৱিষ্ট নহয়। সেয়ে এই দিশত এজন ঔপন্যাসিকে কল্পনাৰ আশ্ৰয় বৈ কাহিনী নির্মাণ কৰাৰ সুযোগ লাভ কৰে। এনেদৰে বুৰঞ্জীক আলম হিচাপে লৈ কল্পনাৰে ৰচনা কৰা বাস্তৱ কাহিনীয়েই দৰাচলতে বুৰঞ্জীমূলক উপন্যাস। আন কথাত, বুৰঞ্জীমূলক বা ঐতিহাসিক উপন্যাস 'কল্পনা আৰু বাস্তৱৰ এক ৰসোত্তীৰ্ণ সমন্বয়।'

মানৰ দ্বিতীয় আক্ৰমণে নির্মল-ৰূপহীৰ দাম্পত্য জীৱনৰ অৱসান ঘটালে। মানৰ বন্দী হৈ নির্মল বহুবছৰলৈ সন্ধানহীন হৈ আছিল। এনেতে মানৰ তৃতীয় আক্ৰমণত দেশখন বিধ্বস্ত হ'ল। কালক্ৰমত ৰূপহীৰ লগত অনিৰামৰ মিলন হ'ল। নির্মলে বন্দী অৱস্থাৰপৰা মুক্তি লভি অনিৰাম আৰু ৰূপহীৰ সংসাৰত আউল নলগাও বুলিয়েই আঁতৰি থাকিল। —এয়াই হৈছে উপন্যাসখনৰ কাহিনীভাগৰ এক থুলমূল আভাস। এই কাহিনীৰ

ঐতিহাসিক ভিত্তি নাই। নির্মল, ৰূপহী বা অনিৰাম নামৰ চৰিত্রৰ উল্লেখো বুৰঞ্জীত পাবলৈ নাই। তথাপি ৰজাঘৰীয়া খাম-খেয়ালি আৰু গৃহ-বিবাদৰ ধামখুমীয়াত আৰু তাৰ ফলস্বৰূপে হোৱা মানৰ আক্রমণ আৰু অসমৰ স্বাধীনতা ৰবি মাৰ যোৱাৰ ছবিখন কিন্তু বুৰঞ্জীসম্মতভাৱেই উপন্যাসখনত প্রকাশ পাইছে। ডাঙৰীয়াজনৰ প্রশ্নৰ উত্তৰত নির্মলে মানৰ আক্রমণৰ কাৰণ দর্শাই শেষত কৈছে— "দেখক ডাঙৰীয়া! আমাৰ বিষয়াসকলৰ পৰস্পৰ হিংসা-হিংসি, ৰজা ভঙা, ৰজা পতা, ইত্যাদি খেলি মেলিয়ে আমাৰ অসম দেশখন খালে। ঘাইকৈ দুর্বল ৰজা চন্দ্রকান্ত আৰু বৰফুকন বদনচন্দ্র যেনেকৈ এফালে দোষী, আন পক্ষেও ডাঙৰীয়া! নকৈ নোৱাৰোঁ যে পূর্ণানন্দ বুঢ়াগোহাই আৰু ৰাজমাও এই দুজনাও দোষী। এই দুদলৰ অন্যায়, অধিক পৰস্পৰ হিংসা-হিংসিভাৱেই অসম দেশখন খালে।"

মানৰ আক্রমণত হোৱা অত্যাচাৰ আৰু অসমীয়া মানুহৰ দুখ দুর্গতিৰ চিত্রখনিও উপন্যাসখনত ফুটি উঠিছে। মানদেশৰ পৰা উভতি আহি নির্মলে মানভাঙনিত পলাই অহা যুগী গাঁৱৰ বুঢ়া মানুহজনৰ মুখে মানৰ তৃতীয় আক্রমণৰ বিষয়ে জানিব পাৰিছে এনেদৰে— "....প্রথম দুবাৰত সিহঁতে আমাৰ ৰজাৰ পৰা কৰ-কাটল লোৱা আৰু যুঁজত ঘটা ৰণুৱাবিলাকক বন্দী কৰি ধৰি নিয়াত বাদে সাধাৰণ প্রজাৰ ওপৰত বিশেষ একো অত্যাচাৰ কৰা নাছিল। কিন্তু সিহঁতে তৃতীয়বাৰ অসম আক্রমণ কৰোঁতে যিহে উপদ্রৱ কৰিলে সেই কথা মনত পৰিলে এতিয়াও গাৰ নোম শিহঁৰি উঠে। সিহঁতে কিমান মানুহ, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী যে মাৰিলে তাৰ লেখ জোখ নাই। মাকৰ বুকুৰ পৰা কেঁচুৱা ল'ৰা টানি আঁজুৰি ওপৰলৈ ঢোপ মাৰি দি তলত তৰোৱাল পাতি কাটিলে। গিৰীয়েকৰ আগত ঘৈণীয়েকৰ জাতি ভ্রষ্ট কৰিলে, বুঢ়া-বুঢ়ীবিলাকক হালে হালে সাঙুৰি কাটিলে, ঠায়ে ঠায়ে গাঁওবিলাকত জুই লগাই দি আগেয়ে মানুহক ঘৰৰ ভিতৰত ৰাখি বাহিৰে দুৱাৰ বান্ধি লৈ ঘৰত জুই দি মানুহ পুৰি মাৰিলে।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ ঐতিহাসিক উপন্যাস বুলিলে কি বুজে?

.....

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰৱদলৈৰ উপন্যাস ৰচনাৰ প্রধান উদ্দেশ্য আছিল অসমীয়া জাতিৰ সর্বতোপ্রকাৰে কল্যাণ

সাধন কৰা। *নির্মল* ভকত উপন্যাসৰ কেইবা ঠাইতো চৰিত্রৰাজিৰ মুখেৰে সেই ভাবাদর্শ প্রকাশ পাইছে। উপন্যাসখনৰ চৰিত্রবোৰ নিজস্ব বৈশিষ্ট্যৰে উজ্জ্বল আৰু জীৱন্ত।

- অতিপ্রাকৃত ঘটনাৰ সমাবেশ ৰোমাণ্টিক সাহিত্যৰ প্রধান লক্ষণ। ৰোমাণ্টিক যুগৰ লেখক হিচাপে ৰৱদলৈৰ *নির্মল* ভকত উপন্যাসখনতো অতিপ্রাকৃত ঘটনাৰ সমাবেশ ঘটিছে।
- উপন্যাসখন আত্মবিবৃতিমূলক ৰীতিৰে ৰচনা কৰা হৈছে যদিও এই ৰীতি প্রয়োগত ঔপন্যাসিক সম্পূর্ণৰূপে সফল হ'ব পৰা নাই। উপন্যাসখনৰ ভাষা সৰল, যথার্থ ভাব প্রকাশক।



১০.৫ অধিক জানিবলৈ

1) ঠাকুৰ, নগেন (সম্পাদনা) (2000); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।
2) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
3) ভৰালী, শৈলেন (1996); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
4) ভৰালী, শৈলেন (2003); *উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
5) শর্মা, গোবিন্দ প্রসাদ (1995); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোর্ছ।
6) শর্মা, বসন্ত কুমাৰ (সংকলন); *ৰজনীকান্ত ৰৱদলৈৰ উপন্যাস সমগ্র;* ডিব্রুগড় ঃ সাৰদা প্রকাশন।
7) শর্মা, সত্যেন্দ্রনাথ (2007); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মচাৰিণী কৃষ্ণদাসী আনৰ সুখত সুখী আৰু দুখত দুখী হোৱা অলেখ অসমীয়া গঞা নাৰীৰ প্রতিনিধি স্বৰূপ।

২ নং প্রশ্নৰ উত্তৰ ঃ মান দেশৰ পৰা উভতি অহাৰ পিছত গাঁৱৰ মানুহে নির্মলক জাত যোৱা বুলি বাহিৰত খাবলৈ আৰু শুবলৈ দিছিল। দক্ষিণপাট সত্রৰ ভকতসকলে পৰাচিত নোহোৱাকৈ নির্মলক সত্রৰ ভিতৰলৈ যাব দিয়া নাছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইতিহাসক ভিত্তি কৰি নাইবা পটভূমি হিচাপে লৈ ৰচনা কৰা উপন্যাসকে বহল অর্থত ঐতিহাসিক উপন্যাস বুলি কোৱা হয়। ঐতিহাসিক উপন্যাসত ইতিহাসৰ কোনো তথ্য অথবা সত্য ঘটনা বা চৰিত্রৰ কার্যকলাপৰ বর্ণনা কৰাটো ঔপন্যাসিকৰ ঘাই উদ্দেশ্য নহয়। উপন্যাস যিহেতু সৃষ্টিধর্মী সাহিত্যৰ এটি শাখা সেয়ে সাহিত্য কলাৰ অন্যান্য শাখাৰ দৰে ইয়াৰো প্রধান উদ্দেশ্য আনন্দ প্রদান কৰা।



১০.৭ আৰ্হি প্রশ্ন

ৰস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ নির্মলে যুদ্ধত বন্দী হৈ কিমান দিন বিদেশত অতিবাহিত কৰিবলগীয়া হৈছিল?

প্রশ্ন ২ ঃ অনিৰাম কোন আছিল?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নির্মল চৰিত্রটোৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ *নির্মল ভকত* উপন্যাসখনৰ ৰচনাৰীতি আৰু ভাষা সম্পর্কে এটি নিবন্ধ লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ প্রায় ভাগ চৰিত্র নিয়তিৰ দ্বাৰা পৰিচালিত — কেনেকৈ?

প্রশ্ন ২ ঃ ঐতিহাসিক উপন্যাস হিচাপে বৰদলৈৰ *নির্মল ভকত*খন আলোচনা কৰক।

প্রশ্ন ৩ ঃ *নির্মল ভকত* উপন্যাসখনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ অলৌকিকতা আৰু অতিপ্রাকৃতিক উপাদানেৰে বৰদলৈৰ উপন্যাসসমূহ সমৃদ্ধ। *নির্মল ভকত* উপন্যাসত এই উপাদান দুটা কিদৰে প্রকাশ পাইছে।

প্রশ্ন ৫ ঃ *নির্মল ভকতত* ধর্মীয় জীৱনৰ কথা কিদৰে উদ্ভাসি উঠিছে? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ শংকৰদেৱ — কালিদমন

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য

11.2 পৰিচয়

11.3 অংকীয়া নাট

- 11.3.1 'অংকীয়া নাট' শব্দ দুটাৰ তাৎপর্য আৰু ইয়াৰ উৎপত্তি
- 11.3.2 অংকীয়া নাট ৰচনাৰ কলা-কৌশল
- 11.3.3 অংকীয়া নাটৰ বৈশিষ্ট্য

11.4 কালিদমন

- 11.4.1 নাটৰ মূল আৰু বিষয়বস্তু
- 11.4.2 সাধাৰণ আলোচনা
- 11.4.3 ৰস-বিচাৰ

11.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.6 অধিক জানিবলৈ

11.7 অগ্রগতিৰ খতিয়ান

11.8 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অংকীয়া নাটৰ উৎপত্তি আৰু বৈশিষ্ট্য সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব
- মহাপুৰুষ শংকৰদেৱৰ নাট ৰচনাৰ প্রধান উদ্দেশ্য নির্ণয় কৰিব পাৰিব
- কালিদমন নাটৰ কলা-কৌশল সম্বন্ধে বিশদ বিশ্লেষণ আগবঢ়াব পাৰিব
- কালিদমন নাটৰ প্রতীকধর্মিতাৰ যথাযথ ব্যাখ্যা দিব পাৰিব
- কালিদমন নাটৰ সৈতে 'বনাগ্নি পান' শীর্ষক ঘটনাংশৰ সংযোজনৰ প্রকৃত তাৎপর্য বুজাই ক'ব পাৰিব।

১১.২ পৰিচয়

এইখন পাঠ্যবিষয়ত আপুনি ইতিমধ্যে কেইবাটাও সাহিত্য বিধাৰ লগত পৰিচিত হ'ল। সাহিত্যৰ এটি উল্লেখযোগ্য ভাগ হ'ল নাটক। শংকৰদেৱৰ হাততেই অসমীয়া নাটকৰ জন্ম হৈছিল। শংকৰদেৱে লিখি যোৱা নাটসমূহক অংকীয়া নাট বুলি কোৱা হয়। এইটো অধ্যায়ত আপুনি অংকীয়া নাটৰ বিভিন্ন দিশৰ লগতে এখন অংকীয়া নাটৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। নাটখনি

হৈছে মহাপুৰুষ শংকৰদেৱকৃত কালিদমন। তেওঁ ৰচনা কৰা মুঠ নাটৰ সংখ্যা ছখন। তাৰে ভিতৰত কালিদমন নাটখনৰ এক সুকীয়া তাৎপর্য আছে। তলত নাটখনিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১১.৩ অংকীয়া নাট

শংকৰদেৱে তেৰাই প্ৰৱর্তন কৰা এক শৰণ নাম ধর্ম প্রচাৰ কৰিবলৈকে অংকীয়া নাটৰ সৃষ্টি কৰিছিল। খ্রীষ্টীয় পঞ্চদশ শতিকাৰ শেষৰ পৰা অসমীয়া নাট্য-সাহিত্যৰ এটি ধাৰাবাহিক ইতিহাস পোৱা যায়। তাৰ আগতে কোনো প্রকাৰৰ নাটক ৰচিত হোৱাৰ নিদর্শন পাবলৈ নাই। মহাপুৰুষ শংকৰদেৱ বিৰচিত 'চিহ্নযাত্রা'কে প্রথম অসমীয়া নাট বুলি আমি ক'ব পাৰোঁ। এইফালৰ পৰা মহাপুৰুষ শংকৰদেৱ হৈছে প্রথম অসমীয়া নাট্যকাৰ। শংকৰদেৱৰ পূর্বে অসমত নালাগে সর্বভাৰততে থলুৱা ভাষাত নাট ৰচিত হোৱাৰ নিদর্শন পোৱা নাযায়। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১.৩.১ 'অংকীয়া নাট' শব্দ দুটাৰ তাৎপর্য আৰু ইয়াৰ উৎপত্তি

'অংকীয়া নাট' শব্দটো ***অর্বাচীন***। বিশেষণবাচক অংকীয়া শব্দৰ সৈতে বিশেষ্য 'নাট' শব্দটো সংযোগ নহ'লে ইয়াৰ অর্থ ওলাই নপৰে। পুৰণি চৰিত পুথিত 'নাট' অর্থত অংক শব্দটোৰ ব্যৱহাৰ কৰা দেখা যায়, যেনে —

দেৱানৰ বাণী শুনি সীতা সয়ম্বৰ।
ৰামায়ণ অংক কৰি দিলন্ত শংকৰ।। *(দৈত্যাৰি ঠাকুৰঃ গুৰুচৰিত)*

সংস্কৃত *নাট্যশাস্ত্র* মতে অংক শব্দৰ অর্থ চিহ্ন; অর্থাৎ নাটকীয় কাহিনীৰ স্তৰ চিহ্নিত কৰা বিভাগ। চৰিতকাৰসকলে বা বৈষ্ণৱসকলে নাটৰ প্রতিশব্দৰূপে কিয় 'অংক' শব্দটো ব্যৱহাৰ কৰিলে, সেই কথা ধৰা টান। মহাপুৰুষ দুজনাৰ এজনেও অংক শব্দটো নাট অর্থত প্রয়োগ কৰা নাই। এই নাট বুজোৱা অংক শব্দটোত '-ঈয়া' প্রত্যয় লগ লগাই পাছৰ কালৰ বৈষ্ণৱ সমাজে বিশেষণ ৰূপত ব্যৱহাৰ কৰিবলৈ লয়। তদুপৰি ভক্ত সমাজে 'গুৰু অংকীয়া নাট' বা 'গুৰু অংক' বুলি কোৱাৰ পৰা 'অংকীয়া নাট' আখ্যাৰ প্রচলন হোৱা বুলিও কোনো কোনোৱে অনুমান কৰিছে। 'অংকীয়া নাট' আখ্যা দিয়াৰ সন্দর্ভত বহুতো মতামত পোৱা যায় যদিও গুৰু দুজনাৰ নাট বা সেই সাঁচত ঢলা নাট কেইখনক আন নাটৰ পৰা পৃথক কৰি দেখুৱাবৰ বাবেই পৰৱর্তী ভক্ত সমাজে এই 'অংকীয়া নাট' শব্দটো ব্যৱহাৰ কৰা বুলি অনুমান কৰা হয়। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল— মহাপুৰুষ দুজনাই তেওঁলোকৰ নাটৰ পাঠৰ ভিতৰত 'নাটক', 'নাট' আৰু 'যাত্রা' এই তিনিটা শব্দহে প্রয়োগ কৰিছে। তদুপৰি মহাপুৰুষ মাধৱদেৱ ৰচিত ('অর্জুন-ভঞ্জন' বাদে) নাটকেইখনক আকৌ পৃথককৈ 'ঝুমুৰা'হে বোলা হৈছে। এই ঝুমুৰাবোৰ 'অংকীয়া

নাট' বা 'যাত্রা'ৰ পৰা পৃথক। এইবোৰ ক্ষুদ্র পৰিসৰত ৰচিত আৰু কেৱল পৰিস্থিতি প্রধানহে। গতিকে দেখা যায় যে মহাপুৰুষ শংকৰদেৱে 'অংকীয়া নাট' আৰু মহাপুৰুষ মাধৱদেৱে 'ঝুমুৰা' নামে দুটা নতুন নাট্যশ্রেণীৰ সৃষ্টি কৰি অসমীয়া নাট্যসাহিত্যৰ প্রাৰম্ভিক স্তৰটো সুসমৃদ্ধ কৰি তুলিছিল।

অংকীয়া নাট শংকৰদেৱৰ মৌলিক সৃষ্টি যদিও ইয়াৰ উৎপত্তিৰ ক্ষেত্রত নানাবিধ উৎসৰ প্রভাৱ থকাটো সম্ভৱ। এইক্ষেত্রত সংস্কৃত নাটকৰ প্রভাৱৰ কথা পোন প্রথমে উল্লেখনীয়। সম্ভৱতঃ সংস্কৃত নাটেই তেওঁক অংকীয়া নাট ৰচনাৰ পথ দেখুৱাইছিল। সংস্কৃত নাটৰ লগত অংকীয়া নাটৰ কিছু কিছু মিল আছে যদিও এটা কথা ঠিক যে অংকীয়া নাটৰ নাট্যশৈলীয়ে সংস্কৃত নাট্যৰীতিক হুবহু সমর্থন নকৰে। বিশেষকৈ— সংস্কৃত নাটৰ নান্দী, প্রৰোচনা, প্রস্তাৱনা আৰু ভৰতবাক্যৰ অনুৰূপ মুক্তিমংগল ভটিমা, পূর্বৰংগ, সূত্রধাৰৰ প্রাধান্য আৰু শ্লোকৰ বাহিৰে আন কেইটামান দিশত সংস্কৃত নাটকৰ লগত অংকীয়া নাটৰ মিল নাই। এনে বৈসাদৃশ্য কেতবোৰ হ'ল — গীতিধর্মিতা, নৃত্য আৰু মুদ্রাৰ প্রাচুর্য আৰু কথাসূত্রৰ প্রয়োগ। অংকীয়া নাটত প্রাধান্য পোৱা এই সমলকেইটাৰ অসমীয়া থলুৱা লোকনাট্যধর্মী অনুষ্ঠান কেতবোৰৰ লগতহে মিল থকা পৰিলক্ষিত হয়। এনে অনুষ্ঠানসমূহ হ'ল— পুতলা নাচ, ওজাপালি, দেওধনী নৃত্য, ঢুলীয়া নৃত্য, কুশান গান, ভাৰীগান, পচতি নাম আদি। অংকীয়া নাটৰ উৎপত্তিৰ ক্ষেত্রত শংকৰদেৱক এই থলুৱা লোকনাট্যধর্মী অনুষ্ঠানসমূহে যথেষ্ট প্রভাৱিত কৰিছিল। সম্ভৱতঃ নাট্যকাৰজনাই এই অনুষ্ঠানসমূহ প্রত্যক্ষ কৰিছিল আৰু তাৰ পৰা সমল আহৰণ কৰি তেওঁৰ নাট্যকর্মক অসমীয়া মাটি-পানীৰে জীপাল কৰি তুলিছিল।

অসমত বহুকাল আগৰে পৰা প্রচলিত হৈ অহা উল্লিখিত লোকনাট্যানুষ্ঠানসমূহত নৃত্য-গীতৰ প্রাধান্য মন কৰিবলগীয়া। অংকীয়া নাটতো কেৱল গীতাংশৰ দ্বাৰাই নাটৰ কাহিনীভাগ অনুধাৱন কৰিব পাৰি। তেনেদৰে, অংকীয়া নাটত থকা নৃত্য আৰু তাৰ অনুষংগস্বৰূপ মুদ্রাসমূহ থলুৱা লোকনাট্যৰে সম্ভাৱ্য প্রভাৱ বুলিব পাৰি। ওজাপালি, পুতলা নাচ আদি থলুৱা লোকনাট্যধর্মী অনুষ্ঠানবোৰৰ প্রতিটো কার্যই নৃত্যৰ মাজেদি সম্পন্ন কৰা হয়। অংকীয়া নাটসমূহতো এই বৈশিষ্ট্য লক্ষ্য কৰা যায়। অংকীয়া নাটত অন্তর্ভুক্ত তিনিবিধ প্রধান নৃত্যৰ ভিতৰত সূত্রধাৰৰ নৃত্যকেই আটাইতকৈ গুৰুত্বপূর্ণ বুলি কোৱা হয়। সূত্রধাৰে হাত-ভৰি আৰু মূৰৰ বিভিন্ন মুদ্রা আৰু ভংগী প্রদর্শন কৰে। নৃত্যবিশাৰদসকলৰ মতে, সূত্রধাৰৰ মুদ্রা আৰু ভংগীবোৰৰ লগত বিয়াহৰ ওজাপালিৰ ওজাৰ মুদ্রা আৰু ভংগীৰ মিল আছে। ইয়াৰ বাহিৰেও, নাটৰ অন্যান্য চৰিত্রসমূহেও তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য অনুসৰি নৃত্য কৰে। আনকি, নাটৰ চৰিত্রসমূহে প্রৱেশ, প্রস্থান, অৱস্থান আদি আটাইবোৰ কার্য নৃত্যৰ মাধ্যমেৰে সম্পন্ন কৰে। গতিকে আমি ক'ব পাৰো যে গুৰুজনাই অংকীয়া নাটত প্রয়োগ কৰা এই নৃত্য-মুদ্রাৰ প্রাচুর্য থলুৱা লোক-নাট্যধর্মী অনুষ্ঠানসমূহৰ পৰাই আহৰণ কৰিছিল।

অংকীয়া নাটৰ 'সূত্রধাৰ' নামটো গুৰুজনাই সংস্কৃত নাটকৰ পৰা গ্রহণ কৰিছে। সেয়ে হ'লেও, অংকীয়া নাটৰ সূত্রধাৰৰ গাত থলুৱা সাঁচ লক্ষ্য কৰা যায়। আন কথাত, সংস্কৃত নাটকৰ সূত্রধাৰতকৈ 'ওজাপালি'ৰ 'ওজা', 'পুতলা নাচ'ৰ 'বায়ন' আৰু 'কুশান গান'ৰ 'দোৱাৰী'ৰ সৈতেহে অংকীয়া নাটৰ সূত্রধাৰৰ মিল পৰিলক্ষিত হয়। তেওঁলোকৰ দৰে অংকীয়া নাটৰ সূত্রধাৰো একাধাৰে গায়ক, নর্তক, পৰিচালক আৰু পৰিস্থিতি ব্যাখ্যাকাৰী। সাজ-পাৰৰ ক্ষেত্রতো ওজা আৰু সূত্রধাৰৰ ভালেখিনি সাদৃশ্য আছে। আকৌ, অংকীয়া নাটৰ অভিনয়ৰ কালত চৰিত্রসমূহে যি 'মুখা'ৰ ব্যৱহাৰ কৰে, সেয়া 'ঢুলীয়া নাচ', 'কুশান গান', 'ভাৰীগান' আদিৰ সৈতেহে মিলে। নাট্যৰীতিৰ দৰে নাট উপস্থাপনৰ ক্ষেত্রতো শংকৰদেৱৰ অংকীয়া নাটত উদ্‌যাপিত 'ধেমালি'ৰ দৰে পৰিবেশ সৃষ্টিকাৰী প্রাৰম্ভিক সংগীতানুষ্ঠান অসমৰ থলুৱা লোকনাট্যধর্মী অনুষ্ঠান 'পুতলা নাচ', 'কুশান গান' আদিতো পৰিলক্ষিত হয়। সেইদৰে সংস্কৃত নাট্যবিধিৰ প্রতিকূলে শংকৰদেৱে অংকীয়া নাটত দেখুওৱা জন্ম, বিবাহ, মৃত্যু আদিৰ চিত্র নিঃসন্দেহে থলুৱা লোকনাট্যধর্মী অনুষ্ঠানৰ প্রভাৱ বুলি ক'ব পাৰি। শংকৰদেৱে তেওঁৰ নাট্যশিল্পক অধিক জনমুখী কৰি তোলাৰ বাবেই হয়তো এনেদৰে থলুৱা লোকনাট্যধর্মী অনুষ্ঠানবোৰৰ পৰা সমল সংগ্রহ কৰিছিল।

গতিকে দেখা যায় যে মহাপুৰুষ শংকৰদেৱে অংকীয়া নাট ৰচনাৰ ক্ষেত্রত সংস্কৃত নাট আৰু অসমৰ থলুৱা লোকনাট্যধর্মী অনুষ্ঠানৰ পৰা উপাদানসমূহ সংগ্রহ কৰিছিল। মুঠতে, অংকীয়া নাট একাধিক নাট্যানুষ্ঠানৰ সমন্বয়ৰ ফল। সেয়ে হ'লেও, থলুৱাই হওক কিম্বা বাহিৰৰে হওক এই নাট্যধর্মী অনুষ্ঠানবোৰৰ পৰা শংকৰদেৱে অংকীয়া নাটৰ জঁকাটোহে নির্মাণ কৰিছে। তাত ৰক্ত-মাংস সংযোগ কৰিছে মৌলিকতাৰে। সেয়েহে, অংকীয়া নাটৰ কলা-কৌশল, বিষয়বস্তু নির্বাচন আদিত শংকৰদেৱৰ স্বকীয় প্রতিভাৰ ছাপ সুস্পষ্ট।

মুঠতে বিভিন্ন প্রভাৱৰ জেউতিৰে আলোকিত হ'লেও, 'অংকীয়া নাট', শংকৰদেৱৰ সৃজনী প্রতিভাৰ অক্ষয় কীর্তি। গুৰুজনাই বিৰল প্রতিভাৰ দ্বাৰা নতুন ভাষা প্রয়োগৰ জৰিয়তে বিধিসম্মত ৰীতি-নীতিৰে গঢ় দিয়াৰ ফলত 'অংকীয়া নাট' লোককলাৰ পৰা শাস্ত্রীয় কলালৈ উন্নীত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'অংকীয়া নাট' শব্দটো শংকৰদেৱে তেওঁৰ নাট্য-শিল্পক বুজাবলৈ ব্যৱহাৰ কৰিছিল নে?

.....

প্রশ্ন নং ২ ঃ মাধৱদেৱৰ নাটকেইখনক কি আখ্যা দিয়া হয়?

.....

১১.৩.২ অংকীয়া নাট ৰচনাৰ কলা-কৌশল

অংকীয়া নাট বৈষ্ণৱ সাহিত্যৰ অনুপম সৃষ্টি। এইবিধ নাট ৰচনাৰ কলা-কৌশলসমূহ নিম্নোক্ত ধৰণে যুকিয়াই দেখুৱাব পাৰি।

- *নান্দী শ্লোক ঃ* অভিনয়ৰ পূৰ্বে অংকীয়া নাটত দুই প্ৰকাৰৰ নান্দী শ্লোকৰ প্ৰয়োগ দেখা যায়। প্ৰথমটোত উপাস্য দেৱতাৰ প্ৰতি প্ৰাৰ্থনা আৰু দ্বিতীয়টোত নাট্যবিষয়বস্তুৰ পূৰ্বাভাস থাকে। অংকীয়া নাটৰ এই নান্দী শ্লোক সংস্কৃত ৰূপকৰ অনুৰূপ।
- *প্ৰৰোচনা ঃ* পাত্ৰ-পাত্ৰীৰ মঞ্চত প্ৰৱেশৰ আগমুহূৰ্তত নাট্যকাহিনীৰ প্ৰশংসাৰে দৰ্শকৰ মন অভিনয়ৰ প্ৰতি কৌতূহলী কৰাই হ'ল প্ৰৰোচনা। অংকীয়া নাটৰ প্ৰৰোচনাত "ভোঃ ভোঃ সামাজিক" বুলি কৃষ্ণৰ অৱতাৰী লীলাৰ প্ৰশংসা কৰি কাহিনীক 'মুক্তিসাধকম্' বুলি কৈ দৰ্শকক প্ৰৰোচিত কৰা হয়। ইয়াত সংস্কৃত নাটকৰ দৰে কাহিনী-বৰ্ণনাৰ আত্ম প্ৰশংসা নাই।
- *প্ৰস্তাৱনা ঃ* অংকীয়া নাটত সূত্ৰধাৰে অন্য সংগীৰ লগত কথা-বতৰাৰ যোগেদি মঞ্চত পাত্ৰ-পাত্ৰীৰ প্ৰৱেশ কৰোৱাৰ কৌশলেই প্ৰস্তাৱনা। সূত্ৰধাৰে 'আহে সংগী কি বাদ্য বাজত' বুলি আৰম্ভ কৰি 'আঃ সে পৰমেশ্বৰ শ্ৰীকৃষ্ণ মিলল, মিলল' বুলি প্ৰস্তাৱনাৰ বিধি সম্পন্ন কৰে। অংকীয়া নাটৰ এই প্ৰস্তাৱনাত সংস্কৃত নাটৰ আৰ্হি বিদ্যমান।
- *সূত্ৰধাৰ ঃ* সূত্ৰধাৰ অংকীয়া নাটৰ কেন্দ্ৰবিন্দু। তেৱেঁই নাটখনৰ আঁত ধৰি ঘটনাংশক আৰম্ভণিৰ পৰা পৰিণতিলৈ আগবঢ়াই নিয়ে। এই বিষয়ে পৰৱৰ্তী শাখাটোত বহলাই আলোচনা কৰা হ'ব।
- *পঞ্চসন্ধিৰ প্ৰয়োগ ঃ* সংস্কৃত নাটকৰ দৰে অংকীয়া নাটৰ কাহিনীৰ গতি প্ৰৱাহতো পাঁচ প্ৰকাৰৰ সন্ধিৰ প্ৰয়োগ লক্ষ্য কৰা যায়; যথা— মুখ, প্ৰতিমুখ, গৰ্ভ, অৱমৰ্শ আৰু নিৰ্বহন। কিন্তু, স্বল্প কলেৱৰৰ হেতু সকলোবোৰ অংকীয়া নাটতে ই স্পষ্ট নহয়। মাত্ৰ গুৰুজনাৰ *ৰুক্মিণী-হৰণ, পাৰিজাত হৰণ* আদিৰ দৰে দুই-এখন নাটতহে এই পঞ্চসন্ধি স্পষ্টভাৱে দেখুৱাব পাৰি।

অংকীয়া নাট ৰচনাৰ কলা-কৌশল এইবোৰেই। এই কৌশলবোৰৰ সহায়ত শংকৰদেৱ তথা তেওঁৰ অনুগামী শিষ্য-প্ৰশিষ্যসকলে দৰ্শকসকলক নাট্যাভিনয় দেখুৱাই তেওঁলোকৰ মন ভগৱতমুখী কৰি তুলিবৰ প্ৰয়াস কৰিছিল।

১১.৩.৩ অংকীয়া নাটৰ বৈশিষ্ট্য

অংকীয়া নাট মহাপুৰুষ শংকৰদেৱৰ কলাত্মক তুলিকাৰ প্ৰকৃত প্ৰকাশ। এই

নাটৰ বৈশিষ্ট্যসমূহ এনেধৰণৰ—

(ক) সূত্রধাৰৰ প্রাধান্য

(খ) কাব্যধর্মী গীত, শ্লোক আৰু পয়াৰৰ প্রাচুর্য

(গ) ব্রজাৱলী ভাষাৰ প্রয়োগ

(ঘ) লয়যুক্ত গদ্যৰ ব্যৱহাৰ

(ঙ) সংগীত-নৃত্যৰ প্রয়োগ আৰু

(চ) ভক্তিৰসৰ প্রাধান্য।

➢ *সূত্রধাৰৰ প্রাধান্য* ঃ সূত্রধাৰ অংকীয়া নাটৰ এটা অন্যতম প্রধান বৈশিষ্ট্য। ই নাটকীয় চৰিত্র নহয়, দর্শক আৰু চৰিত্রৰ মধ্যস্থ ব্যক্তিহে। মহাপুৰুষজনাই 'সূত্রধাৰ' নামটো নিশ্চয়কৈ সংস্কৃত নাটকৰ পৰা গ্রহণ কৰিছিল; কিন্তু সর্বসাধাৰণ দর্শকৰ শিক্ষা-দীক্ষা আৰু সংস্কাৰলৈ লক্ষ্য ৰাখি তেওঁ 'সূত্রধাৰ'ক নতুন ৰূপত তুলি ধৰিলে। অংকীয়া নাটত নান্দী আৰু প্রস্তাৱনাতে সূত্রধাৰৰ ভূমিকা সীমাবদ্ধ নহয়। সংস্কৃত নাটকৰ বিপৰীতে ইয়াত সূত্রধাৰে নাট্যাভিনয়ত আদিৰে পৰা অন্তলৈকে উপস্থিত থাকি অনুষ্ঠান পৰিচালনা কৰে। ***স্থাপক***ৰ সলনি সংগীৰ সহায়ত বিষয়বস্তু উপস্থাপন কৰি 'ইতি সূত্র নিষ্ক্রান্তঃ' বুলি কয় যদিও তেওঁ অভিনয়স্থলীৰ পৰা আঁতৰি নাযায় আৰু ইয়াৰ পাছৰ পর্যায়তো অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। সেইবাবে সংস্কৃত নাটকৰ সূত্রধাৰতকৈ ওজাপালিৰ 'ওজা', পুতলা নাচৰ 'বায়ন' আৰু কুশানগানৰ 'দোৱাৰী'ৰ সৈতেহে অংকীয়া নাটৰ সূত্রধাৰৰ অধিক মিল থকা দেখা যায়। তেওঁলোকৰ দৰে সূত্রধাৰো একাধাৰে গায়ক, নর্তক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু অভিনয় পৰিচালক। সাজপাৰৰ ক্ষেত্রতো ওজাপালিৰ ওজা আৰু সূত্রধাৰৰ ভালেখিনি মিল থকাটো মন কৰিবলগীয়া। গতিকে দেখা যায় যে অংকীয়া নাটৰ সূত্রধাৰ এনে এক চৰিত্র যাৰ ইংগিত বা নির্দেশ অনুসৰি পাত্র-পাত্রীয়ে অভিনয় কৰে আৰু নিজ নিজ কর্তব্য সম্পাদন কৰে। আনকি সূত্রধাৰৰ নেতৃত্বতে নাট্যকাহিনী ক্রমশঃ পৰিণতিৰ পিনে আগবাঢ়ি যায়। মুঠতে অংকীয়া নাটত সূত্রধাৰক কেন্দ্র কৰিয়েই নাট্যকাহিনী চকৰিৰ দৰে ঘূৰে। তেওঁ নাটৰ ঘটনাৱলীৰ সকলো সম্ভাব্য অর্থ উদ্ধাৰ কৰি 'আহে সামাজিক লোক' বুলি দর্শকক বুজাই দিয়ে। অংকীয়া ভাওনাত সূত্রধাৰৰ দ্বাৰা অনুষ্ঠিত প্রধান কামসমূহ হ'ল—

❍ নান্দী শ্লোক পাঠ

❍ প্রাৰম্ভিক ভটিমাৰ আবৃত্তি

❍ মাংগলিক ভক্তিজ্ঞাপক নৃত্য প্রদর্শন

❍ সংগীৰ লগত কথোপকথনৰ প্রসংগত নাটৰ নাম ঘোষণা আৰু অভিনয়ৰ ফল কথনৰ দ্বাৰা দর্শকক প্রৰোচিত কৰা

❍ ৰংগমঞ্চত কোনো এক বাদ্যধ্বনিক কেন্দ্র কৰি প্রধান চৰিত্র প্রমুখ্যে আন



স্থাপকঃ সংস্কৃত নাটকত বিষয়বস্তু উপস্থাপন কৰোঁতা।

পাত্ৰ-পাত্ৰীৰ প্ৰৱেশকৰণ আৰু দৰ্শকৰ আগত পৰিচয় জ্ঞাপন

- নাটকীয় ঘটনা পৰম্পৰা আৰু পৰিস্থিতিসমূহ গীত আৰু কথাসূত্ৰৰ জৰিয়তে মুকলিকৈ প্ৰকাশ কৰা আৰু ঘটনা পৰম্পৰাৰ সংযোগসূত্ৰ স্থাপন কৰা। লগতে সংস্কৃত শ্লোক, নাটৰ গীত (ব্যক্তিগত সুখ-দুখ বা বিলাপ গীতৰ বাহিৰে), পয়াৰ আৰু গদ্যাত্মক বৰ্ণনা পৰিৱেশন কৰা
- আধুনিক নাটকৰ স্মাৰকৰ কাম সম্পাদনা কৰা
- ৰংগমঞ্চত অভিনয়ৰ অনুপযোগী ঘটনাৰ বৰ্ণনা দিয়া
- শেষত মুক্তিমংগল ভটিমাৰ দ্বাৰা নাটৰ পৰিসমাপ্তি ঘটোৱা, ইত্যাদি।

গতিকে অংকীয়া নাটৰ সূত্ৰধাৰজনক একেধাৰে নাট পৰিচালক, মঞ্চ পৰিচালক আৰু প্ৰধান অভিনেতা বুলি ক'ব পাৰি। মহাপুৰুষজনাৰ নাট ৰচনাৰ প্ৰধান উদ্দেশ্য সূত্ৰধাৰৰ দ্বাৰা সাৰ্থক হৈছে বুলি ক'ব পাৰি। দৰ্শকে নাটৰ চৰিত্ৰৰ লগত একাত্মবোধ যাতে নকৰে, বৰং ভগৱানৰ লীলা বুলি ভক্তিভাৱহে দৃঢ় কৰিব পাৰে সেই আদৰ্শ আগত ৰাখি সূত্ৰধাৰে সঘনে ঈশ্বৰত্ব সম্পৰ্কে দৰ্শকক সকীয়াই থাকে।

- *কাব্যধৰ্মী গীত, শ্লোক আৰু পয়াৰৰ প্ৰাচুৰ্য ঃ* অংকীয়া নাটৰ দ্বিতীয় উল্লেখনীয় বৈশিষ্ট্য হৈছে ইয়াৰ গীতিধৰ্মিতা। নাটৰ আৰম্ভণি আৰু পৰিসমাপ্তিয়েই কেৱল গীতিমুখৰ নহয়; গোটেই নাটকীয় কাহিনী বা বিষয়বস্তুকে গীতৰ মাধ্যমেৰে পৰিণতিৰ ফালে আগুৱাই নিয়া হয়। নাটকৰ সংলাপ আৰু কথাসূত্ৰখিনি পৰিহাৰ কৰি কেৱল গীত আৰু পয়াৰ অংশ পঠনৰ দ্বাৰাও নাটৰ কাহিনী অনুধাৱন কৰিব পাৰি। সেয়ে গীত-পদৰ প্ৰাধান্যলৈ লক্ষ্য কৰিয়েই কোনো কোনোৱে গাঁথনিৰ ফালৰ পৰা অংকীয়া নাটক গীতি-ধৰ্মী নাট আৰু বিষয়বস্তুৰ ফালৰপৰা নাট্য-ধৰ্মী গীত-পদৰ সমষ্টি বুলি অভিহিত কৰিছে। অংকীয়া নাটৰ কাহিনীভাগৰ জঁকাটো নিৰ্মাণ কৰা হৈছে সংস্কৃত শ্লোকসমূহৰ দ্বাৰা আৰু গীত-পদ, সংলাপৰ দ্বাৰা তাত ৰক্ত-মাংস সংযোগ কৰা হৈছে। নাটকীয় ঘটনাৰ প্ৰত্যেকটো অৱস্থাক প্ৰথমে শ্লোকত প্ৰকাশ কৰি তাৰ পাছত গীতত বহলাই বিশ্লেষণ কৰা অংকীয়া নাটৰ এক প্ৰধান বিশেষত্ব। অংকীয়া নাটৰ গীতসমূহক চাৰিটা ভাগত ভগাব পাৰি—
  - ভক্তিপ্ৰধান গুৰুগম্ভীৰ ভটিমা
  - নাটকীয় কাহিনীৰ অংগীভূত ৰাগ-তালযুক্ত অনুভূতিশীল গীত
  - বৰ্ণনাত্মক পয়াৰ আৰু
  - প্ৰৱেশৰ গীত।

  অংকীয়া নাটৰ এই গীতসমূহৰ ৰাগ-তাল আদি শাস্ত্ৰ-অনুমোদিত। গীতবোৰৰ সাংগীতিক মূল্যৰ উপৰি সাহিত্যিক মূল্যও অপৰিসীম। ভক্তিপ্ৰধান গুৰুগম্ভীৰ ভটিমাক স্তুতিবাচক গীত বোলে। অংকীয়া নাটত সাধাৰণতে তিনি প্ৰকাৰৰ এনে ভটিমা পোৱা যায়— দেৱতাক উদ্দেশ্য কৰি গোৱা 'দেৱভটিমা', ৰজাক উদ্দেশ্য

কৰি গোৱা 'ৰাজভটিমা' আৰু চৰিত্ৰৰ ৰূপ-গুণ বৰ্ণনা কৰি গোৱা 'নাটভটিমা'। আনহাতে, নাটকীয় কাহিনীৰ অংগীভূত ৰাগ-তালযুক্ত অনুভূতিশীল গীতত কাহিনীৰ স্তৰ, পৰিস্থিতি আদি ফুটি উঠে। নাটকৰ কাহিনীৰ লগত সম্পৰ্কিত এই গীতে নাট্যকাৰৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। তদুপৰি, বৰ্ণনাত্মক পয়াৰ আৰু চপয়বোৰ পয়াৰ ছন্দত গোৱা কৰুণ ৰসাত্মক সাধাৰণ গীত। আকৌ, প্ৰৱেশৰ গীতে চৰিত্ৰৰ আৱয়ৱিক আৰু স্বভাৱ আদি প্ৰকাশ কৰে। বিভিন্ন ভাবানুগামী ছন্দ, অনুপ্ৰাস, যমক আৰু অৰ্থালংকাৰৰ প্ৰয়োগৰ দ্বাৰা বৰ্ণনীয় বিষয়ক ৰমণীয় আৰু শ্ৰুতিমধুৰ কৰি পৰিস্থিতি বা ভাবানুভূতিৰ একোখন উজ্জ্বল আৰু হৃদয়-সংবাদী চিত্ৰ প্ৰত্যেকটি গীতত অংকন কৰাৰ প্ৰয়াস দেখা যায়।

- *ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ* ঃ অংকীয়া নাটৰ তৃতীয় প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ ভাষা। এই ভাষা 'ব্ৰজাৱলী' বা 'ব্ৰজবুলি' নামেৰে জনাজাত। এই ভাষা কোনো বিশেষ অঞ্চলৰ হুবহু কথিত ভাষা নহয়। মধ্যযুগীয় বৈষ্ণৱ কবিসকলে গঢ়ি তোলা ই এক 'কৃত্ৰিম সাহিত্যিক ভাষা'। মৈথিলী কবি বিদ্যাপতিয়ে তেওঁৰ পদাৱলীত যি অৱহট্‌ঠ ভাষাৰ ব্যৱহাৰ কৰিছিল, সেই ভাষাৰ ভেটিতে বংগ, উৰিষ্যা আৰু অসমৰ বৈষ্ণৱ কবিসকলে নিজ নিজ থলুৱা ভাষাৰ সংমিশ্ৰণৰ দ্বাৰা এই কৃত্ৰিম সাহিত্যিক ভাষাটোৰ সৃষ্টি কৰিছিল।

'ব্ৰজাৱলী' বা 'ব্ৰজবুলি'ৰ উৎপত্তিৰ প্ৰসংগত পণ্ডিতসকলে ভিন ভিন মত আগবঢ়োৱা দেখা যায়। ড^0 সুকুমাৰ সেনৰ মতে — 'অৱহট্‌ঠ ভাষাৰ পৰাই ব্ৰজবুলিৰ জন্ম আৰু ব্ৰজবুলি কোনো প্ৰদেশ বিশেষৰ সম্পত্তি নহয়; ই হৈছে আৰ্য ভাষাৰ উমৈহতীয়া সম্পত্তি আৰু এক হিচাপে কনিষ্ঠতম সৰ্বভাৰতীয় সাধু আৰ্যভাষা।' ড^0 বিৰিঞ্চি কুমাৰ বৰুৱাই *Aspects of Early Assamese Literature* গ্ৰন্থত 'ব্ৰজাৱলী'ক অসমৰ সাংস্কৃতিক, আধ্যাত্মিক আৰু ভাষাতাত্ত্বিক দিশলৈ লক্ষ্য কৰি ইয়াক 'উমৈহতীয়া ৰাষ্ট্ৰীয় ভাষা' (A common national language) আখ্যা দিছে। দৰাচলতে খ্ৰীষ্টীয় নৱম-দশম শতিকামানৰ পৰা ভাৰতীয় আৰ্যভাষাই বিৱৰ্তনৰ মাজেৰে যি সৰলতৰ ৰূপ লৈছিল সেইটোৱে অৱহট্‌ঠ। এই অৱহট্‌ঠ স্তৰৰ পৰাই অন্যান্য আঞ্চলিক ভাষাৰ দৰে অসমীয়া, বাংলা, উড়িয়া, মৈথিলী আদি ভাষাই স্বকীয় ৰূপ পৰিগ্ৰহ কৰিছিল। এই ভাষাৰ পৰিশীলিত ৰূপ এটিক মৈথিলী কবি বিদ্যাপতিয়ে 'পদাৱলী'ত প্ৰথম প্ৰয়োগ কৰে। মৈথিলীৰ পাছতে উৰিষ্যা, বংগ আৰু অসমত এই ভাষাই থলুৱা ভাষাৰ মিশ্ৰণেৰে কিছু সুকীয়া ৰূপত আত্মপ্ৰকাশ কৰে। দৰাচলতে 'ব্ৰজাৱলী' বা 'ব্ৰজবুলি' মিথিলাৰ পৰা আহি অসমত প্ৰতিষ্ঠা লাভ কৰা ভাষা নহয়। ই অৱহট্‌ঠ অধ্যুষিত বৃহত্তৰ ভূখণ্ডৰ উত্তৰ-পূব সীমান্তত অৱস্থিত অসমৰ বুকুত থলুৱা সৌষ্ঠৱেৰে আত্মপ্ৰকাশ কৰা ভাষা। অৱশ্যে মহাপুৰুষ দুজনাৰ 'ব্ৰজাৱলী' ৰচনাৰ ঠায়ে ঠায়ে ভোজপুৰী, অৱধী আৰু ব্ৰজভাষাৰ ছিটিকনিও

পৰা দেখা যায়। উদাহৰণস্বৰূপে— 'কবহু', 'জাকেৰ', 'জৈসে', 'কৈসে', 'সোহি' আদি ৰূপ মৈথিলী, অৱধী আৰু ব্ৰজভাষাতো পোৱা যায়।

মহাপুৰুষ শংকৰদেৱে তীর্থ ভ্ৰমণ কালত বিদ্যাপতিৰ ব্ৰজবুলি গীতবোৰ নিশ্চয় শুনিবলৈ পাইছিল আৰু তাৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। সেয়ে, তেওঁ অসমতো সেই ভাষা অৱলম্বন কৰি নাট-গীত আদি ৰচনা কৰিবলৈ মন মেলে। অংকীয়া নাটৰ গীত-পদ আৰু কথা উভয়তে 'ব্ৰজাৱলী' ভাষা প্ৰয়োগ কৰাৰ উদ্দেশ্য প্ৰধানকৈ তিনিটা বুলি অম্বিকানাথ বৰাদেৱে তেখেতৰ সম্পাদিত 'ৰুক্মিণীহৰণ'ৰ পাতনিত উল্লেখ কৰিছে। প্ৰথমতে— সেই ভাষাত ৰচনা কৰিলে গীত বা নাটৰ আবেদন অসমীয়া সমাজত আবদ্ধ নাথাকি সমগ্ৰ পূব ভাৰতত গ্ৰহণীয় হ'ব আৰু ওচৰ-চুবুৰীয়া বংগ, বিহাৰ আৰু উৰিষ্যাৰ বৈষ্ণৱ গোষ্ঠীৰ লগত সংগতি স্থাপন কৰাত সহায়ক হ'ব। কাৰণ এই ভাষাতে তেওঁলোকেও গীত-পদ ৰচনা কৰিছিল। দ্বিতীয়তে— এই ভাষাৰ প্ৰয়োগে নাটবোৰক মর্যাদা আৰু গাম্ভীর্য দিব। নাটবোৰৰ পাত্ৰ-পাত্ৰী হ'ল দেৱ-দেৱী; তেওঁলোকৰ মুখত সাধাৰণ যদু-মধুৱে কোৱা কথিত ভাষা দিবলৈ গ'লে দেৱ-দেৱীৰ মর্যাদা লাঘৱ হ'ব বুলি মহাপুৰুষৰ সন্দেহ আছিল। ইফালে দেৱভাষা বুলি সংস্কৃতো দিব নোৱাৰে; তেনে কৰিলে সৱহভাগ দর্শকে নাট বুজি নাপাব। গতিকে সংস্কৃতো নহয়, কথিত অসমীয়াও নহয়, তাৰ মাজতে সকলোৱে বুজিব পৰা ভাষা হ'ল ব্ৰজবুলি। তৃতীয়তে— ব্ৰজাৱলী নামটোৰো এটা বিশেষ আকর্ষণ আছে। ব্ৰজধামৰ অর্থাৎ কৃষ্ণস্মৃতিৰে বিজড়িত পৱিত্ৰ স্থানৰ ভাষা বুলি সর্বসাধাৰণৰ ধাৰণা হ'ব। তদুপৰি ভাষাটোও কোমল আৰু মিঠাসুৰীয়া। গতিকে, এনে কাৰণতে শংকৰদেৱে আন প্ৰান্তীয় বৈষ্ণৱ কবিৰ দৰে ৰচনাৰ মাধ্যম হিচাপে অসমীয়া ব্ৰজবুলি ভাষাৰ সৌধ নির্মাণ কৰিছিল।

'ব্ৰজবুলি' শব্দটোৰ সর্বপ্ৰথম প্ৰয়োগ চকুত পৰে ঊনবিংশ শতিকাৰ বংগৰ কবি ঈশ্বৰচন্দ্ৰ গুপ্তৰ ৰচনাত। হিন্দী 'বোলী'(ভাষা, যেনে— খড়ীবোলী)ৰ অনুকৰণত বঙলা কবিয়ে গঢ়ি তোলা 'ব্ৰজবুলি' শব্দটোৱে বংগদেশত জনপ্ৰিয়তা অর্জন কৰাৰ পাছত সেই শব্দটো অসমত প্ৰৱেশ কৰিছিল আৰু সি গীত আৰু অংকত ব্যৱহৃত ভাষাটোক সূচাইছিল। ভাষাৰ বিৱর্তনৰ পৰম্পৰা অনুসৰি কালক্ৰমত 'ব্ৰজবুলি' 'ব্ৰজাৱলী' হ'ল। নামকৰণ যিয়েই নহওক, ইয়াৰ উদ্দেশ্যৰ ক্ষেত্ৰত কিন্তু কোনো দ্বিমত নাই। বিষয়বস্তু আৰু চৰিত্ৰৰ গাম্ভীর্য অক্ষুণ্ণ ৰখা আৰু ইয়াক জনসাধাৰণৰ অধিক ওচৰ চপাই নিয়াই আছিল ব্ৰজাৱলী ভাষা প্ৰয়োগৰ ঘাই উদ্দেশ্য। মহাপুৰুষজনাই অভিনৱ ব্ৰজাৱলী ভাষাৰে অংকীয়া নাটসমূহ ৰচনা কৰি ইয়াক এক বিশেষ শ্ৰেণীৰ সাহিত্য হিচাপে গঢ় দিছে। উল্লেখযোগ্য যে শংকৰদেৱৰ পৰৱর্তী কালৰ নাট্যকাৰসকলৰ হাতত এই ভাষা অধিক সৱলতৰ হৈ সকলোৱে বাবে বোধগম্য হৈ পৰিছিল।

- *লয়যুক্ত গদ্যৰ ব্যৱহাৰ ঃ* অংকীয়া নাটৰ চতুর্থ বৈশিষ্ট্য হ'ল লয়যুক্ত গদ্য বা বৃত্তগন্ধী গদ্যৰ প্রয়োগ। শংকৰদেৱৰ নাটত ব্যৱহাৰ হোৱা গদ্যকে প্রথম অসমীয়া গদ্যৰ নিদর্শন বুলিব পাৰি। তেওঁৰ পূর্বে কেৱল অসমীয়া নহয়, ভাৰতৰ আন প্রান্তীয় ভাষাতো গদ্যৰ উন্মেষ ঘটা দেখা নাযায়। অৱশ্যে ইয়াক বিশুদ্ধ অসমীয়া গদ্যৰ শাৰীত ধৰা নহয়। সেয়ে হ'লেও, এই গদ্য অসমীয়া কথা-সাহিত্যৰ অবিচ্ছেদ্য অংগ। নক'লেও চলে যে এই গদ্যই স্বাভাৱিক কথাৰীতি অনুসৰণ নকৰি এটি সুকীয়া ৰীতিহে অনুসৰণ কৰিছিল; সেইবাবেই ইয়াক লয়যুক্ত বা বৃত্তগন্ধী বোলা হৈছিল। অংকীয়া নাটৰ কথাসূত্রখিনি গদ্যত ৰচিত। এই গদ্য সূত্রধাৰ বা নাটৰ আন চৰিত্রসমূহে সুৰ ধৰি মাতে। অন্ত্যধ্বনিৰ মিল আৰু অনুপ্রাসৰ সঘন প্রয়োগে ইয়াক সুৰপ্রধান কৰি তুলিছে আৰু ইয়েই এই গদ্যক সাধাৰণ গদ্যৰ পৰা আঁতৰাই আনিছে। ইয়াত ব্যাকৰণ অনুযায়ী গদ্য ৰচনাৰ প্রয়াস দেখা নাযায়। সমান সমান দীর্ঘত্বৰ চুটি চুটি বাক্যৰ প্রয়োগ এই গদ্যৰ ঘাই বৈশিষ্ট্য। উদাহৰণস্বৰূপে তলৰ গদ্যকেইফাঁকিলৈ আঙুলিয়াব পাৰি— "তদন্তৰ গোকুলত নানা বিমংগল মিলল। ঘন ঘন ভূমিকম্প যাই, নির্ঘাত পৰে, ঘৰে ঘৰে ফেৰুৱা আৰাৱ কৰে, অনাবাৰে বৃক্ষসব উভাড়ি পৰে, স্ত্রীৰ দখিণ, পুৰুষৰ বাম ফন্দে। তাহে পেখি সবলোক মহাভীতি ভেল। যশোদাক হৃদয় কাম্পে।" *(কালিদমন)*

  তেনেদৰে, কথা-সূত্রৰ স্থান বিশেষে আকৌ অনুপ্রাসযুক্ত দীঘল সমাসবদ্ধ পদো ব্যৱহাৰ হোৱা দেখা যায়। উদাহৰণস্বৰূপে — (1) "ঘনশ্যাম পীতবাস শ্রীবৎস কৌস্তভ কিৰিটি কুণ্ডলকংকণ কেয়ুৰ ৰঞ্জিত গোপালক পৰম কমনিয় ৰূপ নিৰেখি খংগে যৈচে মর্মস্থানে শ্রীকৃষ্ণকদংশল, তা দেখহ শুনহ" (*কালিদমন*), (2) "বৃন্দাবনে গয়াকহো সকলসুৰেশ্বৰশিৰশিখৰচূড়ামণি-বিৰাজিত পাদ পদ্মপৰমেশ্বৰ শ্রীশ্রী গোপালক সমীন পাৱল" (*কেলিগোপাল*)। আদি শাৰীলৈ আঙুলিয়াব পাৰি। অৱশ্যে এনে সমাসবদ্ধ দীঘল বাক্য সংলাপত ব্যৱহাৰ হোৱা দেখা নাযায়। অংকীয়া নাটৰ সংলাপ — গীত বা শ্লোকত বর্ণনা কৰা কথাৰে পুনৰুক্তি মাথোন। সেইকাৰণে সংলাপৰ নতুনত্ব বা চমৎকাৰিত্ব নাই বুলিলেও হয়। কিন্তু নৃত্য-গীতে সংলাপৰ অভিনৱত্বহীনতাৰ যে বহুলাংশে ক্ষতিপূৰণ কৰিছে তাক অস্বীকাৰ কৰিবলৈ টান।
- *সংগীত-নৃত্যৰ প্রয়োগ ঃ* অংকীয়া নাট সংগীত-নৃত্যৰ অপূর্ব সমাহাৰ। সেয়ে ইয়াক সংগীত-নৃত্যপ্রধান নাট বুলিও অভিহিত কৰিব পাৰি। সংস্কৃত নাটকৰ 'পূর্বৰংগ' অনুষ্ঠানৰ লগত মিল থকা অংকীয়া নাটৰ 'ধেমালি'ত সংগীত-নৃত্যৰ বহুল প্রয়োগ হোৱা দেখা যায়। এই ধেমালিকে 'জোৰা উঠা' বা 'গায়ন-বায়নৰ জোৰা উঠা' বুলি কোৱা হয়। ধেমালি অনুষ্ঠানৰ বিভিন্ন পর্যায় আছে; যেনে - বৰধেমালি, ৰাগধেমালি, ঘোষাধেমালি আদি। এইবোৰ সংগীত আৰু নৃত্যৰ সহায়ত প্রদর্শন কৰা হয়।

  ধেমালি অনুষ্ঠানৰ পাছত সূত্রধাৰে মঞ্চত উপস্থিত হৈ প্রৱেশ নৃত্য কৰে। নান্দী

আৰু ভটিমা গাওঁতেও প্ৰত্যেক পদৰ অন্তত নৃত্য কৰা নিয়ম প্ৰচলিত। সূত্ৰধাৰৰ নৃত্যৰ পাছত নাটকৰ আন পাত্ৰ-পাত্ৰীৰ প্ৰৱেশ নৃত্য আৰম্ভ হয়। অংকীয়া নাটৰ বিভিন্ন চৰিত্ৰবোৰে নৃত্যৰত অৱস্থাৰেই মঞ্চত প্ৰৱেশ কৰে। পাত্ৰ-পাত্ৰীৰ মৰ্যাদা আৰু গাম্ভীৰ্য অনুসৰি প্ৰৱেশ নৃত্যৰ গতিচালনা, বোল আদি বেলেগ বেলেগ হয়। সেইদৰে, যুদ্ধৰ দৃশ্যসমূহো নৃত্যৰ দ্বাৰাই সংঘটিত হয়। অংকীয়া নাটত খোলৰ বিশেষ বোলেৰে চৰিত্ৰই নিৰ্দিষ্ট গতিত খোজ পেলাব লাগে। চৰিত্ৰৰ প্ৰকাৰভেদে খোলৰ চেও ভিন ভিন হয়। তদুপৰি, সংলাপসমূহো চৰিত্ৰই নৃত্যৰ সহায়েৰে পৰিৱেশন কৰে আৰু নৃত্যৰ ভংগীতে মঞ্চৰ পৰা প্ৰস্থানো কৰে। সেয়ে দেখা যায় যে, সংগীত-নৃত্যক বাদ দি অংকীয়া নাটৰ উপস্থাপন সম্ভৱ নহয়।

- *ভক্তিৰসৰ প্ৰাধান্য ঃ* নাটৰ ক্ষেত্ৰত ৰসবিচাৰ এটি প্ৰয়োজনীয় দিশ। সংস্কৃত আলংকাৰিকসকলে কাব্য বা নাটৰ ক্ষেত্ৰত ৰসসৃষ্টিকে প্ৰধান কথাৰূপে মানি লৈ ৰসৰতত্ত্বৰ বিশদ আলোচনা কৰিছে। নাট্যশাস্ত্ৰকাৰ ভৰতমুনিয়ে আঠ প্ৰকাৰ ৰস আৰু তেওঁৰ পৰৱৰ্তী কোনো কোনোৱে 'শান্ত ৰস'কো ৰসৰ অন্তৰ্ভুক্ত কৰি মুঠতে ন প্ৰকাৰ ৰসৰ উল্লেখ কৰিছে। সেই নৱবিধ ৰস হৈছে— শৃংগাৰ বা আদি, হাস্য, কৰুণ, বীৰ, ভয়ানক, অদ্ভুত, ৰৌদ্ৰ, বীভৎস আৰু শান্ত। বহুতে এই নৱবিধ ৰসৰ উপৰি বাৎসল্যকো ৰসৰ লগত স্থান দিব খোজে।

  কাব্য বা নাটত প্ৰকাশ হোৱা বিভাৱ (কাৰণ), অনুভাৱ (কাৰ্য) আৰু সঞ্চাৰী ভাবৰ সংযোগত অন্তৰৰ স্থায়ী ভাব ৰসাৱস্থাত পৰিণত হয়। নৱবিধ স্থায়ীভাবৰ ভেটিত নৱৰসৰ সৃষ্টি যদিও ইয়াৰ ভেটিত অংকীয়া নাটৰ ৰস বিচাৰ কৰা অসুবিধা। কাৰণ, অংকীয়া নাটৰ প্ৰধান উদ্দেশ্য দৰ্শকক কাব্যৰস পান কৰোৱা নহয়, ববং ভক্তিৰসত আকণ্ঠ নিমজ্জিত কৰোৱাহে। সেয়েহে অংকীয়া নাটত শৃংগাৰাদি নৱবিধ লৌকিক ৰসৰ সমাৱেশ থাকে যদিও 'ভক্তিৰস'ৰ উদ্ৰেক কৰাহে ইয়াৰ মূল লক্ষ্য। অংকীয়া নাটত ভক্তিৰসেই হৈছে প্ৰধান ৰস; বাকীবোৰ লৌকিক ৰস ইয়াৰ মাজত নিহিত হৈ থাকে। শংকৰী নাট্যকৰ্মত আপাত দৃষ্টিত এই বিভিন্ন লৌকিক ৰসে ভুমুকি মাৰিছে যদিও আটাইবোৰৰে অভিপ্ৰেত উদ্দেশ্য দৰ্শক-শ্ৰোতাক ভক্তিৰস পান কৰোৱাহে। উদাহৰণস্বৰূপে— *কেলিগোপাল, ৰুক্মিণীহৰণ* আদি নাটত ৰতি ভাবৰ প্ৰাধান্য আছে যদিও শৃংগাৰ ৰস সৃষ্টি কৰা নাট্যকাৰৰ উদ্দেশ্য নহয়; আৰু দৰ্শকৰ মনত তেনে ৰস উদয় হ'লে নাট্যকাৰৰ উদ্দেশ্যও ব্যৰ্থ হ'ব। প্ৰকৃতপক্ষে মহাপুৰুষজনাৰ ৰচনা সম্ভাৰৰ মূল উদ্দেশ্যই হৈছে জনসমাজক ভগৱদ্‌ভক্তিৰ প্ৰতি আকৰ্ষিত কৰা। অংকীয়া নাটৰ ভক্তিৰসৰ সৰ্বপ্ৰথম প্ৰবক্তা হ'ল মহাৰাষ্ট্ৰৰ পণ্ডিত বোপদেৱ। তেওঁৰ মতে— "ব্যাসাদিৰ দ্বাৰা বৰ্ণিত বিষ্ণু বা বিষ্ণুভক্তসকলৰ গুণানুকীৰ্তন, শ্ৰৱণাদিৰ পৰা উৎপন্ন চমৎকাৰ বিশেষৰ নামেই ভক্তিৰস। এই ভক্তিৰসেই একমাত্ৰ ৰস, ইয়াৰ আগত বাকী সকলো ৰসেই নিষ্প্ৰভ — 'সূৰ্য আৰু

জোনাকী পৰুৱাৰ মাজত যি প্ৰভেদ, ভক্তিৰস আৰু অন্যান্য ৰসৰ মাজতো সেই একেই প্ৰভেদ।" মহাপুৰুষ মাধৱদেৱেও 'ৰসময়ী ভকতি'ৰ কথা কৈছে। বৈষ্ণৱসকলৰ মতে কৃষ্ণ বা পৰমব্ৰহ্মৰ প্ৰতি যি ৰতি সেয়া কৃষ্ণৰতি বা ভক্তিৰস । শৃংগাৰ, বীৰ, ভয়ানক, কৰুণ, অদ্ভুত আদি অন্যান্য লৌকিক ৰসৰ সহায়ত ই জন্মে; গতিকে এইবোৰ ভক্তিৰসৰ সহায়ক ৰসহে।

বিশ্বনাথ কবিৰাজৰ মতে, প্ৰিয় বস্তুৰ প্ৰতি মানৱ মনৰ সহজ অনুৰাগেই ৰতি। বৈষ্ণৱৰ প্ৰিয় বস্তু ভগৱান কৃষ্ণ, গতিকে তেওঁলোকৰ ৰতি লৌকিক নহয়, বৰং ই কৃষ্ণৰতি। এই ৰতিৰ ৰসৰূপ পাঁচ প্ৰকাৰে দেখা দিলেও স্বৰূপতঃ একেবিধ মূল ৰসৰে অৰ্থাৎ ভক্তিৰসৰে সেই পাঁচবিধ প্ৰকাৰভেদ মাত্ৰ। শ্ৰৱণ-কীৰ্তন-স্মৰণ ইত্যাদিৰ দ্বাৰা ভক্তহৃদয়ত উদ্ৰেক হোৱা স্থায়ী ভাব 'কৃষ্ণৰতি'ক বিভাৱ, অনুভাৱ, ব্যভিচাৰী(সঞ্চাৰী) ভাবৰ যোগেদি আস্বাদনীয় অৱস্থালৈ আনিলেই সি ভক্তিৰসত পৰিণত হয়। ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পায়— এই পাঁচ প্ৰকাৰ ৰতিৰ পৰিণতিয়েই পাঁচ প্ৰকাৰ ভক্তিৰসত পৰিণত হয় । যথা — শান্ত ভক্তিৰস, বাৎসল্য ভক্তিৰস, দাস্য ভক্তিৰস, সখ্য ভক্তিৰস আৰু শৃংগাৰাত্মক ভক্তিৰস। অংকীয়া নাটৰ বিভিন্ন পৰিস্থিতি আৰু ঘটনাৰ মাজেদি শৃংগাৰ, হাস্য, বীৰ, কৰুণ, বীভৎস, অদ্ভুত আদি একাধিক লৌকিক ৰসৰ সমাৱেশ ঘটে যদিও এইবোৰৰ ঊৰ্ধ্বত প্ৰকাশিত হয় ভক্তিৰস। অৰ্থাৎ, এই সকলোবোৰ লৌকিক ৰসেই অংকীয়া নাটত অৱশেষত ভক্তিৰসত নিমজ্জিত হয়। মহাপুৰুষৰ নাট ৰচনাৰ প্ৰধান উদ্দেশ্যই হৈছে ভক্তিধৰ্মৰ প্ৰচাৰ। অংকীয়া নাটৰ ৰসৰ ক্ষেত্ৰত মহাপুৰুষৰ এই উদ্দেশ্যই সফলতা লাভ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অংকীয়া নাটত নান্দী শ্লোক কোনে পাঠ কৰে?

.....

প্ৰশ্ন নং ৪ ঃ অংকীয়া নাটৰ প্ৰধান ৰস কি?

.....

প্ৰশ্ন নং ৫ ঃ অংকীয়া নাটত থকা চাৰি প্ৰকাৰৰ গীত কি কি?

.....

১১.৪ কালিদমন

মহাপুৰুষ শংকৰদেৱৰ যি কেইখন নাট বিশেষ বিকৃত নহৈ আমাৰ হাতত পৰিছেহি সেই কেইখন হ'ল— *পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ* আৰু

ৰামবিজয়। ইয়াৰে *ৰামবিজয়* নাটৰ ৰচনাকাল 1490 শক। বাকীকেইখনৰ ৰচনাৰ সঠিক সময় মহাপুৰুষজনাই ক'তো উল্লেখ কৰা নাই যদিও নাটৰ ভিতৰুৱা কথা আৰু চৰিতপুথিৰ উল্লেখলৈ চাই সেইবোৰৰ ৰচনাৰ এটা ক্ৰম অনুমান কৰি ল'ব পৰা যায়। আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত *কালিদমন* নাটখনৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।

১১.৪.১ নাটৰ মূল আৰু বিষয়বস্তু

শংকৰদেৱ বিৰচিত নাটকেইখনৰ ভিতৰত *কালিদমন* এখন শ্ৰেষ্ঠ অংকীয়া নাট। প্ৰকৃততে *পত্নীপ্ৰসাদ* মহাপুৰুষজনাৰ প্ৰথম নাট যদিও কোনো কোনো পণ্ডিতে *কালিদমন*কহে প্ৰথম নাট বুলি ক'ব খোজে। কালিৰাম মেধি ডাঙৰীয়াই *কালিদমন*ক প্ৰথম ৰচনা বুলি অনুমান কৰি ইয়াৰ ৰচনাৰ কাল 1518 খ্ৰীষ্টাব্দৰ ওচৰে-পাঁজৰে বুলি অভিমত দাঙি ধৰিছে। তেখেতৰ মতে, ৰৱদোৱাত থাকোঁতেই জগতানন্দ (ৰামৰায়) দলৈৰ অনুৰোধত গুৰুজনাই উক্ত নাট ৰচনা কৰে। আনহাতে *কথাগুৰু চৰিত*ৰ মতে দশমৰ কালিদমনৰ পদ শুনি ৰামৰায়ে সেই ঘটনাকে লৈ মহাপুৰুষক এখন নাট ৰচনা কৰিবলৈ অনুৰোধ কৰে। এই কথা সঁচা হ'লে দশম ৰচনাৰ পাছত বা ৰচনা কাৰ্য সম্পূৰ্ণ নৌহওঁতেই উক্ত নাট শংকৰদেৱে ৰচনা কৰে। সেয়েহে ড^{0} সত্যেন্দ্ৰনাথ শৰ্মাদেৱে 1550 খ্ৰীষ্টাব্দৰ ওচৰে-পাঁজৰে *কালিদমন* নাট ৰচিত হোৱা বুলি কৈছে।

শ্ৰীকৃষ্ণৰ দ্বাৰা কালিনাগৰ দৰ্পচূৰ্ণৰ কাহিনী কেইবাখনো সংস্কৃত শাস্ত্ৰত উল্লেখ আছে। *ভাগৱত, হৰিবংশ, বিষ্ণু পুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ* আদিত এই কাহিনী ভিন ভিন ধৰণে পোৱা যায়। কালিৰাম মেধিৰ মতে শংকৰদেৱে *ভাগৱত*ৰ কাহিনী অৱলম্বন কৰিয়েই নাটখন ৰচনা কৰিছে। ৰাজমোহন নাথৰ মতে 'মাজে মাজে শ্ৰীধৰ স্বামীৰ *ভাগৱত*ৰ টীকা, *হৰিবংশ* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*ৰ পৰাও সামগ্ৰী গ্ৰহণ কৰিছে।' কিন্তু নাথৰ মতৰ সমৰ্থনত তথ্যৰ অভাৱৰ বাবেই বোধহয় সৰহভাগ পণ্ডিতে *ভাগৱত*ৰ পৰা লোৱা মতটোহে সমৰ্থন কৰে।

*বিষ্ণুপুৰাণ*ৰ মতে, এদিন শ্ৰীকৃষ্ণই বলোৰামৰ লগত নগৈ অকলে বৃন্দাবনত প্ৰৱেশ কৰিলে। যমুনাত কালি নাগৰ বিষাগ্নিৰ দ্বাৰা যমুনাৰ তীৰস্থিত বিশাল বৃক্ষসমূহ আৰু সেই হ্ৰদৰ পানী স্পৰ্শ কৰি আকাশস্থিত পক্ষীসমূহ দগ্ধ হোৱা দেখা পালে। গৰুড়ৰ ভয়ত সাগৰ ত্যাগ কৰি দুৰাত্মা কালিয়ে যমুনাত বাস কৰাত সাগৰগামিনী যমুনাও দূষিত হৈছে। গো অথবা গোপবালকসকলে তৃষ্ণাত পীড়িত হ'লেও সেই যমুনাৰ পানী পান কৰিব নোৱাৰে। তাকে দেখি শ্ৰীকৃষ্ণই সেই নাগক দমন কৰিবলৈ ওলাল যাতে ব্ৰজবাসীসকলে সেই যমুনাৰ পানী সুখেৰে পান কৰিব পাৰে। গতিকে ওচৰতে থকা কদম গছৰ ওপৰত উঠি শ্ৰীকৃষ্ণই সেই নাগৰাজৰ হ্ৰদত জাঁপ দিলে।

শ্ৰীকৃষ্ণক হ্ৰদৰ মাজত সৰ্পকুণ্ডলত পীড়িত দেখি গোপবালকসকলে কৃষ্ণ কালিয়

হ্রদত মূর্ছিত হৈ থকা কথা ব্রজত জনালে। যশোদা প্রমুখ্যে গোপীসকলে এই কথা শুনি ততালিকে তালৈ গমন কৰিলে। কৃষ্ণৰ অৱস্থা দেখি সকলোৱে দুখ প্রকাশ কৰিলে। গোপ-গোপী সকলোৱে কৃষ্ণক মানৱী ভাব দূৰ কৰি তেওঁৰ ঐশ্বৰিক মহিমাৰে কালিক দমন কৰিবলৈ কাকূতি কৰিলে। কৃষ্ণই তেতিয়া সহাস্যবদনে সর্প বন্ধনৰ পৰা মুক্ত হৈ নাগৰাজৰ ফণাত প্রচণ্ড বিক্রমে নৃত্য কৰিবলৈ ধৰিলে। নাগৰাজৰ অৱস্থা দেখি নাগপত্নীসকলে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। নাগ-পত্নীৰ স্তুতিত সন্তুষ্ট হৈ কৃষ্ণই কালিক সেই হ্রদ ত্যাগ কৰিবলৈ ক'লে। শ্রীকৃষ্ণই ক'লে — 'হে সর্প! তুমি কেতিয়াও এই যমুনাত নাথাকিবা, ভৃত্য আৰু পৰিবাৰবর্গৰ সৈতে সমুদ্রত বাস কৰাগৈ। হে সর্প! সমুদ্রত তোমাৰ মস্তকত মোৰ পদচিহ্ন দেখি সর্প শত্রু গৰুড়ে তোমাক কোনো শাস্তি প্রদান নকৰিব।' ভগৱান কৃষ্ণৰ এই কথা শুনি নাগৰাজে সেই হ্রদ ত্যাগ কৰি সমুদ্রলৈ গমন কৰিলে। *বিষ্ণু পুৰাণত* কৃষ্ণই বনাগ্নি পান কৰাৰ কথা নাই।

শ্রীমদ্ভাগৱত পুৰাণৰ দশম স্কন্ধতো কালিদমনৰ কাহিনী পোৱা যায়। গো আৰু গোপসকলে কালিন্দী হ্রদত কালি নাগৰ বিষ-মিশ্রিত জল পান কৰি অচেতন হৈ পৰে। যোগেশ্বৰ কৃষ্ণই এই কথা জানি অমৃত দৃষ্টিৰে গো আৰু গোপবালকসকলক জীয়াই তুলিলে। তাৰ পিছত কালি নাগক দমন কৰিবলৈ শ্রীকৃষ্ণই তীৰত থকা কদম গছত উঠি কালিয় হ্রদত জাঁপ দিয়ে। সর্পৰাজ কালি নাগে খণ্ডতে শ্রীকৃষ্ণক নেজেৰে মেৰিয়াই ধৰি দংশন কৰিলে। কৃষ্ণ অচেতন হৈ পৰি থকা দেখি গোপবালকসকলে কান্দিবলৈ ধৰিলে। এই খবৰ নন্দ-যশোদা আৰু গোপীসকলে শুনি যমুনালৈ আহি কৃষ্ণৰ দুখত ক্রন্দন কৰিবলৈ ধৰিলে। এই দৃশ্য দেখি কৃষ্ণই নিজৰ বিক্রম দেখুৱাই কালি নাগৰ বন্ধনৰ পৰা মুক্ত হৈ সেই নাগৰ ফণাৰ ওপৰত উঠি নৃত্য কৰিবলৈ ধৰিলে। শ্রীকৃষ্ণৰ ভাৰ সহ্য কৰিব নোৱাৰি ক্রুৰ কালিনাগ অচেতন হৈ পৰে। নাগ-পত্নীসকলে তেওঁলোকৰ স্বামীৰ অৱস্থা দেখি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। নাগপত্নীৰ স্তুতিত কৃষ্ণ সন্তুষ্ট হৈ কালি নাগৰ শিৰৰ পৰা নামিল।

এনেদৰে কালি নাগৰ দর্প চূর্ণ হ'ল। তেতিয়া কৃষ্ণই কালি নাগক সেই হ্রদ এৰি সাগৰৰ মাজৰ ৰমণক দ্বীপলৈ যাবলৈ কয়। ৰমণক দ্বীপৰ কথা *বিষ্ণু পুৰাণত* নাই। *ভাগৱতত* কালিনাগে গৰুড়ৰ ভয়ত ৰমণক দ্বীপ পৰিত্যাগ কৰাৰ কথা বহলাই লিখা আছে। ভাগৱতত বনজুইৰ কথা আছে। কালিদমনৰ পাছত ৰাতি হোৱাৰ বাবে কৃষ্ণ-বলৰাম, নন্দ-যশোদা, গোপ-গোপীসকলে যমুনাৰ তীৰতে ৰাতি শুই আছিল। মাজনিশা তেওঁলোকক বনজুয়ে আগুৰি ধৰে। সেই বনাগ্নি দেখি গোপ-গোপীসকলে কৃষ্ণক স্তুতি কৰিবলৈ ধৰাত ভক্তৰ বান্ধৱ কৃষ্ণই মুখ মেলি বনাগ্নি পান কৰি ভক্তক ৰক্ষা কৰে। এইদৰে *ভাগৱত পুৰাণ* আৰু *বিষ্ণু পুৰাণত* কালিদমনৰ উল্লেখ পোৱা যায়।

এনেদৰে মূলতঃ *বিষ্ণু পুৰাণ, ভাগৱত পুৰাণৰ* পৰা মহাপুৰুষ শংকৰদেৱে *কালিদমন* নাটৰ মূল সংগ্রহ কৰিছে যদিও তাৰ মাজে মাজে শ্রীধৰ স্বামীৰ *ভাগৱতৰ*

টীকা, হৰিবংশ আৰু ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ পৰাও কিছু সমল আহৰণ কৰিছে। এই সকলোবোৰৰে সুসমন্বয়ত নিজা কলা-কৌশল প্ৰয়োগ কৰি শংকৰদেৱে কালিদমন নাট ৰচনা কৰিছে।

১১.৪.২ সাধাৰণ আলোচনা

মহাপুৰুষ শংকৰদেৱে *কালিদমন* নাটৰ মূল সমল বিভিন্ন পুৰাণ-উপপুৰাণৰ পৰা সংগ্ৰহ কৰিলেও তাৰ মাজেৰে তেওঁৰ নিজস্ব নাট্যপ্ৰতিভাৰ সুন্দৰ প্ৰকাশ ঘটিছে। নাটখনত আমি দুটা স্বয়ংসম্পূৰ্ণ কাহিনীৰ নাটকীয় ৰূপ দেখিবলৈ পাওঁ — (1) কালিদমন আৰু (2) বনাগ্নি পান।

মহাপুৰুষ শংকৰদেৱে শ্ৰীকৃষ্ণৰ বৰ্ণনা বিষয়ক শ্লোকৰ যোগেদি *কালিদমন* নাটখন আৰম্ভ কৰিছে। সজ লোকসকলৰ পালক গোপালে গাই-দামুৰি আগত লৈ গোপসকলৰ সৈতে বেণু বজাই নাট্যমঞ্চত প্ৰৱেশ কৰিছে। গোপাল শ্ৰীকৃষ্ণই গোপ বালকসকলৰ সৈতে কালি হ্ৰদ পালে আৰু কৃষ্ণৰ বাহিৰে বাকীসকলে পিয়াহত ৰ'ব নোৱাৰি কালি হ্ৰদৰ বিষাক্ত পানী পান কৰি তৎকালে প্ৰাণত্যাগ কৰিলে। শ্ৰীকৃষ্ণই গোপবালকসকল আৰু দামুৰিবোৰক মৃত অৱস্থাত দেখি প্ৰচুৰ খেদ কৰিলে। শ্ৰীকৃষ্ণৰ অমৃত দৃষ্টিৰ ফলত সপোন দেখা লোকৰ দৰে গোপকুমাৰসকলে প্ৰাণ লাভ কৰিলে আৰু কৃষ্ণৰ প্ৰতি কৃতজ্ঞ হৈ তেওঁৰ দুই চৰণত স্তুতি কৰিলে। তাৰ পাছত ভগৱান শ্ৰীকৃষ্ণই কালি নাগৰ অহংকাৰ চূৰ্ণ কৰি তাক সেই হ্ৰদৰ পৰা বিতাৰিত কৰিবলৈ মন কৰিলে। লগে লগে কদম গছত উঠি শ্ৰীকৃষ্ণই কালিয় হ্ৰদত জাঁপ দিলে আৰু পৰম কৌতুকেৰে পানীৰ মাজত ক্ৰীড়া আৰম্ভ কৰিলে। হ্ৰদৰ পানী আলোড়িত কৰা এই অদ্ভুত দৃশ্য দেখি কালিনাগে ততালিকে তালৈ আহি খণ্ডতে কৃষ্ণৰ মৰ্মস্থানত দংশন কৰিলে আৰু নেজেৰে কৃষ্ণক মেৰিয়াই ধৰিলে। কৃষ্ণয়ো কিছু সময় মানৱীয় ৰূপত মৰা ভাও জুৰি তাতে পৰি থাকিল। তাকে দেখি গোপবালকসকলে কৃষ্ণ মৰিল বুলি ভাবি খেদ কৰিবলৈ ধৰিলে। সিফালে গোকুলতো নানান বিমংগলে দেখা দিলে। কৃষ্ণৰ বিমংগল হোৱা বুলি নন্দ, যশোদা আৰু গোপ-গোপীসকলে অনুমান কৰি আকুল হৈ কৃষ্ণক চাবলৈ কালিয় হ্ৰদলৈ আহিল। দূৰৰ পৰাই তেওঁলোকে গোপ শিশুসকলে উচ্চস্বৰে ক্ৰন্দন কৰা শুনিলে। তাকে দেখি গোপীসকলেও কৃষ্ণ মৰিল বুলি ভাবি শোকাতুৰ হৈ অতি উচ্চস্বৰে কান্দিবলৈ ধৰিলে। নন্দ-যশোদা মূৰ্ছা গ'ল। তাৰ পাছত পুনৰ চেতনা লাভ কৰি পুত্ৰৰ মুখলৈ চাই চাই দুখ-শোকত নানান বিলাপ কৰি কৃষ্ণৰ গুণ বৰ্ণাই বৰকৈ কান্দিবলৈ ধৰিলে। অকল সেয়ে নহয়, গোপ- গোপীৰ সৈতে নন্দ-যশোদাই কালিয় হ্ৰদত জাঁপ দিবলৈ সাজু হ'ল। বলোভদ্ৰই নানান বুজনি দি তেওঁলোকক হ্ৰদত জাঁপ দিয়াৰ পৰা বিৰত ৰাখিলে। বলোৰামে ক'লে — 'তোহো সব কিছু জানয়ে নাহি। উহি দুষ্ট সৰ্পক দণ্ড কৰিয়ে এথা

হন্তে খেদাইয়া শ্রীকৃষ্ণ এতিক্ষণে আৱব। তোহোসবে কৌতুকে দেখহ, বৈঠি ৰহ।' বলোভদ্রৰ এই কথা শুনি ব্রজবাসী কিছু শান্ত হ'ল। সিফালে ভক্তবৎসল কৃষ্ণয়ো ভক্তসকলৰ বিষাদ দেখি নিজকে সাপৰ বন্ধনৰ পৰা মুক্ত কৰিলে। 'কালি সর্প পৰম চোট পায়া কৃষ্ণক চাৰি উফৰি পৰল।' তাৰ পাছত সর্পৰ সহস্র ফণাত দুই ভৰিৰে মর্দন কৰি সকলো কলাত নিপুণ ভগৱান কৃষ্ণই নাচিবলৈ ধৰিলে। জগতৰ পৰমগুৰু শ্রীগোপালৰ ভৰ সহিব নোৱাৰি কালি অচেতন হৈ পৰিল। কালিৰ নাকে-মুখে তেজ ওলাবলৈ ধৰিলে। সর্পৰ সকলো দর্প অহংকাৰ চূর্ণ হ'ল। কালিৰ মন নির্মল হ'ল। 'কৃষ্ণক পৰম ঈশ্বৰ পুৰুষ জানি মনে শৰণ লেলহ।'

কালিনাগৰ পত্নীসকলে পতিৰ মুমূর্ষু তথা অচেতন অৱস্থা দেখি কৃষ্ণৰ ওচৰলৈ গৈ প্রিয় বিৰহত কাতৰ হৈ স্তুতি আৰম্ভ কৰিলে। নাগ-পত্নীসকলৰ কৰুণ বিননি শুনি কমল নয়ন কৃষ্ণই কৃপা কৰি কালিনাগৰ মূৰৰ পৰা নামিল। মূর্ছিত হৈ থকা কালিনাগে লাহে লাহে চেতনা লাভ কৰি কৃষ্ণক মহেশ্বৰ বুলি জানি শিৰ নমাই স্তুতি আৰম্ভ কৰিলে। কালিনাগৰ পত্নী আৰু কালিনাগৰ ভক্তিত তুষ্ট হৈ শ্রীকৃষ্ণই কালিনাগক ভয় ভাব এৰিবলৈ ক'লে। কাৰণ তেওঁ এতিয়া সকলো মায়াৰ বন্ধনৰ পৰা মুক্ত হ'ল। কৃষ্ণই কালিনাগক সেই হ্রদ এৰি তেওঁৰ পূর্বস্থান ৰমণক দ্বীপলৈ সপৰিবাৰে যাবলৈ নির্দেশ দিলে। গৰুড়লৈয়ো ভয় নকৰিবলৈ ক'লে। কিয়নো কালিৰ ফণাত শ্রীকৃষ্ণৰ ধ্বজ, বজ্র, পংকজৰ যি চিহ্ন আছে সেই চিহ্ন দেখিলে গৰুড়ে তেওঁৰ একো অনিষ্ট নকৰে। শ্রীকৃষ্ণৰ অভয়বাণী শুনি কালি সর্পই সপৰিবাৰে প্রণাম কৰি ৰমণক নামে ঠাইলৈ গ'লগৈ।

কালিনাগক দমন কৰি শ্রীকৃষ্ণ কালিন্দীৰ পাৰলৈ আহিল। গোপ-গোপীসকলে 'জয় কৃষ্ণ, জয় কৃষ্ণ' বুলি কৃষ্ণক আগুৰি ধৰিলে। নন্দ-যশোদাই বাহু মেলি কৃষ্ণক সাবটি ধৰিলে। এইদৰে কৃষ্ণক আগুৰি ধৰি হাঁহি-মাতি কৌতুক কৰি থাকোঁতে দিনৰ অৱসান ঘটিল। ৰাতি হ'ল। তাকে দেখি কৃষ্ণই ক'লে — 'হে মাতে, হে পিতে, হে গোপ গোপী সব, আজু ব্রজ যাইতে পাৰয়ে নাহি। যব সবহি ভাল দেখহ, তবে এথাতে ৰজনি বঞ্চহ।' কৃষ্ণৰ এই প্রস্তাৱ পাই সকলো গোকুলবাসী যমুনাৰ তীৰত নির্ভয়ে শুই ৰ'ল। কিন্তু দোভাগৰাতি নিদ্রাৰত অৱস্থাত তেওঁলোকক বনজুয়ে আগুৰি ধৰিলে। ব্রজবাসী ভীষণ সন্ত্রাসিত হ'ল আৰু 'কৃষ্ণ কৃষ্ণ' বুলি আকুল চিত্তে প্রার্থনা কৰিবলৈ ধৰিলে। তেতিয়া ভগৱান কৃষ্ণই সকলোকে নির্ভয় দি সেই বনজুই মুখেৰে পান কৰিলে। শ্রীকৃষ্ণৰ অদ্ভুত কার্য দেখি সকলো বিস্মিত হ'ল। ব্রজবাসীসকলে পৰস্পৰে কোৱা-মেলা কৰিলে — 'নন্দৰ নন্দন মানুহ নহয়। তেওঁ পৰম পুৰুষোত্তম সনাতন নাৰায়ণ।'

এনেদৰে কালিক দমন কৰি আৰু বনবহ্নি পান কৰি পৰম পুৰুষ ভগৱানে গোপ-গোপী সহিতে ৰাতিপুৱাৰ পৰত গোকুললৈ যাত্রা কৰিলে। এইখিনি ঘটনাকে লৈ মহাপুৰুষজনাই *কালিদমন* নাটখনি ৰচনা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *কালিদমন* নাটৰ আধাৰ গ্রন্থ কেইখনৰ নাম কি কি?

.....

প্রশ্ন নং ৭ ঃ *কালিদমন* নাটত কেইটা আৰু কি কি স্বয়ং-সম্পূর্ণ ঘটনাৰ সমাৱেশ ঘটিছে?

.....

মহাপুৰুষ শংকৰদেৱে *কালিদমন* নাটৰ বনাগ্নি পানৰ ঘটনাংশ *ভাগৱতৰ* 1 9শ অধ্যায়ৰ পৰা আহৰণ কৰিছে। নাটকৰ নামকৰণৰ ফালৰ পৰা আৰু গাঁথনিক দিশৰ পৰা বনাগ্নি পানৰ ঘটনাংশ নাটখনত অত্যাৱশ্যকীয় যেন বোধ নহয়। কাৰণ নাটখনৰ নাম ৰখা হৈছে *কালিদমন*। অনন্তবীৰ্য ধাৰণকাৰী ভগৱান শ্রীকৃষ্ণই নানান কৌশলেৰে কালিনাগক দমন কৰা কার্যতেই নাটখনিৰ কাহিনীয়ে পৰিণতি লাভ কৰিছে। কিন্তু গুৰুজনাই পুনৰ বনাগ্নি পানৰ ঘটনাংশ সংযোগ কৰি নাটখন দীঘলীয়া কৰাই নহয়, নাটকৰ গাঁথনিক দিশটোও কিছু দুর্বল কৰি তুলিছে। মহাপুৰুষ শংকৰদেৱৰ নাট-ৰচনাৰ মুখ্য উদ্দেশ্য হৈছে জনসমাজত বৈষ্ণৱ ধর্মৰ আদর্শ প্রচাৰ কৰা। দর্শক-পাঠকক নাট্যৰস যোগোৱা তেওঁৰ গৌণ উদ্দেশ্যহে। গতিকে নাটৰ গঠন পদ্ধতি তথা অন্যান্য কলা-কৌশলৰ প্রতি মনোযোগ দিয়াটো তেওঁ অত্যাৱশ্যকীয় বুলি বোধ কৰা নাই। বৈষ্ণৱ ধর্মৰ মূল উদ্দেশ্য হৈছে পৰম পুৰুষ ভগৱন্ত শ্রীকৃষ্ণ বা বিষ্ণুৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰা। সেয়ে মহাপুৰুষজনাই জনসমাজত শ্রীকৃষ্ণৰ ঐশ্বৰিক লীলা প্রচাৰ কৰিবলৈকে কালিদমন ঘটনাংশৰ লগত বনাগ্নি পানৰ ঘটনাটো সংযোগ কৰিছে।

এনেদৰে বিচাৰ কৰি ক'ব পাৰি যে বৈষ্ণৱ ধর্মৰ মূল তত্ত্ব 'কৃষ্ণস্তু ভগৱান স্বয়ম্' অর্থাৎ কৃষ্ণৰূপী ভগৱানৰ মহিমা দুগুণ ৰূপত প্রকাশ কৰাৰ বাবেই গুৰুজনে কালিদমন নাটত কালিনাগ দমনৰ ঘটনাংশৰ লগত বনাগ্নি পানৰ ঘটনাংশ সংযোগ কৰিছে। এইটো দিশৰ পৰা নাটখনত উক্ত ঘটনাংশৰ সন্নিৱেশ নিঃসন্দেহে তাৎপর্যপূর্ণ।

বৈষ্ণৱ ধর্ম প্রচাৰৰ এক ঘাই অংগ হিচাপে ৰচিত মহাপুৰুষ শংকৰদেৱৰ *কালিদমন* নাটৰ কাহিনীভাগৰ প্রতীকাত্মক বৈশিষ্ট্যলৈ লক্ষ্য কৰি এই নাটখনিক কোনো কোনোৱে ৰূপকধর্মী নাটৰূপে অভিহিত কৰিছে। ব্যঞ্জিত অর্থ লুকাই ৰাখি বাচ্যার্থক মুখ্য ৰূপে দেখুৱাটোৱেই ৰূপকাত্মক ৰচনাৰ ঘাই বৈশিষ্ট্য। এই শ্রেণীৰ ৰচনাত কোৱা হয় এটা আৰু অর্থ হয়গৈ আন এটা। এনে ৰচনাৰ প্রত্যক্ষ অর্থতকৈ গৌণ অর্থৰ মূল্য অধিক হোৱা দেখা যায়।

মহাপুৰুষ শংকৰদেৱৰ সমস্ত সাহিত্যকর্ম এক বৃহৎ উদ্দেশ্যৰ দিশে ধাৱমান। এই উদ্দেশ্য হৈছে জনসমাজত ভক্তিধর্মৰ প্রচাৰ আৰু প্রসাৰ। তেওঁৰ নাট্যকর্মও ইয়াৰ

ব্যতিক্রম নহয়। তেওঁৰ আটাইকেইখন নাটৰ মাজেৰে কৃষ্ণ বা ৰামৰ শ্রেষ্ঠত্ব ঘোষিত হৈছে। শুভ আৰু অশুভ, দুষ্ট আৰু সন্তৰ সংঘাত, অশুভ শক্তিৰ পৰাজয়— এয়ে তেওঁৰ সাহিত্যৰ মূল প্রতিপাদ্য বিষয়। জগতত বিষ্ণুৰেই শ্রেষ্ঠ বাকী সকলো মিছা। মানুহৰ দম্ভ, অহংকাৰ আদি দুদিনীয়া। গতিকে ক্রূৰতা, নীচতা আদি সকলো প্রকাৰৰ অমানৰীয় কার্য পৰিহাৰ কৰি এক ভগৱান বিষ্ণুৰ চৰণত শৰণ লোৱাটোৱেই মানৱ-সমাজৰ প্রধান কাম হোৱা উচিত।

মহাপুৰুষজনাই *কালিদমন* নাটতো অশুভ শক্তিৰূপী কালিনাগৰ পৰাজয় দেখুৱাই শুভশক্তি অর্থাৎ ভগৱান কৃষ্ণৰ বিজয়ৰ চিত্র অংকন কৰিবলৈ পাহৰা নাই। তাকে কৰিবলৈ যাওঁতে নাটখনিৰ মাজেৰে ৰূপকধর্মী গুণ প্রকাশ পাইছে।

কালিদমন নাটত কালিনাগ সকলো প্রকাৰৰ ক্রূৰতা, অহংকাৰ আৰু দর্পৰ মূর্ত প্রতীক। দর্প, অহংকাৰ আদি কু-প্রবৃত্তিবোৰে যেন সহস্র ফণা মেলি মানুহৰ মনোজগতত অশান্তিৰ প্রলয়-ধুমুহাৰ সৃষ্টি কৰে। এই কু-প্রবৃত্তিবোৰ হৰিভক্তিৰ প্রধান অন্তৰায়। যেতিয়ালৈকে দর্প-অহংকাৰ আদি কু-প্রবৃত্তিবোৰ মনৰ পৰা আঁতৰি নাযায়, তেতিয়ালৈকে হৰিভক্তিৰ পথেৰে আগবঢ়া কোনোপধ্যে সম্ভৱ হৈ নুঠে। মনোজগতৰ পৰা এই কু-প্রবৃত্তিবোৰ দূৰ হ'লে ভগৱৎভক্তিৰ বাবে শান্ত-সমাহিত এক অনন্য সুন্দৰ পৰিৱেশৰ সৃষ্টি হয়। ভগৱান কৃষ্ণই কালিনাগক দমন কৰাৰ মাজেৰে ভক্তিৰ প্রতিকূল প্রবৃত্তিবোৰৰ পৰাজয় দাঙি ধৰাৰ প্রয়াস কৰিছে। কালিনাগৰ ফণাসমূহৰ ওপৰত উঠি ভগৱান শ্রীকৃষ্ণই নৃত্য কৰিবলৈ লোৱাৰ ৰূপকাত্মক অর্থ হ'ল ভগৱানৰ মহিমাৰ দ্বাৰা ক্রূৰতা, দর্প, অহংকাৰ আদি কু-প্রবৃত্তিসমূহ বিনষ্ট হোৱা। শ্রীকৃষ্ণ হৈছে দুষ্টক দমন কৰোঁতা, সন্তক পালন কৰোঁতা। বিষ্ণুৰ অৱতাৰৰ উদ্দেশ্যও 'পৰিত্রাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্'। কালিনাগে কালিন্দী হ্রদত বিষাক্ত দেহ-মন লৈ বিষাক্ত পৰিৱেশ সৃষ্টি কৰি আছিল। পাপসাগৰত ডুব গৈ থকা সাংসাৰিক মানুহবো সেই একেই অৱস্থা। এনে জ্বালা-যন্ত্রণাময় সংসাৰৰ পৰা উদ্ধাৰ পোৱাৰ একমাত্র উপায় পৰম পুৰুষ কৃষ্ণৰ চৰণত শৰণ লোৱা।

সমস্ত জগতৰ অধিকাৰী পৰম ব্রহ্ম ভগৱান শ্রীকৃষ্ণৰ প্রকৃত মাহাত্ম্য অনুধাৱন কৰিব পাৰি কালিনাগে যেতিয়া জগতৰ ঈশ্বৰ শ্রীকৃষ্ণক 'শিৰে চৰণ পৰশি পৰণাম কয়ল' তেতিয়া সি সকলো দর্প, অহংকাৰৰ ঊর্ধ্বত এক শান্ত সমাহিত ৰূপ লাভ কৰিলে। অর্থাৎ, শ্রীকৃষ্ণৰ পদ-পংকজত শৰণ লৈ মহাপাপীজনেও মুক্তি লাভ কৰিব পাৰে। এইদৰে বিচাৰ কৰিলে কালিদমন নাটত ৰূপকাত্মক বৈশিষ্ট্য প্রত্যক্ষ কৰা যায়। গতিকে আলোচ্য নাটখনিক ৰূপকাত্মক নাট আখ্যা দিয়াটো অসমীচীন নহয়।

চৰিত্র নাটকৰ এক গুৰুত্বপূর্ণ উপাদান। চৰিত্র অবিহনে নাটকীয় ঘটনাৰ বিকাশ সম্ভৱ নহয়। আন কথাত চৰিত্র আৰু কাহিনী একেটা মুদ্রাৰে ইপিঠি-সিপিঠিৰ দৰে। নাটকীয় কাহিনীয়ে উপযুক্ত চৰিত্রাংকনৰ মাজেৰে নিটোল ৰূপ পৰিগ্রহণ কৰিব পাৰে। অংকীয়া নাটতো শংকৰদেৱে কাহিনী বিন্যাস বা ৰস সৃষ্টিতেই আবদ্ধ নাথাকি চৰিত্র

চিত্রণৰ ক্ষেত্রতো বিশেষ পাৰদর্শিতা দেখুৱাইছে। আধুনিক নাটকৰ চৰিত্র চিত্রণৰ দৰেই শংকৰদেৱে অংকীয়া নাটৰ চৰিত্র সৃষ্টিৰ ক্ষেত্রতো নিজৰ দক্ষতাৰ পৰিচয় দিছে। এইক্ষেত্রত তেওঁৰ *পাৰিজাত হৰণ, ৰুক্মিণীহৰণ* আদি নাট বিশেষভাৱে উল্লেখনীয়। অৱশ্যে এই নাটক কেইখনৰ তুলনাত শংকৰদেৱে *কালিদমন* নাটৰ চৰিত্র সৃষ্টিত বিশেষ মনোযোগ দিয়া যেন ধাৰণা নহয়। প্রকৃততে নাটখনত চৰিত্র চিত্রণৰ বাবে কোনো অৱকাশো নাই। ইয়াত নাট্যকাৰে শ্রীকৃষ্ণৰ পৰম পুৰুষত্ব প্রকাশ কৰাৰ বাবেহে আৱশ্যকীয় চৰিত্র কেইটামান সৃষ্টি কৰি লৈছে। ভক্তিৰসৰ অনুকূলে অদ্ভুত, ভয়ানক আৰু কৰুণ ৰসৰ পোষকৰূপে ঘটনাৰ ব্যাখ্যাকাৰী হিচাপেহে চৰিত্রসমূহে ইয়াত কাম কৰিছে। নাটখনৰ উল্লেখযোগ্য চৰিত্রকেইটা হৈছে শ্রীকৃষ্ণ, যশোদা আৰু কালিনাগ।

- শ্রীকৃষ্ণ ঃ *কালিদমন* নাটৰ মুখ্য চৰিত্র হ'ল শ্রীকৃষ্ণ। তেওঁৰ নাটৰ নায়ক। এফালে মানৱীয় আৰু আনফালে ঐশ্বৰিক — এই দুয়োটা ৰূপৰ সু-সমন্বয়ত কৃষ্ণ চৰিত্রটো নাটখনত উজলি উঠিছে। সাধাৰণ দৃষ্টিত কৃষ্ণ গোপবালক, লগৰীয়াৰ সৈতে বৃন্দাবনত গৰু চৰাই ফুৰা সাধাৰণ গৰখীয়া। সেইবাবেই কালিন্দী হ্রদত জাঁপ দিয়াৰ পাছত কালিনাগে মর্মস্থানত দংশন কৰাত আৰু নেজেৰে মেৰিয়াই ধৰাত তেওঁ সাধাৰণ মনুষ্যৰ দৰে কিছু সময় মৰা ভাও জুৰি পৰি থাকি ব্রজবাসীক কন্দুৱাইছে — "পৰম ঈশ্বৰ শ্রীগোপাল মনুষ্য চেষ্টা দৰশি বিষলাগি মৃতক স্বভাৱে সর্পক বন্ধনে পৰি ৰহল। তাহে পেখি শিশুসৱ প্রাণ অন্তৰীক্ষ ভেল। হা হা স্বামি, কি ভেলি, হামাক প্রাণ জীয়াই তোহো আপুনে মৰল। তোহো বিনে হামো কেমনে জীৱন ৰাখবো..."

  এয়া কৃষ্ণৰ মানৱীয় ৰূপ। কিন্তু মানৱীয় ৰূপতকৈ নাটখনত কৃষ্ণ এক অলৌকিক শক্তিসম্পন্ন চৰিত্রৰ ৰূপতহে অংকিত হৈছে। তেওঁৰ কার্যাৱলীৰ মাজেৰে প্রকাশ পাইছে ভগৱানৰ অপাৰ মহিমা, অপৰিসীম শক্তি আৰু সাহসিকতা। কৃষ্ণ চৰিত্রৰ ঐশ্বৰিক দিশটো প্রকট কৰিবলৈ নাটৰ আৰম্ভণিতেই নাট্যকাৰে সূত্রধাৰৰ মুখেৰে এইদৰে ব্যক্ত কৰিছে— "আহে সভাসদ লোক, যে জগতক পৰম গুৰু পৰম পুৰুষ পুৰুষোত্তম সনাতন ব্রহ্মমহেশসেবিতচৰণপঙ্কজ নাৰায়ণ শ্রীশ্রীকৃষ্ণ উহি সভামধ্যে কালিদমন নাম লীলাযাত্রা কৌতুকে কৰব, তাহে সাৱধানে দেখহ শুনহ।"

  গতিকে মানৱীয় স্পর্শাতীত শ্রীকৃষ্ণই 'মনুষ্য চেষ্টা'ৰে দু�ৰাচাৰসকলৰ দর্পচূর্ণ কৰি পৰম বৈষ্ণৱ ভক্তসকলক ৰক্ষা কৰি নিজ লীলাহে প্রকাশ কৰিছে। তেওঁ দুষ্টক দমন আৰু সন্তক পালন কৰোঁতা। যেতিয়াই ভক্ত বিপদৰ সম্মুখীন হয় তেতিয়াই ভগৱানে অলৌকিক শক্তিৰে ভক্তক বিপদৰ পৰা উদ্ধাৰ কৰি ধর্মৰ জয় ঘোষণা কৰে। নাটখনিত কৃষ্ণৰ জয়ৰ যোগেদি ভগৱানৰ মহিমা আৰু কালিনাগৰ পৰাজয়ৰ যোগেদি দুর্জনৰ পৰাজয়েই দেখুওৱা হৈছে।



জানি থোৱা ভাল

শংকৰদেৱৰ ছয়খন নাটৰ ভিতৰত কেৱল *ৰামবিজয়* নাটৰ বিষয়বস্তু *ভাগৱত পুৰাণ*ৰ ভিতৰুৱা নহয়। এই নাটখনিৰ কাহিনীভাগ *ৰামায়ণ* মহাকাব্যৰ পৰা আহৰণ কৰা হৈছে। ইয়াৰ কেন্দ্রীয় চৰিত্র ভগৱান শ্রীৰাম। আনহাতে বাকী পাঁচখন নাটত কৃষ্ণক কেন্দ্রীয় চৰিত্রৰূপে চিত্রিত কৰা হৈছে।

ভগৱান নির্গুণ। সেয়ে সর্পৰ অহংকাৰ আৰু দম্ভ দেখি ক্রোধান্বিত হ'লেও পিছ মুহূর্ততে সেই সর্পৰ স্তুতিতে শ্রীকৃষ্ণৰ হৃদয় প্রশান্ত হৈ পৰিছে আৰু কালিনাগক অভয়দান দিছে — "আহে কালি সর্পৰাজ, তুহু ভয় নাহি কৰবি। হামাক প্রসাদে ওহি মায়া সংসাৰ তোহাৰ নিস্তৰল। সম্প্রতি ওহি যমুনা হ্রদক চোৰি তোহাৰি পূর্বস্থান ৰমণক দ্বীপ, তাহে লাগি সপৰিবাৰে চলহ, ঐ চলহ। গৰুড়ক কিছু শংকা নাহি কৰবি। হামাৰ চৰণক চিহ্ন ধ্বজ বজ্র পংকজ তোহাৰি ফণাত লাগি ৰহল। তাহে পেখি হামাক ভয়ে গৰুড়ে কিছু কৰব নাহি।"

ভগৱানৰ অনুগ্রহ লাভ কৰিব পাৰিলে সকলো বিপদ-বিঘিনি আঁতৰি যায়— এই আদর্শকে নাটখনৰ মাজেৰে প্রকট কৰি তোলা হৈছে। 'কালিৰ দর্পচূর্ণ' আৰু 'বনাগ্নি পান' - এই দুয়োটা ঘটনাতে শ্রীকৃষ্ণৰ শ্রেষ্ঠত্ব প্রতিপন্ন হৈছে।

- যশোদা ঃ *কালিদমন* নাটত যশোদাৰ চৰিত্রটি চিৰন্তন মাতৃ হিচাপে চিত্রিত হৈছে। নাটখনৰ অন্যান্য চৰিত্রতকৈ যশোদাৰ চৰিত্রটি মানৱীয় বৈশিষ্ট্যৰে সমুজ্জ্বল। চৰিত্রটোৰ গাত কিছুমান লৌকিক দুর্বলতা আৰোপ কৰাত কম-বেছি পৰিমাণে চৰিত্রটো বাস্তৱতাৰ কাষ চাপি আহিছে। বহু সাধনাৰ ফলত পুত্র হিচাপে পোৱা শ্রীকৃষ্ণ যশোদাৰ প্রাণস্বৰূপ। সেয়ে প্রাণৰ পুতলি কৃষ্ণৰ কিবা অথন্তৰ হোৱা শুনিলেই যশোদা বিহ্বল হৈ পৰে। পুত্রৰ অবিহনে যশোদাই নিজৰ জীৱনৰ কোনো সার্থকতা বিচাৰি নাপায়। সেইবাবে তেওঁ কৈছে— "অয়ে পাপী সৰপ, পুত্রক প্রাণ লেলি। আহেক সংগে দংশি হামাক মাৰ।" ক্রূৰ কালিনাগৰ দংশন হেতু যেতিয়া কৃষ্ণৰ আসন্ন মৃত্যুৰ বাতৰি যশোদাৰ কাণত পৰিলগৈ, তেতিয়া মাতৃ হৃদয় আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। 'হা কৃষ্ণ, হা কৃষ্ণ' বুলি উধাতু খাই কালিন্দী হ্রদৰ পানীত পৰিবলৈ লৰি আহিল আৰু কান্দি কান্দি অচেতন হৈ পৰিল। তাৰ পাছত কিঞ্চিৎ চেতনা লাভ কৰি পুত্রশোকানলত দগ্ধ মাতৃয়ে পুত্রৰ মুখলৈ চাই ক'বলৈ ধৰিলে— "আহে প্রাণ মাধাই, কত তপসাই তোহাক পুত্র পাৱলো। অল্পতে অনাথিনী কয় হামাক তেজল। দেখু তোহাৰি সন্তাপে জীৱ ৰহয়ে নাহি।" এই বর্ণনাত মাতৃহৃদয়ৰ সার্বজনীন ভাব-অনুভূতিৰ ৰূপায়ণ বাস্তৱসম্মতভাৱে সমুজ্জ্বল হৈ উঠিছে। কৃষ্ণৰ বিৰহত যশোদাৰ অন্তৰত যি মর্মস্পর্শী দুখ-বেদনাৰ সৃষ্টি হৈছে, তাক প্রকৃততে

সমস্ত মাতৃ-হৃদয়ৰ শোক আৰু কাৰুণ্য বুলিব পাৰি। যশোদাৰ চৰিত্ৰৰ যোগেদি শংকৰদেৱে এগৰাকী পুত্ৰপ্ৰাণা, স্নেহশীলা জননীৰ সজীৱ চিত্ৰ অংকন কৰাত সফলতা লাভ কৰিছে।

- কালিনাগ ঃ নাটখনত শংকৰদেৱে কালিনাগক অতি ভয়ানক এক বিষাক্ত সৰ্পৰূপে চিত্ৰিত কৰিছে। সৰ্প হ'লেও এই সৰ্পৰ গাত মানৱীয় গুণ কিছুমান আৰোপ কৰা হৈছে। ই ক্ৰূৰতা, অহংকাৰ আৰু দৰ্পৰ মূৰ্ত প্ৰতীক। এই দানৱীয় প্ৰবৃত্তিসমূহ হৰিভক্তিৰ প্ৰধান অন্তৰায় স্বৰূপ। শ্ৰীকৃষ্ণই কালিৰ দৰ্প চূৰ্ণ কৰি ভক্তিৰ পথ সুগম কৰি জগতত শান্তি প্ৰতিষ্ঠা কৰে। বৈষ্ণৱ ধৰ্মৰ এই আদৰ্শ কালিনাগ চৰিত্ৰৰ জৰিয়তে দাঙি ধৰা হৈছে। তদুপৰি, কৌটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰস্বৰূপ শ্ৰীকৃষ্ণৰ মাহাত্ম্য বুজি পাই যেতিয়া জগতৰ স্বামী শ্ৰীকৃষ্ণক 'শিৰে চৰণ পৰশি এ পৰণাম কয়ল' তেতিয়াহে কালিনাগৰ সকলো বিপদ বিঘিনি, দৰ্প-অহংকাৰ দূৰ হৈছে। দৰাচলতে, ভগৱানৰ অভয় চৰণত শৰণ লোৱাৰ পাছত অহংকাৰীজনেও যে তেওঁৰ অনুগ্ৰহ লাভ কৰে এনে বৈষ্ণৱ আদৰ্শকে এই চৰিত্ৰৰ মাজেৰে নাট্যকাৰে দেখুৱাব পাৰিছে। নাটখনত কালিনাগৰ পৰাজয়ৰ যোগেদি হৰিভক্তিৰ অন্তৰায় স্বৰূপ কু-প্ৰবৃত্তিবোৰৰ নাশ হোৱা দেখুৱা হৈছে।

উল্লিখিত প্ৰধান চৰিত্ৰকেইটিৰ উপৰি নাটখনত আন চৰিত্ৰ কিছুমানেও ক্ষন্তেকলৈ ভুমুকি মাৰিছে। এই গৌণ চৰিত্ৰবোৰ হৈছে নাগ-পত্নীসকল, গোপশিশুবোৰ, গোপ-গোপীসকল, বলভদ্ৰ আদি। এই চৰিত্ৰবোৰে নাটৰ কাহিনীৰ বিকাশত মুখ্যৰূপে নহ'লেও কিছু ভূমিকা গ্ৰহণ কৰিছে। কিয়নো, এই গৌণ চৰিত্ৰবোৰৰ মাজেৰেই কৃষ্ণৰ পৰম পুৰুষত্ব সুন্দৰকৈ প্ৰতিভাত হৈছে। যিহেতু সাৰ্থক চৰিত্ৰায়ন অংকীয়া নাটৰ প্ৰধান উদ্দেশ্য নহয়, সেয়েহে দুই-এক চৰিত্ৰ বাস্তৱ ৰূপত ৰূপায়িত হ'লেও বেছিভাগ চৰিত্ৰৰ মাত্ৰ আভাসহে দিয়া হৈছে। মুঠতে, এক কথাত ক'বলৈ গ'লে কালিদমন নাটৰ চৰিত্ৰ-চিত্ৰণত মহাপুৰুষ শংকৰদেৱ সম্পূৰ্ণ সফলকাম হৈছে আৰু এই চৰিত্ৰবোৰৰ মাধ্যমেৰে তেওঁৰ মূল আদৰ্শ বৰ্তাই ৰাখিবলৈ সমৰ্থ হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ কালিদমন নাটখনিত বনাগ্নি পানৰ কাহিনীভাগ সংযোগ কৰাৰ প্ৰধান কাৰণ কি?

.....

১১.৪.৩ ৰস-বিচাৰ

আমি অংকীয়া নাটৰ ৰস সম্বন্ধে কিছু কথা ইতিমধ্যে জানি আহিছোঁ। এতিয়া

আমাৰ পঠনীয় নাট *কালিদমনত* নাট্যৰস কিদৰে প্ৰকাশিত হৈছে সেই বিষয়ে কিছু আলোকপাত কৰিম। আপুনি ইতিমধ্যে বুজিব পাৰিছে যে সংস্কৃত নাটকৰ দৰে অংকীয়া নাটৰো মূল লক্ষ্য 'ৰস-সৃষ্টি'। কিন্তু, পাৰ্থক্য মাত্ৰ ইয়াতেই যে সংস্কৃত নাটত লৌকিক ৰস অৰ্থাৎ শৃংগাৰ, হাস্য, বীৰ, কৰুণ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক, বীভৎস, শান্ত — এই নৱবিধ ৰসৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কিন্তু, অংকীয়া নাটত এই নৱৰসৰ সঞ্চাৰ ঘটে যদিও ইয়াৰ অন্তৰালত ফল্গু ধাৰাৰ দৰে অহৰহ বৈ থাকে ভক্তিৰসৰ প্ৰৱাহ।

মহাপুৰুষ শংকৰদেৱৰ *কালিদমন* নাটৰ ৰসৰ বিচাৰতো এই কথা স্পষ্ট। অংকীয়া নাটসমূহ যিহেতু ভক্তিৰস প্ৰধান; সেয়ে কালিদমন ইয়াৰ ব্যতিক্ৰম হ'ব নোৱাৰে। ইয়াত— বীৰ, অদ্ভুত, ভয়ানক, কৰুণ আদি লৌকিক ৰসৰ সমাৱেশ ঘটিছে যদিও ভক্তিৰসেই ইয়াৰ প্ৰধান ৰস। অৰ্থাৎ, ইয়াত চিত্ৰিত সকলোবোৰ লৌকিক ৰসেই অৱশেষত ভক্তিৰসত নিমজ্জিত হৈছে।

নাটখনত কৃষ্ণই দুষ্টমতি কালিনাগৰ ফণাৰ ওপৰত উঠি নৃত্য কৰাৰ বৰ্ণনা সন্নিৱিষ্ট কৰা হৈছে। কালিন্দী হ্ৰদৰ পানী খাই গোপবালক আৰু গো-সম্পদ মৃত্যুমুখত পৰাত কৃষ্ণই অমৃত দৃষ্টি নিক্ষেপ কৰি সিবিলাকক জীয়াই তুলিছে। তাৰ পাছত হ্ৰদত থকা কালিনাগক দমনৰ উদ্দেশ্যে কালিৰ সহস্ৰ ফণাৰ ওপৰত উঠি প্ৰচণ্ড নৃত্য আৰম্ভ কৰিছে। পৰম পুৰুষ ভগৱান কৃষ্ণৰ নাচৰ ভৰ সহ্য কৰিব নোৱাৰি বিয়াগোম বিষধৰ কালি অৱশেষত মুমূৰ্ষু হৈ পৰিছে। পৰিশেষত কৃষ্ণৰ আদেশত কালিনাগ কালিন্দী হ্ৰদ এৰি ৰমণক দ্বীপলৈ যাবলৈ বাধ্য। এনেদৰে, নাট্যকাৰে কালিদমন নাটত কৃষ্ণৰ বীৰত্বৰ মাজেৰে বীৰ ৰসৰ সৃষ্টি কৰিছে।

তদুপৰি, কালিন্দী হ্ৰদৰ বিষাক্ত পানী খাই অচেতন হৈ পৰি থকা গোপ শিশুসকলক শ্ৰীকৃষ্ণই 'অমৃত নয়নে' চাই পুনৰ জীয়াই তোলা কাৰ্যত অদ্ভুত ৰসৰ সঞ্চাৰ ঘটিছে। তেনেদৰে, নাটৰ দ্বিতীয় অংশত শ্ৰীকৃষ্ণৰ দ্বাৰা বনাগ্নি পানৰ দৃশ্য সংযোগ কৰা হৈছে। কালিনাগক দমন কৰাৰ পাছত ৰাতি হোৱাত শ্ৰীকৃষ্ণই ব্ৰজবাসীসকলৰ সৈতে হ্ৰদৰ পাৰতে ৰাতিটো কটাবলৈ ঠিৰাং কৰে। তেনেতে ৰাতি তেওঁলোকক বনপোৰা জুয়ে আৱৰি ধৰিলে। সকলোৱে ভয়ত ত্ৰাহি হৰি স্মৰিলে। ইয়াতে নাটখনত ভয়ানক ৰসৰ প্ৰকাশ ঘটিছে। কৃষ্ণই গোপশিশু আৰু অইন সকলোৰে মনৰ ভয় আঁতৰ কৰিবলৈ সেই বনাগ্নি মুখেৰে পান কৰিলে। "ওহি বোলি ঈশ্বৰ চেষ্টা দেখাই তত্তকালে সে প্ৰচণ্ড বহ্নিক মুখে পান কয়ল। দুৰ্ঘোৰ বহ্নি যৈচে জল পৰিত্ৰ তত্তকালে নিৰ্ব্বান গেল।" কৃষ্ণই বনাগ্নি পান কৰা এই কাৰ্য দৰাচলতে এক অতিলৌকিক আৰু অদ্ভুত কাৰ্য। সেয়ে এই দৃশ্য দেখিলে পাঠক-দৰ্শকৰ মনত অদ্ভুত বা আশ্চৰ্যজনক ভাবৰ উদয় হোৱাটো স্বাভাৱিক। এনে দৃশ্যৰ জৰিয়তে নাটখনত অদ্ভুত ৰসৰ সুন্দৰ সমাৱেশ ঘটিছে বুলি ক'ব পাৰি।

অৱশ্যে, বীৰ, ভয়ানক আৰু অদ্ভুত ৰসৰ উপৰি কালিদমন নাটত কৰুণ ৰসৰ সমাৱেশো কিছু পৰিমাণে দেখা যায়। সাধাৰণতে আত্মীয়-স্বজনৰ বিয়োগত মানুহৰ

অন্তৰত যি শোক বা কাৰুণ্যৰ সৃষ্টি হয় আৰু নাটত যেতিয়া তেনে দৃশ্য দেখুওৱা হয়, তেতিয়া তেনে ধৰণৰ দৃশ্য চাই দর্শক-পাঠকৰ অন্তৰ কৰুণাৰে বিগলিত হয়। কালিদমন নাটখনতো কালিনাগৰ কবলত পৰি শ্রীকৃষ্ণৰ মৃত্যু হোৱা বুলি ভাবি গোপ শিশুবোৰে- "হা হা স্বামী, কি ভেলি, হামাক প্রাণ জীয়াই তোহো আপুনে মৰল। তোহো বিনে হামো কেমনে জীৱন ৰাখবো..." বুলি কালিন্দী হ্রদৰ পাৰত বহি কান্দিবলৈ লৈছিল। আকৌ 'গোপালক মৰণ মিলিল' বুলি বুকুত ভুকুৰাই শ্রীকৃষ্ণক চাবলৈ গোপ-গোপীসকলৰ লগত নন্দ-যশোদা অহাৰ পিছত মনুষ্য ৰূপ দেখুৱাই থকা মৃতপ্রায় কৃষ্ণক দেখি গোপীসকলেও বিননি জুৰিছিল। তদুপৰি, নাটখনত শ্রীকৃষ্ণৰ বিয়োগজনিত দুখত যশোদা মাতৃৰ হৃদয়ৰ পৰা নিগৰি ওলোৱা কান্দোনৰ সুৰ অতি মর্মস্পর্শী। যশোদাই কান্দি কান্দি মৃতপ্রায় কৃষ্ণক কৈছে — "আহে প্রাণ মাধাই, কত তপসাই তোহাক পুত্র পাৱলো। অল্পতে অনাথিনী কয় হামাক তেজল। দেখু তোহাৰি সন্তাপে জীৱ ৰহয়ে নাহি। হা হা ওহি চান্দ বদনক কাহে দেলো। হামাৰ পুত্রক কে লিয়া যাই, গোধূলি আজু বংশী বজাই কে ব্রজক যাৱব, কাহেক ধূলা ঝাৰি বুকে বান্ধি কোলে ধৰব, কাহেক গোৰস পান কৰাৱব। কি ভেলি, আজু মেৰি কৃষ্ণ বাপ, কাহা গেলি এৰাএগা উহি তোহাৰি সন্তাপ।" গোপশিশু, গোপীসকল আৰু যশোদাৰ মাতৃ হৃদয়ৰ এনে মর্মস্পর্শী বিলাপ-বিননিয়ে কালিদমন নাটত কৰুণ ৰসৰ সমাৱেশ ঘটাইছে।

এনেদৰে, *কালিদমন* নাটত বীৰ, ভয়ানক, অদ্ভুত, কৰুণ আদি বিবিধ ৰসৰ সমাৱেশ ঘটিছে যদিও নাট্যকাৰৰ অভিপ্রেত উদ্দেশ্য হৈছে 'কৃষ্ণস্তু ভগৱান স্বয়ম' — এই আদর্শ প্রতিষ্ঠা কৰা। সেয়েহে নাটখনত শ্রীকৃষ্ণৰ বীৰত্ব আৰু অদ্ভুত কার্য-কলাপত তেওঁৰ মানৱীয় দিশতকৈ ঐশ্বৰিক দিশটোহে বেছি প্রোজ্জ্বল হৈ উঠিছে। সেইবাবেই নাটখনত বিভিন্ন লৌকিক ৰসৰ প্রকাশ ঘটিছে যদিও সেইবোৰৰ অন্তৰালত ভক্তিৰসৰ প্রৱাহহে লক্ষ্য কৰা যায়। অংকীয়া নাটত সকলোবোৰ লৌকিক ৰসেই অৱশেষত ভক্তি ৰসত নিমজ্জিত হয় আৰু *কালিদমন* নাটতো এই কথাই প্রতীয়মান হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ কালিদমন নাটখনিত কি কি ৰসৰ সমাৱেশ ঘটিছে?

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অংকীয়া নাট মহাপুৰুষ শংকৰদেৱৰ এক অনুপম স্বকীয় ৰচনা। সংস্কৃত নাট্য-ৰীতি আৰু অসমৰ লোকনাট্যধর্মী অনুষ্ঠান —এই দুই ধাৰাৰ দ্বাৰা শংকৰদেৱ অনুপ্রাণিত হৈছিল আৰু তাৰেই সুসংমিশ্রণেৰে এই অপূর্ব নাট্যৰীতিৰ সূচনা কৰিছিল। 'অংকীয়া নাট' শব্দটোৰ তাৎপর্য তথা অংকীয়া নাটৰ উৎপত্তি সম্পর্কে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- অংকীয়া নাট ৰচনাৰ কলা-কৌশল সম্পর্কে অধ্যায়টোত বহলাই আলোচনা কৰি ইয়াৰ প্রধান বৈশিষ্ট্য কেইটাৰ বিষয়েও সার্বিকভাৱে আলোকপাত কৰা হ'ল।
- মহাপুৰুষজনাৰ নাটকেইখনৰ ভিতৰত *কালিদমন* বিশেষভাৱে উল্লেখযোগ্য। *ভাগৱত-পুৰাণ*কে ধৰি বিভিন্ন পুৰাণ, উপ-পুৰাণৰ পৰা মূল ঘটনা আহৰণ কৰি তেওঁ এই নাটখনি ৰচনা কৰিছে। বৃন্দাবনৰ কালিন্দী হ্রদৰ পানী বিষাক্ত কৰা ক্রূৰমতি কালিনাগৰ দর্পচূর্ণ আৰু বনাগ্নি পান নাটখনিৰ মূল প্রতিপাদ্য বিষয়। কালিনাগ দমনৰ জৰিয়তে কৃষ্ণ-মাহাত্ম্য প্রচাৰ আৰু ভক্তিধর্মৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টিয়েই নাটখনিৰ ঘাই উদ্দেশ্য। মানৰ মনৰ কু-প্রবৃত্তিবোৰৰ প্রতীক কালিনাগৰ দমনে নাটখনিক ৰূপকধর্মিতাও প্রদান কৰিছে। মুঠতে 'দুষ্টক দমন সন্তক পালন' - এই নীতিয়েই নাটখনিৰ মাজেৰে ঘোষিত হৈছে।
- অন্যান্য অংকীয়া নাটৰ দৰে মহাপুৰুষজনাৰ এই নাটখনিৰো প্রধান লক্ষ্য দর্শক-পাঠকক ভক্তিৰসৰ আস্বাদ দিয়া। তাৰ বাবে কালিনাগৰ দৰে দুর্জনৰ সৈতে স্বয়ং ভগৱান কৃষ্ণৰ সংঘাতৰ অৱতাৰণা কৰা হৈছে।
- কালিনাগৰ দর্পচূর্ণৰ লগে লগে নাটখনিৰ পৰিসমাপ্তি ঘটিব লাগিছিল যদিও গুৰুজনাই এই মুখ্য ঘটনাটোৰ সৈতে 'বনাগ্নি পান' শীর্ষক উপঘটনা এটিও সংযোজন কৰিছে। কৃষ্ণৰ মহিমা প্রকাশৰ জৰিয়তে ভক্তিধর্মৰ প্রতি সর্বসাধাৰণক আকর্ষিত কৰাৰ উদ্দেশ্য নিহিত হৈ থকা হেতুকেই নাটখনিৰ কাহিনী বিন্যাসত কিছু শিথিলতা প্রত্যক্ষ কৰা যায়।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] দেৱ গোস্বামী, কেশৱানন্দ (1979);*অঙ্কমালা*; গুৱাহাটী ঃ বনলতা।

2] নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

3) নেওগ, মহেশ্বৰ (সম্পা.)(1986); *গুৰু-চৰিত-কথা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

4] নেওগ, মহেশ্বৰ (1963]; *শ্রীশ্রীশংকৰদেৱ;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

5] বৰ্মন, শিৱনাথ (সম্পা.) (1997); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

6] ভৰালী, শৈলেন (1990); *নাটক আৰু অসমীয়া নাটক;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

7] ভৰালী, শৈলেন (1994); *নাট্যকলা ঃ দেশী আৰু বিদেশী;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

8) ভট্টাচার্য, হৰিচন্দ্র (1988); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (আদিৰ পৰা 1967 চন পর্যন্ত);* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

9] মহন্ত, প্রদীপ জ্যোতি (2007); *শংকৰদেৱৰ শিল্প লোক;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

10] মেধি, কালিৰাম (সম্পা.)(1950); *অঙ্কাৱলী;* গুৱাহাটী।

11) শর্মা, সত্যেন্দ্রনাথ (2002]Ê, *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

12) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

13] Neog, M. (s.l.). *Bhaona : The Ritual Play of Assam.* New Delhi: Sangeet Natak Akademi.

14) Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

15) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'অংকীয়া নাট' শব্দটো শংকৰদেৱে তেওঁৰ নাট্য-শিল্পক বুজাবলৈ ব্যৱহাৰ কৰা নাছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱৰ নাটকেইখনক ঝুমুৰা আখ্যা দিয়া হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ অংকীয়া নাটত নান্দী শ্লোক সূত্রধাৰে পাঠ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ অংকীয়া নাটৰ প্রধান ৰস ভক্তিৰস।

৫ নং প্রশ্নৰ উত্তৰ ঃ অংকীয়া নাটত থকা চাৰি প্রকাৰৰ গীত হ'ল ক) ভক্তিপ্রধান গুৰুগম্ভীৰ ভটিমা, খ) নাটকীয় কাহিনীৰ অংগীভূত ৰাগ-তালযুক্ত অনুভূতিশীল গীত, গ) বর্ণনাত্মক পয়াৰ, আৰু ঘ) প্রৱেশৰ গীত।

৬ নং প্রশ্নৰ উত্তৰ ঃ *কালিদমন* নাটৰ আধাৰ গ্রন্থ কেইখনৰ নাম হ'ল *ভাগৱত পুৰাণ, বিষ্ণুপুৰাণ, হৰিবংশ আৰু ব্রহ্মবৈৱর্ত্ত পুৰাণ।*

৭ নং প্রশ্নৰ উত্তৰ ঃ *কালিদমন* নাটত দুটা, ক্রমে কালিদমন আৰু বনাগ্নি পানৰ স্বয়ং-সম্পূর্ণ ঘটনাৰ সমাৱেশ ঘটিছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ *কালিদমন* নাটখনিত বনাগ্নি পানৰ কাহিনীভাগ সংযোগ কৰাৰ প্রধান কাৰণ হ'ল কৃষ্ণৰূপী ভগৱানৰ অপাৰ মহিমা প্রকাশ কৰা।

৯ নং প্রশ্নৰ উত্তৰ ঃ *কালিদমন* নাটখনিত বীৰ, ভয়ানক, কৰুণ, অদ্ভুত আদি ৰসৰ সমাৱেশ ঘটিছে যদিও সকলো ৰস ভক্তিৰসত নিমজ্জিত হৈছে।।



১১.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) নান্দী শ্লোক মানে কি? ই কেই প্রকাৰৰ?

খ) অংকীয়া নাট বুলিলে কি বুজে?

খ) ভটিমা মানে কি আৰু ই কেই প্রকাৰৰ?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অংকীয়া নাটৰ ৰস সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ চমুটোকা লিখক — অংকীয়া নাটৰ সূত্রধাৰ, অংকীয়া নাটৰ ভাষা, কালিনাগ

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ *কালিদমন* নাটত শ্রীকৃষ্ণৰ ঐশ্বৰিক মহিমা কিদৰে প্রকাশিত হৈছে বিশ্লেষণ কৰক।

প্রশ্ন ২ ঃ অংকীয়া নাটৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলচ যুগুত কৰক।

প্রশ্ন ৩ ঃ *কালিদমন* নাটৰ আলমত অংকীয়া নাটৰ ভাষাৰ বিষয়ে এটি আলচ যুগুত কৰক।

প্রশ্ন ৪ ঃ *কালিদমন* নাটৰ কাহিনী-বিন্যাস আৰু চৰিত্র-চিত্রণত নাট্যকাৰ কিমানদূৰ সফল হৈছে বিচাৰ কৰক।

*** ***** ***